# বিনন্দিয়ান

## বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়, ৰামদিয়া

### ছাত্ৰ একতা সভাৰ বাৰ্ষিক মুখপত্ৰ

### তৃতীয় সংখ্যা, ২০১৫-১৬ বৰ্ষ



ৰামদিয়াৰ মৃৎ শিল্প
থুনুমণি তালুকদাৰৰ গৱেষণাধৰ্মী লেখা ‘ওমেন ইডুকেশ্যন এণ্ড ৰুৰেল ইক’নমিক ডেভেলপমেণ্ট অব হীৰা কমিউনিটি’ৰ লগত সম্পৰ্কিত আলোকচিত্ৰ













# বিনন্দিয়ান

বিনন্দি চন্দ্র মেধি মহাবিদ্যালয়, ৰামদিয়া

ছাত্র একতা সভাৰ বাৰ্ষিক মুখপত্ৰ

তৃতীয় সংখ্যা ॥ ২০১৫-১৬ বৰ্ষ


নীলোৎপল শৰ্মা
তত্ত্বাৱধায়ক
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ

মইনুল হক চৌধুৰী
সম্পাদক
আলোচনী বিভাগ
ছাত্র একতা সভা



# বিনন্দিয়ান

বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়, ৰামদিয়া
ছাত্ৰ একতা সভাৰ বাৰ্ষিক মুখপত্ৰ
তৃতীয় সংখ্যা ॥ ২০১৫-১৬ বৰ্ষ

প্ৰচ্ছদ
ৰাগ

অন্তৰ্ভাগৰ অলংকৰণ
হিতেশ হাজৰিকা
জিতুমণি শৰ্মা

অক্ষৰ বিন্যাস
খাইৰুল হক চৌধুৰী


মুদ্ৰণ
ছোহানা ডিজাইন এণ্ড প্ৰিন্টিং
ডিমু-ডোবক চাৰিআলি, কামৰূপ (অসম)
দূৰভাষ ঃ ৯৬১৩৯৫৯৯৬


## সম্পাদনা সমিতি

মুখ্য উপদেষ্টা
ড° ধ্ৰুৱজ্যোতি চৌধুৰী

উপদেষ্টামণ্ডলী
চফুৰ আলী
অতুল চন্দ্ৰ কাকতি
শ্ৰীকান্ত বৈশ্য

সভাপতি
অসিত কুমাৰ পাল
(ভাৰপ্ৰাপ্ত অধ্যক্ষ)

তত্ত্বাৱধায়ক
নীলোৎপল শৰ্মা

শিক্ষক প্ৰতিনিধি
মীনা কুমাৰী দাস
ভদ্ৰেশ্বৰ ডেকা
ৰেজেক আলী
দিলীপ দাস
চাহিদুৰ ৰহমান

সম্পাদক
মইনুল হক চৌধুৰী

ছাত্ৰ সদস্য
বংকিম ডেকা
চালামুদ্দিন আহমেদ
স্বপ্না কলিতা
ইফটিকাৰ চৌধুৰী

# উচৰ্গা

যিসকল ব্যক্তিয়ে
মহাবিদ্যালয় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত
অপৰিসীম ত্যাগ আৰু পৰিশ্ৰমেৰে
উত্তৰপুৰুষক উপকৃত কৰি গ'ল
সেইসকল ব্যক্তিৰ
পৱিত্ৰ স্মৃতিত
ৰূপালী জয়ন্তীৰ মাহেন্দ্ৰক্ষণত
'বিনন্দিয়ান'
উচৰ্গা কৰা হ'ল।

সম্পাদনা সমিতি
'বিনন্দিয়ান'

# শ্ৰদ্ধাঞ্জলি

কোনে জানে
কেতিয়া আৰু ক'ত
মৃত্যুৱে আহি
দুৱাৰত টোকৰ দিব...

বিগত বৰ্ষ আৰু এই বৰ্ষত যিসকল ব্যক্তিয়ে
সমাজ, সাহিত্য, সংস্কৃতি, ৰাজনীতিৰ ক্ষেত্ৰত অপৰিসীম অৱদান
আগবঢ়াই আমাৰ মাজৰ পৰা চিৰদিনলৈ আঁতৰি গ'ল সেইসকল
ব্যক্তিৰ আত্মাৰ চিৰশান্তি কামনাৰে..

সম্পাদনা সমিতি
'বিনন্দিয়ান'

# কৃতজ্ঞতা

মুখপত্ৰখন প্ৰকাশৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ
ভাৰপ্ৰাপ্ত অধ্যক্ষ, শিক্ষক-শিক্ষয়িত্ৰীবৃন্দ, কৰ্মচাৰী আৰু
ছাত্ৰ-ছাত্ৰীসকলে আগবঢ়োৱা সহযোগিতাৰ বাবে সকলোকে
কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সম্পাদনা সমিতি
'বিনন্দিয়ান'

চিৰ চেনেহী মোৰ ভাষা জননী

# অসম সাহিত্য সভা



ড° ধ্ৰুৱজ্যোতি বৰা
সভাপতি, অসম সাহিত্য সভা

## শুভেচ্ছাবাণী

কামৰূপ জিলাৰ ৰামদিয়া অঞ্চলৰ মৰ্যাদাপূৰ্ণ শিক্ষানুষ্ঠান বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ৰ মুখপত্ৰ ‘বিনন্দিয়ান’ৰ ২০১৫-১৬ বৰ্ষৰ সংখ্যাটি প্ৰকাশ কৰাৰ যো-জা চলিছে বুলি শুনি পৰম সন্তোষিত হৈছো। যিকোনো মহাবিদ্যালয়ৰেই বছৰেকীয়া মুখপত্ৰখন এই বিশেষ শিক্ষানুষ্ঠানৰ বৌদ্ধিক দাপোণস্বৰূপ। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকলৰ সাহিত্য-সংস্কৃতি আৰু বৌদ্ধিক চৰ্চাৰ উমান পোৱা যায় এই মুখপত্ৰখনত।

মহাবিদ্যালয় পৰিয়ালৰ বিভিন্নজনৰ সু-চিন্তিত তথা নতুনত্বৰ আৱেশ ধ্বনিত হোৱা লিখনীৰে ‘বিনন্দিয়ান’ শুৱনি হওক আৰু এচাম প্ৰতিভাশালী নতুন লিখকৰ সবল মঞ্চৰূপে ‘বিনন্দিয়ান’ সমাদৃত হওক— তাকেই কামনা কৰিলো আৰু মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো।

চিৰ চেনেহী মোৰ ভাষা জননী

তাৰিখ ঃ ১৮ শাওন, ১৪২৩ ভাস্কৰাব্দ
৩ আগষ্ট, ২০১৬ খ্ৰীষ্টাব্দ

(ধ্ৰুৱজ্যোতি বৰা)
সভাপতি
অসম সাহিত্য সভা



গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY
Gopinath Bardoloi Nagar, Guwahati
Assam : India, PIN - 781 014
Website : www.gauhati.ac.in

ড° মৃদুল হাজৰিকা
উপাচাৰ্য
Dr. Mridul Hazarika
Vice-Chancellor

# MESSAGE

I am happy to learn that Binandi Chandra Medhi College, Ramdia, Assam is going to publish its annual college magazine for the session 2015-16 very soon. College magazine is a strong medium for the constituent members of a college for intellectual exercise. It carries sentiments, emotions, creativity and objectivity to integrate into a totality of views of a community at a given time. It also provides scope for manifestation of hidden talents in the college.

I wish all success in their mission.

Date : 03.08.2016

**(Mridul Hazarika)**

E-mail : vc_gu@yahoo.in, vc@gauhati.ac.in :: Ph. No.: +91-361-2570412 (O), 2570408 (R) :: Fax : +91-361-2675515

সদৌ অসম ছাত্র সন্থা
ALL ASSAM STUDENTS' UNION
মুখ্য কাৰ্য্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়
H. O. : GAUHATI UNIVERSITY, GUWAHATI - 781 014
Website : htta//aasu.m 2014.net
Phone : 2571130 2602890


প্ৰসঙ্গ ঃ

দিনাংক ঃ ২-০৮-২০১৬

# শুভেচ্ছাবাণী

মাধৱদেৱৰ পদৰেণু ৰঞ্জিত ঐতিহ্যমণ্ডিত ৰামদিয়াৰ উচ্চ শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়, ৰামদিয়াৰ বাৰ্ষিক মুখপত্ৰ 'বিনন্দিয়ান' প্ৰকাশ কৰিব বুলি জানিব পাৰি আনন্দিত হৈছোঁ। অসমৰ সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰৰ কেইবাগৰাকী প্ৰসিদ্ধ পুৰুষৰ জন্মস্থান ৰামদিয়াৰ এই শিক্ষানুষ্ঠানখনে বৃহত্তৰ অঞ্চলটিত বৌদ্ধিক উৎকৰ্ষ সাধনত ইতিমধ্যেই যথেষ্ট অৱদান আগবঢ়াইছে। সু-সংস্কৃতিৱান ৰামদিয়া অঞ্চলত লোক-সংস্কৃতিৰ প্ৰতিফলনৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীৰ মানসিকতাৰ প্ৰতিফলক 'বিনন্দিয়ান' অঞ্চলটিৰ বাবে এক আপুৰুগীয়া দলিলৰূপে চিহ্নিত হ'ব বুলি আমাৰ ঐকান্তিক আশা। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত জীৱনৰ সাহিত্যিক-সাংস্কৃতিক ব্যুৎপত্তিৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ মুখপত্ৰৰ অৱদানক নুই কৰিব নোৱাৰি। মই আশা ৰাখিম, মুখপত্ৰখনৰ জৰিয়তে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অনাগত দিনত অসমৰ সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত নিজকে প্ৰতিষ্ঠিত কৰাৰ এক সুৱৰ্ণ সুযোগ লাভ কৰিব।

জয় আই অসম

দিনাংক ঃ ২ আগষ্ট, ২০১৬

(ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য)
মুখ্য উপদেষ্টা
সদৌ অসম ছাত্ৰ সন্থা

BINANDI CHANDRA MEDHI COLLEGE, RAMDIA




# অধ্যক্ষৰ বাৰ্তা...

যিসকল মহান ব্যক্তিৰ অপৰিসীম ত্যাগ, অক্লান্ত শ্ৰমৰ ফলত বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়, ৰামদিয়াই আজিৰ পৰ্যায় পালে সেইসকল ব্যক্তিলৈ মোৰ লেখাৰ আৰম্ভণিতে আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। লগতে যিসকল ব্যক্তিয়ে এই মহান শিক্ষানুষ্ঠানটি জন্ম দি আমাৰ মাজৰপৰা চিৰদিনৰ বাবে আঁতৰি গ'ল সেইসকল ব্যক্তিলৈয়ো ৰূপালী জয়ন্তীৰ পৱিত্ৰ ক্ষণত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

গুৱাহাটী মহানগৰীৰপৰা প্ৰায় ত্ৰিশ কিলোমিটাৰ আঁতৰত আৰু পঞ্চতীৰ্থ হাজোৰ নিকটৱৰ্তী মাধৱদেৱৰ পদৰেণু ৰঞ্জিত ঐতিহাসিক ৰামদিয়াৰ উচ্চ শিক্ষাৰ একমাত্ৰ শিক্ষানুষ্ঠান বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়, ৰামদিয়াই জন্মলগ্নৰেপৰা বৃহত্তৰ অঞ্চলটিৰ সামগ্ৰিক বিকাশৰ বাবে অপৰিসীম প্ৰচেষ্টা চলাই আহিছে আৰু অনাগত দিনতো এয়া অব্যাহত থাকিব। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক, মানসিক বিকাশৰ দুৰন্ত স্বপ্ন আগত ৰাখি আমি চলোৱা প্ৰচেষ্টাই অনাগত দিনত অসম তথা ভাৰতবৰ্ষৰ সাৰ্বিক কল্যাণ সাধিব বুলি আমাৰ একান্ত বিশ্বাস।

বৃহত্তৰ ৰামদিয়া অঞ্চলৰ ৰাইজৰ অক্লান্ত শ্ৰম, ত্যাগৰ বিনিময়ত জন্ম লাভ কৰা আমাৰ সম্নেহৰ মহাবিদ্যালয়খনে অহা ১৩ আগষ্ট, ২০১৬ তাৰিখে পঁচিশ বছৰত পদাৰ্পণ কৰিব। মহাবিদ্যালয় কৰ্তৃপক্ষ আৰু বৃহত্তৰ ৰামদিয়া অঞ্চলৰ ৰাইজৰ বাবে এই ক্ষণ ৰূপালী ক্ষণ, সেয়ে এই মাহেন্দ্ৰ ক্ষণত মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী মহোৎসৱৰ শুভাৰম্ভণী অনুষ্ঠান পঁচিশতম প্ৰতিষ্ঠা দিৱস উপলক্ষে অহা ১৩ আগষ্ট, ২০১৬ত বিস্তৃত কাৰ্যসূচীৰে উদ্‌যাপন কৰা হ'ব আৰু বৰ্ষজোৰা কাৰ্যসূচীৰে ৰূপালী জয়ন্তী মহোৎসৱৰ বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰা হ'ব।

ৰূপালী জয়ন্তী মহোৎসৱৰ সমূহ কাৰ্যসূচীত সকলোৰেপৰা ইতিবাচক সঁহাৰি, গঠনমূলক পৰামৰ্শ বিচাৰি মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি লেখাৰ সামৰণি মাৰিলোঁ।

ধন্যবাদ...

অসিত কুমাৰ পাল
ভাৰপ্ৰাপ্ত অধ্যক্ষ



# চিন্তা সুখ-চিন্তা দুখ

**কবিতাৰ বাণিজ্যিকীকৰণ ঃ**

বন্ধুৰ ফোন। কলেজীয়া বন্ধু। তেওঁ বৰ সমস্যাত পৰিছে। মানে শেষ যৌৱনত তেওঁৰ এজনী ছোৱালী ভাল লাগিছে। ভাল পাওঁ বুলি ক'বলৈ সাহস গোটাব পৰা নাই। ইপিনে সপোনে-দিঠকে বন্ধুৰ চকুৰ আগত লাস্যময়ী প্ৰেয়সীৰ ছবি, অনবৰতে প্ৰেয়সীক দৰ্শন কৰাৰ দুৰ্বাৰ হেঁপাহ, বিছনাত পেট পেলাই গাৰুটোত মুখ গুজি অলীক সপোন ৰচনা, আকৌ আনফালে ছোৱালীজনীৰ সন্মুখীন হ'লে সাইলাস মেলেৰিয়া ৰোগীৰ দৰে কঁপনি... বন্ধুৰ সমস্যা মূলতঃ এইখিনিয়েই। মই বন্ধুক সুধিলোঁ মই তেওঁক কিদৰে সহায় কৰিব পাৰোঁ। (কলেজীয়া দিনত তেওঁৰ পৰা দুই-তিনিটা চিঙৰা খোৱাৰ কথা মনত পৰে) বন্ধুৱে পলম নকৰি ছোৱালীজনীৰ দৈহিক বিৱৰণ আগবঢ়ালে— ওখ, ক্ষীণ, চুলিবোৰ কাৰ্লি। মই বিৰক্ত হ'লোঁ। স্পষ্টকৈ তেওঁক সুধিলোঁ— মই কি কৰিব লাগে। তেওঁ ক'লে— তেওঁক মই এটা ৰোমাণ্টিক কবিতা লিখি দিব লাগে, তাৰ পিছত সেইটো তেওঁ ছোৱালীজনীক দিব। বন্ধুৰ সম্পূৰ্ণ বিশ্বাস মোৰ শব্দৰ ঝংকাৰে ছোৱালীজনীৰ হৃদয় মমৰ দৰে গলাই পেলাব আৰু তাৰ প্ৰেম সাৰ্থক হ'ব। কবিতাটোৰ বিনিময়ত তেওঁ মোক তন্দুৰী ৰুটী আৰু চিকেন কাৰী খুৱাব বুলিও প্ৰতিশ্ৰুতি দিলে। কবিতাৰ বাণিজ্যিকীকৰণ। বন্ধুৰ ভুল নাই।

**স্বাৰ্থপৰতা ঃ**

গাড়ীৰ স্পীড বেছি নাছিল। কুকুৰটোৰো অৱশ্যে ভুল নাছিল। হাস্পতাল। বেণ্ডেজ আৰু মলম লগাই ডাক্তৰে লিখি দিয়া তালিকা অনুসৰি ওচৰৰ ফাৰ্মাচীৰ পৰা মুঠ ছশ টকাৰ ঔষধ ক্ৰয় কৰি বাইকখনত উঠিলোঁ। ছেলফ ষ্টাৰ্ট। ঘৰলৈ ওভতাৰ পথত কুঁৱলীৰ মাজত এজাক কুকুৰ দেখিলোঁ। সিহঁতৰ দেহত তেজ বিৰিঙি উঠিছে।

**যান্ত্ৰিক ঃ**

ৰজতৰ সাংবাদিক হোৱাৰ মন। লক্ষ্য— সমাজ সংস্কাৰ, দুৰ্নীতি নিৰাময় আৰু সংহতি। বিশ্ববিদ্যালয়ৰ সাংবাদিকতা বিভাগত সি নামভৰ্তি কৰিলে, ভাল ৰিজাল্ট কৰি পৰীক্ষাত উত্তীৰ্ণ হ'ল আৰু প্ৰথমটো ইণ্টাৰভিউতে আগশাৰীৰ নিউজ চেনেল এটাত চাকৰিও পালে। দৰিদ্ৰ পিতৃৰ মুখলৈ অলপ হাঁহি আহিল। ৰজতৰ চাকৰি জীৱনৰ প্ৰথম দিন। তিনিমহলীয়া ঘৰটোৰ ওপৰ মহলাত চেনেলটোৰ মুৰব্বীৰ সৈতে সৌজন্যমূলক সাক্ষাৎ। মুৰব্বীয়ে ৰজতক ক'লে— 'আজিকালি প্ৰতিযোগিতাৰ যুগ। তুমি এক্টিভ হ'ব লাগিব। ধৰি লোৱা, আদাবাৰীত এটা মাৰ্ডাৰ হৈছে, তাত গৈ তুমি প্ৰথমতেই উপস্থিত হ'ব লাগিব। আকৌ ধৰা অমুকত বলাৎকাৰ হৈছে, ক'ৰবাত উগ্ৰবাদীসকলে ব্যৱসায়ী অপহৰণ কৰিছে— এনেকুৱাধৰণৰ খবৰ আন চেনেলতকৈ তুমি আগতে সংগ্ৰহ কৰিব লাগিব। শগুনে যিদৰে মৃত জন্তুৰ দেহ বিচাৰি ফুৰে, তেনেকৈ। পাৰিবানে? ৰজত নিশ্চুপ হৈ ৰ'ল। দেউতাকৰ পকা দাড়িৰে সৈতে ৰুগ্ন মুখখন তাৰ চকুৰ আগত ভাহি উঠিল। সি ক'লে— 'পাৰিম'।

**সংস্থাপনহীনতা ঃ**

মদ্যশালাৰ চিনাকি বাৰাণ্ডা, চিনাকি খুঁটা আৰু অলপ অচিনাকি নিচা। আচলতে নিচা বেছি হৈছে। ইচ্ছাকৃতভাৱে লগাই লোৱা হৈছে। বটলৰ পিছত বটল শেষ কৰা হৈছে। প্ৰথম অৱস্থাত এই প্ৰক্ৰিয়াটোত দুটকাৰ কেঁচা মুগ, দ্বিতীয় স্তৰত নিমখ আৰু শেষ স্তৰত জলকীয়াক সংগী কৰি লোৱা হৈছে। মোৰ ভাৰসাম্যহীনতাৰ অন্ত নাছিল। ফিল্টাৰ চিগাৰেটৰ পেকেটৰ পৰা বিড়ি এটা উলিয়াই এহোপা মৰাৰ পিছত মই মদ্যশালাৰ বাৰাণ্ডাৰ পৰা চোতালত পৰি গৈছিলোঁ। আকাশত জোনটি আছিল। দেউতা মাষ্টৰ আছিল। আদৰ্শবাদী আছিল। তেওঁ এইবোৰ ভাল নাপাইছিল।

তত্বাৱধায়ক, 'বিনন্দিয়ান'



# চিন্তন-মন্থন

প্ৰতিবেদনৰ উলাহতে পোন প্ৰথমে মই যিসকল ব্যক্তিৰ প্ৰচেষ্টাত বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়, ৰামদিয়া অঞ্চলত প্ৰতিষ্ঠাপন কৰা হৈছে সেইসকল ব্যক্তিলৈ শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। 'বিনন্দিয়ান' এই মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ। ই মহাবিদ্যালয়ৰ জীৱনৰেখা। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-কৰ্মচাৰীবৃন্দৰ লিখনি প্ৰকাশ কৰি উৎসাহ যোগোৱাৰ ক্ষেত্ৰত উল্লেখযোগ্য বৰঙণি আগবঢ়াই আহিছে বিনন্দিয়ানে।

আমাৰ অসমীয়া ভাষা হৈছে মাতৃভাষা। এই ভাষাৰ জৰিয়তে আমাৰ ভাব বিনিময় হোৱাৰ লগতে স্মৃতিৰ বাকচ খোল খায়। সাহিত্য আমাৰ আপুৰুগীয়া সম্পদ। নিজ ভাষাৰ সাহিত্যই আমাৰ সামাজিক, আৰ্থিক, ধৰ্মীয় ভাষিক আদি প্ৰতিচ্ছবি সুন্দৰভাৱে প্ৰস্ফুটিত কৰে। সাহিত্য হ'ল বিভিন্ন স্তৰৰ সংযোগ মাধ্যম। সাহিত্য সাধনাই স্পন্দিত কৰে জনগণৰ মন আৰু হৃদয়।

ভাষা সাহিত্য বিকাশ কৰে বিভিন্ন ধৰণৰ গ্ৰন্থই। ১৮৪৬ চনতে বেপ্টিষ্ট মিছনেৰী প্ৰেছৰ পৰা অৰুনোদয় শীৰ্ষক প্ৰথম অসমীয়া আলোচনী প্ৰকাশ কৰে। এই আলোচনীখন প্ৰকাশৰ সময়ৰ পৰাই মহাবীজৰ অংকুৰণ ঘটিছিল। পিছৰ সময়ছোৱাত আসাম নিউজ আদিৰ মাধ্যমেৰে অসমীয়া সাহিত্যিক এচামৰ সৃষ্টি হৈছিল।

বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়, ৰামদিয়াৰ বিনন্দিয়ানৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যত বৰ্ষৰ সম্ভাৱনীয়তা প্ৰকাশ পায়। ২০১৫-১৬ বিনন্দিয়ানৰ তৃতীয় সংখ্যাৰ গুৰু দায়িত্ব মোৰ দৰে এজন অনভিজ্ঞ ছাত্ৰক অৰ্পণ কৰা হৈছে। কেতিয়াবা আলোচনীৰ কাম-কৰিবলৈ বহিলে শংকাত ভুগিব লগা হয়। জানোচা আলোচনীখনে পূৰ্ণাংগ ৰূপ পালেও নানা আঁসোৱাহ ৰৈ যায় আৰু এই বিষয়ত নিশ্চয় সম্পাদক জগৰীয়া হ'ব লাগিব। এনে ক্ষেত্ৰত আমি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক কৰ্মচাৰীৰ পৰা লেখনিসমূহ সংগ্ৰহ কৰিবলৈ পাই মই বহুত আনন্দ অনুভৱ কৰিছোঁ আৰু মহাবিদ্যালয়ৰ তৰফৰপৰা আমি আটাইলৈ কৃতজ্ঞতা আৰু শলাগ যাচিছোঁ।

বিনন্দিয়ানৰ বাবে বিভিন্ন সময়ত বিভিন্ন ধৰণৰ চিন্তা-চৰ্চা আৰু দিহা-পৰামৰ্শৰে মোক সহায় কৰা ছাৰ-বাইদেউ, ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী, দাদা-বাইদেউ সকলোকে মোৰ তৰফৰপৰা আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

মইনুল হক চৌধুৰী
সম্পাদক, 'বিনন্দিয়ান'
বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়, ৰামদিয়া

# ৰূপালী জয়ন্তী ঃ কাব্যিক অনুভূতি

**চাইদুৰ ৰহমান**
**সহকাৰী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ**

ইংৰাজী ১৯৯২ চনৰ ১৩ আগষ্ট তাৰিখ
তোমাৰ জন্ম ঐতিহাসিক অঞ্চল
ৰামদিয়াৰ বুকুত।
তুমি ৰামদিয়া ৰাইজৰ সামূহিক পৰিশ্ৰমৰ
এক সজীৱ বাস্তৱ
বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়, তুমি সপোন
বৃহত্তৰ ৰামদিয়াবাসীৰ।
তোমাৰ বুকুত আলোকিত হয় ৰামদিয়াৰ বাৰেবৰণীয়া
সংস্কৃতিৰ সমন্বয়ৰ এনাজৰী।
তুমি এক বোঁৱতী ধাৰাৰ সোঁতত পৰিৱৰ্তিত হ'লা
ভৰ যৌৱনা ৰূপালী জয়ন্তী বৰ্ষলৈ
তোমাৰ জ্ঞানৰ দাপোণত উদ্ভাসিত হয়
প্ৰতিজন ন নৰ-নাৰীৰ বাস্তৱ সপোন
বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয় তুমি প্ৰেৰণা
তুমিয়েটো জ্ঞানৰ গভীৰ সাগৰ একৈশ শতিকাৰ
তোমাৰ বিশাল জ্ঞানৰ সাগৰত প্ৰতিজন জ্ঞান-সন্যাসীৰ
জীৱন হওক জ্ঞানেৰে আলোকিত
আৰু তুমি, তুমি যোৱা আগবাঢ়ি বিশ্ব দৰবাৰত
এক জীৱন্ত জ্ঞানৰ প্ৰহৰী হৈ
হে বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয় তোমাক যাচিছোঁ শত প্ৰণাম, শত অভিনন্দন
ৰূপালী জয়ন্তীৰ শুভ মুহূৰ্তত।

# ৰূপালী জয়ন্তী ঃ সাংগীতিক অনুভূতি

**কথা ঃ নীলোৎপল শৰ্মা**
**সহকাৰী অধ্যাপক, অসমীয়া বিভাগ**
**সুৰ আৰু সংগীত ঃ অনিল শৰ্মা**

কুৰি শতিকাৰ শেষ দশকত
বাজিছিল মূৰ্চ্ছনা কাৰ হৃদয়ত
মাধৱদেৱৰ পদৰেণুৰে ৰঞ্জিত হয়
পুণ্যভূমি ৰামদিয়া।
সূৰ্যোদয়ৰ আভা বিয়পি
উজলি উঠিছিল বিনন্দি
শত সহস্ৰৰ ত্যাগৰ বাবে
লভিছোঁ আজি পূৰ্ণ স্থিতি

সেই সপোনৰ শুভ বাতৰিত
ফুলিছে আজি আশাৰ চাকি
জ্ঞানৰ পোহৰে আজি নাশিছে
অন্যায়ৰ বিভীষিকা
জোনাকী পৰুৱাই কাণে কাণে আহি কয়
পোহৰৰ সুৰীয়া গান

সেই গানৰ সুৰত বাজে
অতীতৰ জয়গান
(কথা ঃ আহিছে বিনন্দি, পোহৰৰ সুৰুঙা খান্দি, জোনাকৰ মধুময় পথেদি, সাৰ পাই উঠিছে সভ্যতাৰ কিৰণত আশা আৰু প্ৰত্যাশাৰ চাকি, আহিছে বিনন্দি পোহৰৰ সুৰুঙা খান্দি, সেই পথ আমাৰ জীৱনৰ ৰথ, অম্লান, অক্লান্ত, অনিৰ্বাণ, অপ্ৰতিৰোধ্য, আমাৰ সপোনৰ পথ।)
বিনন্দিয়ান আমি
চাম পোহৰ জুমি
ৰূপালী অনুভূতি
হওক বৰ্ণিল কৃষ্টি
হওক হেঁপাহৰ সৃষ্টি...

# বিনন্দিয়ানৰ ভিতৰচ'ৰাত

**অতিথি আলয়**
বিশিষ্ট সাহিত্যিক অৰুণ শৰ্মাৰ সৈতে কথোপকথন ■ ১
সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতিৰ সৈতে সাক্ষাৎকাৰ ■ ৪
সামাজিক দায়িত্ববোধ আৰু লক্ষ্যধৰ চৌধুৰীৰ নাট্যকৃতী ■ ড° অমৰজ্যোতি চৌধুৰী ■ ৮
**চিন্তা সমুদ্ৰ**
বেজবৰুৱাৰ 'জয়মতী কুঁৱৰী' নাটত নাৰী ■ মীনা কুমাৰী দাস ■ ১১
অসমীয়া সাহিত্যত মালিতা গীত ■ ভদ্ৰেশ্বৰ ডেকা ■ ১৪
অসমীয়া সাহিত্যত ৰামায়ণৰ প্ৰভাৱ ■ দিলীপ দাস ■ ১৮
সমন্বয়ৰ ক্ষেত্ৰ পঞ্চতীৰ্থ হাজো ■ দৰ্পণা চৌধুৰী ■ ২১
অসমীয়া পেছাদাৰী নাট্যদল আৰু শ্ৰীমন্ত শংকৰদেৱ ■ ভূৱনেশ্বৰ ডেকা ■ ২৫
বিহুৰ পৰম্পৰা ইয়াৰ প্ৰাসংগিকতা আৰু ভৱিষ্যৎ ■ অৰূপ কাকতি ■ ২৮
সাহিত্যৰ ৰূপবৈচিত্ৰ্য ■ অজিত কলিতা ■ ৩১
অসমীয়া লোকসংস্কৃতিত বিশ্বাস ■ অভিজিৎ ডেকা ■ ৩৩
শ্ৰীশ্ৰীধাৰেশ্বৰ দেৱালয় ■ নৱনীতা মেধি ■ ৩৫
**মিশ্ৰ চিন্তা**
প্ৰজ্ঞাৰ সাধক ■ জয়া মেধি ■ ৩৯
এয়া কি জীৱন ■ অখিল পাঠক ■ ৪১
তহমিদা জান্নাতৰ ফেচবুক আপডেট ■ মইনুল হক চৌধুৰী ■ ৪২
ভাৰতীয় সেনা ■ নৱজ্যোতি ডেকা ■ ৪৪
সময় ■ দ্বীপজ্যোতি তালুকদাৰ ■ ৪৫
প্ৰেম-ভালপোৱা ■ জাহানাৰা খাতুন ■ ৪৬
প্ৰতিশ্ৰুতি ■ পৰিস্মিতা কলিতা ■ ৪৮
**Research Section**
Foreign Direct Investment in Indian Agricultural Sector : Opportunities and Challenges ■ Satyabati Medhi ■ ৪৯
The Bhatheli Festival of Ramdia : A Study ■ Lalit Chandra Bharali ■ ৬০
IDOL as an Institute in Imparting Higher Education under Gauhati University ■ Bijuli Deka ■ ৬৪
Heritage of Sankardeva and Muslims of Assam ■ Abdul Majid Ahmed ■ ৬৮
Status and Potentialities of Tourism in Assam ■ Manisha Majumdar ■ ৭৩
Research Methodology and the Role of Teacher in Teaching in the Secondary and Under Graduate Classes : A study ■ Shahidul Islam ■ ৭৫
Muslim in Assam : History of Assam's complex Muslim Spectrum ■ Jitendra Deka ■ ৮০
Role and Importance of Rashtriya Uchchatar Shiksha Abhiyan (RUSA) in Higher Education ■ Saidur Rahman ■ ৮৬
Women Education and Rural Economic Development of Hira Community– A study on Ramdia Mouza of Kamrup (R) District ■ Thunumoni Talukdar ■ ৮৮
Women Empowerment Through Panchayati Raj ■ Kakoli Das ■ ৯৬
**গল্প শিল্প**
ওজা বাবাৰ আশ্ৰম ■ ৰেজেক আলী ■ ১০২
কেমেষ্ট্ৰিৰ ৰসায়নবোৰ... ■ মুকুট পাঠক ■ ১০৩
অমিয়ই চুইচাইড কৰিলে... ■ নীলোৎপল শৰ্মা ■ ১০৬
হেৰুওৱা দিনৰ সপোনবোৰ ■ মফিদা খাতুন ■ ১০৮
প্ৰাপ্তি ■ পূৰবী মেধি ■ ১১০
প্ৰেম ■ কৰিশ্মা কলিতা ■ ১১২
**কাব্যানুভূতি**
ৰমেন দাস, ড° শেখৰজ্যোতি বৈশ্য, বৰষা ডেকা, বাহৰুল ইছলাম কাজি, চুমিতা কলিতা, স্বপ্না কলিতা, বংকিম ডেকা, আয়েছা চিদ্দিকা, ভাস্কৰজ্যোতি ৰাভা, চান্দাম হুছেইন, খচনুৰ আলী, সঞ্জীৱ কুমাৰ দাস, হীৰকজ্যোতি ডেকা, মৃদুল দাস, চালামুদ্দিন আহমেদ, দীপশিখা ডেকা, হাচমত আলী, খঞ্জন ৰাজবংশী, মিতালী ডেকা, উপেন্দ্ৰজিৎ মজুমদাৰ ■ ১১৪-১২৪
**আলোকচিত্ৰ শিতান**
ইটো সিটো বহুতো ■ ১২৫-১৩৪

# অতিথি আলয়

জ্ঞানপীঠ বিজয়ী সাহিত্যিক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যদেৱে এদিন মোক সুধিছিল— “জানানে, দেউতাৰই কিয় নাটকো কৰে, ৰাজনীতিও কৰে?” এৰা, তেখেতে মোৰ দেউতা লক্ষ্যধৰ চৌধুৰীক লৈয়ে এই প্ৰশ্ন সুধিছিল। উত্তৰো তেখেতে নিজেই দিছিল। “দুইটা কামৰ গুৰি কথা একেই বুজিছা। মানুহৰ ভাল হওক— দুখীয়া, দুৰ্বলীজনৰ ভাল হওক— সেই ইচ্ছাই হ'ল তেওঁৰ নাটকৰো প্ৰেৰণা, ৰাজনীতিৰো প্ৰেৰণা।

## প্ৰসিদ্ধ নাট্যকাৰ, সাহিত্য অকাডেমী বঁটাপ্ৰাপক বিশিষ্ট সাহিত্যিক

# মাননীয় অৰুণ শৰ্মাৰ সৈতে বিশেষ কথোপকথন

অৰুণ শৰ্মাৰ জন্ম ১৯৩১ চনৰ ৩ নৱেম্বৰ। 'দি টাইমচ্ অব আচাম' শীৰ্ষক ইংৰাজী কাকতৰ সম্পাদক স্বৰ্গীয় তিলক চন্দ্ৰ শৰ্মা আছিল তেওঁৰ পিতৃ। চতিয়া উচ্চ মাধ্যমিক বিদ্যালয় আৰু তেজপুৰ চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত স্কুলীয়া শিক্ষা সম্পন্ন কৰা অৰুণ শৰ্মাই কলেজীয়া শিক্ষা সম্পূৰ্ণ কৰে গুৱাহাটীৰ কটন কলেজত। শিক্ষা সমাপ্তিৰ পিছত অৰুণ শৰ্মাই 'দি আসাম ট্ৰিবিউন' কাকতৰ উপ-সম্পাদক, মধ্য ছয়দুৱাৰ উচ্চ মাধ্যমিক বিদ্যালয়ত সহকাৰী প্ৰধান শিক্ষক, আকাশবাণী গুৱাহাটী কেন্দ্ৰত জ্যেষ্ঠ অনুষ্ঠান প্ৰযোজক, আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ সঞ্চালক আৰু শেষত আকাশবাণীৰ উত্তৰ-পূৰ্বাঞ্চল সেৱাৰ সঞ্চালক হিচাপে অৱসৰ গ্ৰহণ কৰে।



তেওঁৰ ৰচনাসমূহৰ ভিতৰত উল্লেখযোগ্য পঞ্চল্লিশখন অনাতাঁৰ নাটক, পঞ্চাশখনৰো অধিক অনাতাঁৰ তথ্য-আলেখ্য, ভালেকেইখন টিভি ধাৰাবাহিকৰ কাহিনী, সোতৰখন মঞ্চ নাটক, ছখন উপন্যাস, এঘাৰখন উপন্যাস আৰু নাটকৰ অসমীয়া অনুবাদ, দুখন বৃহৎ সংকলন গ্ৰন্থৰ সম্পাদনা আৰু বিভিন্ন পত্ৰিকা আলোচনী আদিত প্ৰকাশিত এশৰো ওপৰ প্ৰবন্ধ।

অৰুণ শৰ্মাৰ প্ৰতিভাৰ চানেকি বহন কৰে তেখেতে লাভ কৰা বিভিন্ন বঁটা-পুৰস্কাৰে। ১৯৬৬ আৰু ১৯৬৭ চনৰ শ্ৰেষ্ঠ নাট্যকাৰ হিচাপে তেওঁ অসম সাহিত্য সভা বঁটা লাভ কৰে। ইয়াৰ উপৰি অসম নাট্য সন্মিলন বঁটা, জাপান অনাতাঁৰ আন্তৰ্জাতিক শ্ৰেষ্ঠ পুৰস্কাৰ, প্ৰি ফিউচাৰ বাৰ্লিন (প্ৰশংসা) পুৰস্কাৰ, সংগীত নাটক অকাডেমী বঁটা, অসম উপত্যকা সাহিত্য বঁটা, শৈলধৰ ৰাজখোৱা সাহিত্য বঁটা, শ্ৰীশংকৰাচাৰ্য ৰাষ্ট্ৰীয় (সাহিত্য) বঁটা আদি তেওঁ লাভ কৰে। ১৯৯৮ চনত তেওঁ বহুপঠিত, সুখপাঠ্য 'আশীৰ্বাদৰ ৰং'ৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰে। অসম নাট্য সন্মিলনৰ পাঁচ বছৰকাল সভাপতি আসন অলংকৃত কৰা অৰুণ শৰ্মাই ২০১০ চনত ভাৰত চৰকাৰৰ 'পদ্মশ্ৰী' সন্মান লাভ কৰে।

এইগৰাকী বিশিষ্ট ব্যক্তিৰ সৈতে আমি এটি সাক্ষাৎকাৰৰ সুযোগ লাভ কৰিছিলোঁ। প্ৰায় অসম্পাদিত ৰূপত এই সাক্ষাৎকাৰ পঢ়ুৱৈ সমাজলৈ আগবঢ়ালোঁ।



**প্ৰশ্ন - ১ ঃ আপোনাক নমস্কাৰ জনাইছোঁ। আপোনাক প্ৰথমতে সুধিব খুজিছোঁ, 'নাটক'ৰ লগত কিদৰে জড়িত হ'ল ? সেইজন 'অৰুণ শৰ্মা', যিগৰাকীয়ে প্ৰথমদিনা নাটকৰ ক্ষেত্ৰখনত খোজ পেলাইছিল আৰু আজিৰ 'অৰুণ শৰ্মা' —এক সুদীৰ্ঘ পৰিক্ৰমা, অলেখ কাহিনী— থোৰতে ক'ব নেকি ?**

উত্তৰ ঃ বিভিন্নজনৰ নাট্য প্ৰতিভাৰ প্ৰভাৱে মোৰ মনত নাট্যানুৰাগ গঢ়ি তুলিছিল। মোৰ দেউতা এগৰাকী মঞ্চ অভিনেতা আছিল। তেখেতে এসময়ত ডিব্ৰুগড়ত ৰাধাগোবিন্দ বৰুৱা, ৰোহিনী কুমাৰ বৰুৱা, মুক্তিনাথ বৰদলৈ, লক্ষ্মীনাথ দত্ত আদি ব্যক্তিসকলৰ সৈতে নাট্যাভিনয় কৰিছিল। দেউতাই তেতিয়া ডিব্ৰুগড়ত 'দ্য টাইমচ অব আছাম' নামৰ প্ৰথম অসমৰ ইংৰাজী বাতৰি কাকতখনৰ সম্পাদক আছিল। কাকতখনে জাতীয় কংগ্ৰেছ আৰু স্বাধীনতা সংগ্ৰামক সমৰ্থন দি ব্ৰিটিছ বিৰোধী নীতি গ্ৰহণ কৰাৰ বাবে পৃষ্ঠপোষকৰ সৈতে সংঘাত হয় আৰু তাৰ পৰিপ্ৰেক্ষিতত দেউতাই চাকৰি ইস্তাফা দিয়ে আৰু হেলেমৰ গাঁৱত মাটি লৈ ঘৰ বান্ধে। হেলেমত অহাৰ পিছত কিছুমান মানুহ গোটাই তেখেতে নাট্যাভিনয়ৰ উপযোগী মঞ্চ সাজি লয় আৰু অভিনয়ত মনোনিৱেশ কৰে। মই সৰুতেই দেউতাৰ সেই নাট্যাভিনয় দেখিছিলোঁ। তাৰ পিছত মামাৰ ঘৰত থাকি তেজপুৰত হাইস্কুলীয়া শিক্ষা ল'বলৈ আহিলোঁ। তেজপুৰত কৈশোৰ পাৰ হ'ল ঐতিহ্যমণ্ডিত বাণৰঙ্গমঞ্চৰ থিয়েটাৰ চাই, য'ত দেখিছিলোঁ ফণী শৰ্মা, বিষ্ণুপ্ৰসাদ ৰাভাৰ দুৰন্ত অভিনয় আৰু জ্যোতিপ্ৰসাদ আগৰৱালাৰ কালজয়ী নাট্য প্ৰযোজনা। এইসকল বিশিষ্ট ব্যক্তিৰ প্ৰভাৱে সৰুৰে পৰা মোৰ মনত নাট্য চেতনাৰ বীজ সিঁচিছিল। তাৰ পিছত গুৱাহাটীত ঐতিহ্যমণ্ডিত কটন কলেজত পঢ়িব আহিলোঁ। নাট্যচৰ্চাৰ আৰু বহল ক্ষেত্ৰ এখন পালোঁ। সেই সময়তে অল ইণ্ডিয়া ৰেডিঅ'ৰ নাট বিভাগৰ সৈতে মোৰ ঘনিষ্ঠ সম্পৰ্ক গঢ়ি উঠে। নাটক লিখিবলৈ ল'লোঁ, ইখনৰ পিছত সিখনকৈ। মানুহে মোক 'নাট্যকাৰ' বুলি মৰম কৰিবলৈ ধৰিলে। এয়াই সুদীৰ্ঘ পৰিক্ৰমা।

**প্ৰশ্ন - ২ ঃ 'নাটক' —এক সাধনা। আপুনি বিশ্বাস কৰেনে ? এই সাধনাত প্ৰবৃত্ত হ'বলৈ হ'লে আমি মানসিকভাৱে কিদৰে প্ৰস্তুত হ'ব লাগে ?**

উত্তৰ ঃ নাটক, সাহিত্য, শিল্পকলা এই সকলো দিশত সুপ্ৰতিষ্ঠিত হ'বলৈ সাধনাই একমাত্ৰ পথ। নাটকৰ ক্ষেত্ৰত সেই সাধনা মানে— দেশী-বিদেশী নাটক অধ্যয়ন কৰা, উৎকৃষ্ট নাটক চোৱাৰ সুযোগ গ্ৰহণ কৰা, নাট্যকলাত পাৰদৰ্শিতা প্ৰদৰ্শন কৰা ব্যক্তিৰ সৈতে কথা পতা, আলোচনা কৰা, মনটোক সামগ্ৰিকভাৱে নাট্যানুৰাগী কৰি তোলা, এনে প্ৰক্ৰিয়াৰ মাজেৰে তুমি কোৱা 'সাধনা'ত হয়তো প্ৰবৃত্ত হ'ব পৰা যায়।

**প্ৰশ্ন - ৩ ঃ সাম্প্ৰতিক অসমৰ নাট্যক্ষেত্ৰত নৱ-প্ৰজন্মৰ উত্থান আপুনি প্ৰত্যক্ষ কৰেনে ? বেছিভাগেই ব্যৱসায়িক মানসিকতা গ্ৰহণ কৰিছে নেকি ? সংস্কৃতিৰ বাণিজ্যিকৰণ— একাৰ্থত আমাৰ অৱক্ষয়ৰ প্ৰতিনিধি নেকি ?**

উত্তৰ ঃ নৱ-প্ৰজন্মৰ কিছু গহীন যুৱক-যুৱতীয়ে নাটকক অতি গুৰুত্ব সহকাৰে আদৰি লোৱা কথাটোহে মই বিশ্বাস কৰিব খোজো। তোমাৰ কথাখিনিৰ পিছৰ বাক্য দুটাৰ মাজেৰে প্ৰকাশ পোৱা সংশয়ৰ অৱকাশ নাই বুলি মই ভাবো।

**প্ৰশ্ন - ৪ ঃ সাম্প্ৰতিক অসমৰ পৰিস্থিতি (উগ্ৰবাদ, জনগোষ্ঠীয় সংঘাত, ভূমি বিবাদ, বিদেশী অনুপ্ৰৱেশ)য়ে আপোনাৰ মনত কেনেকুৱা প্ৰতিক্ৰিয়া সৃষ্টি কৰে? গীত-নৃত্য-নাট আদিক সমাজ সংস্কাৰৰ মাধ্যমস্বৰূপে লৈ শিল্পী অথবা সাংস্কৃতিক কৰ্মীসকলে বৰ্তমান সময়ত মূল্যবোধ সৃষ্টিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লগা হৈছে বুলি অনুভৱ কৰেনে ?**

উত্তৰ ঃ ময়দানত নামি সক্ৰিয়ভাৱে একো কৰিব নোৱাৰা নাইবা অপাৰগতাৰ বাবে মনৰ দ্বন্দ্ব আৰু ক্ষোভত ভোগো। লেখা-মেলাৰ মাজেৰে বিভিন্ন বিষয়-ঘটনাৰ বিৰুদ্ধে প্ৰতিবাদ দাঙি ধৰিব খোজে, কিন্তু দুৰ্বল কণ্ঠ। হয়, সাংস্কৃতিক কৰ্মী, Activist সকলে নিজ ক্ষেত্ৰখনৰ মাজেৰে বহু কাম কৰিব পাৰে আৰু কৰিছেও। জ্যোতিপ্ৰসাদে কৈছিল ঃ সংস্কৃতি হৈছে এপাত শক্তিশালী অস্ত্ৰ। ইয়াৰ জৰিয়তে সমাজৰ দুষ্কৃতি নিৰ্মূল কৰিব পাৰি।

**বিশেষকৈ নগৰ-চহৰৰ সমাজত বিত্তবান অভিভাৱকসকলে, যিসকলে সমাজৰ সকলো দিশত নিয়ন্ত্ৰণৰ ভূমিকা লয়, তেওঁলোকে সন্তানৰ ব্যক্তিসত্তাৰ ওপৰত সৰ্বস্ব গুৰুত্ব দি একমাত্ৰ সংস্থাপনমুখী উজ্জ্বল ভৱিষ্যত গঢ়ি তোলাৰ অপৰিসীম প্ৰয়াস কৰে।**

**প্ৰশ্ন - ৫ ঃ এটা চিন্তণীয় বিষয়— সাম্প্ৰতিক সময়ত অধিকাংশ অভিভাৱকে সন্তানক সাহিত্য-সংস্কৃতি অথবা অন্য দিশত আকৰ্ষিত কৰাৰ বিপৰীতে অসমৰ বাহিৰলৈ পঠিওৱাৰ অঘোষিত প্ৰতিযোগিতাত অৱতীৰ্ণ হোৱা যেন লাগে। সেইসকল অভিভাৱকে সভা-সমিতিয়ে জাতীয়তাবাদৰ প্ৰবল আবেগ দেখুৱাই বাস্তৱত ওলোটাহে কৰে। জাতীয়তাবাদত বিশ্বাসী প্ৰত্যেকজন অসমীয়াৰ বাবে এয়া দুৰ্ভাগ্য বুলি ভাবেনে? এই প্ৰতিপত্তিশীল লোকসকলৰ মানসিকতাৰ পৰিৱৰ্তন সাধন কৰিবলৈ সংস্কৃতিৰ মাধ্যমত জনমত সৃষ্টি কৰিব পৰা যাবনে?**

**উত্তৰ ঃ** প্ৰতিগৰাকী মানুহৰ দুটা সত্তা থাকে ঃ ব্যক্তিসত্তা আৰু সামাজিক সত্তা (Man is a social animal)। কিন্তু সম্প্ৰতি, বিশেষকৈ নগৰ-চহৰৰ সমাজত বিত্তবান অভিভাৱকসকলে, যিসকলে সমাজৰ সকলো দিশত নিয়ন্ত্ৰণৰ ভূমিকা লয়, তেওঁলোকে সন্তানৰ ব্যক্তিসত্তাৰ ওপৰত সৰ্বস্ব গুৰুত্ব দি একমাত্ৰ সংস্থাপনমুখী উজ্জ্বল ভৱিষ্যত গঢ়ি তোলাৰ অপৰিসীম প্ৰয়াস কৰে। কিন্তু এজন ব্যক্তি সম্পূৰ্ণ মানুহ (a complete man) হ'বলৈ হ'বলৈ ব্যক্তিসত্তা আৰু সামাজিক সত্তা দুয়ো দিশৰ বিকাশ সাধনত যে নিমগ্ন হ'ব লাগে সেই কথাক বহুতে অৱহেলা কৰা দেখা যায়। ইয়াৰ বাবেই আমাৰ সমাজত কিছুমান যন্ত্ৰমানৱৰ সৃষ্টি হৈছে, মানুহ গঢ়ি উঠা নাই। আৰু, তুমি একদম ঠিক কথাই কৈছা, অভিভাৱকসকলৰ এচামে সন্তানক সামাজিক দায়বদ্ধতাৰ ক্ষেত্ৰত ল'ব লগা শিক্ষা নিদি নিজে সমাজসেৱা, জাতীয়তাবাদৰ পোষকতা কৰে। এয়া ভণ্ডামিৰ বাহিৰে অন্য একো নহয়।

**প্ৰশ্ন - ৬ ঃ আপোনাৰ নাটক সৃষ্টিৰ প্ৰেৰণা... কল্পনা... বাস্তৱ ঘটনাৰ সূক্ষ্ম বিশ্লেষণ নে গভীৰ জীৱনবোধ...?**

**উত্তৰ ঃ** কোনো বিশেষ ব্যক্তিৰ নাইবা একোখন সমাজৰ সান্নিধ্যলৈ আহি কিছুমান অভিজ্ঞতাসমূহৰ যিবিলাকে মোৰ সৃষ্টিশীল মনত প্ৰেৰণাৰ সঞ্চাৰ কৰে, একো একোটা আইডিয়াৰ জন্ম দিয়ে তাৰ পৰাই এক নিৰ্দিষ্ট প্ৰক্ৰিয়াৰ মাজেৰে মোৰ লেখাৰ সৃষ্টি হয়। এই সৃষ্টি প্ৰক্ৰিয়াত কল্পনাৰ বিশেষ ভূমিকা থাকে। তুমি কোৱাৰ দৰেই দুয়ো দিশৰে এটি সংমিশ্ৰণ হয় ঃ বাস্তৱ ঘটনাৰ সূক্ষ্ম বিশ্লেষণ আৰু গভীৰ জীৱনবোধ।

**প্ৰশ্ন - ৭ ঃ প্ৰত্যেকগৰাকী পুৰুষৰ সফলতাৰ আঁৰত এগৰাকী নাৰীৰ প্ৰেৰণা নিহিত হৈ থাকে। আপোনাৰ ব্যক্তিগত জীৱনত বাইদেউৰ প্ৰেৰণা কিদৰে সংযুক্ত...?**

**উত্তৰ ঃ** তেওঁ মোৰ লেখা-মেলা কামবোৰত যাতে পৰিৱেশৰ সামান্যও ব্যাঘাত নপৰে তাৰ বাবে সদাসচেতন। লেখা কামত বিৰতি পৰিলে তেওঁ সকীয়াই থাকে— কি হ'ল একো লেখা নাই কিয়? মোৰ প্ৰতিটো লেখাৰ মোৰ পৰিবাৰ হ'ল প্ৰথমগৰাকী পঢ়ুৱৈ আৰু সমালোচক।

**প্ৰশ্ন - ৮ ঃ এখন ডেৰঘণ্টীয়া নাটৰ ক্ষেত্ৰত আপুনি কিহৰ ওপৰত বেছি জোৰ দিয়ে। মুখানিশ্ৰিত সংলাপ নে শাৰীৰিক ভাষা?**

**উত্তৰ ঃ** দুয়োটাই বিশেষ গুৰুত্বপূৰ্ণ। সংলাপ নিশ্চয় অতি গুৰুত্বপূৰ্ণ কিন্তু শৰীৰৰ ভাষা নাইবা অভিনয়েহে সংলাপক অৰ্থবহ কৰি তোলে, সৃষ্টিকৰ্মটোক সম্পূৰ্ণ কৰি তোলে।

**প্ৰশ্ন - ৯ ঃ 'সংঘাতে জীৱনৰ তৰংগ আনে' —আপুনি বিশ্বাস কৰেনে? আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰামত আপুনি দুৰ্জেয়। নিজক প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত আপুনি সংঘাতৰ সন্মুখীন হৈছিলনে? উল্লেখ কৰিব নেকি?**

**উত্তৰ ঃ** আত্মপ্ৰতিষ্ঠাৰ বাবে মই কেতিয়াও কোনো সংগ্ৰাম কৰিব লগা হোৱা নাই। সামান্য কিবা যদি সফলতা জীৱনলৈ আহিছে, সেয়া স্বাভাৱিক প্ৰক্ৰিয়াৰ মাজেৰে আহিছে, সদায় অনাকাংক্ষিত ভাবেই। প্ৰতিষ্ঠাৰ বাবে কোনো সংঘাতৰ সন্মুখীন হ'ব লগা হোৱা নাই।

**প্ৰশ্ন - ১০ ঃ আপোনাৰ অন্যতম নাটক 'নিবাৰণ ভট্টাচাৰ্য' সম্পৰ্কত এটা প্ৰশ্ন কৰিছোঁ। নাটখন মই পঢ়িছোঁ। স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ হিচাপে নাটখন সন্দৰ্ভত বিভিন্ন সমালোচনাও পঢ়িছোঁ। বিভিন্ন সমালোচকে নাটখনক এবছাৰ্ড নাটকৰূপে আলোচনা আগবঢ়াইছে। কিছুদিন আগত বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ এগৰাকী গৱেষকে আপোনাৰ নাটখনৰ ওপৰত গৱেষণা কৰি এবছাৰ্ডস্বৰূপে ব্যাখ্যা কৰি মৌখিক পৰীক্ষা (ভাইভা)ত প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল। মৌখিক পৰীক্ষা লোৱা ব্যক্তিগৰাকীৰ মতে এবছাৰ্ড নাটকৰ অন্যতম বৈশিষ্ট্য 'সংযোগহীনতা', 'নিবাৰণ ভট্টাচাৰ্য'ত অনুপস্থিত। নাটখন সন্দৰ্ভত আমাৰ মনত দোমোজাৰ সৃষ্টি হৈছে, এই সন্দৰ্ভত আপোনাৰ মন্তব্য বিষদভাৱে জানিব পাৰিমনে?**

**শেষত আপোনাৰ দীৰ্ঘায়ু কামনা কৰি সমুদ্ৰগভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।**

**উত্তৰ ঃ** উদ্ভট নাটক (Absurd play) সম্পৰ্কে মই কিছু পঢ়া-শুনা কৰি মোৰ 'আহাৰ' নামৰ নাটখনৰ পাতনিৰ বাবে এটি প্ৰবন্ধ লিখিছিলোঁ। মোৰ সেই লেখাটো পঢ়ি চাবা। তাৰ পিছত সেই প্ৰবন্ধটিৰ আলমত 'শ্ৰী নিবাৰণ ভট্টাচাৰ্য' নাটকখন বিশ্লেষণ কৰিবা। কথাবোৰ পৰিষ্কাৰ হ'ব। মোৰ দীৰ্ঘায়ু কামনা কৰাৰ বাবে আৰু মোক শ্ৰদ্ধা জ্ঞাপন কৰাৰ বাবে তোমাক ধন্যবাদ জনালোঁ।

**সাক্ষাৎ গ্ৰহণ ঃ তত্ত্বাৱধায়ক, 'বিনন্দিয়ান'**

## সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি

# মাননীয় দীপাংক কুমাৰ নাথৰ সৈতে বিশেষ সাক্ষাৎকাৰ



সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি দীপাংক কুমাৰ নাথৰ জন্ম গোৱালপাৰা জিলাৰ বাকাইটাৰী গাঁৱত। ৬নং বাকাইটাৰী নিম্ন বুনিয়াদী বিদ্যালয়ৰপৰা প্ৰাথমিক শিক্ষা লাভ কৰা দীপাংক কুমাৰ নাথে বাকাইটাৰী হাইস্কুলৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰ পিছত তেওঁ দুধনৈ মহাবিদ্যালয়ৰপৰা উচ্চতৰ মাধ্যমিক পৰীক্ষাত কৃতকাৰ্যতা লাভ কৰে স্নাতক পৰীক্ষাতো উত্তীৰ্ণ হয়। শিক্ষা বিষয়ক প্ৰধান বিষয় হিচাপে লৈ তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী আহৰণ কৰে। তাৰ পিছত তেওঁ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰপৰা সমাজশাস্ত্ৰ (Sociology) বিষয়ত আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ দূৰ আৰু মুক্ত শিক্ষা প্ৰতিষ্ঠান (IDOL)ৰ ৰপৰা অসমীয়া বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী আহৰণ কৰে। বৰ্তমান তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ দূৰ আৰু মুক্ত শিক্ষা প্ৰতিষ্ঠানত গণসংযোগ আৰু সাংবাদিকতা বিভাগত অধ্যয়ন কৰি আছে।

ছাত্ৰাৱস্থাৰপৰা সদৌ অসম ছাত্ৰ সন্থাৰ লগত জড়িত দীপাংক কুমাৰ নাথে দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উপ-সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। সদৌ গোৱালপাৰা জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰা দীপাংক কুমাৰ নাথে গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। ইয়াৰ উপৰি তেওঁ গুৱাহাটী বিশ্ববিদ্যালয় ক'ৰ্ট সভাৰ সদস্যৰূপেও সেৱা আগবঢ়াইছিল। সুদীৰ্ঘদিন সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক, উপ-সভাপতি পদত কাৰ্যনিৰ্বাহ কৰা দীপাংক কুমাৰ নাথ ২০১৫ চনত সদৌ অসম ছাত্ৰ সন্থাৰ দুধনৈ অধিৱেশনত সভাপতিৰূপে নিৰ্বাচিত হয়।

অসমৰ শিক্ষা ব্যৱস্থাৰ বিভিন্ন দিশ সম্পৰ্কে তেখেতৰ দৃষ্টিভংগীৰ উমান ল'বলৈ তেখেতৰ সৈতে আয়োজন কৰা বিশেষ সাক্ষাৎকাৰটি অসম্পাদিত ৰূপত পঢ়ুৱৈ সমাজলৈ আগবঢ়ালোঁ—

**প্ৰশ্ন - ১ ঃ**

**"উৎকৃষ্ট শিক্ষকৰ বিকাশ, গুণগত শিক্ষাৰ প্ৰসাৰ আৰু শিক্ষা প্ৰদানত আধুনিক প্ৰযুক্তিৰ প্ৰয়োগ হ'ল সংস্কাৰৰ তিনিটা মৌলিক দিশ" —এই কথা মই কোৱা নাই, 'প্ৰান্তিক' আলোচনীৰ ১-১৫ জুলাই, ২০১৬ত প্ৰসিদ্ধ প্ৰবন্ধকাৰ ড° জয়কান্ত শৰ্মাই ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ শিক্ষাৰ সংস্কাৰ নীতিৰ আলমত ডাঙি ধৰা এটা ভাষ্যহে— সৰ্বভাৰতীয় পটভূমিৰ পৰিবৰ্তে অসমৰ শিক্ষাখণ্ডত এনেধৰণৰ কৌশল প্ৰযুক্তিৰ কথা 'সদৌ অসম ছাত্ৰ সন্থা'ই বহুদিন আগৰেপৰা কৈ আহিছে। এই ক্ষেত্ৰত আপোনাৰ বিস্তৃত মন্তব্য পঢ়ুৱৈ সমাজক জনাব নেকি ?**

**উত্তৰ ঃ** কেন্দ্ৰীয় চৰকাৰৰ মূল লক্ষ্য আদৰণীয়। গুণগত শিক্ষকৰ বিকাশ বুলিলে শিক্ষকৰ দক্ষতা বৃদ্ধিৰ বাবে প্ৰয়োজনীয় অনুশীলন আৰু প্ৰশিক্ষণ জৰুৰী। স্ব-ইচ্ছাই শিক্ষকতা বৃত্তি লৈ অহা শিক্ষকৰ পাঠদানৰ জ্ঞান আৰু কৌশলৰ উত্তৰণৰ বাবে সঠিক আৰু সময়োচিত পদক্ষেপৰ প্ৰয়োজন। আনহাতে আন চাকৰি নাপাই বাধ্যত পৰি শিক্ষকতা বৃত্তিলৈ অহা শিক্ষকসকলৰ মানসিকতাৰ পৰিৱৰ্তনৰ বাবে সুকীয়া Councelingৰ দৰকাৰৰ।

গুণগত শিক্ষাৰ প্ৰসাৰ কেতিয়াও DPEP বা সৰ্বশিক্ষাৰ দৰে সৰ্বৰ্নশিয়া শিক্ষাৰ আঁচনিৰ দৰে হ'ব নোৱাৰে। অভিজ্ঞতাসম্পন্ন শিক্ষাবিদৰ অভিজ্ঞতাক লৈ শিক্ষা আয়োগ গঠন কৰি আয়োগৰ পৰামৰ্শ ভিত্তিত পৰৱৰ্তিত শিক্ষাব্যৱস্থা উন্নত পৰ্যায়লৈ নিব পাৰি।

শিক্ষা প্ৰদানত আধুনিক শিক্ষা প্ৰয়োগ অতি প্ৰয়োজনীয়। নতুন নতুন প্ৰযুক্তি ব্যৱহাৰ কৰি শ্ৰেণীত পাঠদান কৰিলে টান বিষয়, টান পাঠ একোটাও সহজে ছাত্ৰ-ছাত্ৰীয়ে বুজিব পাৰিব। শ্ৰৱণ-দৰ্শন সঁজুলিসমূহ এইক্ষেত্ৰত উদাহৰণস্বৰূপ। নতুন চৰকাৰে প্ৰাথমিকভাৱে ১০০ খন স্কুল আধুনিক প্ৰযুক্তি উপলব্ধ বিদ্যালয়লৈ উন্নীত কৰাটো শুভ লক্ষণ।

**প্ৰশ্ন - ২ ঃ**

**আমাৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত নিত্য-নতুন চিন্তা-চেতনাৰ প্ৰয়োগ কৰিব নোৱাৰাৰ ফলত ব্যৱহাৰিক (Practical) জ্ঞান আহৰণৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে অসুবিধাৰ সন্মুখীন হোৱা পৰিলক্ষিত হৈছে। গতানুগতিক পাঠ্যক্ৰমৰ ঠেক গণ্ডীত আৱদ্ধ এনে শিক্ষানীতিৰ পৰিৱৰ্তনৰ বাবে আপোনাৰ পৰামৰ্শ বা মতামত কি ?**

**উত্তৰ ঃ** উচ্চ শিক্ষাৰ ক্ষেত্ৰত নতুন নতুন চিন্তা-চেতনাৰ প্ৰয়োগ হোৱাটো উচিত। ভাৰতবৰ্ষত এতিয়া Choice Base Credit System (CBCS)ৰ ধাৰণা আহিল। বহু বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ে এনে ধাৰণাৰ শিক্ষা আৰম্ভ কৰিছে। উদাহৰণস্বৰূপে—

**CBCSৰ ধাৰণা ঃ**

1 Credit : 1 hour of direct teaching/weekly.

1 Credit : 2 hours of tutorial/lab work/weekly.

1 Credit : 2 hours of field work/project/weekly.

ইয়াত শিক্ষা, ব্যৱহাৰিক জ্ঞান আৰু ক্ষেত্ৰ অধ্যয়নত বিশেষ গুৰুত্ব দি আগবঢ়া যায়। আমাৰ গুৱাহাটী বিশ্ববিদ্যালয়ত আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ত এই ব্যৱস্থাৰ প্ৰয়োগৰ বাবে আলাপ-আলোচনা চলাই আছে।

**প্ৰশ্ন - ৩ ঃ**

**শেহতীয়াভাৱে অসম চৰকাৰে মহাবিদ্যালয়সমূহত দৰিদ্ৰ সীমাৰেখাৰ তলৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিনামূলীয়া নামভৰ্তিৰ ব্যৱস্থা কৰিছে। আমি ভাবো এই প্ৰক্ৰিয়া এক ভেকোভাওনাত পৰিণত হ'ব— তাৰ পৰিৱৰ্তে দৰিদ্ৰ অথচ মেধাবী ন্যূনতম ৬০% নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত এনে ব্যৱস্থা গ্ৰহণ কৰিলে বেছি ফলপ্ৰসু হ'লহেঁতেন নেকি ?**

**উত্তৰ ঃ** ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি মাচুল ৰেহাই দিয়াত ছাত্ৰ সন্থাই আমি আদৰণি জনাইছোঁ। ইয়াৰ ফলত দুখীয়া মেধা ছাত্ৰ-ছাত্ৰীৰ উচ্চ শিক্ষা গ্ৰহণত সহায়ক হ'ব। লগে লগে মহাবিদ্যালয়সমূহত সঠিকভাৱে শ্ৰেণীত পাঠদানৰ বাবে প্ৰয়োজনীয় আন্তঃগাঠনিগত অভাৱ দূৰ কৰিব লাগিব। ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন শিতানত অতি প্ৰয়োজনীয় কামৰ বাবে ধন চৰকাৰে শীঘ্ৰে আদায় দিব লাগিব। বিশ্ববিদ্যালয়, কাউন্সিলত সময়ে সময়ে ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয় মাচুলসমূহ, শিক্ষাদানৰ বাবে ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষকৰ দৰকাৰ হোৱাত আৰ্থিক সহায় শ্ৰেণীদিন আৰম্ভ হোৱাৰ লগে লগে অত্যন্ত জৰুৰী। অন্যথা ছাত্ৰ-ছাত্ৰীৰ অতি মূল্যৱান শিক্ষাবৰ্ষ হেৰুৱাব লগা হ'ব পাৰে। চৰকাৰে এইক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰিবই লাগিব।

**প্ৰশ্ন - ৪ ঃ**

**হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰা স্নাতক পৰ্যায়লৈ বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়ৰ পৰীক্ষা পৰিচালনা পদ্ধতিৰ আঁসোৱাহে আমাক বাৰুকৈয়ে ব্যথিত কৰে! পৰীক্ষাত অসৎ উপায় অৱলম্বন ৰোধৰ বাবে প্ৰায়ভাগ শিক্ষক, অঞ্চলৰ নাগৰিক আৰু কোনো সমাজকৰ্মীয়ে আগভাগ লোৱা পৰিলক্ষিত নহয়। পৰীক্ষাগৃহত মডেল মেলি লৈ মুক্তভাৱে প্ৰশ্নোত্তৰ কৰা ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হৈ লেপটপ গ্ৰহণ কৰাৰ দৃষ্টান্তও নোহোৱা নহয়— পৰীক্ষাগৃহত নকল ৰোধ কৰাটো এদিনতে সম্ভৱপৰ নহয়, যিহেতু ই এটা দীৰ্ঘতম প্ৰক্ৰিয়াৰূপে চিহ্নিত হৈছে! ইয়াক সম্পূৰ্ণৰূপে ৰোধ কৰিবলৈ সুস্থ পৰিকল্পনাৰ প্ৰয়োজন আছে— আপোনাৰ মতামত কি ?**

**উত্তৰ ঃ** হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ক্ষেত্ৰত আওপুৰণি পদ্ধতিকে আজিও খামুছি ধৰি ব্যৱস্থাটো চলি আছে। পৰীক্ষা অনুষ্ঠিত হৈ যোৱাৰ পিছত বহীসমূহ সুৰক্ষিত অৱস্থাত ৰাখিবলৈ কোনো নতুন চিন্তা-চৰ্চা কৰা নাই। অনিচ্ছা স্বত্বেও শিক্ষক বৃত্তি গ্ৰহণ কৰি থকা শিক্ষকৰ

অনুপাত বেছি হোৱা বাবে কৰ্তব্যৰ প্ৰতি দায়বদ্ধতা কমা যেন লাগে। প্ৰশ্নকাকত প্ৰস্তুতিত সকলো নীতি মানি প্ৰশ্নকাকত প্ৰস্তুত কৰা নহয়, ফলত সাধাৰণ ছাত্ৰ-ছাত্ৰীৰ সঠিক মূল্যায়ন নহয়। সাধাৰণ ছাত্ৰ-ছাত্ৰী আৰু মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীক একাকাৰ কৰি প্ৰশ্ন প্ৰস্তুত কৰা হয় বহু বিষয়ৰ।

শিক্ষা সংসদৰ ক্ষেত্ৰতো বহু সময়ত কাৰ্যালয়ৰ ভিতৰৰ পৰাই পৰীক্ষাৰ গোটেই ব্যৱস্থাটোৰ Confidential Character-টো দায়িত্বজ্ঞানহীনভাৱে ভংগ কৰি আহিছে। স্বজন-তোষণৰ অভিযোগ কমিছে যদিও আছে বুলি বু-বু বা-বা আছে। বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰত পৰীক্ষা নিয়ন্ত্ৰণ বিভাগটোৱে আগতকৈ আধুনিক আৰু বিজ্ঞান-প্ৰযুক্তিৰ প্ৰয়োগ কৰিছে যদিও অন্তৰ্ভুক্ত মহাবিদ্যালয় আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অধিক হোৱা বাবে ফলাফল নিখুঁতভাৱে দিব পৰা

পৰীক্ষাৰ পৱিত্ৰতা অক্ষুণ্ণ ৰাখিবলৈ সাধাৰণ ৰাইজ, প্ৰশাসন আৰু স্বেচ্ছাসেৱী অনুষ্ঠান-প্ৰতিষ্ঠানে যোগাত্মকভাৱে সহযোগ কৰিব লাগিব। প্ৰশ্নকাকতত Objective প্ৰশ্ন অধিক হ'ব লাগে। প্ৰশ্নৰ ক্ৰমিক নম্বৰসমূহ সলনা-সলনিকৈ দিলে অসৎ উপায় নাইকিয়া কৰিব পাৰি। পৰীক্ষা কেন্দ্ৰত CCTV ৰ ব্যৱস্থা কৰাৰ লগতে দোষীক কঠোৰ শাস্তিৰ নিৰ্দেশনা জৰুৰী।

**প্ৰশ্ন - ৫ ঃ**

**১৯৮৬ চনত গ্ৰহণ কৰা 'ৰাষ্ট্ৰীয় শিক্ষানীতি' (National Policy on Education) আৰু তাৰে আধাৰত প্ৰস্তুত কৰা 'কাৰ্যকৰীকৰণৰ সূচী' (Programme of Action)ৰ বিশেষত্ব আছিল সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক বিচাৰ-বিবেচনাৰ লগতে কিছুমান বিদ্যায়তনিক খেলিমেলি দূৰ কৰাৰ প্ৰয়াস—**



নাই। এই ক্ষেত্ৰত দায়িত্বশীল শিক্ষাগুৰুৰ যথেষ্ট প্ৰয়োজন আছে। এতিয়াও বহু বিষয়ৰ পৰীক্ষাৰ প্ৰশ্নকাকত পালমৰা পদ্ধতিৰে ছাত্ৰ-ছাত্ৰীক দিয়া হয়। সময়ত শিক্ষকে প্ৰশ্ন নিৰ্দ্ধপণ কৰি জমা নিদিয়াৰ ফলত আগৰ প্ৰশ্নকাকত চাই বিষয়টো সম্পৰ্কত যথাযথ জ্ঞান নথকা শিক্ষকেৰে প্ৰশ্ন বাচনি কাৰ্য ৰোধ হোৱা নাই। ৰাজ্যিক বিশ্ববিদ্যালয়সমূহক মহাবিদ্যালয় আৰু ছাত্ৰ-ছাত্ৰীৰ বোজা সমানে দিয়া উচিত।

**অসমৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত এই উদ্দেশ্য দহ শতাংশ কাৰ্যকৰী বুলি ক'বলৈয়ো দ্বিধা হয়— শিক্ষাৰ বহল অৰ্থ অনুধাৱন নকৰি পাঠভিত্তিক জ্ঞানৰ ভিত্তিত প্ৰাপ্ত নম্বৰৰ আধাৰত এগৰাকী শিক্ষাৰ্থীক মেধাৱীৰ বিশেষণ দিয়াটো আমাৰ শিক্ষা ব্যৱস্থাৰ প্ৰধান আঁসোৱাহ বুলি ক'ব পৰা যায় নেকি ?**

**উত্তৰ ঃ** ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতি অনুসৰি উচ্চ শিক্ষাৰ কাঠামোটোহে চলি আছে। পৰৱৰ্তী পৰ্যায়ত বিভিন্ন আঁচনি আৰু

সংশোধনীয়ে উচ্চ শিক্ষাৰ বিশেষকৈ কলেজীয়া শিক্ষাৰ নীতিসমূহ প্ৰকৃততে মানি চলা নাই। উচ্চতৰ মাধ্যমিক শ্ৰেণীটো পৰ্যায়ক্ৰমে উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু কনিষ্ঠ মহাবিদ্যালয়লৈ স্থানান্তৰ কৰাটো চৰকাৰৰ প্ৰাথমিক দায়িত্ব আছিল। ভাৰতবৰ্ষৰ কোনো ঠাইত নথকা এই ব্যৱস্থা কেৱল অসমত চলি আছে। ছেমিষ্টাৰ চিষ্টেম চলি আছে যদিও ছাত্ৰ-ছাত্ৰীক শিক্ষকে প্ৰয়োজনীয় সময় দিব পৰা নাই। ছেমিষ্টাৰ নীতিসমূহো এৰা-ধৰাৰ মাজেৰে চলি আছে। অকল নম্বৰ বৃদ্ধি কৰাক বাদ দি ছাত্ৰ-ছাত্ৰীৰ গুণগত মান এই ব্যৱস্থাত বৃদ্ধি হোৱা নাই। পাঠ্যক্ৰম আৰু পাঠ্যসূচীও আধুনিক আৰু বৰ্তমান সময়ৰ লগত খাপ খোৱা হোৱা নাই বুলি অভিযোগ উঠিছে।

**প্ৰশ্ন - ৬ ঃ**

**আপুনি সুদীৰ্ঘদিন সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদকৰ দৰে মৰ্যাদাপূৰ্ণ দায়িত্বত আছিল। সদৌ অসম ছাত্ৰ সন্থাৰ সৈতে আপোনাৰ সুদীৰ্ঘ পৰিক্ৰমাত আপুনি হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক শেহান্ত পৰীক্ষাত স্থানপ্ৰাপ্ত বহু ছাত্ৰ-ছাত্ৰীক লগ পাইছে, আপোনালোকৰ তৰফৰপৰা সম্বৰ্ধনাও জ্ঞাপন কৰিছে আৰু শিক্ষাৰ্থীসকলক সোঁৱৰাই দিছে যে অসমৰ সমাজ জীৱনলৈ তেওঁলোকৰ যথেষ্ট দায়িত্ব আৰু কৰ্তব্য আছে। আজি যদি আপোনাক সোধা হয় সেই মেধাবী ছাত্ৰ-ছাত্ৰীসকলৰ আমাৰ সমাজ-সংস্কৃতি-সাহিত্য ক্ষেত্ৰত বৰঙণি আশাব্যঞ্জক নে?**

> ছাত্ৰ-ছাত্ৰীসকল যাতে শিক্ষা গ্ৰহণত কৃতকাৰ্যতা লাভৰ উপৰিও সমাজৰ প্ৰতি, জাতিৰ প্ৰতি, মাটি-ভেটিৰ প্ৰতি দায়বদ্ধ হৈ জীৱন-নিৰ্বাহ কৰে তাৰ আহ্বানেৰে প্ৰতিবাৰে অভিনন্দিত আৰু উৎসাহিত কৰা হয়। এই মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীৰ এচামে দেশ, জাতি, মাটিৰ কথা একেবাৰে নভবা যেন লাগে। কাৰণ ৰাজ্যখনত সংকটকালত তেওঁলোকৰ কোনো ভূমিকা নাথাকে। আনহাতে এচামে লুইতৰ পাৰত থাকক কিম্বা টেমচৰ পাৰতে থাকক জাতিৰ সেৱাত ব্ৰতী হৈ কাম কৰি আছে। আশা কৰোঁ, এনে মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীৰ বুদ্ধিদীপ্ত চিন্তাই জাতিটোক সঠিক পথৰ সন্ধান দিব।

**উত্তৰ ঃ** যোৱা প্ৰায় দুটা দশক ধৰি অসমৰ বহু মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীক (হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত স্থান লাভ কৰা) ছাত্ৰ সন্থাৰ তৰফৰপৰা অভিনন্দন জনাই অহা হৈছে। ছাত্ৰ-ছাত্ৰীসকলে যাতে শিক্ষা গ্ৰহণত কৃতকাৰ্যতা লাভৰ উপৰিও সমাজৰ প্ৰতি, জাতিৰ প্ৰতি, মাটি-ভেটিৰ প্ৰতি দায়বদ্ধ হৈ জীৱন-নিৰ্বাহ কৰে তাৰ আহ্বানেৰে প্ৰতিবাৰে অভিনন্দিত আৰু উৎসাহিত কৰা হয়। এই মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীৰ এচামে দেশ, জাতি, মাটিৰ কথা একেবাৰে নভবা যেন লাগে। কাৰণ ৰাজ্যখনৰ সংকটকালত তেওঁলোকৰ কোনো ভূমিকা নাথাকে। আনহাতে এচামে লুইতৰ পাৰত থাকক কিম্বা টেমচৰ পাৰতে থাকক জাতিৰ সেৱাত ব্ৰতী হৈ কাম কৰি আছে। আশা কৰোঁ, এনে মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীৰ বুদ্ধিদীপ্ত চিন্তাই জাতিটোক সঠিক পথৰ সন্ধান দিব।

**প্ৰশ্ন - ৭ ঃ**

**মহাবিদ্যালয়ৰ শিক্ষক নিযুক্তি প্ৰক্ৰিয়াত বৰ্তমান অসম চৰকাৰৰ শিক্ষা বিভাগে মৌখিক পৰীক্ষাৰ নম্বৰ কৰ্তন কৰিছে। আপোনাৰ দৃষ্টিভংগীমতে মৌখিক পৰীক্ষাৰ নম্বৰ কৰ্তন কৰাটো সমীচিন হৈছেনে?**

**উত্তৰ ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ মতে মৌখিক নম্বৰ থকাটো অত্যন্ত জৰুৰী। মৌখিক নম্বৰ কিমান থাকিব বিজ্ঞজনে বিচাৰ কৰিব। কিন্তু জধে মধে নামি-অনামি শিক্ষানুষ্ঠানৰপৰা লৈ অহা মাৰ্কচিট, ডিগ্ৰীসমূহৰ সঠিক পৰিমাপনৰ ছাবি-কাঠি হ'ল মৌখিক ব্যৱহাৰিক পৰীক্ষা। প্ৰয়োজন সাপেক্ষে মৌখিক পৰীক্ষাৰ গোটেই ব্যৱস্থাটো স্বচ্ছ আৰু নিকা কৰিবলৈ আধুনিক বিজ্ঞান প্ৰযুক্তিৰ ব্যৱহাৰ কৰক। মৌখিক পৰীক্ষাই জাতীয় সত্তাক বজাই ৰখাত সহায় কৰিব পাৰে।

**প্ৰশ্ন - ৮ ঃ**

**সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতিৰূপে অসমৰ জ্বলন্ত সমস্যাৰাজি সমাধানৰ অৰ্থে বলিষ্ঠ কণ্ঠ অনুচ্চাৰিত কৰিবলৈ ভগৱানে আপোনাক শক্তি দিয়ক— তাৰে কামনা কৰি অলেখ শুভকামনা জনাইছোঁ।**

**উত্তৰ ঃ** মোক শুভকামনা জনোৱা বাবে অশেষ ধন্যবাদ জ্ঞাপন কৰি মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ।

সাক্ষাৎ গ্ৰহণ ঃ তত্ত্বাৱধায়ক, 'বিনন্দিয়ান'

# সামাজিক দায়িত্ববোধ আৰু লক্ষ্যধৰ চৌধুৰীৰ নাট্যকৃতী

ড° অমৰজ্যোতি চৌধুৰী
অৱসৰপ্ৰাপ্ত প্ৰো-উপাচাৰ্য, তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়



২০০২ চনৰ কথা কৈছোঁ। ইটালীৰ ন'বেল বঁটা বিজয়ী নাট্যকাৰ-অভিনেতা ডাৰিঅ' ফ'ৰ অভিনয় চোৱাৰ সৌভাগ্য হৈছিল মোৰ এবাৰ। তাকো আকৌ ফ্লোৰেন্সৰ আৰ্ণো নৈৰ পাৰৰ সুদৃশ্য পটভূমিত। নাটক আৰম্ভ হোৱাৰ আগতে দৰ্শকক সম্বোধন কৰি দুই-এষাৰ কথা কৈছিল তেখেতে। কৈছিল নাটক কৰাৰ মূল উদ্দেশ্যই হ'ল সহমৰ্মিতাৰ সৃষ্টি। আৰ্তজনৰ সহায়ৰ বাবে। সামাজিক ন্যায় প্ৰতিষ্ঠাৰ বাবে সত্যৰ অন্বেষণ। সেয়ে নাটক হ'ল তাৰেই অমোঘ অস্ত্ৰ। মোৰ সেইদিনা মনত পৰি গৈছিল জ্ঞানপীঠ বিজয়ী সাহিত্যিক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ এষাৰ কথালৈ। পিছে কথাষাৰ বুজিবলৈ কিছু পাতনিৰ প্ৰয়োজন।

পিন্ধনত খদ্দৰৰ ধুতী পাঞ্জাবী। হাতত এটা ছাতি। তাকে লৈ ৰ'দে-বৰষুণে টলৌ-টলৌকৈ ঘূৰি ফুৰে মানুহজন। ঘূৰি ফুৰে সমাজৰ হেজাৰটা কামত। আৰ্তজনৰ সহায়ৰ বাবে। ঘূৰি ফুৰে সমাজত 'মানুহ' বিচাৰি। সৰুতেই অ'ত-ত'ত শুনিছিলোঁ— মানুহজনে ৰাজনীতি কৰে। সমাজবাদৰ ৰাজ নীতি। ন্যায় আৰু সমান অধিকাৰৰ ৰাজনীতি। লগতে শুনিছিলোঁ— মানুহজনে নাটক লিখে। নাটক কৰেওঁ। জ্ঞানপীঠ বিজয়ী সাহিত্যিক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যদেৱে এদিন মোক সুধিছিল— "জানানে, দেউতাৰই কিয় নাটকো কৰে, ৰাজনীতিও কৰে?" এৰা, তেখেতে মোৰ দেউতা লক্ষ্যধৰ চৌধুৰীক লৈয়ে এই প্ৰশ্ন সুধিছিল। উত্তৰো তেখেতে নিজেই দিছিল। "দুইটা কামৰ গুৰি কথা একেই বুজিছা। মানুহৰ ভাল হওক— দুখীয়া, দুৰ্বলীজনৰ ভাল হওক— সেই ইচ্ছাই হ'ল তেওঁৰ নাটকৰো প্ৰেৰণা, ৰাজনীতিৰো প্ৰেৰণা। প্ৰায় ৫৫ মান বছৰ আগৰ এইখিনি কথা একাকাৰ হৈ গৈছিল ২০০২ ৰ সন্ধিয়াত ডাৰিঅ' ফ'ৰ মুখৰ কথাৰ সৈতে।

আজি উভতি চাই বুজিছোঁ— দেউতা লক্ষ্যধৰ চৌধুৰীদেৱৰ নাটক সঁচাকৈয়ে আছিল দুখীয়া, নিশকতীয়াৰ প্ৰতি সহমৰ্মিতাৰ এক নিভাঁজ উঁহ। ন্যায়-প্ৰতিষ্ঠাৰ বাবে সমাজৰ সত্যৰ অন্বেষণ। তাত উবুৰি খাই পৰিছে সমগ্ৰ মানুহৰ কল্যাণৰ বিপৰীতে মাথোন এমুঠি মানুহৰ কল্যাণৰ প্ৰশ্ন। মানৱ-কল্যাণ আৰু দেশপ্ৰেমৰ সংঘাতৰ প্ৰশ্ন। সততাৰ বিপৰীতে অন্ধ ভক্তিৰ প্ৰশ্ন। বিপন্ন অস্তিত্বৰ বিষাদ। তাৰ পৰা মুক্তিৰ যুঁজ। স্বাধীনতাৰ আকুল আহ্বান। আৰু লগতে অ'ত-ত'ত জীৱনৰ প্ৰহসন। দৰাচলতে প্ৰতিখন নাটকেই আছিল সময়ৰ প্ৰয়োজনৰ প্ৰতি সঁহাৰি।

স্কুলতেই ৰচনা কৰা একলব্য নাটকত তেখেতৰ মূল বক্তব্য

আছিল গুৰুভক্তি আৰু আত্মবিশ্বাসৰ গুৰুত্ব। তেখেতৰ সেই সময়ৰ শিক্ষক কামাখ্যা প্ৰসাদ ঠাকুৰ ডাঙৰীয়াই বান্ধি দিছিল এনে বিষয়ক লৈ নাটক ৰচনা কৰাৰ লক্ষ্য। 'একলব্য' নাটক আছিল সেই আহ্বানৰে প্ৰতি সক্ৰিয় সঁহাৰি।

'বক্ষকুমাৰ' নাটত আকৌ তৰণী সেনৰ দেশপ্ৰেমৰ প্ৰতি আৰু লগতে দেশৰ অনাৰ্য, বৰ্বৰ বুলি তিৰস্কৃত এক ৰাম-ভক্ত ৰূপে চিত্ৰিত ৰাৱণৰ চৰিত্ৰৰ প্ৰতিও সহানুভূতি উথলি উঠে দৰ্শকৰ। এয়া ৰাৱণৰ চৰিত্ৰৰ নতুন ব্যাখ্যা আৰু অৰ্থবহতাৰ ক্ষেত্ৰত নাট্যকাৰৰ সফলতাৰ এক জীয়া উদাহৰণ। তলৰ সংলাপখিনিয়েই দিয়ে তাৰ উজ্জ্বল আভাস—

সুৰা সুৰ নাগ যক্ষ মানৰ-দানৱ
কোনেও নুবুজে সীতা
কি ধাতুৰে গঢ়া এই ৰাৱণৰ প্ৰাণ
মোৰে ই দুৰ্ভাগ্য হেতু
নুবুজিলা তুমিও জানকী।
বাহিৰত দেখি এই দুৰ্দান্ত ৰাক্ষস
সৃষ্টিৰ বিনাশ প্ৰলয়ৰ ধুমকেতুৰূপে
বিশ্বৰ মানৱে সীতা
অনাৰ্য, বৰ্বৰ বুলি ৰাৱণক কৰে তিৰস্কাৰ
দেৱতাই কৰে উপহাস
কিন্তু নুবুজে কোনেও দেৱী
কিদৰে ৰাৱণে
অত্যাচাৰ অনাচাৰ অলংঘ্য দেৱালে ঘেৰা
শূন্য কৰি মোৰ এই হিয়াৰ মন্দিৰ
নিকা কৰি নিতে নিতে প্ৰেম গংগা জলে
বিনয় চন্দন লেপি
ধূপধুনা জ্বালি
ৰাখিছোঁ সজাই বেদী
অনাহূত দেৱতাৰ পূজাৰ কাৰণে।
নহয় নহয় দেৱী
পূজা ক্ষণ পাৰ হৈ যায়
এটিবাৰ দয়া কৰি লংকাৰ গোসাঁনী
সাম্যৰূপে থিয় দিয়া মোৰ সমুখত
ৰাৱণৰ ভক্তিৰ শৰাই
দিওঁ ঢালি জানকীৰ চৰণ তলত।

মোৰ শৈশৱত দেউতা লক্ষ্যধৰ চৌধুৰীয়ে বক্ষকুমাৰ নাটকৰ এই দীঘলীয়া বচনটো প্ৰায়ে আওৰাই থকা শুনিছিলোঁ। তেতিয়াই মই তাতে কবিতাৰ সুবাস পাইছিলোঁ। এতিয়া যিমানেই পঢ়ো ছন্দত লিখা তেখেতৰ বক্ষকুমাৰৰ এই লেখীয়া অংশত তেখেতৰ কাব্য-প্ৰতিভাক সঁচাকৈয়ে দেখা পাওঁ উজ্জ্বলতাৰ ৰূপত। অনুভৱ কৰোঁ— সঁচাকৈয়ে তেখেত আছিল এজন স্বভাৱ কবি।

সেইদৰে বিভীষণ চৰিত্ৰৰ প্ৰতিও দৰ্শকে অনুভৱ কৰে এক দুৰ্বাৰ আকৰ্ষণ। এই বিপৰীতমুখী সহানুভূতিৰ সংঘাতে নাটকখনক দিছে এক বিৰল মৰ্যাদা আৰু সুষমা। মোৰ অনুভৱ হয় যে পৰাধীন সময়ত দেশপ্ৰেমৰ জুইকুৰা জ্বলাবলৈয়ে নাটখনৰ এই কাহিনীভাগ বাছি লৈছিল নাট্যকাৰে।

এসময়ত দেশ স্বাধীন হ'ল। কিন্তু প্ৰত্যাশিত সলনিৰ সামান্য অংশহে আহিল সাধাৰণ মানুহৰ জীৱনলৈ। অন্ন, বস্ত্ৰৰ সমস্যাই এতিয়াও জুৰুলা কৰি থাকিল দৰিদ্ৰ আৰু নিম্ন মধ্যবিত্তক। তেখেতৰ 'নিমিলা অংক' নাটকেৰে সেয়ে তেখেতে সৃষ্টি কৰিলে নিম্ন মধ্যবিত্ত শ্ৰেণীৰ হৰকান্তৰ আৰ্থিক দৈন্যৰ প্ৰতি সহমৰ্মিতাৰ। নাটকখনৰ আন এটা উল্লেখনীয় দিশ আছে। নাটকৰ প্ৰয়োজনত কেইটামান আধুনিক কবিতাৰো পৰীক্ষা চলাইছে তেখেতে। তাত আধুনিক কবিতাৰ প্ৰতি এক প্ৰচণ্ড ব্যংগও পৰিস্ফুট হৈ উঠিছে।

সৌ যায় বুভুক্ষু কেৰাণী
ৰুটি আৰু মাখন বিচাৰি
কানাডাৰ পথাৰত
শাৰী শাৰী ভেঁড়াৰ সমদল (কেৰাণী নামৰ কবিতাৰ পৰা)
অথবা
বিজ্ঞানৰ বৈচিত্ৰ্যত
সৰগৰ বিজুলী নাচনী
ঘৰত বন্দিনী আজি
লেবৰটৰীত $H_2S$ৰ গোন্ধ
পদূলিত হাচনাহানা
তাই বহে-ভাৰে
জীৱনৰ আকাশ কুসুম **(টেলিফোন অপাৰেটৰ)**

সামাজিক দায়িত্ববোধ কমি যোৱাৰ সময়ত দাতাকৰ্ণ নাটকত আনৰ হকে জীৱনৰ সৰ্বস্ব দিয়াৰ ছবি আঁকিছে তেখেতে। সেই একে চেতনাৰে জেৰ টানি সমূহীয়া কল্যাণৰ বাবে শ্ৰীকৃষ্ণৰ অহৰহ প্ৰয়াসৰ ৰূপৰেখা আঁকিছে তেখেতে।

সেইদৰে 'নিশাৰ অতিথি' নাটকখনত বিপ্লৱী নায়কজনৰ সৈতে দৰ্শকে অনুভৱ কৰে এক আত্মিক বান্ধোন। অনুভৱ কৰে স্বাধীনতাৰ প্ৰতি, দেশসেৱাৰ প্ৰতি এক বিৰল হেঁপাহৰ জাগৃতি। দেশৰ বাবে আত্ম উচৰ্গাৰ আকূতি। এক অৰ্থত এয়া যেন স্বাধীনতা যুঁজাৰু চৌধুৰী ডাঙৰীয়াৰ নিজৰেই কাহিনী।

ছিয়াশী বছৰ বয়সতো তেখেতে নিজে অভিনয় কৰা তেখেতৰ নাটক 'ঠিকনা'ৰ কেন্দ্ৰ বিন্দুত আছে অস্তিত্বৰ প্ৰশ্ন। গজানন গাজৰিকাৰ পুৰণি ঘৰটো মাথোঁ কাঠ আৰু ইকৰাৰ সমষ্টি নহয়। বয়সে মোলান কৰিব নোৱাৰা গজানন হাজৰিকাৰ অস্তিত্বৰ প্ৰতীক সেই ঘৰটো। নতুনৰ লগত পুৰণি অস্তিত্বৰ সংঘাত। তাৰেই মাজেৰে গঢ় লৈছে সভ্যতাৰ বাট। পুৰণি সকলো কৃষ্টিক খামুচি ধৰি থকাজনৰ অসম-যুঁজখনেই এইখন নাটকৰ উপজীব্য। সেইকাৰণেই বোধকৰোঁ

নাট্য শিল্পী যুগল দাস ডাঙৰীয়াই কৈছিল যে তেখেতৰ 'বায়নৰ খোল' আৰু 'ঠিকনা' নাটক দুখন আছিল একে উপলব্ধিৰে ইপিঠি-সিপিঠি। অৱহেলিতজনৰ প্ৰতি সহমৰ্মিতাই তেখেতৰ এই নাটকখনক দিছে এক বিৰল সৌন্দৰ্য।

মুঠকথাত, লক্ষ্যধৰ চৌধুৰীদেৱৰ বাবে নাটক আছিল সমাজৰ আত্মিক প্ৰয়োজন পূৰোৱাৰ আহিলা। সমাজৰ ৰূপান্তৰৰ আহিলা। জলজল-পটপটকৈ তাৰেই সক্ৰিয় সাঁচ কঢ়িয়াই আছে তেখেতৰ নাট্য কৃতীয়ে।



## পোহৰ মানুহ

**[জীৱন-শিল্পী (দেউতা) লক্ষ্যধৰ চৌধুৰীৰ সোঁৱৰণত]**

পোহৰেও আজিও তোমাৰ ঠিকনা
পোহৰেই জীৱনলে' তোমাৰ দক্ষিণা
অহৰহ আজি পোহৰৰে মূৰ্চ্ছনা

তুমি ভাও দিয়া মঞ্চত
ৰাজনীতি পথাৰত— কলমৰ তৃতীয় চকুত
নিখুঁত গদ্যত, কবিতাৰ আখলত
নাট নতুবা জীৱনৰ চলচিত্ৰত
পোহৰৰ অন্বেষণ
পোহৰেই তোমাৰ প্ৰেৰণা

ৰাম, তৰণীসেন, গান্ধী, নেহৰু, হৰকান্ত, চণ্ডীকাইৰ ভিৰৰ মাজত
বিচাৰিলা মানুহ— যি নিজেই পোহৰ কণা
আৰু মেলি দিলা নিজে পোহৰৰ পোহাৰ
হ'লা পোহৰৰ নতুন ঠিকনা

বিয়াল্লিশৰ যি জুইৰ মাজেৰে
স্বাধীন পুৱাৰ তেজাল বেলিলৈ বেঙা মেলি ৰ'লা
কথাৰেই ভাকুটকুটাই
হাঁহিৰ টুকুৰাৰ ৰামধেনু ছটিয়াই দিলা
লোণ ভাতৰ দিনো হ'ল ৰং-ধেমালিৰ উজ্জ্বল আঁকবাক
ৰংমহলৰ নিচিনা

আৰু পোহৰ হয়হি তোমাৰ ঠিকনা
যি হৃদয়ত
সকলোৰে কুশলৰ একান্ত ইচ্ছাৰ তুৰ্য
তুলি ধৰি কৃষ্টি সাহিত্য ৰাজনীতি হয় অসামান্য পোহৰৰ বীৰ্য
তোমাৰ ওপজা দিন সেয়ে দীপান্বিতা-পোহৰৰ শৌৰ্য
হয় ধলফাঁট তোমাৰ ঠিকনাৰ সূৰ্য

কোনে কয়— তুমি দেহহীন আজি
জিলিকিছে তোমাৰেই পোহৰৰ মেজি
সেই পোহৰে কয় জীৱনকে জিন
হুৰাই দে জীৱনৰ নিমিলা অঙ্ক— মচি দে চকুলোৰ আঁতি গুৰি চিন
ৰথী হৈয়ো খোজ কাঢ়ে মানুহৰ স'তে— মানুহৰ মাজতে নিজেই বিলীন
সেয়াই মানুহ— যি সেৱা কৰে মানুহৰ নিবিচাৰি পৰ ভিন
আহ বিচাৰি যাওঁ তেনে মানুহৰ চিন
কোনে কোনে সোধে এই জীৱনৰ ঋণ
এই পোহৰে যেন বাট কাটি যায় আমাৰো আগলি ৰাতি-দিন

জানো, জীৱনেই অ'ত-ত'ত খৰি লুৰি আনিব
তোমাৰ মেজিকুৰা বুকুতেই জ্বলাব
বাটবোৰ পোহৰৰ গান হৈ আহিব
মেজিৰ পোহৰত মানুহ উপজিব
জীয়া পোৱা সোণ হৈ সমাজ উজলিব
আশায়েই তেনেবোৰ খৰি লুৰি আনিছে
একাগ্ৰ ইচ্ছাৰ মেজিকুৰা জ্বলিছে
এই পোহৰ তোমাৰ জীৱনলে' দক্ষিণা
ধলফাঁট আজিও তোমাৰ ঠিকনা।

(ড° অমৰজ্যোতি চৌধুৰীৰ দ্বাৰা ৰচিত এই কবিতাটি নিকুমণি হুছেইন সম্পাদিত 'লোক প্ৰাণ-দেশ প্ৰাণ লক্ষ্যধৰ চৌধুৰী' শীৰ্ষক গ্ৰন্থৰ পৰা লেখকৰ অনুমতি সাপেক্ষে উদ্ধৃত কৰা হ'ল।)

# চিন্তা সমুদ্ৰ

আজিৰ সৰ্বনাশী সময়ত
চিন্তাশক্তিৰ প্ৰাধান্যৰ কথা জুকিয়াই
চোৱাৰ প্ৰয়োজন নাই। সুস্থ চিন্তাশক্তি এখন
সমাজৰ প্ৰগতিৰ প্ৰতীক। সম্প্ৰতি উচ্চ শিক্ষিত
বেছিভাগ লোকেই নিজৰ মনত সৎ চিন্তাক সংস্থাপিত
কৰাৰ পৰিৱৰ্তে পৰচৰ্চাত নিমগ্ন থকাহে পৰিলক্ষিত
হৈছে। সুস্থ চিন্তাৰ বাবে প্ৰয়োজন সুস্থ পৰিৱেশৰ।
সুস্থ পৰিৱেশো সৃষ্টি কৰিব লাগিব আমি...
নহ'লে, অসমৰ মাটিত অসমীয়া নিজেই
ভগনীয়া হ'ব।



# বেজবৰুৱাৰ জয়মতী কুঁৱৰী নাটত নাৰী 'জয়মতী' আৰু 'ডালিমী' চৰিত্ৰ দুটিৰ বিশেষ উল্লিখনেৰে

মীনা কুমাৰী দাস
মুৰব্বী অধ্যাপিকা, অসমীয়া বিভাগ

নাৰী প্ৰকৃতি, নাৰী মহিমাময়ী। প্ৰকৃতি গছ-লতিকা, ফল-ফুলেৰে শুৱনি হোৱাৰ দৰে নাৰীৰ মাজেদি প্ৰকাশ পায় অনন্য প্ৰতিভা। সৌন্দৰ্য্যৰ ধ্বজা বহনকাৰী নাৰী যুগে যুগে পূজিতা হৈ আহিছে। নাৰী সৃষ্টিকাৰিণী শক্তিস্বৰূপা। এনে শক্তিস্বৰূপা নাৰীক বিভিন্ন দৃষ্টিকোণৰ পৰা পৰ্যবেক্ষণ কৰা বেজবৰুৱাই সাহিত্যৰ অনন্য ধাৰাৰ লগতে নাটকৰ ক্ষেত্ৰতো নাৰীক এক বিশেষ স্থানত প্ৰতিপন্ন কৰোৱা দেখা গৈছে। এই পাৰদৰ্শিতা স্পষ্ট ৰূপত প্ৰকাশ পাইছে তেখেতৰ ঐতিহাসিক নাটক 'জয়মতী কুঁৱৰী'ত। নাৰীৰ অপৰিসীম শক্তিৰ কথা স্বীকাৰ কৰি আমেৰিকাৰ ৰাষ্ট্ৰপতি নেপোলিয়ন বোনাপাৰ্টে এটি সুন্দৰ মন্তব্য দাঙি ধৰিছে—

"Give me a good mother and I will give you a good Nation."

জোনাকী কাকতৰ যোগেদি সাহিত্যত যুগান্তৰ অনাসকলৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱা সৰ্বাগ্ৰণী। তেওঁ বহুমুখী সাহিত্য প্ৰতিভাৰদ্বাৰা অসমীয়া সাহিত্যৰ সকলো বিভাগৰ পৰিপুষ্টি সাধন কৰিছিল। এই কাৰণে কোনো কোনো সমালোচকে ৰোমাণ্টিক প্ৰভাৱৰ প্ৰায় আঢ়ৈ কুৰি বছৰীয়া কালছোৱাক বেজবৰুৱাৰ যুগ বুলি অভিহিত কৰিছে। বেজবৰুৱাৰ সাহিত্য কৃতিত্বতকৈ তেখেতৰ ব্যক্তিত্বই অসমীয়া ভাষা-সাহিত্যৰ গতিপথ 'সুজান কাণ্ডাৰী'ৰূপে নিৰ্ণয় কৰিছিল।

আধুনিক আৰু নৱজাগৰণৰ বাণীৰে আধুনিক অসমীয়া সমাজ গঢ়াৰ সপোন দেখোতা বেজবৰুৱা আছিল সেই সময়ৰ অসমীয়া সাহিত্যৰ একছত্ৰী সম্ৰাট। প্ৰায় আঢ়ৈকুৰি বছৰ নিৰৱচ্ছিন্নভাৱে সাহিত্য চৰ্চা কৰি যোৱা এইজনা মহা মনিষীৰ সাহিত্যত সমাজৰ সকলোবোৰ দিশ ফুটি উঠিছে। অসমীয়া ভাষা সাহিত্যৰ এক ঐতিহাসিক সন্ধিক্ষণত জন্মগ্ৰহণ কৰা লক্ষ্মীনাথ বেজবৰুৱা অসমীয়া সাহিত্যৰ 'জোনাকী যুগ'ৰ এক অনন্য ব্যক্তি। ভাষা-সাহিত্য, সমাজ-সংস্কৃতিত নৱচেতনাৰ সঞ্চাৰ কৰি নতুন চিন্তাধাৰাৰে বিকাশৰ পথেৰে আগুৱাই নিবলৈ চেষ্টা কৰোঁতেই তেওঁৰ কাপৰ পৰা ওলাই আহিছিল বৰ্ণাঢ্য সাহিত্য-সম্ভাৰ।

বেজবৰুৱা আছিল একেধাৰে নাট্যকাৰ, কবি, ঔপন্যাসিক, হাস্যৰসিক, গল্পকাৰ আৰু এগৰাকী সচেতন সমালোচক। বেজবৰুৱাৰ অসমীয়া নাট্য-সাহিত্যলৈ আগবঢ়োৱা নাটকেইখন হ'ল লিতিকাই, বেলিমাৰ, চক্ৰধ্বজ সিংহ, জয়মতী কুঁৱৰী, পাচনি, নোমল, চিকৰপতি আৰু নিকৰপতি আদি। লক্ষ্মীনাথ বেজবৰুৱাই ১৯১৫ চনত ৰচনা কৰা ঐতিহাসিক নাটকেইখন হ'ল বেলিমাৰ, জয়মতী কুঁৱৰী আৰু চক্ৰধ্বজ সিংহ। গহীন, ঐতিহাসিক এই নাটকেইখনত অসমৰ মহিমামণ্ডিত কাহিনীৰ বৰ্ণাঢ্য প্ৰতিচ্ছবি দেখা যায়।

বেজবৰুৱাৰ সাহিত্য কৰ্মত বিশেষভাৱে উৎসাহ আৰু অনুপ্ৰেৰণা যোগোৱা এগৰাকী ব্যক্তি হ'ল চন্দ্ৰকুমাৰ আগৰৱালা। তেওঁৰ অনুপ্ৰেৰণাতে জোনাকীৰ প্ৰথম সংখ্যাৰ পৰা দ্বাদশ সংখ্যালৈ

বেজবৰুৱাৰ প্ৰথম নাটক 'লিতিকাই' খণ্ড খণ্ডকৈ প্ৰকাশ হৈছিল। লিতিকাই নাটকৰ জৰিয়তে তেওঁৰ সাহিত্যিক জীৱনৰ পাতনি মেলিছিল। বেজবৰুৱাই ৰচনা কৰা সাহিত্যৰাজিৰ মাজেৰে উদ্ভাসিত হোৱা নাৰী চৰিত্ৰসমূহৰ মাজেৰে নাৰীৰ কিছুমান সুকীয়া বৈশিষ্ট্য প্ৰতিফলিত হৈছে। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই নাৰীক কি দৃষ্টিৰে চাইছিল বা নাৰীৰ প্ৰতি তেওঁৰ দৃষ্টিভংগী কেনে আছিল, এই সম্পৰ্কে বেজবৰুৱাৰ সাহিত্যৰাজি অধ্যয়ন কৰিলে অৱগত হ'ব পাৰি।

প্ৰখ্যাত সমালোচক ড° মহেশ্বৰ নেওগদেৱে বেজবৰুৱা সম্পৰ্কে কৈছে যে "He saw Assamese life, and saw it whole." বেজবৰুৱাৰ সাহিত্যৰ গভীৰতালৈ প্ৰৱেশ কৰিলে চকুত পৰে বেজবৰুৱাৰ নাৰী স্বাধীনতাৰ প্ৰতি থকা সহানুভূতি।

বেজবৰুৱাৰ সাহিত্যৰাজিত নাৰী চৰিত্ৰ কম যদিও তাৰ মাজেৰে নাৰীৰ ব্যক্তিত্ব সুন্দৰভাৱে পৰিস্ফুট হৈছে। তেওঁৰ সাহিত্যৰ সৰহভাগ নাৰী ৰান্ধনীঘৰৰ চাৰিসীমাৰ মাজত আবদ্ধ। দুই এজনে অৱশ্যে মুকলি বতাহ ল'বলৈ ওলাই আহিছে। ৰাণীৰ পৰা লিগিৰীলৈকে, বগা পৰ্বতৰ পৰা সম্বলপুৰলৈকে সকলো শ্ৰেণীৰ সকলো ঠাইৰ নাৰী চৰিত্ৰ চিত্ৰণত দক্ষতা প্ৰকাশ পাইছে।

ঐতিহাসিক নাটক মূলতঃ বুৰঞ্জী বা ঐতিহাসিক ঘটনা বা চৰিত্ৰৰ অৱলম্বনত ৰচিত হয় যদিও নাট্যকাৰে কাহিনীৰ লগত সংগতি ৰাখি মৌলিক উদ্ভাৱনেৰে উপকাহিনী আৰু পাৰ্শ্বচৰিত্ৰ আদি সংযোগ কৰি তোলে। লক্ষ্মীনাথ বেজবৰুৱাই ঐতিহাসিক নাটকত এনে ধৰণৰ বৈশিষ্ট্য আগত ৰাখিয়েই 'জয়মতী কুঁৱৰী' নাটক ৰচনা কৰিছে। আমাৰ আলোচনা পত্ৰত জয়মতী কুঁৱৰী নাটকত প্ৰতিফলিত হোৱা জয়মতী আৰু ডালিমীৰ চৰিত্ৰ দুটি আলোচনা কৰা হৈছে।

**বিষয়বস্তুঃ**

আহোম যুগৰ নাৰীসকল বহুক্ষেত্ৰত স্বাধীন-চিতিয়া আছিল। সমাজত পৰ্দা-প্ৰথাৰ ব্যৱস্থা নাছিল। তিৰোতাসকল ইমান কৰ্মী আছিল যে তেওঁলোকে নিজহাতে ৰাতিটোৰ ভিতৰতে কপাহ নেওচি, সূতা কাটি, কাপোৰ বৈ পিছদিনা স্বামীক সেই কবচ কাপোৰ পিন্ধাই ৰণক্ষেত্ৰলৈ পঠাইছিল। জয়মতীৰ দৰে আহোম ৰমণীয়ে নিজৰ জীৱন দান দি সতীত্বৰ পৰিচয় দিছিল।

বেজবৰুৱাৰ ঐতিহাসিক নাটক জয়মতী কুঁৱৰীত নাৰী চৰিত্ৰকেইটিৰ মনস্তাত্বিক বিশ্লেষণৰ লগতে সমাজৰ নিয়ম পৰম্পৰাৰ বোজা ধাৰণ কৰি বাস্তৱিক জীৱনৰ কদৰ্যতা, বিমৰ্ষ, পৰিস্থিতিত ধৈৰ্য, শৌৰ্য আৰু স্বামী ভক্তিৰ উজ্জ্বল নিদৰ্শন দাঙি ধৰিছে।

অসমীয়া সাহিত্যৰ বুৰঞ্জীত এনে বহুতো বীৰাঙ্গনা নাৰী আছে। যিসকলৰ নাম সোণালী আখৰেৰে লিপিবদ্ধ কৰাৰ লগতে অতি শ্ৰদ্ধাৰে বুৰঞ্জীৰ পাতত সোঁৱৰা হৈছে। সেই নাৰীসকল বৰ্তমানেও আমাৰ মাজত জীয়াই আছে। সেইসকলৰ ভিতৰত 'জয়মতী' এক অসামান্য নাৰী চৰিত্ৰ। 'জয়মতী কুঁৱৰী' নাটকৰ মূল নায়িকা হৈছে জয়মতী। নাটকখনত বেজবৰুৱাই জয়মতীক এক আদৰ্শ মহা সতীৰূপে গঢ় দিয়া দেখা যায়। দেশ আৰু জাতিৰ মংগলৰ বাবে আত্মবলিদান দিয়া জয়মতী কুঁৱৰীৰ ত্যাগ আৰু কষ্টক নাট্যকাৰে অতি মৰ্মস্পৰ্শীতাৰে অংকন কৰিছে। জয়মতীৰ স্বামীভক্তি আছিল অসীম। স্বামীৰ কাৰণে তেওঁ কঠোৰ শাস্তিকো মূৰ পাতি ল'বলৈ সাজু হৈছিল। দেশ আৰু স্বামীৰ মঙ্গলৰ কাৰণে নিজৰ সিদ্ধান্তত অটল আছিল। নাটত উল্লেখ কৰামতে বৰপথাৰৰ মাজত খুটা এটাত বান্ধি নানা শাস্তি দিয়া সত্বেও জয়মতীয়ে স্বামীৰ বতৰা নক'লে। গদাপাণিয়ে জয়মতীৰ শাস্তিৰ কথা শুনি মনত দুখ পাই নগাৰ বেশেৰে জয়মতীক চাবলৈ আহি তাইক এনেদৰে কৈছে—

"হেৰা মানুহজনী! তই কেলৈ ইমান যন্ত্ৰণা
সৈছ; গিৰিয়েৰৰ কথা কৈ দি ৰক্ষা নপৰ কিয়?"

জয়মতীয়ে গদাপাণিক চিনিব পাৰি তাইৰ সকলো ত্যাগ অথলে যাব বুলি ভাবি গদাপাণিক আহোম ৰাজ্য এৰি যাবলৈ কৈছে— "মোৰ গৃহস্থৰ কথা মই নকওঁ, ইবিলাকৰ বা হৈছে কি? ইবিলাকক কোনে বা ইয়ালৈ মাতিছে? গুচি বা নেযায় কেলে'?"

গদাপাণিয়ে পত্নী জয়মতীৰ কথা ইঙ্গিত বুজিব পাৰি সেই ঠাইৰ পৰা আঁতৰি যায়। গদাপাণি আচৰিত হৈছিল জয়মতীৰ সাহস, ত্যাগ, ধৈৰ্য, শৌৰ্য আৰু স্বামী ভক্তি দেখি। জয়মতীৰ বীৰত্ব গদাপাণিয়ে মনে-প্ৰাণে স্বীকাৰ কৰিছে—

"চামতাৰ কোবত সেৰ সেৰে গাত সাঁজ বান্ধিছে
ছাল ফাটি গৈছে, টোপ টোপকৈ তেজ ওলাই
পৰিছে। এদিন নহয়, দুদিন নহয় আজি
হেনো তেৰদিন হ'ল, এই যমৰ যাতনা
চলিছে কেনেকৈনো জয়াই সহিছে মই
ক'ব নোৱাৰো যি জয়াই একেষাৰে
টান মাততে জঁয় পৰিছিল, সেই জয়াৰ
এনে যাতনা সহা, এনে সাহ, এনে বীৰত্ব এই
চকুৰে নেদেখিলোঁহেঁতেন যদি, কোনোকালে
কদাপিও পতি যাব নোৱাৰিলোঁহেঁতেন।"

গদাপাণি পলাই যোৱাৰ পিছত জয়মতীক ধৰি আনি ল'ৰাৰজাৰ বন্দীশালত বন্দী কৰি গদাপাণিৰ বতৰা সুধি সুধি নানা অত্যাচাৰ চলাইছিল যদিও জয়মতীৰ পৰা কোনো বতৰা পোৱা নাছিল। জয়মতীয়ে স্বামীৰ কাৰণে আত্মবলিদান দিবলৈ কুণ্ঠাবোধ কৰা নাছিল। বন্দীশাললৈ গৈ বুঢ়াগোহাঁয়ে জয়মতীক বুজনি দি কৈছে—

"গিৰিয়েৰৰ কথা কৈ দে। এতিয়াই এই
মুহূৰ্ততে তোক এৰি দিম।"

ইয়াৰ প্ৰত্যুত্তৰত বীৰাংগনা জয়মতীয়ে সাহসেৰে কৈছে—

"এই জিভা মোৰ। ইয়াৰ ওপৰত ৰজা
বুঢ়াগোহাঁই কাৰো অধিকাৰ নাই।
পাপিষ্ঠ। মোৰ আগৰ পৰা যা।

তোৰে সৈতে আৰু একাষাৰ কথাকে
কৈ মোৰ জিভা অশুচি নকৰোঁ।"

জয়মতী সাহস, মনোবল, দৃঢ় প্ৰতিজ্ঞ দেখি বুঢ়াগোহাঁইৰ বুকু কপি উঠে। নাটখনিত বুঢ়াগোহাঁইয়ে এনেদৰে কৈছে—

"কি তেজ! তাইৰ তেজ দেখিলে মোৰেই
একো একোবাৰ বুকু কপি যায়।"

..............................................

"মানুহ জননীৰ কি মনৰ বল, কি
দৃঢ় প্ৰতিজ্ঞ! ইমান মাৰ কিল সহিছে,
ইমান শাস্তি খাইছে তথাপি মুখ
নেমেলে; তথাপি একাষাৰ কথ
নকয়। এই জীৱনত তিৰুতা দেখিলোঁ
কিন্তু মই এনে তিৰুতা দেখা নাই।"

'জয়মতী কুঁৱৰী' নাটখনৰ অন্য এটা নাৰী চৰিত্ৰ হৈছে ডালিমী। নাটখনত এই চৰিত্ৰটিয়ে একোটা ভোটা তৰাৰ দৰে জিলিকি আছে। নাটখনত থকা নাৰী চৰিত্ৰসমূহৰ মাজত ডালিমীৰ চৰিত্ৰটো জাকত-জিলিকা। ডালিমী কৈশোৰ আৰু যৌৱনৰ সন্ধিস্থলত "ন-যযৌ ন তস্থৌ", শকুন্তলাৰ দৰে তাই স্বৰ্গ-মৰ্ত্যৰ মিলিত সৌন্দৰ্যৰহে যেন প্ৰকাশ। এই সৌন্দৰ্যময়ী ডালিমীজনী জয়মতী নাটৰ মূল আকৰ্ষণ। ডালিমী আছিল বনফুলৰ দৰে পৱিত্ৰ আৰু বনপখীৰ দৰে চঞ্চল। ডালিমীৰ কুমলীয়া মনৰ চঞ্চলতা দেখি গদাপাণিয়ে কৈছে—

"ডালিমী কচোন তই আকাশত উৰি ফুৰা
মইনা চৰাই নে পৰ্বতৰ গাত ফুলা
বনৰীয়া ফুল। তই পৰ্বতৰ জীয়াৰী
গৌৰী নে লুইতৰ জীয়াৰী কোনোবা
জলকুঁৱৰী?

কোমল বয়সীয়া ডালিমীৰ সকলো কোমলতা-পৱিত্ৰতা সৌন্দৰ্য মাধুৰী সুন্দৰকৈ প্ৰকাশ পাইছে এটি গীতৰ মাজেৰে—

"ল'ৰা-বুঢ়া কয় কাক
ডালিমী নুবুজে তাক
পৰ্বতে হাঁহে নৈয়ে নাচে,
উৰিছে পখিলা জাক।।
পুৰণি আকাশ ফুলাম তৰাৰে
লৰাতকৈও লৰা
পুৰণি পৃথিৱী ফুটুকী ফুলেৰে
তাতকৈও যে চৰা।

ডালিমীয়ে গদাপাণিক নিভাজ অন্তৰেৰে ভাল পোৱাৰ পিছত এক শুভ শক্তিৰ দৰে ডালিমীয়ে তাইৰ প্ৰেমাস্পদক আৰৱি আছে, গদাপাণিক মৃত্যুৰ মুখৰ পৰা বচাইছে, ডালিমীৰ মনত গদাপাণি তাইৰ অন্তৰৰ কেঁচাসোণ। কেঁচাসোণ অবিহনে ডালিমী জীয়াই থাকিব নোৱাৰে। সেই কথা ডালিমীয়ে নাটখনত স্পষ্টভাৱে কৈছে—

"কেঁচাসোণ। তুমি মোক কোৱাঁ যে আৰু তুমি
আমাক এৰি নোযোৱা বুলি। মোৰ কেতিয়াবা
কেতিয়াবা বৰ ভয় লাগে, কেনেবাকৈ
তুমি আমাক এৰি গুচি যোৱা বুলি।
কিন্তু কেঁচাসোণ। নিশ্চয় জানিবা তুমি
গুচি গ'লে ডালিমী আৰু ইয়াত নেথাকে।
এই জুৰিৰ পানীৰে সৈতে ডালিমী
ক'ৰবালৈ গুচি যাব।"

ডালিমীৰ কিশোৰী মনে সকলোতে দেখিছে কৈশোৰসুলভ চঞ্চলৰ প্ৰকাশ। সেয়েহে ডালিমীৰ ভালপোৱাই বয়সৰ হেঙাৰ নামানে। ডালিমী গদাপানীৰ বাবে এটা সৌভাগ্যৰ সপোন হিচাপে প্ৰতিভাত হৈছে।

**উপসংহাৰঃ**

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা অসমৰ জাতীয় সাহিত্যিক। বেজবৰুৱাই সুযোগ পালেই অসমীয়া নাৰীৰ মাহাত্ম্য প্ৰকাশ কৰিবলৈ পাহৰা নাই। গৃহস্থলীৰ ঠেক পৰিসৰত আৱদ্ধ হৈ থকাতকৈ মুকলি মনেৰে যুগৰ বতাহ লোৱা নাৰীক তেওঁ শ্ৰেষ্ঠ স্থান দিছে। সেয়ে তেওঁৰ এনে চৰিত্ৰৰ সৌন্দৰ্য বেছি। বেজবৰুৱাই নাৰীৰ মুকলিমূৰীয়া ৰূপৰ জেউতিত বেছি সৌন্দৰ্য দেখা পাইছিল। তেওঁ জয়মতী কুঁৱৰী নাটকৰ ডালিমীক পাৰে মানে অন্তৰৰ স্নেহ ঢালি গঢ়ি তুলিছে। নাটখনত মূল নায়িকা জয়মতীক ডালিমীৰ উজ্জ্বলতাই ম্লান কৰিলেও তেওঁক আদৰ্শ মহাসতীৰূপে গঢ়ি তোলাত বেজবৰুৱাই যত্নৰ ত্ৰুটি কৰা নাই। ল'ৰা ৰজাৰ ভাঙোনমুখী শাসন ব্যৱস্থাত স্বামীক কৰ্তব্যৰ প্ৰতি সকিয়াই দি স্বামীক পলুৱাই পঠাই নিজে নিশ্চিত বিপদৰ বাবে বাট চাই থাকি, অলেখ অত্যাচাৰ সহিও প্ৰকৃত কথা প্ৰকাশ নকৰি, অন্তিম ক্ষণত স্বামীৰ দৰ্শন পায়ো বিচলিত নহৈ জয়মতী কুঁৱৰীয়ে অসমীয়া বীৰাঙ্গনাৰ শ্ৰেষ্ঠতাৰ পৰিচয় দিছে।

**সহায়ক গ্ৰন্থঃ**

১. অতুলচন্দ্ৰ হাজৰিকা (সম্পাদক)ঃ বেজবৰুৱা গ্ৰন্থাৱলী (দ্বিতীয় খণ্ড), সাহিত্য প্ৰকাশ, ২০১৪ নৱেম্বৰ।
২. ড° কৰবী ডেকা হাজৰিকাঃ অসমীয়া সাহিত্যৰ ৰূপৰস, বনলতা, ১৯৯২।



# অসমীয়া সাহিত্যত মালিতা গীত

**ভদ্ৰেশ্বৰ ডেকা**
**সহকাৰী অধ্যাপক, অসমীয়া বিভাগ**

মালিতা বা কাহিনী গীত লোক-সাহিত্যৰ (Folk Literature) এটা প্ৰধান তত্ত্ব। পৃথিৱীৰ প্ৰতিটো জাতিৰে একোটা সুকীয়া বৈশিষ্ট্য আছে। এই বৈশিষ্ট্যই হ'ল— সংস্কৃতি, যাক ইংৰাজীত Ballad বুলি জনা যায়। সংস্কৃতিয়েই জাতীয় সাহিত্যৰ মূল উৎস। জাতীয় সাহিত্যত সংস্কৃতিৰ জন্মই ইয়াৰ ভাষা, স্বকীয় ৰীতি-নীতি প্ৰকাশ কৰাৰ লগতে ই জন-সমাজৰ সুখ-দুখ, আনন্দৰ এখন সুন্দৰ ছবি দাঙি ধৰিবলৈ সক্ষম হয়। অসমীয়া সাহিত্য কাননত কাহিনী বা মালিতা গীতৰ স্থান প্ৰধানভাৱে উল্লেখযোগ্য।

কাহিনী গীত বা মালিতা গীতৰ ইংৰাজী প্ৰতিশব্দ হ'ল— Ballad। অসমীয়া ভাষা সাহিত্যত ইংৰাজী সাহিত্যৰ প্ৰভাৱ পৰাৰ লগে লগে ভাষা-সংস্কৃতিৰ মাজতো বেলাডমুখী বা কাহিনী গীত মানুহৰ মুখৰপৰা শুনি শুনি সংগ্ৰহ কৰি ভঁড়াল হিচাপে পুথি ৰূপত পোৱাৰ ব্যৱস্থা কৰিবলৈ ধৰিলে। কাহিনী গীত বা মালিতা গীতবোৰত মানুহৰ সুখ-দুখ, আনন্দৰ কাহিনীৰ জৰিয়তে একোটা মৰ্মস্পৰ্শী গীতো পোৱা যায়। এনে কাহিনীযুক্ত গীতক অসমীয়া লোক-সাহিত্যৰ লোকগীতৰ আখ্যানমূলক শ্ৰেণীত অন্তৰ্ভুক্ত কৰা হৈছে। আমাৰ সাহিত্যত কাহিনীগীতক প্ৰধানকৈ তিনিটা ভাগত ভাগ কৰিব পৰা যায়। এই ভাগবোৰেই হ'ল— কাল্পনিক, বুৰঞ্জীমূলক আৰু কিম্বদন্তীমূলক মালিতা। এই তিনিওটা শ্ৰেণীৰ মালিতাই অসমৰ জন-সমাজত জনপ্ৰিয়তা লাভ কৰি আছে। কাল্পনিক গীতবোৰত

একোটা সাধুকথাৰ লেখীয়া গীত পোৱা যায়। আনহাতে, বুৰঞ্জীমূলক গীত আৰু কিংবদন্তীমূলক গীতবোৰত বুৰঞ্জীমূলক ঘটনাৰে সৃষ্টি হোৱা পোৱা যায়। কিন্তু কিংবদন্তী গীতবোৰ বুৰঞ্জীক আশ্ৰয় কৰিহে ৰচনা কৰা হৈছে। দুয়োপ্ৰকাৰ গীতৰ আকৰ্ষণীয়তা বেছিহে দেখা যায়। এই আখ্যানবোৰ মানুহৰ মুখৰ পৰা বাগৰি আহি আহি সময়ত অনাখৰী গায়কৰ কণ্ঠত জাতীয় বৈশিষ্ট্যৰে পৰিস্কাৰকৈ ফুটাই তোলাত লেখকসকলে তাক আদৰেৰে কোচাই মেলি লোৱাত আমাৰ সাহিত্যৰ ই এক আপুৰুগীয়া সম্পদ হৈ পৰিছে। পাশ্চাত্য দেশৰ সাহিত্যতো এনে Balladবোৰে জনগণৰ মাজত বাৰুকৈয়ে প্ৰভাৱ পেলাই আহিছে। তদুপৰি সেই দেশত মালিতাবোৰ এক সমূহীয়া প্ৰচেষ্টাৰে গোৱা দেখা যায়। অৰ্থাৎ এজনে মূল গীত ধৰি দিয়াৰ পাছতহে আনবোৰে দিহাৰ দৰে গাই যায়। এনে কাহিনী গীত সমূহীয়াকৈ গালে নিশ্চয় জনসাধাৰণৰ হৃদয় জয় নকৰাকৈ নাথাকিব।

> বুৰঞ্জীমূলক গীত আৰু কিংবদন্তীমূলক গীতবোৰত বুৰঞ্জীমূলক ঘটনাৰে সৃষ্টি হোৱা পোৱা যায়। কিন্তু কিংবদন্তী গীতবোৰ বুৰঞ্জীমূলক আশ্ৰয় কৰিছে ৰচনা কৰা হৈছে। দুয়োপ্ৰকাৰ গীতৰ আকৰ্ষণীয়তা বেছিহে দেখা যায়। এই আখ্যানবোৰ মানুহৰ মুখৰ পৰা বাগৰি আহি আহি সময়ত অনাখৰী গায়কৰ কণ্ঠত জাতীয় বৈশিষ্ট্যৰে পৰিস্কাৰকৈ ফুটাই তোলাত লেখকসকলে তাক আদৰেৰে কোচাই মেলি লোৱাত আমাৰ সাহিত্যৰ ই এক আপুৰুগীয়া সম্পদ হৈ পৰিছে।

কাহিনী গীতৰ প্ৰধান সুঁতি হ'ল— কাল্পনিক গীত। এই কাহিনী গীতৰ অঙ্গ জনশ্ৰুতিমূলক বা কিংবদন্তীমূলক হ'ল— ১। ফুলকোঁৱৰৰ গীত, ২। মণি কোঁৱৰৰ গীত, জনা গাভৰুৰ গীত, কমলা কুঁৱৰীৰ গীত, ৰাধিকা শান্তিৰ গীত। এই আখ্যানবোৰ প্ৰাক্ আহোম যুগৰ বুলি ঠাৱৰ কৰা হৈছে যদিও বৰ্তমানে তিনিওটা ভাগৰে কাহিনীগীত যিদৰে পোৱা হৈছে আৰু লেখকসকলে যি প্ৰকাশ কৰিছে তাৰৈ চালে এই কাহিনীবোৰত আহোম যুগৰ একোটা ঘটনা আৰু আহোম যুগৰে শেষৰ ডা-ডাঙৰীয়াৰ মাজত ঘটা দুই-এটা ঘটনা পোৱা যায়। এই ক্ষেত্ৰত মণি কোঁৱৰৰ কাহিনী গীত আৰু ফুলকোঁৱৰৰ কাহিনী গীত দুটালৈ বিশেষ মন কৰিব পৰা যায়। মণি কোঁৱৰৰ গীতত মণি কোঁৱৰে গা-ধুবলৈ গৈ নৈত কেনেদৰে বুৰি থাকিল আৰু তাৰ পিছত পত্নী বৰবৰুৱাৰ জীয়ৰী কাঁচন কুঁৱৰীয়ে নিজৰ ল'ৰা ফুলকোঁৱৰৰ জৰিয়তে বাপেকক বিচাৰি যোৱা দৃশ্য গীতবোৰৰ মাজেৰে অপূৰ্ব কৰি তুলিছে। পিতা-পুত্ৰৰ এনে কাহিনীসদৃশ গীত অসমীয়া সাহিত্যত সৃষ্টি হৈ অমূল্য সম্পদ হৈ পৰিছে। মণিককোঁৱৰৰ গীতত অনাখৰী গায়কসকলে প্ৰকাশ কৰিছে এনেধৰণে—

"মালিনীৰ বাৰীতে পৰি ফুলকোঁৱৰে মিচিকাই পেলালে হাঁহি।
সেউতি-মালতী তগৰ গুটিমালী সবেও মাৰিলে হাঁহি।।
কাঠৰ পক্ষী ঘোঁৰা এৰি ফুলকোঁৱৰে সবেও মেলিলে শূল।
সেউতি-মালতী তগৰ গুটিমালী সবেও মেলিলে ফুল।।
ফুলনিৰ বাৰীতে আছে ফুলকোঁৱৰ ইপাহি সিপাহি লেখি
বাটৰ বাটৰুৱাই কৰে হৰি হৰি ফুলৰ জকে মকে দেখি।

ওপৰত উল্লেখ কৰা গীতৰ কলিটিক ফুলকোঁৱৰে ফুলনিত নমাৰ লগে লগে প্ৰাণহীন ফুলবোৰে যেন প্ৰাণ পোৱাৰ প্ৰেৰণা লাভ কৰিলে তাকে প্ৰকাশ কৰিছে। ফুলকোঁৱৰক লৈ গোৱা আন এটি বৰ মন চুই যোৱা গীত হ'ল— কাঠৰ পখী ঘোঁৰাত উঠি আকাশত উৰি ফুৰাৰ এক মনোৰম দৃশ্য। অনাখৰী গীতিকাৰসকলে ফুলকোঁৱৰক পখীঘোঁৰাত উঠা দেখি গাইছে এনেকৈ—

"কাঠৰ পখীঘোঁৰাত উঠি ফুৰোঁতে
মাৰি যায় চাবুকৰ চাট।
আকাশ পাতালে ঐৰাৱত কৰিলে
আলাসত কৰিলে বাট।।
দেও দি এৰিলে দেও দৰিকণা
লুটি দি এৰালে শ'ল।
নগৰ সাত পাক ঘূৰী পখী ঘোঁৰাই
ছমাহৰ বাটলৈ গ'ল।।"

অসমীয়া লোক সাহিত্যৰ কাল্পনিক গীতৰ অঙ্গ ফুলকোঁৱৰৰ দৰে জনা গাভৰুৰ নামৰ গীত এবিধ পোৱা যায়। এই জনা গাভৰুৰ গীতৰ কাহিনী বৰ মৰ্মস্পৰ্শী আৰু বীৰত্বপূৰ্ণ কাহিনীৰে পোৱা হৈছে। জনা গাভৰু গীতৰ মূল নায়কজন হ'ল নপোন (৭২০ টা) পত্নীৰ গৰাকী স্বামী গোপীচন কোঁৱৰ। নায়ক গোপীচনৰ মাতৃস্নেহো অপাৰ। আনফালে জনা গাভৰু এগৰাকী গাভৰু ছোৱালী হৈ ৰাজপাট লাভ কৰি ৰাজ্য চলোৱা কাৰ্যও বিশেষ মন কৰিব লগা। নিজৰ পাণি প্ৰাৰ্থী প্ৰেমিকক বিচাৰি সেই সুন্দৰ কোঁৱৰসকলে জনা-গাভৰুক বিয়া কৰাবলৈ পিতৃ ৰাজ্যত উপস্থিত হোৱা নশ দেখনিয়াৰ কোঁৱৰকে জনা গাভৰুৱে অকলে বন্দী কৰি ৰাখিলে। নশ কোঁৱৰক জনাই বন্দী কৰি ৰখা খবৰ গোপীচন কোঁৱৰে বন্ধু কলিধনৰ পৰা পাই নিজৰ পত্নী আৰু মাতৃদেৱীৰপৰা বাধা-বিঘিনীকো অতিক্ৰম কৰি বীৰদৰ্পে যুদ্ধোৎদেহী মনোভাৱেৰে জনা গাভৰুৰ ৰাজ্যত উপস্থিত হ'ল। জনাই গোপীচন কোঁৱৰৰ সাহস দেখি কোঁৱৰক পাণিপ্ৰাৰ্থী কোঁৱৰসকলক শক্তি পৰীক্ষা কৰিবলৈ দিয়া আটাইতকৈ কঠিন চাৰিটা প্ৰশ্নৰ সন্মুখীন কৰালে। যথাক্ৰমে চতুৰ বুদ্ধিমান গোপীচন কোঁৱৰে

জনা গাভৰুৰ কঠিন প্ৰশ্নৰ উত্তৰ হেলাৰঙে দি পৰীক্ষাত উত্তীৰ্ণ হোৱাত জনা গাভৰুক গোপীচনে পত্নীৰূপে লাভ কৰি বিয়া কৰাই নিজ ৰাজ্যলৈ অহাৰ কথাও গীতত প্ৰকাশ পাইছে। জনা গাভৰুৰ গীতত গাইছে এনেধৰণৰ—

বাপেৰে আনিছিল ছপোন লিগিৰী

নপোন আনি দিলো মই।

নপোন লিগিৰীয়ে গা জুৰ নপৰে

আৰু ছপোন আনি দিওঁ মই;

জনা গাভৰুক বোপাই আনিবলৈ

কেতিয়াও নেযাবি তই।

কাহিনী গীতৰ আন দুটা ভাগ হ'ল— বুৰঞ্জীমূলক আৰু কিংবদন্তীমূলক গীত। এই দুই শ্ৰেণীৰ গীতত অসমৰ জাতীয় বীৰ-বীৰাঙ্গনাৰ ইতিহাস প্ৰসিদ্ধ কাহিনীৰে সন্নিৱিষ্ট বীৰত্বপূৰ্ণ গীত আমাৰ সাহিত্যত পোৱা হৈছে। বুৰঞ্জীমূলক গীতত বুৰঞ্জীকে মূল সম্বল কৰি ৰচাঁ কাহিনী গীত অনাখৰী গীতিকাৰৰ কণ্ঠত সৃষ্টি কৰি লোক-সাহিত্যৰ ভেটি চহকী কৰি আছে। এই বুৰঞ্জীমূলক কাহিনী গীতবোৰ হ'ল— বদন বৰফুকনৰ গীত, মণিৰাম দেৱানৰ গীত, হৰদত্ত-বীৰদত্তৰ গীতি, চিকণ-সৰিয়হৰ, নাহৰৰ, জয়মতী, গৌৰীনাথ সিংহকে ধৰি অলেখ বীৰ-বীৰাঙ্গনাৰ গীত পোৱা যায়। ইয়াৰ ভিতৰত কমলা কুঁৱৰীৰ গীত আৰু চিকণ-সৰিয়হৰ গীত কিংবদন্তীমূলক শ্ৰেণীত পৰে। এই কাহিনী গীতবোৰে অসমৰ একোগৰাকী বীৰ পুৰুষ, বীৰাঙ্গনা নাৰী, সতী-সাধী ৰাণীৰ আৰু কুঁৱৰীৰ জীৱনত পৰা কৰুণ ছবিৰ একোটা সুন্দৰ বৰ্ণনা দাঙি ধৰিবলৈ সক্ষম হৈছে। ইয়াৰ ফলত এই কাহিনী গীতবোৰ একোটা ৰোমাঞ্চকৰ কহিনীৰূপে অসমীয়া লোক-সাহিত্যত অৰিহনা হৈ বিশেষ স্থান লাভ কৰি আহিছে।

বুৰঞ্জীমূলক কাহিনী গীতৰ আহোম স্বৰ্গদেউৰ ৰাজ বিষয়া পূৰ্ণানন্দ বুঢ়াগোহাঁই আৰু বদন বৰফুকনৰ নামতো কাহিনী গীত অসমত পোৱা যায়। আহোম স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহৰ প্ৰধান বুঢ়াগোঁহাই পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ ষড়যন্ত্ৰৰ পৰা ৰক্ষা পৰি পলাই গৈ মান দেশৰ ৰজাৰ ওচৰত আশ্ৰয় ল'লে আৰু ৰজা বজৌফাই ফিকটোৰ পৰা সহায় লৈ অসম দেশ ধ্বংস কৰাৰ বাবে মানসেনা মেলি দিলে অসমভূমিত। ইয়াৰ ফলত আহোম স্বৰ্গদেউৰ ৰাজ বিষয়া পূৰ্ণানন্দই বদনে অনা মান সেনাৰ আক্ৰমণক ৰক্ষা কৰিব নোৱাৰি অপমান পাই কালহীৰা চেলেকী মৃত্যুবৰণ কৰাৰ কাহিনী বদন বৰফুকনৰ গীতৰ মাজেৰে বৰ কৰুণভাৱে প্ৰকাশ পোৱা যায়। অৱশ্যে ইয়াৰ ৰচক অজ্ঞাত। আনহাতে, বদন বৰফুকন আৰু পূৰ্ণানন্দ বুঢ়াগোঁহাই সম্বন্ধত বিয়ৈ আছিল। কিয়নো বদন বৰফুকনৰ জীয়েক পিজৌ গাভৰুক পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ ল'ৰালৈ বিয়া দিছিল। যিয়ে নহওক দুয়ো বিয়ৈৰ সংঘাতে অসম বুৰঞ্জীত ইতিহাস হৈ পৰিল। অসমৰ প্ৰসিদ্ধ বুৰঞ্জীবিদ ড° সূৰ্যকুমাৰ ভূঞা ডাঙৰীয়াই অসমৰ জন সমাজৰ অনাখৰী গীতিকাৰৰ পৰা সংগ্ৰহ কৰি অসমৰ ৰাইজক এই বুৰঞ্জী প্ৰসিদ্ধ বীৰজনাৰ কাহিনীৰ আভাস দিয়াত সফলতা লাভ কৰিছে। এই গীতৰ পৰাই বদন বৰফুকন আৰু পূৰ্ণানন্দৰ মাজত কেনে সম্ভাৱ আছিল তাক ভালদৰে অনুমান কৰিব পৰা যায়। দুয়োগৰাকী ব্যক্তিৰ মাজত মনৰ তেনেকুৱা বিৰোধ ঘটিছিল তাৰ ছবি সংগৃহীত গীতত এনেদৰে অনাখৰী গায়কে গাই প্ৰকাশ কৰিছে—

কালহীৰা চেলেকি বুঢ়াগোহাঁই নৰকী

ৰাতিয়েই সৰকি গ'ল।

একোদিনা পতি ভাটীৰ বৰফুকনে

বোলে "মই কেচাই খোৱাৰ বঙহ।"

শুনিছা শুনিছা অ' বৰ গাভৰু

লৰে বাওঁ বাহুৰে মঙহ।"

তামোল কাটি দিওঁ যোৱা মোৰ বঙহদেউ

পানী আনি দিওঁ যোৱা,

কাপোৰৰ ভিতৰত কান্দা মনে মনে

কি হ'ল বাতৰি কোৱা।

বদন বৰফুকনক বিয়ৈ পূৰ্ণানন্দই হত্যা কৰাৰ ষড়যন্ত্ৰৰ খবৰ বুঢ়াগোহাঁইৰ বোৱাৰী পিজৌ গাভৰুৱে গোপন সূত্ৰৰ পৰা জানিব পাৰি জন্মদাতা পিতৃ বদনক ৰক্ষা কৰাৰ উদ্দেশ্যেৰে মনে মনে গুৱাহাটীলৈ মানুহ পঠাই বাপেকক পলাই যাবলৈ পৰামৰ্শ দি চিঠি দিছিল। যাৰ ফলত পিজৌ গাভৰুৱে বাপেকৰ দুৰ্দশা জানিব পাৰি শোকত কেনেদৰে ভাঙি পৰিছিল তাৰ এখন সুন্দৰ ছবি অনাসৰী গায়কসকলে গীতৰ মাজেৰে গাই ফুৰা জানিব পোৱা যায়। গীতত এনেদৰে গাইছে—

কান্দোনত নোৱাৰি ঢেকিয়াল ফুকনে

চিঠিখন লিখিয়েই দিলে।

কোনে বোলে জীলে।

চিঠি লিখি গাভৰুক আনি দিলে

এ দেউ ৰ'ল;

চিঠি লিখি গাভৰু ভিতৰলৈ গ'ল।

আছিল বৈ

আন্ধাৰ কোঠাত তাই কান্দিবলৈ গৈ।

কান্দিবলৈ ধৰিলে ফুকনৰ জীয়েকে
গুৱাহাটী ৰাজ্যলৈ চাই
দেউতা বোপাইলৈ বাতৰি দিওঁ কেনেকৈ,
মোৰ জানো সাৰথি নাই?"

গীত ফাকিত পিজৌ গাভৰু যেন নিসহায় হৈ পৰিছে আৰু কান্দোনত হিয়া ভঙাৰ ছবি এখন দাঙি ধৰাত অনাসৰী গায়কসকল সক্ষম হোৱা দেখা যায়।

বৰফুকনৰ নিচিনাকৈ কামৰূপত দন্দুৱা-দ্ৰোহৰ কাহিনী এটা পোৱা যায়। এই দন্দুৱাদ্ৰোহৰ খলনায়ক হ'ল কামৰূপৰ হৰদত্ত। হৰদত্তৰ জীয়েক পদ্মকুমাৰী পশ্চিমৰ বঙালৰ হাতত পৰি কেনে দুৰ্গতিৰ সন্মুখীন হৈছিল তাৰো দুই-এফাঁকি গীত আমাৰ অনাসৰী গীতিকাৰসকলে গাই ফুৰা জানিব পোৱা যায়। হৰদত্তৰ জীয়েক আই পদ্মকুঁৱৰীক লৈ গোৱা গীতত এনেদৰে প্ৰকাশ কৰিছে—

হৰদত্ত জীয়ৰী পদ্মকুমাৰী
ধনৰাত নাখালে ভাত,
কামদান বঙালে হাতত ধৰি নিলে
পদ্ম বিচাৰি গাত।
ক'ত গলি পদ্ম ক'ত গলি বীৰদত্ত
ক'ত গলি খাওঁ খাওঁ সাৰা?
ৰাইজৰ শাপতে হৰদত্ত বীৰদত্ত
দুয়োজন হ'ল ভেটিমৰা।

অসমীয়া কাহিনী গীতত বুৰঞ্জীমূলক আৰু কাল্পনিক গীতৰ লেখিয়াকৈ কিংবদন্তীমূলক গীতো পোৱা যায়। এই গীতবোৰে আমাক অসমীয়া সাধুকথাস্বৰূপ কাহিনী কিছুমানৰ সৈতে পৰিচয় কৰাই দি আহিছে। এনে গীতবোৰত বিশেষকৈ প্ৰণয় কাহিনী আৰু হৃদয় বিচাৰকমূলক কাহিনীয়ে মূলতঃ প্ৰাধান্যতা লাভ কৰে। আনহাতে, গীতবোৰো বৰ শুৱলা। অসমীয়া সাহিত্যতো আমাৰ অনাখৰী আইতা-মাহঁতে মাজে-সময়ে কমলা কুঁৱৰীক লৈ কিছুমান গীত গাই ফুৰা শুনিবলৈ কোৱা যায়। কমলা কুঁৱৰী গীতত অনাখৰীসকলে গোৱাও বিশেষ মন কৰিবলগা বিধৰ। কিয়নো এই গীতত কুঁৱৰীক লৈ ৰজাই প্ৰশ্ন কৰা দেখুৱাই গাইছে এনেধৰণে—

প্ৰশ্ন ঃ— "মোৰে প্ৰাণেশ্বৰী, কমলা এ;
পানী কিমানে হ'ল?
কুঁৱৰীৰ উত্তৰ ঃ— মোৰে প্ৰাণেপতি, দেৱতা এ,
পানী একাঁঠু হ'ল।"

গীতফাঁকিত কমলা কুঁৱৰী পুখুৰীৰ পানীত নমাৰ দৃশ্য আৰু ৰজাই কুঁৱৰীক পানী কিমান হ'ল বুলি সোধা প্ৰশ্নত কুঁৱৰীয়ে পানী তেওঁৰ যাৰ গাঁথি বা একাঁঠু হোৱা বুলি উত্তৰ দিয়া এখন ছবি দাঙি ধৰিছে। এনে গীতবোৰ সাধাৰণতে সুৰ লগাই গালে শুনিবলৈ বৰ মধুৰ লাগে। কণ কণ মইনাহঁতৰ বাবে এনে গীত বৰ আকৰ্ষণীয়। সপোন ৰাজ্যত কমলা কুঁৱৰীৰ ত্যাগ আৰু আদৰ্শ চমক লগাই গৈছে। ইয়াৰ উপৰি কন্যা বাৰমাহী গীত, দুৱলা শান্তিৰ গীত আৰু লীলাৱতীৰ গীতবোৰে কাহিনী গীতৰ প্ৰধান অঙ্গ হৈ আছে। এই কাহিনী গীতবোৰ উদ্ধাৰ হ'লে অসমৰ জাতীয় সাহিত্যৰ ভেটি চহকী হ'ব বুলি ক'ব পৰা যাব।

**সহায়ক গ্ৰন্থ ঃ**

ড° সতেন্দ্ৰ নাথ শৰ্মা, অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত।
ড° মহেশ্বৰ নেওগ, অসমীয়া সাহিত্যৰ ৰূপৰেখা।
ড° প্ৰফুল্ল দত্ত গোস্বামী, অসমীয়া জনকৃষ্টি।
হেমন্ত কুমাৰ শৰ্মা, অসমীয়া সাহিত্যৰ দৃষ্টিপাত।

## বন্ধুত্বৰ সংজ্ঞা

☆ বন্ধুত্ব জীৱনৰ নহয়, ই জীৱনতকৈ বহু বেছি।
◆ ডেভিড গ্ৰেছন
☆ বন্ধুত্ব মানে দুটা শৰীৰ, এটা মন।
◆ মেন কিয়াচ
☆ স্বাৰ্থহীন বন্ধুত্ব জীৱনৰ আটাইতকৈ দুষ্প্ৰাপ্য আৰু সুন্দৰ বস্তু।
◆ জেমছ বায়ৰনেচ
☆ বন্ধুত্ব হ'ল প্ৰয়োজনৰ সমিধান।
◆ খলিল জিব্ৰান
☆ বন্ধুত্বৰ ডাঙৰ কাম হ'ল বন্ধুৰ দোষবোৰ আঙুলিয়াই দিয়াটো।
◆ লা ৰুছ ফুকো
☆ দুজনৰ মাজৰ বন্ধুত্ব হ'ল প্ৰেমেৰ সিঁচা আৰু কৃতজ্ঞতাৰে খেতি চপোৱা পথাৰ এজন আহাৰ আৰু আনজন জুহাল।
◆ খলিল জিব্ৰান
☆ মোৰ নাম মৃত্যু, ময়েই অন্তিম বন্ধু, শ্ৰেষ্ঠ।
◆ চাউদি
☆ বন্ধুত্ব হ'ল এজনৰ মনৰ স'তে আন এজনৰ মনৰ একাত্মবোধ
◆ জৰ্জ সাণ্টায়ন

# অসমীয়া সাহিত্যত ৰামায়ণৰ প্ৰভাৱ

দিলীপ দাস
মুৰব্বী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ

**মহাকাব্যৰ উৎস আৰু স্বৰূপ ঃ**

মহাকাব্যৰ উৎসৰ ক্ষেত্ৰত পুংখানুপুংখ তথ্য দিয়া সহজ নহয়। বহুগৰাকী পণ্ডিতে একেমুখে স্বীকাৰ কৰিছে যে প্ৰাচীন বৈদিক সাহিত্যসমূহতে মহাকাব্যৰ সূত্ৰপাত হৈছিল।

"বৃহদ্দেৱতাৰ ৰচক ঋষি শৌনকে ঋগ্‌বেদৰ মন্ত্ৰবোৰক কেইবা শ্ৰেণীতো অন্তৰ্ভুক্ত কৰিছে যদিও তাৰ ভিতৰত সংবাদসূচক, অখ্যানসূক্ত, দানস্তুতি আৰু নাৰাশংসীয়েই লেখতল'বলগীয়া। ঋগ্‌বেদৰ এই চাৰিপ্ৰকাৰৰ মন্ত্ৰসমূহ আৰু অথৰ্ববেদৰ কৃন্তাপ সূত্ৰবোৰেই মহাকাব্যৰ বীজস্বৰূপ।"[১]

বৈদিক যুগৰ সমাজত ইতিহাস, পুৰাণ আদিৰ লগত সংপৃক্তজনে দেৱতাসকলৰ আশীষ লাভ কৰে বুলি প্ৰচলিত আছিল। ইতিহাস, পুৰাণ আদি চৰ্চা কৰাজন পূণ্যৱান হয় বুলিও কোৱা হৈছিল। সেইবাবেই সম্ভৱ ইতিহাস আৰু পুৰাণক 'পঞ্চম বেদ' নামেৰে নামকৰণ কৰা হৈছে আৰু ইতিহাস নাইবা পুৰাণ ভেটিকেই ৰামায়ণ আৰু মহাভাৰতৰ সৃষ্টি।

বিশ্বনাথ কবিৰাজে তেওঁৰ যুগমীয়া গ্ৰন্থ "সাহিত্য দৰ্পণ'ত মহাকাব্যৰ লক্ষণ নিৰূপণ কৰিছে এইদৰে—

মহাকাব্য হ'বলৈ পদাকাব্য 'সৰ্গবন্ধাত্মক' হ'ব লাগে। মহাকাব্যৰ সৰ্গসমূহ বেছি দীঘল নাইবা বেছি চুটিও হ'ব নালাগে। সাধাৰণতে, আঠৰপৰা ত্ৰিশলৈ সৰ্গ থাকিব লাগে।

মহাকাব্যত এজন নায়কৰ চৰিত্ৰ বিশেষভাৱে অঙ্কিত হ'ব লাগিব। তেওঁ দেৱতা, সৎবংশজাৰ বা ক্ষত্ৰিয় হ'ব লাগে। নায়কজন হ'ব লাগিব বীৰ আৰু বীৰোদত্ত গুণসম্পন্ন।

✯ ৰসবোৰৰ ভিতৰত শৃংগাৰ, বীৰ, শান্তৰসৰ যিকোনো এবিধ ৰস মহাকাব্যৰ প্ৰধান আৰু আনবোৰ ৰস অঙ্গী হিচাপে ব্যৱহাৰ হ'ব লাগিব।

✯ ধৰ্ম, অৰ্থ, কাম, মোক্ষ— এই চতুবৰ্গ প্ৰাপ্তিৰ বৰ্ণনাৰ কথা প্ৰধান হ'ব।

✯ মহাকাব্যৰ বিষয়বস্তু হ'ব লাগিব— দুৰ্জনৰ নিন্দা, সজ্জনৰ প্ৰশংসা, সন্ধ্যাকাল, সূৰ্যোদয়, ৰাতি, দুপৰীয়া, মৃগয়া, পৰ্বত, ঋতু, বন, উপবন, সমুদ্ৰ, বিপলম্ভ শৃংগাৰ, মুনি, সৰ্গ, নগৰ, যজ্ঞ, যুদ্ধ, যাত্ৰা, বিৰহ, মন্ত্ৰৰ উপদেশ, পুত্ৰজন্ম, ইত্যাদিৰ বৰ্ণনা।

✯ মহাকাব্যৰ শ্লোকবোৰ, একেটা ছন্দতেই ৰচিত হ'ব লাগে, কিন্তু সৰ্গৰ শেষৰ পিনে ছন্দৰ সলনি কৰিব পাৰি।

✯ মহাকাব্যখন নমস্কাৰ, আশীৰ্বাদক বস্তুনিৰ্দেশক কথাৰে আৰম্ভ কৰিব লাগে।

✯ সন্ধ্যাদি প্ৰাকৃতিক বৰ্ণনা সঙ্গোপাঙ্গ হ'ব লাগিব; জলকেলি মধুপান আদি কাল আদি স্থানভেদে মানুহৰ ক্ৰিয়া, যাৰ দ্বাৰা বিনোদ হয়, তাৰ বৰ্ণনা থাকিব লাগে।

কাব্যশাস্ত্ৰত আলংকাৰিকসকলে মহাকাব্যক তলত দিয়া ধৰণে ভাগ কৰিছে—

বিকশনশীল — মহাভাৰত, ৰামায়ণ

অলংকৃত — অশ্বঘোষৰ সৌন্দৰানন্দ আৰু বুদ্ধচৰিত কালিদাসৰ ৰঘুবংশ আৰু কুমাৰসম্ভৱ

আকৌ অলংকৃত মহাকাব্যৰ বিভাগৰ ভিতৰত পৌৰাণিক, ঐতিহাসিক, ৰোমাঞ্চক, ৰূপ-কথাত্মক, শাস্ত্ৰীয় ইত্যাদি পৰে। ঐতিহাসিক কাব্যৰ শ্ৰেণীত পৰে চৰিতকাব্য আৰু প্ৰশস্তি কাব্য। যেনে— বুদ্ধচৰিত, কলহনৰ, ৰাজতৰংগিনী, বিহ্লনৰ, বিক্ৰমাঙ্গদেৱৰ, চৰিত। ৰোমাঞ্চক মহাকাব্যৰ ভিতৰত কথা চৰিত সাগৰ আৰু ভট্টিকাব্য পৰে।

**মহাকাব্য ৰামায়ণ ঃ**

ব্ৰহ্মাৰ উপদেশমতে দুবৃত্ত ৰত্নাকৰে আসুৰিক স্বভাৱ পৰিত্যাগ কৰি মহৰ্ষি বাল্মীকি নামেৰে নতুন জীৱন লাভ কৰি ৰামায়ণ ৰচনা কৰে। ক্ৰৌঞ্চ মিথুনৰ এটা ব্যাধৰ শৰত বিদ্ধ হৈ সি যি যন্ত্ৰণাত চাটি-ফুটি হৃদয়-বিদাৰক বিননি কৰিছিল, সেই বিননিত কবিজনাৰ হৃদয়ৰ নিভৃততম কোণত শোকে খুন্দা মাৰি ধৰিলে আৰু স্বতঃস্ফূৰ্তভাৱে ওলাই আহিল থেওঁৰ মুখেৰে এফাঁকি শ্লোক—

"মা নিষাদ প্ৰতিষ্ঠাং ত্বমগমঃ শ্বাশ্বতী সমাঃ।
যৎ ক্ৰোঞ্চ মিথুনাদেকমবধীঃ কামমোহিতম।।"

ব্ৰহ্মাৰ উপদেশ মৰ্মে শোক সাগৰত ডুবি থকা বাল্মীকিয়ে ৰচনা কৰা ৰামায়ণখন মূলতঃ সাতটা কাণ্ড, পাঁচশ অধ্যায়ত বিভক্ত। ইয়াত সৰ্বমুঠ ২৪,০০০ শ্লোক আছে।

**ভাৰতীয় জাতীয় জীৱনৰ ৰামায়ণৰ প্ৰভাৱ ঃ**

ব্ৰহ্মাই বাল্মীকিক কৈছিল—

"যাৱৎ স্থাস্যন্তি গিৰয়ঃ সৰিতাশ্চ মহীতলে।
তাৱৎ ৰামায়ণ কথা লোকেষু প্ৰচৰিষ্যতি।।"

অৰ্থাৎ যিমান দিন পৃথিৱীত পৰ্বত আৰু নদীসমূহ ৰৈ থাকিব, সিমান দিন ৰামায়ণৰ কাহিনী পৃথিৱীত চলি থাকিব। ব্ৰহ্মাৰ এই আশীৰ্বাদ আজিও প্ৰাসংগিক কিয়নো ভাৰতবৰ্ষৰ সকলো প্ৰান্তীয় ভাষাতে ৰামায়ণ অনূদিত হৈছে।

পিতৃভক্ত পুত্ৰ হিচাপে প্ৰজানুৰঞ্জক ৰজা হিচাপে, ৰামচন্দ্ৰ, ভাতৃৰ আদৰ্শৰূপে লক্ষ্মণ, ভৰতৰ চৰিত্ৰ সেৱক আদৰ্শৰূপে হনুমানৰ চৰিত্ৰ, সাধ্বী আৰু পতিব্ৰতা নাৰী হিচাপে সীতাৰ আদৰ্শ আজিও ভাৰতৰ জাতীয় জীৱনত প্ৰভাৱ বিস্তাৰ কৰি আছে। তদুপৰি ৰামায়ণৰ পৰৱৰ্তী কবিসকলৰ ৰচনাতো ৰামায়ণৰ প্ৰভাৱ সুস্পষ্ট। প্ৰাচীন ভাৰতৰ প্ৰসিদ্ধ কবি কালিদাস, ভৱভূতি, ভাস আদি প্ৰায়সংখ্যক কবিয়েই ৰামায়ণক আধাৰ কৰি বিভিন্ন সাহিত্য সৃষ্টি কৰিছিল।

মহাকবি কালিদাসে ৰামায়ণক 'কবি প্ৰথম পদ্ধতি' আৰু বাল্মীকিক 'আদিকবি' আখ্যা দিছে। প্ৰকৃততে ৰামায়ণ ভাৰতীয় সভ্যতাৰ প্ৰতীক। সেইবাবে প্ৰখ্যাত সমালোচক উইন্টাৰনীৎসে মন্তব্য কৰিছে—

"ৰামায়ণে ভাৰতীয়ৰ জাতীয় জীৱনত যুগে যুগে যি প্ৰভাৱ বিস্তাৰ কৰিছে পৃথিৱীৰ আন কোনো সাহিত্যই কোনো জাতিৰ ওপৰত সিমান প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাই।"

**অসমীয়া সাহিত্যত ৰামায়ণ ঃ**

পণ্ডিত-সমালোচক হেমন্ত কুমাৰ শৰ্মাই "অসমীয়া সাহিত্যৰ দৃষ্টিপাত" শীৰ্ষক গ্ৰন্থত অসমীয়া ৰামায়ণী সাহিত্যিক আঠটা বিভাগত বিভক্ত কৰিছে। অৱশ্যে ইয়াৰ আগতে উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৱে এই ক্ষেত্ৰত চাৰিটা বিভাগ দেখুৱাইছে। তাৰ লগত কিছু সংযোজন কৰি হেমন্ত কুমাৰ শৰ্মাই অসমীয়া ৰামায়ণী সাহিত্যক ভাগ কৰিছে এইদৰে—

১। পদ ৰামায়ণ
২। গীতি ৰামায়ণ
৩। নাটকীয় ৰামায়ণ
৪। কীৰ্তনীয়া ৰামায়ণ
৫। ৰামায়ণী কাব্য
৬। কথা ৰামায়ণ
৭। ৰামায়ণৰ প্ৰভাৱমুক্ত অসমীয়া বিয়ানাম, গৰখীয়া নাম, ফকৰা যোজনা
৮। আধুনিক সাহিত্যত ৰামায়ণ

**পদ ৰামায়ণ ঃ**

মাধৱ কন্দলি, শংকৰদেৱ, মাধৱদেৱ আদিয়ে পদত ৰামায়ণ ৰচনা কৰিছিল। প্ৰাক শংকৰী যুগৰ কবিসকলৰ ভিতৰত মাধৱ কন্দলি শ্ৰেষ্ঠ আৰু তেওঁ বৰাহী ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতা লাভ কৰি ৰামায়ণ ৰচনা কৰি অসমীয়া ভাষা-সাহিত্যৰ ভেটি প্ৰতিষ্ঠা কৰে। মাধৱ কন্দলিৰ ৰামায়ণৰ বৈশিষ্ট্য সম্পৰ্কে উল্লেখ কৰি উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৱে লিখিছে—

"মাধৱ কন্দলিৰ ৰামায়ণেই অসমীয়া সাহিত্যৰ দৃঢ় ভেটি সংগঠক। লগতে ই অসমীয়া সাহিত্যৰ প্ৰকৃষ্ট ঘোষণা, অসমীয়া সমাজৰ শিক্ষা, সাধনা আৰু আদৰ্শৰ দাপোন।"

মাধৱ কন্দলিয়ে "সপ্তকাণ্ড ৰামায়ণ পদে বন্ধে নিবন্ধিলোঁ" বুলি কৈছে যদিও তেওঁৰ ৰামায়ণৰ মূল পাঁচটা কাণ্ডহে পোৱা গৈছে। বাকী দুটা কাণ্ড শংকৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰিছিল। উত্তৰ ভাৰতৰ প্ৰান্তীয় ভাষাসমূহত ৰচিত ৰামায়ণৰ ভিতৰত মাধৱ কন্দলিৰ ৰামায়ণেই প্ৰাচীনতম। মাধৱ কন্দলিৰ ৰামায়ণৰ এশ-ডেৰশ বছৰৰ পিছতহে হিন্দী, বঙালী, উৰিয়া আদি ভাষালৈ ৰামায়ণ অনূদিত হয়। ৰামায়ণ সম্পৰ্কত মাধৱ কন্দলিয়ে নিজেই লিখিছে—

"বাল্মীকি ৰচিলা শাস্ত্ৰ গদ্যপদ্য ছন্দে।
তাহাক বিচাৰি আমি কৰিয়া প্ৰবন্ধে।।
আপোনাৰ বুদ্ধি অৰ্থ যিমন বুজিলোঁ।
সংক্ষেপ কৰিয়া তাক পদ বিৰচিলোঁ।।

আন বৈষ্ণৱ কবিৰ দৰে ধৰ্মমতক প্ৰাধান্য নিদি কন্দলিয়ে জনসাধাৰণৰ ৰুচি আৰু কাব্যিক সৌন্দৰ্য উভয় দিশৰ প্ৰতি লক্ষ্য ৰাখি কাব্য ৰচনাত মনোনিবেশ কৰিছে। কাহিনী উপস্থাপনৰ পদ্ধতি, চৰিত্ৰ সৃষ্টি, খণ্ডবাক্য, যোজনা-পটন্তৰ আদিৰ প্ৰয়োগৰ ক্ষেত্ৰত কন্দলিয়ে নিপুণতা প্ৰদৰ্শন কৰিছে।

মাধৱ কন্দলিৰ পিছতেই আন এগৰাকী বৈষ্ণৱ কবি অনন্ত কন্দলিয়ে মাধৱ কন্দলিৰ ৰামায়ণৰ অলপ পৰিৱৰ্তিত ৰূপত প্ৰণয়ন কৰে। সমালোচকসকলে অনন্ত কন্দলিৰ ৰামায়ণক মাধৱ কন্দলিৰ ৰামায়ণৰ 'বৈষ্ণৱ সংস্কৰণ' বুলিছে। কবি অনন্ত কন্দলীয়ে 'ৰামায়ণ' সন্দৰ্ভত নিজেই মন্তব্য কৰিছে এনেদৰে—

"মাধৱ কন্দলি বিৰচিলা ৰামায়ণ।
তাক শুনি আমাৰ কৌতুক কৰে মন।।
ৰামৰ সামান্য সন্ত গুণ যথাৰত।
ভজনীয় গুণ মত নভৈল বেকত।।
এতেকে যতন কৰি ভকতিৰ পদে।

নুবুলিলা নিন্দা সদা শুনা সভাসদে।"

মাধৱ কন্দলি, শংকৰদেৱ, মাধৱদেৱ আৰু অনন্ত কন্দলিৰ ৰামায়ণৰ উপৰিও কোচবেহাৰ গ্ৰন্থাগাৰত আৰু কেইগৰাকীমান ৰচকৰ নামত ৰামায়ণৰ কেইটামান কাণ্ড পোৱা গৈছে। তেওঁলোকৰ ভিতৰত ৰঘুনাথ দ্বিজ আৰু লক্ষ্মীৰাম দ্বিজৰ 'অযোধ্যাকাণ্ড', শ্ৰীনাথ দ্বিজ, ৰঘুনাথ দ্বিজ আৰু দেৱীনন্দনৰ 'কিষ্কিন্ধ্যাদাণ্ড' আৰু ৰুদ্ৰৰাম শৰ্মাৰ 'অৰণ্যকাণ্ড'ইত্যাদি।

**গীতি ৰামায়ণ ঃ**

কবি দুৰ্গাবৰে গীতত ৰামায়ণ ৰচনা কৰিছিল। দুৰ্গাবৰৰ গীতি ৰামায়ণ বাল্মীকি ৰামায়ণৰ অনুবাদ নহয়, মাধৱ কন্দলিৰ ৰামায়ণৰ জনপ্ৰিয় সংস্কৰণহে। মাধৱ কন্দলি তথা মূল ৰামায়ণৰ প্ৰায়ভাগ ক্ষেত্ৰতে সলনি ঘটিছে দুৰ্গাবৰৰ ৰামায়ণত। দুৰ্গাবৰৰ গীতবোৰত অনুভূতিৰ কোমলতাৰ লগে লগে কবিৰ মানসিক বিশ্লেষণ দক্ষতাৰ পৰিচয় পোৱা যায়। গীতবোৰত মঞ্জৰী, ধনশ্ৰী, ৰামগিৰি, আহিৰ ইত্যাদি বিভিন্ন ৰাগৰ প্ৰয়োগ কৰা হৈছে।

দুৰ্গাবৰৰ গীতৰ বাহিৰেও অন্যান্য গীতি সাহিত্যতো ৰামায়ণৰ কাহিনীৰ উল্লেখ পোৱা যায়। শংকৰদেৱ আৰু মাধৱদেৱৰ কেইবাটাও বৰগীতত ৰামচন্দ্ৰ উদ্ভাসিত হৈছে। বাৰমাহী গীততো ৰামায়ণৰ উল্লেখ পোৱা যায়। ৰাম বাৰমাহী, সীতা বাৰমাহী ইত্যাদি বাৰমাহী গীতত ৰাম-সীতাৰ বিৰহ বেদনাৰ ভাব অতি কৰুণভাৱে ধ্বনিত হৈছে।

**নাটকীয় ৰামায়ণ ঃ**

ৰামায়ণৰ কাহিনীক অৱলম্বন কৰি কেইবাখনো নাটক ৰচনা কৰা হৈছে। শংকৰদেৱ বিৰচিত 'ৰাম বিজয়' নাটকৰ কথাবস্তু ৰামায়ণৰ পৰা লোৱা হৈছে। আকৌ আদিকাণ্ড ৰামায়ণৰ মাধৱদেৱৰ নামতো 'ৰাম ভাওনা' নামৰ এখনি নাটক পোৱা যায়। অনন্ত কন্দলিয়ে ৰামায়ণৰ কাহিনীৰ অৱলম্বনত 'সীতাৰ পাতাল প্ৰৱেশ' নামৰ এখন নাটক ৰচনা কৰে। উত্তৰ শংকৰী যুগতো ৰামায়ণৰ কাহিনী লৈ নাট ৰচনা কৰা দেখা যায়। ৰুচিদেৱৰ 'শতস্কন্ধ ৰাৱণ বধ' আৰু 'সীতাহৰণ নাট' (গোপালৰ) উল্লেখযোগ্য।

**কীৰ্তনীয় ৰামায়ণ ঃ**

শংকৰদেৱৰ কীৰ্তনৰ ঘোষাপদৰ আৰ্হিত অনন্ত ঠাকুৰ আতাই সংক্ষিপ্তভাৱে ৰামায়ণ ৰচনা কৰে। এওঁৰ ৰামায়ণখনৰ নাম শ্ৰীৰামকীৰ্তন।

**কথা ৰামায়ণ ঃ**

গোলাঘাটৰ দৈয়ং সত্ৰৰ ৰঘুনাথ মহন্তই কথাৰূপৰ ৰামায়ণ ৰচনা কৰে। তেওঁ ৰামায়ণৰ সাৰ কাঢ়ি ৰামায়ণৰ সাৰমৰ্ম কথাও প্ৰকাশ কৰে। কন্দলিৰ ৰামায়ণৰ কথাবস্তুৰ আধাৰতে ৰঘুনাথে ৰামায়ণৰ গদ্যৰূপ প্ৰদান কৰিছে।

**ৰামায়নী কাব্য ঃ**

ৰামায়ণৰ কাহিনীক আধাৰ হিচাপে লৈ কেইবাখনো কাব্য ৰচিত হৈছে, যিবোৰক ৰামায়ণী কাব্য আখ্যা দিব পাৰি। প্ৰাক্ শংকৰী যুগৰ কবি হৰিবৰ বিপ্ৰৰ 'লৱ-কুশৰ যুদ্ধ' ৰামায়ণৰ কাহিনীৰ আধাৰত ৰচিত প্ৰথম কাব্য। গংগাৰাম দাসে উত্তৰাকাণ্ডৰ অন্তৰ্গত 'সীতাৰ বনবাস' নামৰ এখনি কাব্য ৰচনা কৰে। অনন্ত কন্দলিৰ 'মহীৰাৱণ বধ' আন এখনি ৰামায়ণ বিষয়ক কাব্য।

ৰামায়ণৰ কাহিনীয়ে অসমীয়া জাতীয় জীৱনত এনেভাৱে প্ৰভাৱ বিস্তাৰ কৰিছে যে বৈষ্ণৱ কবিসকলৰ পদ, কথা আদিৰ উপৰি অনাখৰী চহা কবিৰ ৰচনাতো ৰামায়ণে বিশিষ্ট আসন লাভ কৰিছে। বিয়ানামত ৰাম-সীতাৰ লগত দৰা-কইনাক তুলনা কৰাৰ দৃষ্টান্ত পোৱা যায়।

মন্ত্ৰ সাহিত্যতো বিভিন্ন প্ৰসংগত ৰামায়ণৰ কাহিনীৰ পুনৰাবৃত্তি ঘটিছে। জুয়ে পোৱা মন্ত্ৰ, মুখভঙ্গা মন্ত্ৰ, কৰতী মন্ত্ৰ আদিত ৰামায়ণৰ উল্লেখ পোৱা যায়। অসমীয়া প্ৰবাদ-প্ৰবচন, ফকৰা-যোজনা আদিতো ৰামায়ণৰ কাহিনীয়ে ছাত্ৰ লাভ কৰিছে। 'অতি দৰ্পে হত লংকা', 'ৰাম নজন্মোতেই ৰামায়ণ', 'ঘৰ শত্ৰু বিভীষণ' ইত্যাদি এইক্ষেত্ৰত বিশেষ উল্লেখযোগ্য।

আধুনিক অসমীয়া সাহিত্যতো ৰামায়ণৰ প্ৰভাৱ বিদ্যমান। তীৰ্থনাথ গোস্বামীৰ 'সীতাৰ বনবাস', কমলেশ্বৰ চলিহাৰ 'উত্তৰাকাণ্ড ৰামায়ণ' আদি ৰামায়ণৰ আধাৰত ৰচিত কাব্য। সেইদৰে ৰমাকান্ত চৌধুৰীৰ 'সীতাহৰণ' আৰু 'ৰাৱণ বধ', চন্দ্ৰধৰ বৰুৱাৰ মেঘনাদ বধ, দুৰ্গেশ্বৰ শৰ্মাৰ 'বালিবধ', দণ্ডীনাথ কলিতাৰ 'অগ্নি পৰীক্ষা', মিত্ৰদেৱ মহন্তৰ 'বৈদেহী বিয়োগ' আদি ৰামায়ণৰ আধাৰত ৰচিত নাটক। গতিকে দেখা যায় যে প্ৰাক্ শংকৰী যুগৰে পৰা আধুনিক কাললৈকে কাব্য, গীত-নাট ইত্যাদি বিভিন্ন ৰূপত ৰামায়ণৰ কাহিনীয়ে অসমীয়া সাহিত্যক তথা জাতীয় জীৱনক প্ৰভাৱান্বিত কৰি আহিছে।

(প্ৰবন্ধটো যুগুত কৰোঁতে বিভিন্ন গ্ৰন্থৰ প্ৰত্যক্ষ সহায় লোৱা হৈছে। একাৰ্থত এই প্ৰবন্ধটোক 'সংগ্ৰহ' বুলিও অভিহিত কৰাৰ অৱকাশ আছে।)



# সমন্বয়ৰ ক্ষেত্ৰ পঞ্চতীৰ্থ হাজো

দৰ্পণা চৌধুৰী
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ

হাজো কামৰূপ জিলাৰ এখন বুৰঞ্জী প্ৰসিদ্ধ ঠাই। গুৱাহাটীৰ পৰা প্ৰায় ৩২ কিল'মিটাৰ দূৰত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে ই অৱস্থিত। এই ঠাইখন বহুতো পুৰণি মঠ-মন্দিৰ-মছজিদ আদিৰে পৰিপূৰ্ণ। এই নগৰখন ঔৰ্ব ঋষিয়ে প্ৰতিষ্ঠা কৰা বুলি কোৱা হয়। মুছলমান সেনাপতি কালাপাহাৰে এই নগৰ আৰু মন্দিৰ ধ্বংস কৰাৰ পিছত কোচ ৰজা ৰঘুদেৱে ইয়াক পুনৰ নিৰ্মাণ কৰে। হাজো অকল হিন্দুৰে যে পূজ্য ঠাই এনে নহয়, বৌদ্ধসকলৰ বাবেও ই আছিল সমানেই আদৰণীয়।

হাজো নামটোৰ বিষয়ে বহুতো জনশ্ৰুতি পোৱা যায়—
১। পুৰণি কালত ঋষি-মুনিসকলে এই ঠাইত ধ্যানত সাধনা পূৰ্ণ হোৱাৰ আগেয়ে যোগ ভ্ৰষ্ট হৈ তেওঁলোকে 'হতযোগ হতযোগ' বুলি চিঞৰি উঠিছিল। ইয়াৰ পৰাই 'হাজো' হয়।

২। ভগৱান বুদ্ধই হাজোত পৰিনিৰ্বাণ লাভ কৰা বুলি বৌদ্ধসকলে বিশ্বাস কৰে। সেইবাবে বুদ্ধৰ মৃত্যুত শিষ্যসকলে শোকত 'হঅ জঅ' বা 'হাজু' (সূৰ্য ডুব গ'ল) বুলি উচ্চাৰণ কৰিছিল আৰু তেতিয়াৰ পৰাই হাজো হ'ল।

জনশ্ৰুতিবোৰৰ উপৰি 'হাজো' নামটোৰ উৎপত্তিৰ ক্ষেত্ৰত ঐতিহাসিক আৰু ভাষাতাত্ত্বিক ব্যাখ্যাও পোৱা যায়। ঐতিহাসিক ব্যাখ্যা মতে, এই ঠাইখন মেচ ৰজা 'হজ' বা 'হাজু'ৰ ৰাজধানী আছিল; সেই অনুসৰি হাজো হ'ল।

ড° বাণীকান্ত কাকতি আদি ভাষাতাত্ত্বিকসকলৰ মতে, হাজো বড়োমূলীয়া শব্দ। বড়ো ভাষাৰ 'হা' (মাটি) আৰু 'গজৌ' (ওখ) শব্দৰ পৰা হাজো শব্দটোৰ উৎপত্তি হয়। অৰ্থাৎ হাজো নামটোৱে ওখ ঠাই বা পৰ্বত-পাহাৰৰ ঠাইক বুজায়।

হাজো নামটো ১৫-১৬ শ শতিকা মানৰ পৰা পোৱা যায়। মেচ ৰজা হজ বা হাজুৰ সময় ১৫ শ শতিকা। কোচ ৰজা ৰঘুদেৱ নৰনাৰায়ণৰ সময়ত ১৬ শ শতিকা মানত হাজোৱে এখন ৰাজ্যৰ মৰ্যাদা লাভ কৰিছিল। ১৫৮৩ খ্ৰীষ্টাব্দত কোচৰজা ৰঘুদেৱ নাৰায়ণে হয়গ্ৰীৱ মাধৱ মন্দিৰ পুনৰ নিৰ্মাণ কৰিছিল।

শংকৰী যুগৰ অন্যতম শ্ৰেষ্ঠ কবি অনন্ত কন্দলিৰ ৰামায়ণৰ অযোধ্যাকাণ্ডতো হাজোৰ বৰ্ণনা পোৱা যায়।

**মহামিলনৰ ভূমি পঞ্চতীৰ্থ ঃ**

হাজো হিন্দু, মুছলমান আৰু বৌদ্ধসকলৰ সমন্বয় ক্ষেত্ৰ। এই পুণ্যভূমি হাজোত শ্ৰীশ্ৰীহয়গ্ৰীৱ মাধৱ, কেদাৰ, কামেশ্বৰ, কমলেশ্বৰ আৰু গণেশ— এই পাঁচখন তীৰ্থস্থান আছে। এই পাঁচখন তীৰ্থস্থানক একেলগে পঞ্চতীৰ্থ বুলি কোৱা হয়। বহুতে পোৱামক্কাক তীৰ্থস্থান হিচাপে কয় যদিও প্ৰকৃততে ই দৰগাহহে।

হয়গ্ৰীৱ মাধৱ মন্দিৰটো বিষ্ণুৰ হয়গ্ৰীৱ অৱতাৰৰ আধাৰত নিৰ্মিত বুলি জনবিশ্বাস আছে। জনবিশ্বাস অনুযায়ী, 'মধু' আৰু 'কৈটভ' নামৰ দুটা দানৱে 'ব্ৰহ্মাৰপৰা বেদ চাৰিখন চুৰি কৰি নিয়াৰ পিছত বিষ্ণুৱে হয়গ্ৰীৱ ৰূপ ধৰি দানৱ দুটাক বধ কৰে আৰু বেদ চাৰিখন উদ্ধাৰ কৰে। অন্য এক জনবিশ্বাসমতে, মহৰ্ষি ঔৰ্বৰ প্ৰাৰ্থনাত সন্তুষ্ট হৈ বিষ্ণুৱে হয়গ্ৰীৱ মাধৱৰূপে এই মণিকূট পৰ্বতত অৱস্থান কৰে।

মণিকৰ্ণেশ্বৰৰ পাহাৰৰ ওপৰত প্ৰায় আঢ়ৈ ফুট ওখ পুৰণি ইটাৰ গড়ৰ মাজত প্ৰায় ৫ বিঘা মাটিৰে আৱৰা সমভূমি খণ্ডত ৰত্ন

মূলা আদি ব্যৱহাৰ কৰা হয়। প্ৰতিদিনে হেজাৰ-বিজাৰ ভক্তৰ সমাগম হয়। ইয়াত ভোগ আদিও দিয়া হয়।

মাধৱ মন্দিৰত বিশেষকৈ কাতি মাহ আৰু মাঘ-ফাগুন মাহত যাত্ৰীৰ ভিৰ হয়। কাতি মাহত তুলসী পাত দিলে ভক্তৰ মনোবাঞ্চা পূৰ্ণ হয় বুলি বিশ্বাস। মাঘ-ফাগুন মাহত ৰাইজৰ অভাৱ-অনাটন দূৰ হয়, খেতিপথাৰৰ পৰা ধান-মাহ চপাই আনি মন্দিৰত নৈবেদ্য, ভোগ কৰি আগবঢ়ায়। এই মাঘ মাহত দূৰ-দূৰণিৰ পৰা ভক্তসকল আছে। মন্দিৰত নিৰামিষ ভোগহে ৰখা হয়। ইয়াত তেলৰ পৰিৱৰ্তে গৰুৰ ঘিঁউহে ব্যৱহাৰ কৰে। মন্দিৰত বনোৱা পুৰী পিঠা এবিধ উল্লেখনীয় পিঠা। এই পিঠা জহা চাউলৰ পিঠাগুৰি, চেনি আৰু ঘিঁউৰে বনোৱা হয়।

মন্দিৰত অনুষ্ঠিত হোৱা কেইটিমান উৎসৱ হ'ল— দৌল উৎসৱ। মাঘ আৰু পুহ মাহৰ সংক্ৰান্তিৰ দিনা অৰ্থাৎ প্ৰথম বিহুৰ দিনা বুলবুলি চৰাইৰ যুঁজ আদি উল্লেখনীয় অনুষ্ঠান। চৰাইৰ যুঁজৰ এক বিশেষ আমোদ আছে। এই যুঁজ আহোম ৰজা প্ৰমত্ত সিংহৰ

**গণেশ মন্দিৰৰ দক্ষিণফালে পাহাৰৰ মাজেৰে কেদাৰলৈ যোৱা বাট। এই বাটৰ দক্ষিণফালে অলপ ওপৰত বাণেশ্বৰ পাহাৰ। এই পাহাৰতে কামেশ্বৰ মন্দিৰ। এই মন্দিৰত শিৱ লিংগ আৰু পঞ্চানন দশভূজা মূৰ্তি আছে। এই দশভূজা মূৰ্তিটো চলন্ত ৰূপত অৰ্থাৎ বিশেষ পৰ্ব কিছুমানত ৰঙা কাপোৰ আৰু মালা ফুলেৰে সজোৱা সিংহ মূৰ্তিৰ কাঠৰ দোলাত লৈ নগৰ ভ্ৰমণত ওলায়। বহুতে ইয়াক মদন-কামদেৱৰ মন্দিৰৰূপেও ক'ব খোজে। এই মন্দিৰ বহুৰাৰ কালৰ সোঁতত ভাগি যায়। এই কথা সত্য হ'বও পাৰে।**

অলংকৃত ১২৩ টা হাতীৰ মূৰেৰে তিনিওফালে সুনিপুণ কলা-ভাস্কৰ্যপূৰ্ণ প্ৰায় ৩০০ ফুট ওখ এই হয়গ্ৰীৱ মাধৱ মন্দিৰ। মন্দিৰৰ ভিতৰত পাঁচটা বিগ্ৰহ মূৰ্তিমান। একেবাৰে সোঁমাজত হয়গ্ৰীৱ মাধৱ (হয়-ঘোঁৰা, গ্ৰীৱ- ডিঙি, মা- লক্ষ্মী, ধৱ- স্বামী) বা বুঢ়ামাধৱ। ইয়াৰ বাঁওফালে দ্বিতীয় মাধৱ আৰু তাৰ কাষতে চলন্ত মাধৱ। সোঁফালে বাসুদেৱ আৰু ওচৰতে গৰুড় পক্ষী।

মন্দিৰত এটি বুলনি ঘৰ, নাটঘৰ, ভোগঘৰ আৰু আহোম ৰজা প্ৰমত্ত সিংহই নিৰ্মাণ কৰা দৌল। দৌলযাত্ৰাৰ সময়ত চলন্ত মাধৱক ইয়াত স্থাপন কৰা হয়। বিধি অনুসাৰে পূজাও দিয়া হয়। মন্দিৰৰ পূবত মা-লক্ষ্মী আৰু হোমঘৰ।

মন্দিৰৰ মুখ্য দ্বাৰত খট্‌খটীৰ থাক্ আছে ৯৩ টা। জনবিশ্বাস যে ইয়াৰে এটা থাক্ উঠি যাঁওতে মানুহৰ লক্ষ লক্ষ পাপ মোচন হয়। উত্তৰ ফালে খট্‌খটীৰে নামি তলত যোগিনী তন্ত্ৰত উল্লেখিত বিষ্ণু পুষ্কৰ। এই প্ৰকাণ্ড পুখুৰীটোত ভগৱান বিষ্ণুৰ মৎস্য আৰু কূৰ্ম অৱতাৰৰ প্ৰতীক হিচাপে মাছ আৰু কাছ ৰখা হয়। মন্দিৰলৈ অহা ভক্তসকলে পুখুৰীত পদস্নান কৰিহে মন্দিৰ দৰ্শন কৰে। মাছবোৰক বিস্কুট-মুৰি আদি খাবলৈ দিয়া হয়। মন্দিৰত নিতৌ পূজা-অৰ্চনা কৰা হয়। মন্দিৰত তুলসী পাত, জালমালা, কণ্ঠীমালা, ডুগডুগী মালা,

দিনৰ পৰাই প্ৰচলিত হৈ আহিছে।

মাধৱ মন্দিৰৰ পৰা প্ৰায় এক কিলোমিটাৰ দূৰত দক্ষিণ ফালে গণেশ মন্দিৰ। এই মন্দিৰটো ১৭৪৪ খৃষ্টাব্দত ৰজা প্ৰমত্ত সিংহই সজাইছিল। ইয়াত সেন্দুৰ, তেল আৰু বেলপাতৰ মালা দিয়াৰ উপৰি প্ৰতি মঙ্গলবাৰে ৰঙা পাৰিজাত ফুল অৰ্পণ কৰা হয়। এই পাৰিজাত ফুল অৰ্পণ কৰাৰ ফলত সকলো কামতে সিদ্ধি লাভ হয় বুলি জনবিশ্বাস আছে।

গণেশ মন্দিৰত এটা প্ৰকাণ্ড শিলৰ ঐৰাৱতৰ মূৰ্তি আছে। এই মূৰ্তিৰ বিষয়ে বিভিন্ন জনগাঁথাও আছে। ইয়াত কোনো চলন্ত বিগ্ৰহ নাই। ত্ৰিসন্ধ্যা পূজা চলি থাকে। ইয়াত নিৰামিষ ভোগ লাগে। গোটেই বছৰটোতে যাত্ৰীৰ ভিৰ হয় যদিও মাঘৰ পৰা ব'হাগ মাহত যাত্ৰীৰ ভিৰ বেছি। প্ৰথমে মাঘৰ-কেদাৰ-কামেশ্বৰৰ চলন্ত বিগ্ৰহ প্ৰতি সংক্ৰান্তিতে গণেশৰ চ'ৰাঘৰলৈ অনা হৈছিল যদিও এতিয়া কেৱল মাঘ মাহতহে অনা হয়।

গণেশ মন্দিৰৰ দক্ষিণফালে পাহাৰৰ মাজেৰে কেদাৰলৈ যোৱা বাট। এই বাটৰ দক্ষিণফালে অলপ ওপৰত বাণেশ্বৰ পাহাৰ। এই পাহাৰতে কামেশ্বৰ মন্দিৰ। এই মন্দিৰত শিৱ লিংগ আৰু পঞ্চানন দশভূজা মূৰ্তি আছে। এই দশভূজা মূৰ্তিটো চলন্ত ৰূপত অৰ্থাৎ বিশেষ

পৰ্ব কিছুমানত ৰঙা কাপোৰ আৰু মালা ফুলেৰে সজোৱা সিংহ মূৰ্তিৰ কাঠৰ দোলাত লৈ নগৰ ভ্ৰমণত ওলায়। বহুতে ইয়াক মদন-কামদেৱৰ মন্দিৰৰূপেও ক'ব খোজে। এই মন্দিৰ বহুৱাৰ কালৰ সোঁতত ভাগি যায়। এই কথা সত্য হ'বও পাৰে। মদন-কামদেৱ মন্দিৰৰ ঠাইত শিৱ মূৰ্তি স্থাপন হ'বও পাৰে। অতীতৰ মন্দিৰ নিঃচিহ্ন হোৱাত প্ৰমত্ত সিংহই নতুন মন্দিৰ সাজি দিয়াৰ প্ৰমাণ আছে। ১৮৯৭ চনৰ ভূমিকম্পত পুনৰ মন্দিৰটো ধ্বংসপ্ৰাপ্ত হয়। এতিয়া এই মন্দিৰটো সম্পূৰ্ণ নতুনকৈ সজা। এই মন্দিৰত নিতৌ পূজা-অৰ্চনা হয়। বেলপাতৰ মালা, বগা চন্দন আৰু এটা তুলসী পাতেৰে শিৱক পূজা কৰিলে ভোগ আৰু মোক্ষ লাভ হয় বুলি বিশ্বাস। সেয়েহে বহুতো বিবাহোপযুক্ত যুৱক-যুৱতী আৰু অভিভাৱকে মল্লিকা পুষ্পৰ দ্বাৰা কামেশ্বৰক পূজা দি মনে বিচৰা স্বামী বা কল্যাণকামী পত্নী লাভৰ বাবে প্ৰাৰ্থনা কৰে।

কেদাৰ মন্দিৰ মদনাচল পাহাৰত অৱস্থিত। গণেশ মন্দিৰৰ দক্ষিণফালে পূবলৈ পকী ৰাস্তাৰে প্ৰায় এক কিলোমিটাৰ দূৰত এই মন্দিৰ অৱস্থিত। ই এখন শিৱপীঠ। এই মন্দিৰৰ নিৰ্মাণ কাল সম্পৰ্কে নানা কথা শুনা যায়। কোনোৱে ইয়াৰ নিৰ্মাণকাল ৬৫০ খ্ৰীষ্টাব্দৰপৰা ৯৯০ খ্ৰীষ্টাব্দ আৰু কোনোৱে ১১৩৮ খ্ৰীষ্টাব্দ বুলি অনুমান কৰে। কালিকাপুৰাণ যোগিনীতন্ত্ৰই কেদাৰ মন্দিৰৰ প্ৰাচীনতাৰ সাক্ষী দিয়ে। কালৰ সোঁতত এই মন্দিৰ ধ্বংসপ্ৰাপ্ত হয়। ৰাজেশ্বৰ সিংহৰ ৰাজত্ব কালত (১৭৫১-১৭৬৯ খ্ৰীষ্টাব্দৰ ভিতৰত) ইয়াৰ পুনৰ নিৰ্মাণ হয়।

মন্দিৰটোৰ লিংগ স্বয়ম্ভু আৰু অব্যয় বুলি কোৱা হয়। এওঁ অৰ্ধ-নাৰীশ্বৰ শিৱ। শিৱ-পাৰ্বতী একেলগে থকা কাৰণে ৰূপৰ টোপ এটাৰে ঢাকি থোৱা হয়। শিৱৰ বাঁওকোলাত পাৰ্বতী। শিৱৰ তিনিটা চকু, পাছফালে জঁট। জঁটৰ মাজত গংগা। সৰ্ব, ডম্বৰু, শংখ, ঘণ্টাই শিৱক সুশোভিত কৰি থাকে। বিগ্ৰহটোৰ চাৰিওফালে থকা শিলৰ গোলাকাৰ বেষ্টনীটোক গৌৰীপীঠ বুলি কোৱা হয়। ইয়াৰ কাষতে থকা আন এখন বেদীত চলন্তা শিৱৰ বিগ্ৰহ আছে। বৃষভৰ পিঠিত অৱস্থান কৰা চলন্তা শিৱৰ পঞ্চমুখ আৰু দশভূজ। এওঁকে উৎসৱাদিত বাহিৰলৈ নিয়া হয়।

ইয়াৰ মঠটো চালে চকুৰোৱা। উত্তৰ ভাৰতৰ শিখৰ শৈলীৰ লগত ইয়াক তুলনা কৰা হৈছে। এই মন্দিৰত নিতৌ পূজা-অৰ্চনা কৰা হয়। পুৱা স্নান, পিছত আমিষ ভোগ, সন্দিয়া আৰতি। আৰতিৰ সময়ত শিৱৰ উদ্দেশ্যে ভাং, পুৰি পিঠা বা পায়স আদি আগবঢ়োৱা হয়। কেদাৰৰ প্ৰিয় বেলপাত। ইয়াত বেলপাতৰ মালা আৰু ৰূপৰ টোপটোত টোপমালা, গাখীৰ আদি দিয়া হয়। মন্দিৰত প্ৰৱেশ কৰাৰ পূৰ্বে কেদাৰৰ পুখুৰীত হাত-ভৰি ধুই পুখুৰীৰ কাষতে থকা কমলেশ্বৰ মন্দিৰত পূজা-অৰ্চনা কৰি কেদাৰ মন্দিৰত পূজা দিয়া হয়। ইয়াৰ ভোগ আমিষ। ইয়াত খাহী ছাগলী মুচৰি মাৰি শিৱলৈ আগবঢ়োৱা হয়। মাটি মাহৰ দাইল, মাছ-মাংস ভোগত ব্যৱহাৰ হয়।

শিৱৰাত্ৰি মন্দিৰৰ প্ৰায় অনুষ্ঠান। এই উৎসৱৰ দিনা বহু যাত্ৰীৰ সমাগম হয়। এই দিনটোত মূল বিগ্ৰহটো সকলোকে স্পৰ্শ কৰি গাখীৰ, ভাং, বেলপাত দিবলৈ সুবিধা দিয়া হয়।

কমলেশ্বৰ মন্দিৰ কেদাৰ মন্দিৰৰ ১০০ ফুট দূৰৰ পূবত আৰু কেদাৰ পুখুৰীৰ উত্তৰত অৱস্থিত। পঞ্চতীৰ্থ খ্যাত মন্দিৰটোৰ



মানুহৰ একেবাৰে চকুত নপৰা বিধৰ। ইয়াৰ প্ৰতিষ্ঠা কাল কেদাৰৰ প্ৰতিষ্ঠা কালৰ লগত একে বুলি অনুমান কৰা হৈছে। বিগ্ৰহস্বৰূপে এটি শিৱ লিংগ। ইয়াত বেলপাত, গাখীৰ, ভাং আদি উপাচাৰেৰে পূজা-অৰ্চনা কৰা হয়।

কেদাৰ মন্দিৰৰ গাতে লাগি দক্ষিণত আছে জয়দুৰ্গা দেৱালয়। এই দেৱালয়খন অতি প্ৰাচীন। ১৭৭৪ খৃষ্টাব্দত ৰজা লক্ষ্মী সিংহই গংগা বল্লভ গোস্বামীৰ (দ্বিজৰ) দ্বাৰা জয় দুৰ্গাৰ মন্দিৰ সজোৱাৰ প্ৰমাণ পোৱা যায়। মন্দিৰৰ প্ৰাচীন চিহ্ন পোৱা নাযায় আৰু ইয়াৰ গভাগৃহ নাই। চাৰিচুকীয়া এটি কোঠালি ঘৰ। বিগ্ৰহ হিচাপে আছে দশভূজা জয় দুৰ্গাৰ এটি শিলৰ মূৰ্তি। গৌৰীকান্ত নামৰ শিৱলিংগ। ইয়াত সপ্তচক্ৰী শালগ্ৰাম এটিও আছে। এনে শালগ্ৰাম পোৱা টান। নিতৌ পূজা কৰা হয়। ভোগ আমিষ। শিৱৰাত্ৰি আৰু দুৰ্গা পূজা ইয়াত উল-মালহেৰে পালন কৰা হয়। হাজো অঞ্চলৰ দুৰ্গা পূজা ইয়াতে প্ৰথম হয় বুলি বিশ্বাস।

এই মন্দিৰৰ বা তীৰ্থবোৰৰ উপৰি ইয়াৰ ওচৰে-পাজৰে অৰ্থাৎ কেদাৰ মন্দিৰৰ পূবত প্ৰায় ডেৰ কিঃমিঃ দূৰত বৰশাল গছ,

দক্ষিণফালে প্ৰায় ১ কিলোমিটাৰ আঁতৰত কপিল মুনিৰ আশ্ৰম আছে। এই আশ্ৰমখন গুলঞ্চ ফুল আৰু নানান ৰং-বিৰঙৰ ফুলেৰে মনোমোহা হৈ আছে।

কেদাৰ মন্দিৰলৈ উঠি যোৱাৰ সোঁফালে পাহাৰখনৰ নামনিত ভীমে পঁইতা ভাত খোৱা চৰিয়া। তাৰ পৰা অলপ উঠি গৈ দক্ষিণফালে কেদাৰলৈ পকী ৰাস্তাৰ অলপ ওপৰত প্ৰায় ডেৰ কিঃমিঃ দূৰত মহাদেৱৰ শিলৰ যাঁড় গৰু। তাৰ পৰা অলপ দক্ষিণে গৈ নেতাই ধুবুনীৰ ঘাট পোৱা যায়। গৰুড়াচল পাহাৰ আৰু কেদাৰ (মদনাচল) পাহাৰৰ মাজেৰে শিলৰ ওপৰত সাপ যোৱা চিহ্ন। কামেশ্বৰ মন্দিৰৰ নামনিত দক্ষিণ ফালে প্ৰায় ডেৰ কিঃমিঃ দূৰত সৰগদ্বাৰ। এই ঠাইবোৰৰ লগত একো একোটা জনশ্ৰুতি নিহিত হৈ আছে।

হাজোৰ গৰুড়াচল পাহাৰত অৱস্থিত পোৱামক্কা দৰগাহ। ই মুছলমানসকলৰ পৱিত্ৰ মিলনক্ষেত্ৰ। পৃথিৱীৰ এনে এখন ক্ষেত্ৰ নাই য'ত হিন্দু-মুছলমান এক হৈ একেখন ক্ষেত্ৰতে মিলিত হয়। ই হিন্দু-মুছলমানৰ মহামিলনৰ ক্ষেত্ৰই হৈছে পোৱামক্কা।

জনবিশ্বাস যে শ্ৰীকৃষ্ণই ভীষ্মক কন্যা ৰুক্মিণীক হৰণ কৰি দ্বাৰকালৈ ওভতোতে যাত্ৰা পথত গড়ুৰ পক্ষী অচল হোৱাত এই পাহাৰৰ শিখৰত জিৰণি লৈছিল। এই দিনটো আছিল জেঠ মাহৰ শুক্লা পূৰ্ণিমা। তেতিয়াৰে পৰাই এই পাহাৰখনৰ নাম গৰুড়াচল পাহাৰ নামে খ্যাত হৈ পৰিল আৰু সেইবাবেই জেঠ মাহৰ শুক্লা পূৰ্ণিমাৰ দিনা হিন্দুসকলে এই তীৰ্থ দৰ্শন কৰা দেখা যায়। ই হাজো-গুৱাহাটী পথৰ পৰা পকী পথেৰে প্ৰায় ২ কিলোমিটাৰ দূৰত। এই দৰগাহ মাধৱ মন্দিৰৰ পূবত আৰু কেদাৰৰ উত্তৰ পশ্চিমত। এই পাহাৰ বগোৱা বৰ কঠিন।

পোৱামক্কা নামটোৰ উৎপত্তি ক্ষেত্ৰত বহুতো প্ৰবাদ পোৱা যায়। কোনো কোনোৰ মতে পীৰ গিয়াছুদ্দিনে এই দৰগাহখন স্থাপনৰ সময়ত মক্কাৰ পৰা এপোৱা মাটি আনি ইয়াত ৰাখিছিল। অন্য এক জনশ্ৰুতি মতে হজৰত গিয়াছুদ্দিন আউলিয়া চাহাবে গৌৰাচল (গৰুড়াচল) পৰ্বতৰ ওপৰত এটি মছজিদ নিৰ্মাণ কৰিছিল। য'ত মছজিদ নিৰ্মাণ কৰিছিল তাত কাবাশ্বৰিফে বনোৱা ৩৬০ টা মূৰ্তিৰ এক চতুৰ্থাংশ অৰ্থাৎ ৯০ টা মূৰ্তি আছিল। আউলিয়া চাহাবে এই ঠাইকে পোৱামক্কা বুলিছিল। মছজিদৰ ভেটিত মক্কা শ্বৰিফৰ পৰা এপোৱা মাটি আনি দিছিল সেয়ে ই আজিও পোৱামক্কা নামে বিৰাজমান।

পোৱামক্কালৈ গোটেই বছৰ ভক্তৰ আগমন হয় যদিও বিশেষকৈ মাঘৰ পৰা ব'হাগ মাহত যাত্ৰীৰ ভিৰ বেছি হয়। উৰুচ পোৱামক্কাৰ প্ৰধান উৎসৱ। ইয়াত গিয়াচুদ্দিন আউলিয়াৰ উৰুচ পালন কৰা হয়। মাঘৰ মাহৰ প্ৰথম দিনৰ পৰা আৰম্ভ হৈ মাঘৰ পূৰ্ণিমাৰ দিনা পূৰ্ণ উৰুচ পালন কৰা হয়। এই সময়ছোৱাত বহু দূৰ-দূৰণিৰ পৰা যাত্ৰীৰ সমাগম হয়।

হাজো ৰাজহ চক্ৰত আন আন বহুতো মঠ-মন্দিৰ পোৱা যায়। এই মন্দিৰবোৰো পঞ্চতীৰ্থৰ সমানেই পূজ্য। হৰগৌৰী থান, বাসুদেৱ দেৱায়, ধাৰেশ্বৰ ইত্যাদি। তীৰ্থস্থানবোৰৰ লগতো জনশ্ৰুতি নিহিত হৈ আছে। হাজো পিতলৰ বাচন-বৰ্তন, মৃৎশিল্প আদিৰ বাবে বিখ্যাত। হাজোৰ পিতল শিল্পই অকমতে নহয় ভাৰতবৰ্ষতে এখন ঠাই অধিকাৰ কৰিবলৈ সক্ষম হৈছে।

হাজোৰ বিষয়ে ইমান কম কথাত ক'বলৈ কঠিন। হাজোত বিভিন্ন জাতি-সম্প্ৰদায়ৰ লোক বাস কৰে। হিন্দু, মুছলমান, মৰিয়া, কৈৱৰ্ত, কোচ, কলিতা, নমশূদ্ৰ, বড়ো, কেওট আদি লোকসকলে একেলগে মিলাপ্ৰীতিৰে বাস কৰি আহিছে। এই লোকসকলক একত্ৰ কৰি ৰখাত সহায় কৰিছে ঐতিহ্যপূৰ্ণ মঠ-মন্দিৰ আৰু জনবিশ্বাসবোৰে। সেয়ে হাজোক এখন সমন্বয়ক্ষেত্ৰ বুলি ক'লেও বঢ়াই কোৱা নহ'ব।

**সহায় লোৱা গ্ৰন্থ ঃ**

১। হাজো অঞ্চলৰ ইতিবৃত্ত— সমীন কলিতা।
২। হাজো দেখো বৈকুণ্ঠ সমান— মহেশ চন্দ্ৰ দাস।
৩। হাজোৰ ইতিবৃত্ত— সম্পাদনা ঃ প্ৰমোদ চন্দ্ৰ মেধি।
৪। মণিকূট, স্মৃতিগ্ৰন্থ— অসম সাহিত্য সভাৰ ৬৫ তম অধিৱেশন, ১৯৯৯ চন।

# অসমীয়া পেছাদাৰী নাট্যদল আৰু শ্ৰীমন্ত শঙ্কৰদেৱ

ভূৱনেশ্বৰ ডেকা
কৰ্মচাৰী

সাম্প্ৰতিক কালত অসমৰ কুৰি শতিকাৰ নাট্য সাহিত্যিকসকলে শঙ্কৰী যুগ পৰম্পৰা ৰক্ষা কৰি অসমী আইৰ বুকুত নাট, নৃত্য, গীত, বাদ্য আৰু বিজুলিবাতিৰ চমকপ্ৰদ কাৰিকৰী কৌশলৰ মাজেৰে নাটকৰাশি জোঁৰাৰ আনিছে। ই সঁচাকৈয়ে এক শুভ লক্ষণ। নাটকৰ মনোৰঞ্জনধৰ্মী মনঃস্তাত্ত্বিক দিশসমূহ বিচাৰ-বিশ্লেষণ কৰাটো আমাৰ নিচিনা মানুহৰ সাধ্যাতিত। তথাপিও কলম তুলি ল'লোঁ। ইচ্ছাকৃত বা অনিচ্ছাকৃত ভুল, ভ্ৰান্তি আৰু অনভিজ্ঞতাৰ বাবে ভুল হোৱাটো স্বাভাৱিক। তাৰ বাবে লিখনিৰ আদিতে ক্ষমাৰ জোলোঙাখনি আগবঢ়ালোঁ।

গন্ধৰ্ব বিদ্যাৰ চৌষষ্ঠি কলাৰ ভিতৰত নাট, নৃত্য, গীত, বাদ্য আৰু মুখা শিল্প অতিকৈ প্ৰধান। এই শিল্পসমূহৰ কথা মনলৈ অহাৰ লগে লগে, আমাৰ মানসপটত ভাহি উঠে মাথোঁ এখনেই ছবি, সেয়া হ'ল যুগস্ৰষ্টা, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ কথা। বৰ্তমান কুৰি শতিকাৰ নাট্য সাহিত্যিকসকলৰ নাটকৰ যি নাট্যশৈলী ই সঁচা অৰ্থত আধুনিকতাবাদ। শঙ্কৰদেৱৰ নাট্য আদৰ্শৰ লগত ই সম্পূৰ্ণ বিপৰীত। ইয়েই হ'ল যুগধৰ্মী। ইয়াৰ কাৰণ হ'ল— আজি দেশৰ যি সাৰ্বভৌমত্ব ৰাজনৈতিক প্ৰেক্ষাপট, সামাজিক বিচাৰ, ব্যৱস্থা আৰু বৈজ্ঞানিকভাৱে যান্ত্ৰিকতাৰ যি পয়োভৰ তাহানিৰ শঙ্কৰদেৱৰ দিনত ইয়াৰ এখন ওলোটা প্ৰতিচ্ছবিহে দেখিবলৈ পাওঁ।

শ্ৰীমন্ত শঙ্কৰদেৱে যি সময়ত জন্মগ্ৰহণ কৰিছিল সেই সময়ত দেশৰ সাৰ্বভৌমত্বৰ ওপৰত কোনো নিয়ন্ত্ৰণ নাছিল। ৰাজ্যৰ ৰজা আৰু ডা-ডাঙৰীয়াসকলৰ মাজত মনোমালিন্য, সমাজ ব্যৱস্থাত নানা ব্যাভিচাৰ, উচ্চ-নীচৰ বিৰাট ব্যৱধান আৰু ব্ৰাহ্মণ্যবাদৰ অপৰিসীম আধিপত্য ইত্যাদি কাৰণত ৰাজ্যৰ ৰজাই আইন-শৃংখলতাত নিয়ন্ত্ৰণ হেৰুৱাইছিল। ইয়াৰ উপৰিও ব্ৰাহ্মণ্যবাদৰ বাবে ৰাজ্যৰ মঠ, মন্দিৰ আৰু দেৱালয়সমূহত বিভিন্ন পশু-পক্ষীৰ বলি দানেৰে নিধৰ যজ্ঞৰ পোহাৰ মেলি আনন্দ উৎসৱত মত্ত হৈছিল। মুঠৰ ওপৰত অসমৰ আকাশ, বতাহ যেন এন্ধাৰৰ ক'লা মেঘে আৱৰি ধৰিছিল।

এনেদৰে উৰলি যাব ধৰা এই বৰ অসমখনক একমাত্ৰ "কৃষ্ণ ভক্তি"ৰ দ্বাৰায় যে উদ্ধাৰ কৰিব পৰা যাব সেই কথা তেওঁ বাৰুকৈ উপলব্ধি কৰিছিল। সেইবাবেই ওথওঁ নাটককে ধৰ্মপ্ৰচাৰৰ বাহন হিচাপে ব্যৱহাৰ কৰি বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিবলৈ মন মেলিছিল। এই জ্বলন্ত উদাহৰণ আমি বিচাৰি পাওঁ তেওঁৰ দ্বাৰা বিৰচিত 'চিহ্ন যাত্ৰা'ত।

আজিৰ পৰা প্ৰায় পাঁচশ পঞ্চাশ বছৰ আগতে, ৰামচৰণ ঠাকুৰৰ গুৰু চৰিত মতে শ্ৰীশ্ৰীমন্ত শঙ্কৰদেৱে মাত্ৰ ২২ বছৰ বয়সতে 'চিহ্ন যাত্ৰা' ৰচনা কৰিছিল। এই 'চিহ্ন যাত্ৰা'ত বৈকুণ্ঠৰ চিত্ৰপট অঙ্কন কৰি নটুৱাৰ নাচ আৰু সুত্ৰধাৰ, গায়ন, বায়ন, পালিৰ গীত, ভটিমাৰ মাজত স্বয়ং শঙ্কৰে নিজেও বৈকুণ্ঠৰ ঈশ্বৰৰ ভাওঁ লৈ সত্ৰৰ সমজুৱাক "কৃষ্ণ ভক্তি" আপ্লুত কৰিছিল। আৰু সেইবাবেই শঙ্কৰে নাটককেই ধৰ্মপ্ৰচাৰৰ বাহন হিচাপে লৈ সমগ্ৰ অসমৰ গাঁৱে-ভূঞে সত্ৰ, নামঘৰ পাতি পাপ পঙ্কিলতাত পোট খাই থকা বৃহত্তৰ অসমীয়া জাতিটোক একমাত্ৰ কৃষ্ণ ভক্তিত নিমজ্জিত কৰিবলৈ সক্ষম হৈছিল, তেৰায় ইমানতে সন্তুষ্ট নাথাকি সত্ৰ নামঘৰসমূহত অঙ্কীয়া ভাওনাৰ সৃষ্টি কৰি নাটৰ মুধাৰৰ জৰিয়তে মুকলি মঞ্চত সৰ্বসাধাৰণ ৰাইজে বুজিব পৰাৰ ব্যৱস্থা কৰিলে। ভাওনাৰ বাবে নিজে ১। কালিয় দমন, ২। পত্নী প্ৰসাদ, ৩। কেলিগোপাল, ৪। ৰুক্মিণী হৰণ, ৫। পাৰিজাত হৰণ আৰু ৬। ৰাম বিজয় আদি কৰি ছয়খনকৈ অঙ্কীয়া নাট লিখি অসমীয়া সাহিত্যৰ ভঁড়াল চহকী কৰি থৈ গৈছে। শঙ্কৰদেৱৰ আগতে



অসমৰ কোনো নাট্যকাৰে নাট লিখাৰ সমল বিচাৰি পোৱা নেযায়। অৱশ্যে প্ৰাক্ শঙ্কৰী যুগৰ আগত পুতলা নাচ, ঢুলীয়াৰ ভাওনা, ওজাপালি, দেৱদাসী নৃত্যৰ প্ৰচলন আছিল। পুতলা নাচৰ বৈশিষ্ট্যৰ লগত অঙ্কীয়া নাটৰ বৈশিষ্ট্যৰ ভালেখিনি সাদৃশ্য দেখা যায়।

শ্ৰীমন্ত শঙ্কৰদেৱৰ মহা বৈকুণ্ঠ প্ৰয়াণৰ পিছত ছশ বছৰীয়া আহোম ৰাজ্যৰ অন্তিম সময়ত পূৰ্ণানন্দ বুঢ়াগোসাঁই আৰু দেশদ্ৰোহী বদন চন্দ্ৰ বৰবৰুৱাৰ মাজত দেশৰ শাসন ভাৰ সম্পৰ্কে মনোমালিন্য ঘটে। আৰু তাৰ ফলশ্ৰুতিত ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে ইয়াণ্ডাবু সন্ধিৰ চৰ্ত অনুসৰি অসম ইংৰাজৰ হাতলৈ যায়।

সময় বাগৰিল। সমগ্ৰ ভাৰতবৰ্ষৰ লগতে আমাৰ অসমী আইয়ো পৰাধীনতাৰ শিকলিৰে শৃংখলিত হ'ল। কালক্ৰমত ইংৰাজৰ ঔপনিৱেশীয় এক নায়কত্ত্ববাদৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ ওলাই আহিল ভাৰতবৰ্ষৰ লগতে অসমৰো বহু বীৰ-বীৰাঙ্গনা। ফলত ইংৰাজৰ বন্দুকৰ গুলি বুকু পাতি ল'ব লগা হ'ল। এই শ্বহীদ বীৰ-বীৰাঙ্গনাসকলৰ ঘটনা পৰিঘটনাৰ জীৱন কাহিনীক লৈ সৃষ্টি হ'ল ঐতিহাসিক নাটৰ। ইয়াৰ উপৰিও আহোম ৰাজত্বকালত ঘটা বাস্তৱ কাহিনীসমূহৰ আলম লৈ ১৯০০ খ্ৰীষ্টাব্দত পদ্মনাথ গোহাঞি বৰুৱাই ৰচনা কৰা 'জয়মতী' নাটকখনেই হ'ল প্ৰথম ঐতিহাসিক নাটক। পৰৱৰ্তী কালত বহু নাট্য সাহিত্যিকে বুৰঞ্জীমূলক ঐতিহাসিক নাটক লিখি অসমীয়া সাহিত্য-সংস্কৃতিৰ ভঁড়াল চহকী কৰি গৈছে। সেইসকলৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱাৰ 'বেলিমাৰ' (১৯১৫ চন), ৰাধাকান্তৰ 'মুলাগাভৰু' (১৯২৪ চন), নকুল চন্দ্ৰ ভূঞাৰ 'বদন বৰফুকন' (১৯২৭ চন), 'চন্দ্ৰকান্ত সিংহ' (১৯৩১ চন), দৈৱচন্দ্ৰ তালুকদাৰৰ 'হৰদত্ত' (১৯৩৫ চন), অতুল চন্দ্ৰ হাজৰিকাৰ 'কনৌজ কুঁৱৰী' (১৯৩৫ চন) আৰু স্বাধীনোত্তৰ কালৰ প্ৰথম ঐতিহাসিক নাটক হ'ল প্ৰবীণ ফুকনৰ 'মণিৰাম দেৱান' (১৯৪৮ চন), 'লাচিত বৰফুকন' (১৯৪৯ চন), ফণী শৰ্মাৰ 'ভোগজৰা' (১৯৪৭ চন)। এই আটাইবোৰ নাটকসমূহ হ'ল— 'কৃষ্ণ ভক্তি'ত আপ্লুত কৰি মুমূৰ্ষ অসমীয়া জাতিটোক উদ্ধাৰ কৰা আৰু ঐতিহাসিক নাটক লিখা নাট্যকাৰসকলৰ উদ্দেশ্য আছিল— দেশমাতৃক ভালপোৱা। পাৰ্থক্য মাথোঁ ইমানেই।

সি যি কি নহওক, শ্ৰীমন্ত শঙ্কৰদেৱে দি থৈ যোৱা অঙ্কীয়া নাটৰ পটভূমিতেই অসমীয়া পেচাদাৰী নাট্যদলৰ জন্ম। প্ৰশ্ন হয় পেচাদাৰী নাট্যদলনো কি? আজিৰ পৰা প্ৰায় এশ বছৰ আগতে নাট, নৃত্য, গীত, বাদ্য আছিল মানুহৰ মনোৰঞ্জনৰ বিনামূলীয়া উৎস। ১৯৩৩ চনত এই নাট, নৃত্য, গীত, বাদ্যক একত্ৰিত কৰি এখন মঞ্চত ৰূপায়ণেৰে ব্যৱসায় ভিত্তিলৈ আনিছিল সৈনিক শিল্পী ব্ৰজ শৰ্মাদেৱে। বৰপেটা জিলাৰ শীলাত জন্মগ্ৰহণ কৰা ব্ৰজ শৰ্মাই পেচাদাৰী নাট্যদলৰ এটি নতুন দিশ সংযোজন কৰিলে। সেয়া হ'ল সহঃ অভিনয়। ইয়াৰ আগতে কোনো নাৰীকে নাটকত স্থান দিয়া হোৱা নাছিল। এই বাধাৰ প্ৰাচীৰ ভাঙি সেই সময়ৰ কলিকতীয়া যাত্ৰাদলৰ আৰ্হিত— "আচাম কহিনুৰ অপেৰা পাৰ্টি" নামেৰে এটা সম্পূৰ্ণ পেচাদাৰী নাট্যদলৰ জন্ম দিয়ে (১৯৩৩ চন)। আৰম্ভ হ'ল বিশ্ববিজয়ী সহঃ অভিনয়ৰ জয়যাত্ৰা। কিন্তু ৰক্ষণশীল সমাজৰ কোপদৃষ্টিৰ নাটকৰ আখৰা আধাতে সামৰি অভিনেতা ফণী শৰ্মা, অভিনেত্ৰী পদুমী, গোলাপী, ফুলেশ্বৰী লাৱণ্য বিনোদা আৰু অইন অইন সহঃ শিল্পীসকলক লগত লৈ উজনি অসমৰ সুদূৰ ডুমডুমাত নাটকৰ আখৰা সম্পূৰ্ণ কৰে। এই আখৰা গৃহতে ব্ৰজ শৰ্মাৰ লগত মিলিত হৈছিল ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা।

"আচাম কহিনুৰ অপেৰা পাৰ্টি"য়ে নাট আৰু নৃত্যৰ আখৰা সম্পূৰ্ণ কৰি উজনি অসমৰ বিভিন্ন ঠাইত নাট প্ৰদৰ্শন কৰে আৰু দৰ্শকৰ বিপুল সমৰ্থন লাভ কৰিবলৈ সক্ষম হয়। উজনি অসমৰ নাটৰ জয় যাত্ৰাৰ পিছত "আচাম কহিনুৰ অপেৰা পাৰ্টি"য়ে স-দল বলে গুৱাহাটীত উপস্থিত হয়। গুৱাহাটীৰ "কুমাৰ ভাস্কৰ বৰ্মা নাট্য মন্দিৰ"ত নাট প্ৰদৰ্শন কৰি দৰ্শকৰ ভূএৰসী প্ৰশংসা বুটলিবলৈ সক্ষম হয়। গুৱাহাটীৰ নাট্যযোদ্ধাৰ যৱনিকা পেলাই সগৌৰৱে নলবাৰীত উপস্থিত হয়। ইয়াতে ঘটিল অঘটন। "আচাম কহিনুৰ অপেৰা"ত নাট মঞ্চস্থত সহঃ অভিনয় কৰাটো সমাজৰ এচাম ৰক্ষণশীল মানুহে সহজভাৱে ল'ব নোৱাৰিলে। বিভিন্ন মতবাদেৰে নানান অপযশ জাপি দিয়া হ'ল। সেই সকলো গ্লানি-অপযশ মূৰ পাতি লৈ বৰ্তমান প্ৰচলিত নাটৰ এই জয়যাত্ৰাক বহু বছৰলৈ আগুৱাই লৈ গ'ল। অৰ্থনৈতিক দিশত লোকচান ভৰিব লগা হোৱাত সৈনিক শিল্পী ব্ৰজ শৰ্মাৰ "আচাম কহিনুৰ অপেৰা পাৰ্টি"ৰ আলোক জয়যাত্ৰা ইমানতে সামৰণি পৰিল যদিও মনৰ অদম্য উৎসাহ অকণো হ্ৰাস পোৱা নাছিল। তাৰ প্ৰমাণ হিচাপে পাওঁ যে "আচাম কহিনুৰ অপেৰা"ত নিবেদিত মূল নাটক 'মনোমতী', 'পতিতা' আৰু 'সীতা' এই তিনিওখন নাটক ৰেকৰ্ডিং কৰিবলৈ মন মেলে। আৰু সেইমতে "আচাম কহিনুৰ অপেৰা"ৰ শিল্পীসকলৰ দ্বাৰা ১৯৩৫ চনত কলিকতাৰ মেগাফোন কোম্পানীৰ দ্বাৰা ৰেকৰ্ডিং কৰে। ইয়াৰ উপৰিও তেখেতে বঙালী নাটকৰ পৰা অসমীয়ালৈ অনুবাদ কৰা নাটক কমাই অনাৰ তাগিদাত তেওঁ নিজে 'উৰ্ব্বশী', 'কৰুণা', 'সীতা' আৰু 'বৰ্জিতা' নামেৰে চাৰিখন মৌলিকধৰ্মী সামাজিক নাট ৰচনা কৰে। কিন্তু অতি দুখ আৰু পৰিতাপৰ বিষয় যে শৰ্মাদেৱৰ নাটৰ পাণ্ডুলিপিসমূহ কোনো সংৰক্ষিত নহ'ল। মনৰ অদম্য ইচ্ছাশক্তি আৰু কৰ্মপ্ৰেৰণা অন্তৰত ৰাখি এই জনা বিপ্লৱী নাট্যযোদ্ধা, সৈনিক শিল্পী ব্ৰজ শৰ্মাদেৱে হাপানি ৰোগত আক্ৰান্ত হৈ অসম মেডিকেল হাস্পতালত অতি কৰুণভাৱে মৃত্যুৰ সাৱটি লয়।

সৈনিক শিল্পী ব্ৰজ শৰ্মা আছিল পেচাদাৰী নাট্যদলৰ বাটকটীয়া। এইজনা খ্যাতনামা পুৰোধা পুৰুষ আছিল— একেধাৰে প্ৰযোজক, পৰিচালক, নাট্যকাৰ, সু-অভিনেতা, আজীৱন শিল্পী। তেওঁ

অনুপ্ৰেৰণাৰে অনুপ্ৰাণিত হৈ অসমৰ প্ৰান্তে প্ৰান্তে গঢ় লৈ উঠিল খ্যাতি অখ্যাত বহু পেচাদাৰী নাট্যদল। ১৯৫১ চন সদানন্দ লহকৰৰ প্ৰযোজনাত জন্ম হ'ল "নটৰাজ অপেৰা" ১৯৬৩ চনত নিত্যানন্দত পুৰন্দৰ তালুকদাৰৰ প্ৰযোজনাত জন্ম হ'ল 'অসম নট বাণী' সেইদৰে বণিয়াকুছিৰ বাপুৰাম দাসৰ 'বীণাপাণি', মুগকুছিত গোবিন্দ হালৈ— "মুগকুছি মিলন নাট্য সমিতি", দক্ষিণ কামৰূপ ছয়গাঁৱৰ চম্পক নাট্য সমিতি। দখলাত প্ৰভাত শৰ্মাৰ 'শ্ৰীমাধৱ নাট্য পৰিষদ' এনেদৰে ৰামপুৰ তেজপুৰ আদিত বিভিন্ন পেচাদাৰী নাট্যদলে গা কৰি উঠিছে। পেচাদাৰী নাট্য আন্দোলনত বৃহত্তৰ হাজো অঞ্চলো পিছপৰি থকা নাই। ভ্ৰাম্যমান "পূৰ্বজ্যোতি থিয়েটাৰ"কে ধৰি প্ৰয়াত হৰেন দাসৰ প্ৰযোজনাত "হাজো নাট্য কলাকেন্দ্ৰ" ৰামদিয়াৰ প্ৰয়াত যতিন চক্ৰৱৰ্তী আৰু সহযোগীসকলৰ প্ৰচেষ্টাত গঢ় লৈ উঠিছিল— 'পাঞ্চজন্য' নামেৰে এক শক্তিশালী পেচাদাৰী নাট্যদল। কিন্তু দুখৰ বিষয় আজি সমাজৰ বস্তুবাদী চিন্তাধাৰাৰ প্ৰৱণতাই ৰামদিয়া কৃষ্টি সংস্কৃতিৰ পাহৰণিৰ অতল গহ্বৰত হেৰাই যাব ধৰিছে।

শিল্প হ'ল মানৱ জীৱনৰ ওপৰত প্ৰতিফলিত হোৱা এক সহজাত প্ৰবৃত্তি। যি শিল্পই মানৱ জীৱনৰ অন্তৰৰ নিভৃত কক্ষত ঠাই পাই আৰু সেই শিল্পক কাৰ্যক্ৰম কৰাজনেই হ'ল শিল্পী। শিল্পীৰ কৰ্তব্য হ'ল চিৰ সুন্দৰ আৰু চিৰ শ্বাশ্বত সৌন্দৰ্যপিপাষু সুধীবৃন্দক সম্পদ যোগোৱা সত্যৰ সাধনা, মঙ্গল কামনাই হ'ল শিল্পী জীৱনৰ এক মাত্ৰ ব্ৰত। বৈজ্ঞানিক কলা-কৌশলেৰে চমকপ্ৰদ বোলছবি শিল্পৰ যুগত আজিৰ মঞ্চশিল্পই নতুন কলা-কৌশল অৱলম্বন কৰাটো অতি স্বাভাৱিক। এনেবোৰ কথা চিন্তা কৰিয়েই ১৯৬৩ চনৰ কোনো এক শুভ লগ্নত সংস্কৃতি নগৰী পাঠশালাত আমাৰ আটাইৰে শ্ৰদ্ধাৰ অচ্যুত চন্দ্ৰ লহকৰ প্ৰযোজনাত জন্ম হ'ল এক পেচাদাৰী নাট্যদল "নটৰাজ চিনে থিয়েটাৰ" আৰম্ভ হ'ল পেচাদাৰী ভ্ৰাম্যমাণৰ এক নতুন অধ্যয়ৰ অৱধাৰিত ধাৰা। মাহিলি বেতনৰ আধাৰত চুক্তিবদ্ধ হোৱা সুদক্ষ অভিনেতা, অভিনেত্ৰী, সুনিপুণ গায়ক-গায়িকা, সুপৰিকল্পিত মঞ্চত বিজুলীবাতিৰ চমকপ্ৰদ পোহৰৰ মাজত সৃষ্টি কৰিলে— ইন্দ্ৰজালিক এক মায়াৰ জাল। "নটৰাজ চিনে থিয়েটাৰ" হৈ পৰিল নিবনুৱা সমস্যা সমাধানৰ কৰ্মস্থলী। স্বনামধন্য নাট্যকাৰসকলৰ নাট্য সম্ভাৰ লৈ আখৰাগৃহৰ পৰা ওলাই আহিল বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ মাজলৈ। ১৯৬৩ চনৰ সৰ্বশ্ৰেষ্ঠ হিচাপে পৰিগণিত হোৱা সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকাৰ পৌৰাণিক ধৰ্মমূলক নাট 'বেউলা-লখিন্দাৰে' অসমৰ গাঁৱে-ভূঞে, নগৰে-চহৰে আলোড়নৰ সৃষ্টি কৰিলে। ভ্ৰাম্যমাণৰ এই জয়যাত্ৰাৰ বাবে তেখেতক ভ্ৰাম্যমাণৰ 'জনক' উপাধি প্ৰদান কৰা হয়।

শ্ৰীঅচ্যুত চন্দ্ৰ লহকৰৰ অনুকৰণেৰে অনুপ্ৰাণিত হৈ অসমৰ বিভিন্ন ঠাইত চলি থকা পেচাদাৰী যাত্ৰা দলবোৰক চেৰাই গৈ ভ্ৰাম্যমাণ থিয়েটাৰ এঢাপ ওপৰলৈ উঠিল। লহকৰদেৱে দেখুৱাই যোৱা আদৰ্শৰে আদৰ্শিত হৈ ১৯৬৬ চনত 'মঞ্চ সূৰ্য' ধৰণী বৰ্মনৰ প্ৰযোজনাত জন্ম 'সুৰদেৱী থিয়েটাৰ' ১৯৬৮ চনত তীৰ্থনগৰী হাজোত 'পূৰ্বজ্যোতি থিয়েটাৰ' ১৯৭২ চনত নলবাৰীত বীৰেন কলিতাৰ 'ৰূপকোঁৱৰ' থিয়েটাৰ, মৰোৱাত শৰত মজুমদাৰ 'থিয়েটাৰ ভাগ্যদেৱী' সংস্কৃতি নগৰী পাঠশালাত ৰতন লহকৰৰ 'কহিনুৰ থিয়েটাৰ' কৃষ্ণ ৰয়ৰ 'আৱাহন থিয়েটাৰ' উজনি অসমৰ মৰিয়নিত বোলছবি পৰিচালক প্ৰশান্ত হাজৰিকাৰ 'হেঙুল থিয়েটাৰ'। এনেকৈ অসমৰ গাঁৱে, ভূঞে প্ৰায় দুকুৰিৰো অধিক ভ্ৰাম্যমাণ থিয়েটাৰ জন্ম হ'ল। এই ভ্ৰাম্যমাণ থিয়েটাৰবোৰে নাট্য কলাৰ কৃষ্টিৰ ধ্বজা উৰুৱাই অসমক গৌৰবান্বিত কৰাই নহয়, ৰাজ্যৰ ভয়াবহ নিবনুৱা সমস্যাত অৰিহণা যোগাইছে। এই নাট্য কলা কৃষ্টি জৰিয়তে অসমৰ অতি কমেও দহ হেজাৰ নিবনুৱাৰ কৰ্মসংস্কৃতিৰ বাট মুকলি কৰিছে। এইখিনিতে উল্লেখ কৰি থোৱা ভাল হ'ব যে কিছু সংখ্যক স্বনামধন্য নাট্যকাৰ আৰু প্ৰযোজকৰ নাম অপ্ৰকাশিত হৈ ৰ'ল এই লিখনিৰ মাজত। কিন্তু চিৰ জাগ্ৰত হৈ আছে আমাৰ প্ৰতিজন অসমীৰ হিয়াৰ মাজত।

আজিৰ পৰা অন্তত দুই দশক আগলৈ যদি ঘূৰি চাওঁ আমাৰ অগ্ৰজ নাট্য সাহিত্যিকসকলৰ নাটৰ যি নাট্যশৈলী, নাট্যধাৰা, মৌলিক ভাব, প্ৰৱণতা, আজিৰ নাটকত সেই ভাব প্ৰৱণতা প্ৰস্ফুটিত হোৱা দেখা নেযায়। তাৰ ফলত নাটকৰ মানদণ্ড হ্ৰাস হোৱা যেন অনুমান হয়। দেশৰ মাটিৰ, জাতি, ভাব, ভাষা, আবেগ, অনুভূতিক অগ্ৰাধিকাৰ নিদি, অন্য ভাষাৰ নাটক আৰু বোলছবিৰ ভাব প্ৰৱণতাৰে নাটক লিখাৰ প্ৰৱণতা বাঢ়িছে। যদি এইটোৱেই হয় তেনেহ'লে অসমীয়া ভাষাৰ কলা-সংস্কৃতিক বিজতৰীয়া অপ সংস্কৃতি বুলি ক'বলৈ আৰু বেছি দিন নাই।

অসমীয়া কলা-কৃষ্টি, সংস্কৃতিৰ স্ৰষ্টা শ্ৰীমন্ত শঙ্কৰদেৱে পৱিত্ৰ অসম ভূমিত যি নাট্য সাহিত্য কলাৰ বট-বৃক্ষৰ বীজ ৰোপণ কৰি থৈ গ'ল, সেই বীজেই আজি অংকুৰিত হৈ গজালি মেলি, মাটিত খামুচি ধৰি, ফলে-ফুলে জাতিষ্কাৰ হৈ, সমগ্ৰ অসমবাসীক ছত্ৰ-ছায়াৰ দৰে আৱৰি ৰাখিছে। সেই বট-বৃক্ষৰ গুৰিৰে উঠি আমি ওপৰৰ ডাল, পাত পাইছোঁ। আৰু ধুনীয়া ধৰণীৰ নান্দনিক দৃশ্য উপভোগ কৰিবলৈ সক্ষম হৈছোঁ। কিন্তু সেই ওপৰৰ পৰা মাটিলৈ আহিব লাগিলে আমি তাৰ পৰা জপিয়ামনে? নিশ্চয় নহয়। ই অসম্ভৱ। আকৌ সেই বটবৃক্ষৰ গুড়িৰেই নামি মাটিকে চুমিব লাগিব।

সেয়েহে শ্ৰীমন্ত শঙ্কৰদেৱে দি থৈ যোৱা সাহিত্য কলা, কৃষ্টিসমূহ পেচা হিচাপে ব্যৱহাৰ কৰিলেও ইয়াৰ মান মৰ্যাদা যেন কোনোদিন লাঘৱ নহয়, তাৰ বাবে আমি প্ৰতিজন অসমীয়াই প্ৰতি মুহূৰ্ততে সচেতন হোৱাতো নিতান্ত প্ৰয়োজন।



# বিহুৰ পৰম্পৰা ইয়াৰ প্ৰাসংগিকতা আৰু ভৱিষ্যৎ

অৰূপ কাকতি
ষষ্ঠ ষাণ্মাসিক

সংস্কৃতি হৈছে এটা জাতিৰ মূল দাপোনস্বৰূপ। এটা জাতিৰ ডাল-পাত সদৃশ গছ এডালৰ সৌন্দৰ্যৰ আঁকৰ হৈছে সেউজীয়া পাত, ঠিক তেনেদৰে এটা জাতিৰ সৌন্দৰ্যৰ আঁকৰ হৈছে সংস্কৃতি। অসমীয়া সমাজ জীৱন ঘাইকৈ কৃষি প্ৰধান। এই কৃষি প্ৰধান অসমীয়া সমাজত প্ৰধানকৈ তিনিটা বিহু পালন কৰা হয়। সেইকেইটা হ'ল— ব'হাগ বিহু, কাতি বিহু আৰু মাঘ বিহু। বিহুকেইটিৰ মাজত কিছু পৰম্পৰা আৰু প্ৰাসংগিক চিত্ৰ নিহিত হৈ আছে।

কাতি বিহু প্ৰধানকৈ আহিন আৰু কাতি মাহৰ দোমাহীৰ দিনাখন পালিত হয়। এই বিহুক আমি কঙালী বিহুৰূপে কওঁ কিয়নো এই সময়ত শস্য-পাচলিৰ অভাৱ ঘটে। মূল্যবৃদ্ধিৰ জুইয়ে আকাশ ছানি ধৰে। বিশেষকৈ কৃষিজীৱী ৰাইজৰ মাজত আহুকাল দেখা দিয়ে। সেইদিনাখন অসমীয়া সমাজৰ প্ৰত্যেক পৰিয়ালত চোতালত তুলসী পুতি চাকি জ্বলাই মাহ-প্ৰসাদ দিয়ে তাতেই সৰু ল'ৰা-ছোৱালীয়ে এক গীত গাই কুশল কামনা কৰাৰ উপৰিও খেতি পথাৰত আকাশবন্তি জ্বলায়। তাৰ এক বিশ্বাস-পৰম্পৰা আছে যে শস্যবোৰ যাতে পোক-পৰুৱাই খাব নোৱাৰে, পোহৰ দেখি যাতে আঁতৰি যায়, সেই হেতুকে কাতি মাহত মাহযোৰা আকাশবন্তি জ্বলোৱা নিয়ম আছিল যদিও আজিকালি মাত্ৰ দোমাহীৰ দিনাখনহে জ্বলোৱা পৰিলক্ষিত হয়।

মাঘ বিহু অসমীয়া সমাজ জীৱনৰ এক লেখত ল'বলগীয়া বিহু। সোণবৰণীয়া কৃষি পথাৰৰ উৎপাদিত শস্য ঘৰলৈ অনাৰ পিছত মাঘ বিহু উদ্‌যাপিত হয়। পুহ আৰু মাঘ মাহৰ সংক্ৰান্তিৰ দিনা দোমাহী। দোমাহীৰ আগদিনা উৰুকা। উৰুকাৰ দিনাখন সকলোৱে লগ হৈ ভোজ ভাত খাই আনন্দ-উল্লাস কৰে। দোমাহীৰ দিনাখন ইজনে-সিজনে মেজি বা ভেলাঘৰ সাজি জ্বলাই সকলোৰে মংগল কামনা কৰে। মেজিৰ জুইৰ উম লোৱাৰ সময়ত এই মন্ত্ৰটি উচ্চাৰণ কৰা হয়—

অগ্নি প্ৰজ্জ্বলিতং বন্দে চতুৰ্বেদং হুতাশনং।
সুৱৰ্ণ বৰ্ণমালা জ্যোতি ৰূপায় তে নমঃ।।

এই বিহুত এক পৰম্পৰা আছে যে দোমাহীৰ দিনাখন দৈ-চিৰা, পিঠা-পনা, সান্দহ গুড়ি খোৱা হয়। পিছদিনাখন অৰ্থাৎ পহিলা মাঘত সৰুৱে ডাঙৰক সেৱা জনাই আশীৰ্বাদ লয়। বিভিন্ন ঠাইত নানা ধৰণৰ খেল-ধেমালি অনুষ্ঠিত হয়। হাজোত বুলবুলি চৰাইৰ যুঁজ, নগাঁৱৰ আঁহতগুৰি আদি ঠাইত মহযুঁজ পালন কৰাৰ উপৰিও কিছু ঠাইত কুকুৰা যুঁজ, কণীযুঁজ, কড়ি খেল, পাশা খেল আদি উদ্‌যাপন কৰা হয়। বৰ্তমান গুৱাহাটী উচ্চ ন্যায়ালয়ে এই প্ৰথা বন্ধ কৰিছে।

তাৰ পিছত আহে ব'হাগ। অসমীয়াৰ হেঁপাহৰ বিহু ব'হাগ। ব'হাগ এক মিঠা শব্দ, এক মিঠা অনুভৱ, কৃষিজীৱী অসমীয়াৰ হৃদয়স্পন্দনস্বৰূপ ব'হাগ। সেই ব'হাগত অসমীয়া নৱবৰ্ষই ভুমুকি মাৰে। ফাগুণৰ ধূলিয়ৰি দীঘলীয়া বাট অতিক্ৰম কৰি অসমীয়াৰ পদূলিমুখত দেখা দিয়ে প্ৰাণস্পদ ব'হাগ। শীতল কুঁৱলীৰ আচ্ছাদনত মেঘাচ্ছন্ন পৰিৱেশৰ জাল ফালি প্ৰকৃতিৰ বুকুলৈ সৰগৰ পৰা এক চিনাকি বাটেৰে নামি আহে বসন্ত। বসন্তৰ সেউজীয়া ওৰণিৰে অসমী আইৰ শীতল বুকুত উছৰৰ এক মধু আলোড়নেৰে আলোড়িত হয় ব'হাগৰ প্ৰতিটো দিন, প্ৰতিটো সন্ধ্যা, প্ৰতিটো ৰাতি। ৰাতিবোৰ হৈ পৰে জয়াল। প্ৰত্যেক মুহূৰ্তত নতুন শিহৰণেৰে শিহৰিত হয় অসম-অসমীয়াৰ বুকু। চৌদিশে, প্ৰকৃতিৰ বুকুত দেখা যায় নতুন ইন্ধন। ৰোমাঞ্চিত পৰিৱেশ দেখি এনেহেন লাগে নেদেখাজনে যেন এক

নতুন আঁচল। আঁচলৰ সুগন্ধিয়ে আমাৰ মুখত হাঁহি বিৰিঙে, আমি গৌৰৱান্বিত হওঁ। ব'হাগৰ দাপোণত দেখা দিয়া এক নতুনত্বৰ চানেকি, পৰিৱেশ সম্বন্ধে এক চমু বিশ্লেষণ আগবঢ়োৱা হ'ল— পুৰণিক এৰি থৈ আহি নৱবৰ্ষ ব'হাগৰ আগমন হয়। চ'তৰ শেষত অহা এজাক বৰদৈচিলাই যেন ধূলি বালিবোৰ উৰুৱাই নিয়ে। এজাক বৰষুণ, আশাদীপ্ত বৰষুণ আহে। ফাগুণৰ ধূলি-বালি লাগি উলংগ হোৱা প্ৰকৃতিয়ে এজাক বৰষুণৰ পাই নতুন বস্ত্ৰ পৰিধান কৰে। বস্ত্ৰ পৰিধান কৰি পূৰ্ণ যৌৱনা হৈ পৰে। গছৰ ডালে ডালে নতুন কুঁহিপাত মেলে। আমে মলিয়াই, কঁঠালে মুচিয়াই নামঘৰৰ আগচোতালত হেঙুলীয়া আভাৰে কেতেকীফুল ফুলে, পদুলিমুখত কপৌফুল ফুলে, সেই ফুল বাটৰুৱাই ৰ' লাগি চায়। ব'হাগ বসন্ত অহা বাটে বাটে পাহাৰ ভৈয়াম এৰি কুলি কেতেকী আহি কোনেও নেদেখা কৰি গছৰ ডালত পাতৰ আঁৰত বহি গীত জুৰে। কুলিয়ে গছৰ ডালত বহি কুউ... কুউ... বুলি অমিয়া গীত গাই আৰু কেতেকীজনীয়ে ককায়েকক বিচাৰি বৌ কাকা ক'ত... বৌ কাকা ক'ত... বুলি পাহাৰ-ভৈয়ামে কৰুণ বিননি তুলি সংগীত গাই ফুৰে। খেতি পথাৰত শস্যাদি উভৈনদী হৈ পৰে। কৃষকৰ মন-প্ৰাণ আনন্দত নাচি উঠে। চ'ত বিহুৰ দিনাখন ৰাতিপুৱা পোনতে খেতি-পথাৰত বিহুৱান দিয়া হয়। তাৰ পিছত গৰুক মাহ-হালধি তেল-পানী ঘঁহি নৈত গা ধুৱাই, লাউ-বেঙেনা খুৱাই, দীঘলতীৰে গৰুক কোবাই গৰুৰ শ্ৰীবৃদ্ধি কামনা কৰে।

"দীঘলতী দীঘল পাত
মাখি মাৰো যাত যাত
লাউ খা বেঙেনা খা
বছৰে বছৰে বাঢ়ি যা
মাৰ সৰু বাপেৰ সৰু
তই হবি বৰ গৰু।"

সেইদিনাই চ'তত পিন্ধা ৰ' ডাল নদীত গা ধোওঁতে ছিঙি পেলোৱা হয়। সন্ধিয়া গৰু ঘৰলৈ ঘূৰি আহিলে ধোঁৱা দি বিচনীৰে বিচা হয়। আমাৰ অসমীয়া সমাজত এটা বিশ্বাস আৰু পৰম্পৰা আছে যে গৰুক গৰু বিহু দিনাখন বিচিহে আমি বিচনীৰে বা ল'ব পাৰোঁ। আগতে বিচনীৰ বা লোৱাৰ বিশ্বাস আমাৰ সমাজত নাই। পিছদিনাখন মানুহৰ বিহু সেইদিনাখন সৰুৱে ডাঙৰক সেৱা সন্মান কৰে। বুটাবছা গামোচা দিয়ে যাক অসমীয়া সংস্কৃতিত গামোচা বুলি কয়। যিখন গামোচাত নিহিত হৈ আছে এক মাদকতা প্ৰেম, ভক্তি। ব'হাগত প্ৰেমিকযুগলৰ মন আনন্দত নাচি উঠে। প্ৰিয়জনক এখন গামোচা নিদিলে যেন বিহুটোৱে উকঙা উকঙা লাগে। সেয়েহে বিহুৰ এমাহ আগৰপৰাই তাঁত শালত সূতা কাটি বুটা বছা গামোচা বোৱে। সেই গামোচাখন বিহুৰ দিনাখন উপহাৰ দিয়ে। যিখন গামোচাত লিখা থাকে প্ৰেমৰ অমিয় বাণী, অফুৰন্ত ভালপোৱাৰ চানেকি। আত্মীয় স্বজনক দিয়াৰ উপৰিও নিজওে নতুন বস্ত্ৰ পৰিধান কৰে। নতুন দিনত যাতে বোমাৰ আজাৰ আদি নহয় ধুমুহা-বৰষুণ আদিৰ পৰা যাতে ৰক্ষা পাব পাৰে, সেই হেতুকে আঁহতৰ পাতত লিখা মন্ত্ৰ এটি লিখি দুৱাৰত আঁৰি থয়। মন্ত্ৰটি—

"দেৱ দেৱ মহাদেৱ নীলগ্ৰীৱ জটাধৰ।
বাত বৃষ্টি হৰং দেৱ মহাদেৱ নমস্তুতে।"

প্ৰতিটো দিন বিহুৱাৰ বিহু, লাহতী-নাচনীৰ কঁকাল ভঙা নাচ, ঢোল-পেঁপা, তালৰ অনুৰণিত শব্দ প্ৰতিক্ষণত গুঞ্জৰিত হৈ থাকে। যেন এক মিঠা কোলাহল চৌদিশে বিৰাজ কৰি থাকে। ব'হাগৰ শেষত সাংস্কৃতিক সন্ধিয়া পাতি ব'হাগী আইক বিদায় দিয়ে। মুঠৰ ওপৰত এক দৃষ্টিনন্দন পৰিৱেশ, নৈসৰ্গিক শোভাই সকলোৰে হিয়া বিনন্দীয়া কৰি তোলে। ব'হাগ বিহু তথা অসমীয়া সংস্কৃতিত কিছু অপসংস্কৃতি গা কৰি উঠা দেখা যায়। আমাৰ মনত দুখ লাগে। তাৰ এক চমু আভাস দাঙি ধৰা হ'ল— ৰাজনীতিৰ গৰম বতাহৰ বা বলাৰ সময়তো প্ৰতিজন কৃষিজীৱী অসমীয়াই বসন্তৰ উমাল সান্নিধ্যত গাই ব'হাগ কিম্বা বসন্তৰ মনজুৰোৱা প্ৰাণোচ্ছল গান। ঘৰে ঘৰে তাঁত শালত শিপিনীৰ সীমাহীন ব্যস্ততা। ব'হাগৰ সেউজীয়া ৰং পাহাৰ-ভৈয়ামে, গাঁৱে-ভূঞে, জাতি-জনগোষ্ঠী সকলোতে বিয়পি পৰে। এক যেন ভাতৃত্বপ্ৰেমৰ বাণী বিয়পি পৰে আকাশ-বতাহে। আমি ক'ব পাৰোঁ— ব'হাগৰ বুকুত দেখা পাওঁ এক নতুনত্বৰ ৰেখাপাট, আশা-প্ৰত্যাশাৰ এক সোণসেৰীয়া ছবি। সম্প্ৰীতিৰ এনাজৰী, সুফল বাৰ্তা। ব'হাগৰ বিহুত আমাৰ সমাজত সাতশাকী খোৱাৰ পৰম্পৰা আছে। শাতসাকী মানে চিকিৎসা শাস্ত্ৰৰ বহিঃপ্ৰকাশ। ব'হাগৰ ন কুঁহিপাত প্ৰকৃতিৰ বিশুদ্ধ দান সেই কাদৰণে সেয়া খোৱাতো স্বাস্থ্য সন্মত। সাতশাকী বোলোতে সাতবিধ শাক বা সাতকুৰি বা এশ এবিধ শাক পোৱাতো কঠিন। সেয়েহে সাত বিহুৰ সংগতি ৰাখি শাক সাতবিধতে সীমাবদ্ধ কৰি লোৱা হৈছে। কোনোৱে এই শাক শাকী গৰু বিহু দিনা, কোনোৱে মানুহ বিহু, কোনোৱে গোসাঁই বিহু, চেৰা বিহুৰ দিনা, কোনোৱে দেও বিহুৰ দিনাখন, কোনোৱে ভোগৰ বিহুৰ দিনা খায়। শাকসমূহৰ বেছিভাগতেই ঔষধি গুণ আছে। ব'হাগ বিহুৰ সময়তো কিছু কিছু অঞ্চলত কড়ি খেল, গুডুখেল, বৌচি খেল আদি অনুষ্ঠিত হৈছিল যদিও কালক্ৰমত এই খেল লোপ পালে। যান্ত্ৰিক যুগৰ যান্ত্ৰিকতাৰ হেঁচাত অসমীয়াৰ আদৰৰ বিহুটি হেৰাই যোৱাৰ বাটত। পূৰ্বতে ডেকা-গাভৰুৱে নৈৰ পাৰ, গছৰ তলত বিহুগীত গাই প্ৰেম আনন্দত ডুব গৈছিল। সেই কৃষক ৰাইজৰ চোতালৰ মুকলি পথাৰৰ বিহুগীত, বিহু নাচ আদি নগৰৰ মঞ্চ পালেহি। মঞ্চ বিহু পোনতে লতাশিলত আৰম্ভ হৈছিল। এয়া মানুহৰ প্ৰব্ৰজনৰ ইতিহাসৰে অংগ। আধুনিক নগৰবোৰ গঢ়ি উঠিছে গাঁও আৰু প্ৰত্যন্ত অঞ্চলৰ মানুহৰ প্ৰব্ৰজনেৰে। মানুহৰ এই প্ৰব্ৰজন-সংগী সংস্কৃতিও। নৃত্যৰ ভংগীমা, গীত-মাতৰ কথাৰ সুৰ বাদ্যযন্ত্ৰত আজি নতুনত্বৰ চানেকি। এসময়ত বিহু বুলিলে সৰু ল'ৰা-ছোৱালী বাদেই ডেকা-বুঢ়া সকলোৱে ঘৰৰ দায়িত্ব সামৰি বিহুতলীলৈ ওলাই গৈ বিহু নৃত্য-গীতত জঁপিয়াই পৰিছিল। বৰ্তমান সময়ত বিভিন্ন কাৰণত বিহুৰ

উচাহ কমিবলৈ লৈছে। হত্যা-হিংসা অসামাজিক কাৰ্যই সমাজখন আজি কলুষিত কৰিছে। আৰ্থিক দুৰ্বলতা, আকাশলংঘী মূল্যবৃদ্ধিয়ে দুখীয়া ডাল-দৰিদ্ৰৰ মূৰত ৰাম টাঙোন শোধাইছে। বৰ্ধিত জনসংখ্যা, গোলকীয় উষ্ণতাই পৰিৱেশ প্ৰদূষিত কৰিছে। এইবিলাক কাৰণত অসমত আজি শান্তি-সমৃদ্ধি, সেউজ পৰিৱেশৰ আকাল হ'ল। অপসংস্কৃতিয়ে গা কৰি উঠিল। আমি অপসংস্কৃতিক বৰপীৰা পাৰি মৰমেৰে আঁকোৱালি লৈছোঁ আৰু নিজৰ অপূৰ্ব সংস্কৃতিক ভৰিৰে মোহাৰি দলিয়াই পেলাইছোঁ। চৌদিশে অপসংস্কৃতিয়ে ছানি ধৰিছে।

দেউতাৰ পদূলিত গোন্ধাইছে মালতী
কেতেকী মলেমলাই ঐ গোবিন্দই ৰাম
আজি দেউতাৰ পদূলি নিমাওমাও। মালতীও নুফুলে।
গৰু বিহুৰ গধূলি হুঁচৰি গায়
গৃহস্থই চাকি ধূপ-ধূনা জ্বলাই
কালিলৈ গধূলি হুঁচৰি জুৰিমগৈ
শৰাইখনি থ'বি সজাই
মোৰ আই ঐ শৰাই খনি থ'বি সজাই।

ঢোল-পেঁপাৰ ঝংকাৰো ক্ৰমান্বয়ে শুনিবলৈ নোপোৱা হ'ল। নতুন প্ৰজন্মৰ বাবে বিহুটি হেৰাই যোৱাৰ ক্ষণ গণিছে, যি বিহুক লৈ আমি অসমীয়া বুলি গৌৰৱ কৰিব পাৰোঁ। ক'বলৈ দুখ লাগে, আমি অসমীয়া হৈয়ো অসমীয়া গীত, বিহু নৃত্যৰ মোল নুবুজা হৈছোঁ, শুনিছোঁ ইংৰাজী হিন্দী গীত, চাইছো নৃত্য। কিমানজনে ঢোল-পেঁপা, গগণা বজাব পাৰোঁ। সেয়া আঙুলিৰ মূৰত লেখিব পৰা। সেইখিনিয়েই আকৌ ব'হাগৰ মঞ্চত পুৰস্কাৰ লাভৰ আশাত যায়, সংস্কৃতি ৰক্ষাৰ ভাব লৈ নহয়। আমাৰ বিহু গীত-মাত হেৰাই যোৱাৰ আঁৰত অভিভাৱকসকলৰ দোষো আছে। নিজৰ সন্তানে বিহু গীত নাচ শিকিবলৈ যাব খুজিলে নিদিয়ে, যাব দিয়ে ইংৰাজী, হিন্দী গীত-নাচ শিকিবলৈ।

ধিনকা চিকা ৰিনকা চিকা
ধিনকা চিকা ৰিনকা চিকা
ৰে... ৰে... ৰে...

মঞ্চত বাজে আজি হিন্দী, ইংৰাজী গীত, তাৰ তালে তালে যুৱক-যুৱতীৰ উদ্যাম নৃত্য চলে। সেয়া সকলোৱে চাই ৰয়। সচেতন মহলে আকৌ চকুত আৰ কাপোৰ ল'বলৈ বাধ্য হৈ পৰে আৰু এটা ডাঙৰ কথা ব'হাগী বিদায় উৎসৱত আয়োজক সমিতিয়ে লাখটকীয়া নামী-দামী গায়কক আমন্ত্ৰণ কৰে। যাৰ ফলত থলুৱা শিল্পীসকল বঞ্চিত হ'ব লগা হৈছে আৰু প্ৰতিভা বিকাশৰ মঞ্চত হেৰুৱাই পেলাইছে। যিমানেই নামী-দামী গায়কক আমন্ত্ৰণ কৰে সিমানেই জনসমুদ্ৰ হয়। এয়াই আমাৰ সমাজৰ মানুহ। অসমীয়া বিহুগীতত লুকাই থাকে প্ৰেম আৰু শ্ৰমৰ ভাৰ—

এইবেলি খেতিটি মোৰ হাতত
পৰিলে
নঙলৰ মুঠিত হাত
কোনে চেপি দিব তিতাকৈ তিয়নি
কোনে ৰান্ধি দিব ভাত

চ'তৰ দোমাহীৰ দিনাখন গৰু-গা ধুৱালেই সংস্কৃতিৰ স্বকীয়তা ৰক্ষা নুবুজায়। ব'হাগত বিহু-হুঁচৰি গালেহে সংস্কৃতি ৰক্ষা হ'ব। বিহুগীত, হুঁচৰি বাদ দিলে এনে হ'ব যে মঞ্চ বিহু এদিন পাহৰণিৰ গৰ্ভত বিলীন হ'ব। তেতিয়া আমি নিজকে অসমীয়া বুলি পৰিচয় দিব নোৱাৰিম। অপ-সংস্কৃতি গা কৰি উঠিলে অসমীয়া সমাজৰ পৱিত্ৰতা নষ্ট হ'ব, একতাৰ এনাজৰীডাল খুলি যাব যদি আমি নিজ সংস্কৃতি উদ্ধাৰ কাৰ্যত অংশগ্ৰহণ নকৰোঁ, তেতিয়াহলে ভৱিষ্যত প্ৰজন্মই পাঠ্যপুথিৰ পৃষ্ঠাত অসমৰ আগতে অসমীয়া বিহুগীত আছিল সেয়া পঢ়িবলৈ পাব।

পৰিৱৰ্তন হ'ল প্ৰকৃতিৰ নিয়ম। প্ৰকৃতিৰ এই নিয়মৰ মাজেৰেই আমাৰ মন-হৃদয়ৰো পৰিৱৰ্তন হয়, সমাজ পৰিৱৰ্তন হয়। কিন্তু আমি সকলো সলনি হোৱাৰ লেখীয়াকৈ সংস্কৃতিক পৰিৱৰ্তন ঘটাই অন্যৰূপলৈ নিয়াব নালাগে। কিন্তু বৰ্তমান সংস্কৃতিৰ ৰূপ পৰিৱৰ্তন হোৱা দেখা যায়। সাম্প্ৰতিক সময়ত গোলকীকৰণে ব্যাঘাত জন্মাইছে যদিও আমাৰ স্বকীয় সংস্কৃতি ৰক্ষাত গুৰুত্ব দিব লাগিব।

বিহু তিনিটাৰ ভিতৰত বিশেষকৈ ব'হাগ বিহুৰ কিছু পৰম্পৰা লোপ পাইছে, এয়া অসমীয়া জাতিটোৰ এক ভয়াবহ ইংগিত। এটা জাতিক প্ৰাণৱন্ত কৰি তোলে সংস্কৃতিৰ শিপাডালে। যেতিয়া সংস্কৃতিৰ শিপাডাল ছিগি যাব তেতিয়া এটা জাতি, পূৰ্ণ বিকশিত জাতি হৈ জিলিকি নাথাকে, জাতিৰ মান-মৰ্যাদা অৱনমিত হ'ব।

অসমীয়া জাতিৰ সংস্কৃতিৰ মজবুত শিপাডালৰ তিনিটা অংশ বিহু উৎসৱক আমি সকলোৱে মিলি উভালি নপৰাকৈ ৰাখিব লাগিব, তেতিয়া আমাৰ গৌৰৱ অক্ষুণ্ণ থাকিব। আমি সহৃদয়তাৰে ক'ব পাৰিম, আমাৰ জাতিটো সংস্কৃতিৱান জাতি, উছৰমুখৰ জাতি, আমাৰ জাতিটো ৰূপে-ৰসে গুঞ্জৰিত হৈ সকলোৰে হৃদয়ত জিলিকি আছে।

আমি সংকটমুখী অসমীয়া জাতিটোৰ সংস্কৃতিৰ সংকটৰ গৰাহত বুলি ক'লে ভুল কোৱা নহ'ব। সংস্কৃতি আমি প্ৰাণৱন্ত কৰি তুলিবৰ হ'লে নহ'লে ভৱিষ্যত প্ৰজন্মই পাঠ্যপুথিৰ পৃষ্ঠাত পঢ়িবলৈ পাব আগতে অসমীয়া জাতিটোত এগালমান সংস্কৃতিৰে ভৰি ৰূপ লাৱণ্যময়ী হৈ আছিল। আমি জানো এয়া হ'বলৈ দিম নেকি? এয়া হ'বলৈ আমি দিব নোৱাৰো। সংস্কৃতি ভৱিষ্যতে থাকে মানে এটা জাতিৰ ভৱিষ্যত উজ্জ্বল, এটা সংস্কৃতিৰ ভৱিষ্যত অন্ধকাৰ মানে এটা জাতিৰ ভৱিষ্যত চৰম অন্ধকাৰ। আমি শেষত কওঁ আমি অসমীয়াই অসমীয়া জাতিৰ মেৰুদণ্ডস্বৰূপ বিহুকেইটিক আদৰেৰে হেঁপাহেৰে জীয়াই ৰাখিবলৈ চেষ্টা কৰোঁহক। হাত-সাৰটি বহি থাকিলে যিখিনি আছিল সেইখিনিও এদিন ধ্বংসযজ্ঞত পৰিণত হ'ব যে সেইয়ে ধ্ৰুৰূপ।

# সাহিত্যৰ ৰূপবৈচিত্ৰ্য

# আধুনিক অসমীয়া কবিতাৰ পটভূমিৰ প্ৰসংগৰে আলোচনা

অজিত কলিতা
তৃতীয় যাণ্মাসিক

সাহিত্য সমাজৰ পৰিপূৰক। সমাজ জীৱনৰ ঘটনাৰ মুক্ত প্ৰকাশ সাহিত্য-সংস্কৃতিৰ মাধ্যমত প্ৰাণ পাই উঠে। সাহিত্যই লিখিত ৰূপ পোৱাৰ আগতো, অৰ্থাৎ ই যেতিয়া মৌখিক ৰূপত প্ৰচলিত আছিল তেতিয়াও ই সমাজ সাপেক্ষ আছিল। বিভিন্ন গৱেষক পণ্ডিতে এই কথা পূৰ্বতে স্বীকাৰ কৰি আহিছে।

"সাহিত্য কেৱল বিভিন্ন ব্যক্তিবিশেষৰ সৃষ্টিকৰ্ম নহয় ইয়াৰ এটা সামগ্ৰিক ৰূপ আছে, যিটো ৰূপ কোনো এখন সমাজৰ সাংস্কৃতিক ৰূপৰেই অংশ।"[১]

গতিকে নিঃসন্দেহে সাহিত্যৰ লগত সমাজৰ সম্পৰ্ক আৰু যথাৰ্থতা স্বীকাৰ কৰি লোৱাত কোনো আপত্তি নাই।

এইখিনিতে আমি আমাৰ মূল বিষয়ৰ আলোচনা কৰাৰ প্ৰাকমুহূৰ্তত সাহিত্য আৰু সমাজৰ লগত 'সময়'ৰ কথা আলোচনা কৰিম। আমাৰ আলোচনাৰ উদ্দেশ্য 'সাহিত্য ৰূপবৈচিত্ৰ্য'ৰ প্ৰাথমিক ধাৰণাটিয়ে সময়ৰ লগত সংপৃক্ত। আচলতে সমগ্ৰ প্ৰক্ৰিয়াটোত সময়ে এক গুৰুত্বপূৰ্ণ নীৰৱ ভউমিকা পালন কৰা দেখা যায়। সময়ৰ বিৱৰ্তনেই সাহিত্য। সাহিত্যৰ ৰূপবৈচিত্ৰ্যৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা পৰিলক্ষিত হয় আৰু এই ৰূপবৈচিত্ৰ্যই সাহিত্যক দিছে এক নতুন মাত্ৰা। সাহিত্যৰ পৰিৱৰ্তনশীলতাৰ উপকাৰিতা আৰু নতুনত্ব যি মূলত সময়ৰ ধাৰণাৰ পৰা গঢ় লোৱা তাৰ সপক্ষে বহু আলোচনা ইতিমধ্যে সম্পূৰ্ণ হৈছে যদিও ইয়াৰ ওপৰত বহু বছৰ আগতে শংকাও প্ৰকাশ কৰা হৈছিল অথবা সাৱধানবাণী জনোৱা হৈছিল।

"সাহিত্যত পৰিৱৰ্তন অৱশ্যে লাগে। নেলাগে বুলিলেও পৰিৱৰ্তন আহিবই আহিব। সেই বুলি দেখা দৰ্কাৰ যে সেই পৰিৱৰ্তনত ভাষা আৰু সাহিত্যৰ প্ৰাণটো নাযায়, সাহিত্যৰ যিটো নিজৰ অন্তৰাত্মা, নিজৰ স্বধৰ্ম তাৰ পিঠিৰ ওপৰত পৰধৰ্মৰ গন্ধমাদন পৰ্বত তুলি দিলে, তাক চেপি মৰা হ'ব মাথোন।"[২]

সময়ৰ বিৱৰ্তনত হোৱা সাহিত্যৰ এই পৰিৱৰ্তনশীলতাৰ শংকা এফালৰ পৰা গ্ৰহণযোগ্য যদিও আনফালৰ পৰা চিন্তামুক্ত, কাৰণ সময় আৰু সমাজৰ মাধ্যমেদি সাহিত্যত পৰিৱৰ্তনশীলতাই ধৰা দিয়ে, অৰ্থাৎ সাহিত্যক স্পৰ্শ কৰাৰ আগত সমাজক ই স্পৰ্শ কৰি আহে আৰু যদি সময়ৰ কবলত সমাজেই ধ্বংসমুখী হয় তেন্তে তাৰ ভাষা, সাহিত্য, সংস্কৃতি সকলোবোৰ ধ্বংসৰ গৰাহলৈ যাব, সংস্কৃতিৰ পৰিৱৰ্তে আহিব অপসংস্কৃতি। যি কি নহওক এটা সিদ্ধান্তত উপনীত হ'ব পাৰি যে সামাজিক কাৰণতে সাহিত্যত পৰিৱৰ্তনশীলতাই ভুমুকি মাৰে আৰু এই মন্তব্যক প্ৰতীয়মান কৰিবলৈ গৈ আমি এতিয়া আধুনিক অসমীয়া কবিতাৰ পটভূমিৰ প্ৰসংগ উত্থাপন কৰি সাহিত্যৰ ৰূপ-বৈচিত্ৰ্যৰ কাৰকৰ বিষয়ে আলোচনা কৰিম।

অসমীয়া তথা ভাৰতীয় আন আন ভাষাৰ সাহিত্যৰ মাজলৈ আধুনিক যুগৰ চিন্তা, ধ্যান-ধাৰণাৰ সমাৱেশ ঘটিছিল পশ্চিমীয়া সাহিত্যৰ সংস্পৰ্শৰ জৰিয়তে। বিশেষতঃ ইউৰোপীয় সমাজৰ ঘটনাৰাজিয়ে সাহিত্যত আধুনিকতাৰ পটভূমি সৃষ্টি কৰা বুলি ক'ব পাৰি। সাহিত্যলৈ আধুনিকতা অহাৰ প্ৰাকমুহূৰ্তত প্ৰচলিত সাহিত্যৰ ৰূপৰ লগত পিছত সময়ৰ সাহিত্যৰাজিৰ ৰূপ সলনি হোৱাৰ প্ৰধান কাৰণেই আছিল সামাজিক ঘটনা-পৰিঘটনা। তলত এই বিষয়ে এক আলোচনা দাঙি ধৰা হ'ল—

সমাজবাদী অভিসন্ধি আৰু বিশ্ব পুঁজিবাদৰ সংকটৰ বাবে সংঘটিত হৈছিল দ্বিতীয় বিশ্বযুদ্ধ আৰু এই যুদ্ধৰ ভয়াৱহতাই সমাজক বাৰুকৈয়ে গ্ৰাস কৰি তুলিছিল। যুদ্ধৰ পৰৱৰ্তী সমাজত উদ্ভৱ হৈছিল নিত্য-নতুন চিন্তা-চৰ্চা আৰু ধ্যান-ধাৰণা। যুদ্ধৰ ভয়াবহতাই জোকাৰি যোৱা মানৱ মনে হেৰুৱাই পেলাইছিল সকলো, সেয়ে তেওঁলোকে সাৱটি লৈছিল কেৱল নিৰাশাক, তেওঁলোকে ভাবিছিল যে যুদ্ধৰ ভয়াবহতাই সকলোকে নিমিষতে নিঃশেষ কৰিব পাৰে। এই ভাব

মনত লৈ তেওঁলোকে মানৱ জীৱনৰ ক্ষণস্থায়িত্ব আৰু শূন্যতাক ভাবিবলৈ লৈছিল। ইয়াৰ ফলত ইউৰোপীয় সমাজত চিন্তা-চৰ্চাৰ ক্ষেত্ৰত অভূতপূৰ্ব পৰিৱৰ্তনে দেখা দিছিল আৰু কালক্ৰমত সেইবোৰ চিন্তা-চৰ্চা সাহিত্যৰ মাধ্যমেদি বিভিন্ন ভাৰতীয় ভাষাৰ লগতে অসমীয়া ভাষা-সাহিত্যলৈ আমদানি ঘটিছিল। বিশ্বযুদ্ধৰ পিছৰ সমাজখনত প্ৰচলিত হোৱা নিত্য-নতুন চিন্তা, মতবাদৰ ভিতৰত ফ্ৰয়েডীয় মনস্তত্ব উলেখনীয়। অৱচেতন মনৰ বিভিন্ন ক্ৰিয়া-কলাপ প্ৰধানতঃ যি যৌন কামনাৰ লগত জড়িত তাক ফ্ৰয়েডে সমাজত প্ৰচলিত কৰাত সমাজৰ মাধ্যমেদি সিয়েও ইউৰোপীয় সাহিত্যত প্ৰতিফলিত হৈছিল। অন্য এক দৃষ্টান্ত নগৰীয়া যান্ত্ৰিক সভ্যতাৰ ছবি। কুৰি শতিকাৰ নগৰকেন্দ্ৰিক সমাজত বিজ্ঞান, প্ৰযুক্তিবিদ্যাৰ প্ৰসাৰ সাধন হোৱাৰ লগে লগে মানৱ মন সংকুচিত হৈ সম্পৰ্কৰ ক্ষেত্ৰত কৃত্ৰিমতাক আদৰি লৈছিল। বিশ্বযুদ্ধৰ পিছৰ সমাজৰ মানুহৰ এই যান্ত্ৰিকতাও সাহিত্যত প্ৰতিফলিত হৈছিল। ঠিক সেইদৰে সকলো লোককে সম অধিকাৰ প্ৰদান কৰি এখন শোষণহীন, শ্ৰেণীহীন সমাজ গঢ়াৰ বাবে কালমাৰ্ক্সে বিজ্ঞানভিত্তিক যি চিন্তাধাৰাৰ আদৰ্শ সমাজৰ আগত প্ৰকাশ কৰিলে সেই আদৰ্শ আধুনিক কবিসকলৰো মূল আদৰ্শ হৈ পৰিল। বিজ্ঞানৰ উন্নতিৰ বাবে যেতিয়া শিল্প বিপ্লৱ হ'ল তেতিয়া বহুতো চিন্তাশীল লোকে কল্পনা কৰিছিল যে যুক্তিৰ বলত আৰু বুদ্ধিশক্তি প্ৰয়োগত মানুহে পৃথিৱীত এদিন স্বৰ্গৰাজ্য স্থাপন কৰিব পাৰিব। কিন্তু লাহে লাহে যেতিয়া যান্ত্ৰিক সভ্যতাৰ বুকুত নানান সমস্যাৰ সৃষ্টি হ'ল আৰু মানুহৰ মাজৰ সম্বন্ধ অৰ্থৰ তুলাচনীৰে জোখাৰ চেষ্টা চলিল তেতিয়া যুক্তিৰ দুৰ্বলতা অনুভৱ হ'ল। সমাজত সৃষ্টি হ'ল দুটা শ্ৰেণীৰ— এদল মালিক আৰু আনদল শ্ৰমিক। ধনীক শ্ৰেণীৰ শোষণ, উৎপীড়নৰ বলি হ'ল সাধাৰণ জনতা আৰু এই সময়তে সাধাৰণ জনতাক শোষণ, দুৰ্নীতিৰ বিৰুদ্ধে মাত মাতিবলৈ সাহস যোগালে কালমাৰ্ক্সে। মাৰ্ক্সৰ এই আদৰ্শ আৰু প্ৰভাৱ আজিও ভিন্ন সাহিত্যত আমি স্বচক্ষে দেখা পাওঁ। ইয়াৰ উপৰি সেই সময়ৰ সমাজত ধৰ্ম, প্ৰেম, সৌন্দৰ্য আদি প্ৰতিষ্ঠিত মূল্যবোধত সংশয় আহি পৰিছিল। সাহিত্যৰ ৰূপ সলনি হোৱাৰ উমান এই কথাৰ পৰা আমি গাঢ়ভাৱে ল'ব পাৰোঁ। তাৰ আগলৈ সাহিত্যই তাৰ পৰিধিত ৰোমাণ্টিক চেতনাসমূহৰ ধাৰণা অথবা ভক্তিৰ বেষ্টনীক আঁকোৱালি লৈছিল, কিন্তু বিংশ শতিকাৰ আৰম্ভণিৰ পৰা বিশ্বই সন্মুখীন হোৱা ঘটনা প্ৰবাহে সাহিত্যৰ ৰূপ সলনি কৰিলে। প্ৰকৃততে আধুনিক সমাজ ব্যৱস্থাত প্ৰতিষ্ঠিত প্ৰাচীন মূল্যবোধসমূহৰ অৱক্ষয় ঘটিছে। ইয়াৰ উপৰি জীৱনৰ ক্লান্তি, নৈৰাশ্যবোধ, আত্মবিৰোধ মনোভাৱ আদিয়ে খোপনি পুতি চিন্তাজগতৰ নতুনত্ব উদ্ভাৱন কৰি তুলিছিল। এনেদৰে চালে দেখা যায় যে ইউৰোপীয় সমাজে সন্মুখীন হোৱা ঘটনা প্ৰবাহে সাহিত্যৰ ৰূপ সলনি হোৱাত যথেষ্ট ভূমিকা গ্ৰহণ কৰিছিল আৰু ই অকল ইউৰোপত ব্যপ্ত নহৈ সমগ্ৰ বিশ্বলৈ প্ৰসাৰিত হৈছিল।

ঠিক সেইদৰে সুদীৰ্ঘদিন ধৰি চলা ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনেও অসম তথা ভাৰতীয় বিভিন্ন সাহিত্যৰ ৰূপ দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ভাৰত ত্যাগ আন্দোলন, সাধাৰণ জনতাৰ ওপৰত অত্যাচাৰ-উৎপীড়ন, বংগদেশৰ দুৰ্ভিক্ষ সাম্প্ৰতিক সংঘৰ্ষ আদিয়েও সমসাময়িক সমাজৰ ভ্ৰষ্টাচাৰ, দুৰ্নীতি, অনিয়ম আদিক প্ৰতিনিধিত্ব কৰি সাহিত্যত স্থান পাইছিল।

এনেদৰে আলোচনা কৰিলে দেখা যায় যে পূৰ্বৰেপৰা চলি অহা সাহিত্যৰ মতবাদক খণ্ডন কৰি যিকোনো এটা সময়ে সমাজত সংঘটিত ঘটনাৰ সুযোগেৰে সাহিত্যত নতুন ৰূপৰ সন্ধান কৰিব বিচাৰে। এই প্ৰসংগতে আহে আধুনিকতাৰ কথা। সাহিত্য আৰু সমাজ জীৱন উভয়তে ব্যৱহাৰ হোৱা এটা শব্দ হ'ল আধুনিকতা। ইয়াৰ ভাব বা অন্তৰালত থকা অৰ্থ বৰ গভীৰ। আধুনিকতাৰ সৈতে নতুনত্বৰ দিশটো জড়িত হৈ আছে। গভীৰভাৱে লক্ষ্য কৰিলে দেখা যায় যে প্ৰতিটো শতিকাই সমান জীৱনলৈ একো একোটা নতুন যুগৰ বাৰ্তা কঢ়িয়াই আনে। নতুন জীৱনবোধ, নতুন সৃষ্টি, নতুন দৃষ্টিভংগী আৰু আদৰ্শ, নতুন সমস্যা বা সংকট আদি সামগ্ৰিক দিশক সামৰি লৈ কঢ়িয়াই অনা বাতৰি এটা যুগৰ বাৰ্তাত প্ৰৱাহিত হয়। কুৰি শতিকাইও বিশ্বৰ বুকুলৈ নতুন চিন্তা-প্ৰবাহ কঢ়িয়াই আনিবলৈ সক্ষম হ'ল।[৩]

এই কথাৰ গুৰি ধৰি আমি ক'ব পাৰো ধৰ্মীয় গন্দীৰ পৰা সাহিত্য ওলাই আহি ১৮৪৬ খ্ৰীষ্টাব্দত প্ৰকাশ পোৱা জোনাকী সমসাময়িক বিজুলী, ঊষা, বাঁহী আদি আলোচনীৰ মাধ্যমত সাহিত্যই গ্ৰহণ কৰা অন্য এটা ৰূপৰ কথাও উল্লেখ কৰাটো প্ৰয়োজন। আকৌ জোনাকী প্ৰমুখ্যে সমসাময়িক বিবিধ আলোচনীৰ দ্বাৰা প্ৰৱৰ্তিত ৰোমাণ্টিক ধাৰাটো ১৯২৯ খ্ৰীষ্টাব্দত প্ৰকাশ পোৱা আৱাহন আৰু ইয়াৰ সমসাময়িক অন্যান্য আলোচনীৰ যোগেদি অধিক শক্তিশালী হৈ উঠিছিল।

ইয়াৰ ফলত অন্য এটা বিতৰ্কৰো আওপকীয়া উত্তৰ আহে সেয়া হ'ল— "সাহিত্যত আধুনিক বুলিলে এছোৱা সময়ৰ ভিতৰত ৰচনা হোৱা সাহিত্যৰ সকলোবোৰ ধ্যান-ধাৰণা অথবা দৃষ্টিভংগীক সামৰি লোৱা নহয়। পূৰ্ব পৰম্পৰা কিছুমান দিশত বৰ্তমানত প্ৰায় অপ্ৰয়োজনীয় বুলি বোধ কৰি অগতানুগতিক চিন্তা আৰু চেতনাক আধুনিকতা শব্দটোৰে সামৰি লয়।"[৪]

ওপৰৰ আলোচনাৰ পৰা সাহিত্য, সমান আৰু সময়ৰ ধাৰণা সম্পৰ্কত এক আভাস পোৱা গ'ল আৰু সাহিত্যৰ ৰূপবৈচিত্ৰৰ আঁৰৰ সামাজিক ঘটনাকো প্ৰসংগ সহঃ উল্লেখ কৰা হ'ল। এইখিনিতে উল্লেখ কৰি থোৱাতো সাহিত্যৰাজিয়েও সুদূৰ ভৱিষ্যতে এদিন নিজৰ ৰূপ-বৈচিত্ৰৰ পৰিচয় দাঙি ধৰিব যি মাথো সময়ৰ আহ্বানত সমাজৰ মাধ্যমেৰে সম্ভৱ।

# অসমৰ লোক সংস্কৃতিত বিশ্বাস

**অভিজিৎ ডেকা**
**চতুৰ্থ ষাণ্মাসিক**

অসমৰ লোকমানসত যিবোৰ বিশ্বাসৰ প্ৰচলন আছে সেইবোৰ পৰম্পৰাগত; এইবোৰ বিশ্বাস বিচিত্ৰ, এইবোৰ বিশ্বাস দৈনন্দিন জীৱনৰ ধূলিৰে ধূসৰিত। অসমৰ লোক-সংস্কৃতিত সৰু-সুৰা অজস্ৰ বিশ্বাসৰ নিজাকৈ মৰ্যাদা আছে, সুকীয়াকৈ সেই বিশ্বাসক ওলগ জনোৱা হয়।

কেঁচুৱাৰ মাত ফুটাৰ সাধাৰণতে সময় থাকে। যদি সেই সময় পাৰ হৈ যোৱাৰ পাছতো কেঁচুৱাৰ মাত নুফুটে, তেতিয়া জনসমাজে বিশ্বাস কৰে যে কেঁচুৱাৰ গাত কিবা লাগিছে। এই কিবা আঁতৰাবলৈ আঁহতৰ পাতত ভাত বাঢ়ি কেঁচুৱাক খুৱাব লাগে, ছাগলীৰ জিভা পুৰি খুৱাব লাগে, লগতে বৰাধানৰ আখৈ ভাজি থাকোঁতে যিবোৰ আখৈ উফৰি মাটিত পৰে সেই আখৈ কেঁচুৱাক খুৱালে আখৈ ফুটাৰ দৰে মাত ফুটিব বুলি সৰ্বসাধাৰণে বিশ্বাস কৰে।

সেইদৰে কেঁচুৱাৰ খোজ কঢ়াৰো সময় থাকে। সময়ত যদি ল'ৰা বা ছোৱালীয়ে খোজ নাকাঢ়ে তেতিয়া আটায়ে সন্দেহ কৰে যে কেঁচুৱাটি মাকৰ গৰ্ভত থাকোঁতে মাকে নিশ্চয় জানি বা নাজানি সাঁকো বা দলঙৰ খৰি জুইত পুৰিছিল। সেইকাৰণে পিতৃয়ে এতিয়া দলং বা সাঁকো ক'ৰবাত নিদিয়ালৈকে ল'ৰাই খোজ নাকাঢ়ে। লগতে মাকেও লোৱা কাটিব লাগিব। লোৱা কটা নিয়ম হ'ল উপজি পুৱাতে ঘৰৰ চোতালত কেঁচুৱাটিক অন্য এগৰাকী মানুহে হাতত ধৰি ধৰি মাটিত খোজকঢ়াই নিব লাগে। ল'ৰাটোৰ দুভৰিৰ মাজেদি কাচি এখনেৰে পাছলৈ মাটি আঁক পাৰি পাৰি মাক গৈ থাকিব। এনেকৈ তিনিদিন কৰিলেই কেঁচুৱাৰ ভৰিৰ জঠৰতা আঁতৰি যাব বুলি বিশ্বাস।

মুখলগা বা বেয়া চকু লগা বিশ্বাসটো অকল অসমতে নহয়, পৃথিৱীৰ সকলো ঠাইতে আছে। যিকোনো বস্তু এটা দেখি "উস্ ইমান ভাল", "ইমান ধুনীয়া" বুলি কিছুমান মানুহে ক'লে সেই বস্তুটো বা মানুহটো শুকাই যায় বুলি বহুতে দৃঢ়ভাৱে বিশ্বাস কৰে। এনে বিষ থকা মুখক অমঙ্গলীয় মুখ বুলি গণ্য কৰা হয়। কিছুমান মানুহৰ দৃষ্টিৰেই এনে অমঙ্গল নঘটিবৰ বাবে কেঁচুৱাক বাহিৰলৈ ফুৰাবলৈ নিওঁতে সূৰ্যলৈ চাই সেৱা কৰি মাকে মুখৰ থু অকণ মাটিত দি ভৰিৰ বুঢ়া আঙুলিৰে লিপি ফোট এটা কেঁচুৱাৰ কঁপালত দিহে বাহিৰলৈ উলিয়াই নিয়ে। কাজলৰ ডাঙৰ ফোট এটা কেঁচুৱাৰ কঁপালত দি থ'লেও মুখ নেলাগে বুলি বিশ্বাস। বহুতে কেঁচুৱাৰ হাতৰ ঠাৰিত ছিগা চুলিও ক'লা সূতাৰে মেৰিয়াই থয়। উখহা ঠাইত মুখ নেলাগিবৰ বাবে ক'লা সূতা, ছিগা চুলি বন্ধা নিয়ম আছে। মুখ লগা ভাঙিবৰ কাৰণে জুইত মন্ত্ৰৰে দিয়া সৰিয়হ, জৰা পানী, জৰা আদা, তাবিজৰো বহুল প্ৰচলন আছে।

যাত্ৰাৰ শুভাশুভ বিচাৰতো বহুতো বিশ্বাস জড়িত। কোনোবা শুভকাৰ্যলৈ বুলি যাত্ৰা কৰোঁতে ভৰা জলপাত্ৰত হাত দি গ'লে যাত্ৰাৰ শুভ ফল পৰিপূৰ্ণ হয়। সেইদৰে পানী আনিবলৈ যোৱা মানুহ দেখিলে, দামুৰীয়ে ওহাৰ পি থকা দেখিলে, হাতী দেখিলে শুভযাত্ৰা হয় বুলি বিশ্বাস। আনহাতেদি কেনিবা ওলাই যাওঁতে যদি কোনোবাই 'ক'লৈ যোৱা' বুলি সোধে বা যাত্ৰা কৰি ওলাওঁতেই যদি শুদাপাত্ৰ, চূণৰ টিন, মিঠাতেলৰ ভাৰ, মুচী, নাপিত, ধোবা, খাৰৰ পাত্ৰ দেখে তেন্তে সেই যাত্ৰা নিষ্ফল হোৱাৰ সম্ভাৱনা থাকে। যাত্ৰা কৰোঁতাজনক মাকৰ বাদে পাছফালৰ পৰা মতাও নিষেধ।

মাইকী মানুহে মূৰেদি মেখেলা পিন্ধা, সৰু গাঁঠি উলিয়াই বা মেখেলাৰ চট্‌চট্ কৰি খোজ কঢ়া বা চুলি মেলি খোজ কাঢ়িলে বেয়া বুলি বিশ্বাস। অহা-যোৱা বাটত বা মানীজনা বহা ঠাইৰ কাষৰ চিলিঙত মেখেলা মেলিব নাপায়। মানী মানুহৰ ছাঁ গচকাও ডাঙৰ অপৰাধ। দুজন মানুহ বহি থাকিলে মাজেদি যাব লগা হ'লে হাত এখন দি চাপৰি যোৱাহে নিয়ম। ভাই-বোৱাৰী আৰু বৰজনাকে পৰস্পৰে পৰস্পৰৰ মুখ দেখিব নাপায়।

চৰাই-চিৰিকটিৰ লগত জড়িত বিশ্বাসৰ ভিতৰত আন ঘৰৰ

চোতালত বা ঘৰৰ চালত পৰি কাউৰীয়ে কল্‌কলালে ঘৰলৈ অতিথি অহাৰ আগজাননী দিয়ে বুলি যিদৰে বিশ্বাস কৰা হয়, সেইদৰে কাউৰীয়ে ছটফটাই কা কা কৰি দাঁত কৰচিলে আৰু ৰাতি মেকুৰীয়ে ঘৰত মেও-মেও কৰি চিঞৰিলে ক'ৰবাত বিপদৰ আশংকা হৈছে বা কোনোবা অসুখত পৰিব বুলি নিশ্চিত ধাৰণা প্ৰচলিত। ৰাতি পাওকৰা, ম'ৰা চৰাই, হুদুৰে মাতিয়ে বা ফেঁচাই নিউ-নিউকৈ চিঞৰিলে দেশত অমঙ্গল হয় আৰু ওচৰৰ কাৰোবাৰ পদূলিত আহি মৃত্যু থিয় দিছেহি বুলি মন বিৰৰ্ণ হৈ পৰে।

পৰা আহি ৰাতি ঘৰ লোৱা বগা পাৰ চৰাই সৌভাগ্যজনক। ল'ৰা-ছোৱালী পুখুৰীত বা নৈত কেনেবাকৈ পৰিলে তাক তুলি অনাৰ পিছত আয়ুস তুলিব লাগে। মাকে জাকৈ এখন লৈ তাতে কেঁচুৱা জন্ম হওঁতেই থৈ দিয়া নাইটো, শেলাই দুডালমান, কণী এটা লৈ পুখুৰীত দি তিনিবাৰ আয়ুস তুলিছোঁ বুলি জাকৈয়াব লাগে, তেহে ল'ৰা-ছোৱালীৰ আয়ুস ঘূৰি আহে বুলি বিশ্বাস।

চোতালত বা ঘৰৰ চালত পৰি কাউৰীয়ে কল্‌কলালে ঘৰলৈ অতিথি অহাৰ আগজাননী দিয়ে বুলি যিদৰে বিশ্বাস কৰা হয়, সেইদৰে কাউৰীয়ে ছটফটাই কা কা কৰি দাঁত কৰচিলে আৰু ৰাতি মেকুৰীয়ে ঘৰত মেও-মেও কৰি চিঞৰিলে ক'ৰবাত বিপদৰ আশংকা হৈছে বা কোনোবা অসুখত পৰিব বুলি নিশ্চিত ধাৰণা প্ৰচলিত। ৰাতি পাওকৰা, ম'ৰা চৰাই, হুদুৰে মাতিয়ে বা ফেঁচাই নিউ-নিউকৈ চিঞৰিলে দেশত অমঙ্গল হয় আৰু ওচৰৰ কাৰোবাৰ পদূলিত আহি মৃত্যু থিয় দিছেহি বুলি মন বিৰৰ্ণ হৈ পৰে। কুকুৰে বিনোৱাত অশুভ লক্ষণ বুলি খ্যাত। পুৰুষৰ বাওঁ অঙ্গ আৰু তিৰোতাৰ সোঁ অঙ্গ কঁপা সেইদৰে অশুভ বাৰ্তাৰ আগজাননী।

গৃহস্থী এঘৰত সৰু-সুৰা বহুতো বিশ্বাস পালন কৰা হয়। পানী পোতাত সন্ধিয়া থিয় হৈ কিবা বস্তু খালে আলখনীয়ে পোৱা, থিয়ৈ থিয়ৈ খালে কুকুৰৰ পেটলৈ যোৱা, হাতে হাতে ইজনে সিজনক লোণ বা চূণ দিলে দন লগা, হাতেৰে পাণ ফালিলে বিচ্ছেদ হোৱা আৰু খিৰিকী সৰকাই বস্তু দিলে লক্ষ্মী যায় বুলি ভবা হয়। ৰাতি চূণক বগা, হালধিক ৰং আৰু সাপক দীঘল পৰুৱা বুলিহে কোৱা নিয়ম। গৃহিনীগৰাকীয়ে দুপৰীয়া বা গধূলি সাঁজৰ বাবে ধুবলৈ নিয়া চাউলৰ পৰা একোমুঠি ভিক্ষাৰীলৈ থোৱা, সেৰা কৰি চাউল দিয়া, পাত্ৰ শুদা কৰি নৰখা আৰু বন্ধা ভাতৰ এমুঠি চৰুত এৰা সজ গৃহিনীৰ লক্ষণ। সেইদৰে ৰাতি কাঁহী বাজিব নাপায় আৰু কাঁহ পৰি আপোনা-আপুনি এখন ঘৰত জীণ যাবও নাপায়। সেই কাৰণে কাঁহী-বাটি পৰি শব্দ হ'লে, হঠাতে হুমাৰি গুচি যোৱা পাৰ চৰায় তেনেকৈ এৰি যোৱা ঘৰখনৰ দুৰ্ভাগ্যৰ আগজাননী দিয়ে। মৌৱে আহি ঘৰ-বাৰীত বাঁহ লোৱা আৰু এৰি যোৱাও একে ধাৰণাপ্ৰসূত। পখিলা গাত পৰিলে বিয়াৰ লগ্ন কাষ চাপিছে বুলি সাধাৰণতেভাৱে। ক'লা পখিলাই তেনেকৈ বেমাৰ-আজাৰৰ বতৰা আনে। ক'লা মেকুৰীৰ ভূত-প্ৰেত আদিৰ লগত সম্বন্ধ থকা বুলি ভবা হয়। ভূত-প্ৰেত আঁতবাবৰ কাৰণে অসমীয়া মানুহে লগত কটাৰী এখন প্ৰায়ে ৰাখে। ব'হাগ বিহুৰ দিনা

"দেৱ দেৱ মহাদেৱ, নীলগ্ৰীৱ-জঁটাধৰ, বাত-বৃষ্টি হৰদেৱ মহাদেৱ নমস্তুতে" বুলি নাহৰ পাতত মন্ত্ৰ লিখি ঘাইঘৰ কেইটাৰ চালত খুঁচি থোৱাৰ প্ৰথা অসমীয়া সমাজত আছে। এই মন্ত্ৰ ঘৰত থাকিলে ধুমুহা, ঢেৰেকণি, বজ্ৰপাত পৰাৰ পৰা ঘৰ ৰক্ষা পৰে বুলি বিশ্বাস আছে। গৰু বিহুৰ দিনা সন্ধিয়া নহৰু বটা পানী ঘৰৰ চাৰিওকাষে ছটিয়ালে সৰ্পভয় নিবাৰণ হয়। বাঁহগছ মঙ্গল-শনিবাৰে বা তিনি সন্ধিয়া নতুবা ৰাতি কাটিব নাপায়, কাটি লৈ ঘৰলৈ অমঙ্গল মতা হয়।

বাঁহগছ ফুলিলি আৰু কলগছৰ পেটেলি যদি ডিল আৰু কলৰ থোক তলাব খোজে তেনেহ'লে দুয়োটাই ঘৰখনলৈ অমঙ্গলৰ আগবাতৰি আনে। ঘৰত ফেঁচা সোমালে, ঘৰৰ চালত শগুণ পৰিলেও তেনেকৈ ক্ষণ লৈ অশুভ। এনে অশুভ ঘটনা ঘটিল শুভকামনাৰে ঘৰত পূজা-সেৱা কৰা বা নাম পতাৰ বিধান আছে।

অসমীয়া মানুহে সপোন আৰু শাও-শপনিও অন্তৰেৰে বিশ্বাস কৰে। সপোনত ওপৰৰ দাঁত সৰিলে বয়সত জ্যেষ্ঠজনৰ আৰু তলৰ দাঁত সৰিল বয়সত সৰুজনৰ মৃত্যু সূচনা কৰে বুলি ধাৰণা। সপোনত হাঁহিলে দিঠকত কান্দিবলৈ পায় আৰু কান্দিলে দিঠকত হাঁহিবলৈ পায়। ক'লা মাছ ধৰা আৰু সাঁতোৰা সপোনত দেখিলে বেমাৰ-আজাৰ আৰু ত্ৰাস-বিভীষিকা কাষ চাপিছে বুলি ভবা হয়। ওপৰৰ পৰা খহি পৰা, ঘৰত বিয়া দেখা, তাঁত বোৱা দেখাও বেয়া। সপোনত অখাদ্য খোৱা, দেৱ মন্দিৰলৈ যোৱা, পাহাৰত উঠি পৰা, বাধা পাৰ হৈ যোৱা দেখিলে শুভ বুলি ভবা হয়, মৃতকে সপোনত দেখা দি কাপোৰ-কানি পিন্ধাই লগত লৈ যোৱা দেখিলে দেখোতাজনৰ মৃত্যু নিশ্চিত। বাঁওহাতৰ তলুৱা খজুৱালে ধন লাভ হয় বুলি আৰু বাঁও ভৰিৰ তলুৱা খজুৱালে ক'ৰবালৈ যোৱা হ'ব বুলি ভবা হয়। মূৰ আঁচোৰোতে ফণি উফৰি মাটিত পৰিলে আলহী আহিবই।

শাও-শপনিয়ে যাদুৰ দৰে কাম কৰে বুলি অসমীয়া মানুহে বিশ্বাস কৰে। আলহীয়ে বাহী চোতাল গছকিলে গৃহস্থৰ ঘৰত অজানিতে শাত পৰে, আৰু সেইকাৰণে অসমীয়া ঘৰ-চোতাল উপজি পুৱাতে সৰা নিয়ম। অতিথি, ভিক্ষাৰী, গুৰু আৰু ৰাইজৰ শাও-পাত লগা বৰ ডাঙৰ অভিশাপ। বছৰৰ বিহুত হুঁচৰি গোৱা ৰাইজক তামোল-পাণেৰে মান ধৰি বছৰটোলৈ আশীৰ্বাদ ল'ব লাগে। এনেদৰে অসমীয়া লোকসমাজত অলেখ বিশ্বাস প্ৰচলিত হৈ আছে।

# আকাশী গংগাৰে মহিমামণ্ডিত শ্ৰীশ্ৰীধাৰেশ্বৰ দেৱালয়

নৱনীতা মেধি
চতুৰ্থ ষাণ্মাসিক



অসমত পৰ্বত-পাহাৰ জুৰি যিমান সংখ্যাক ঐতিহ্যমণ্ডিত তথা বুৰঞ্জী প্ৰসিদ্ধ মঠ-মন্দিৰ, দেৱালয় আছে এইসমূহৰ ভিতৰত কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত হাতীমূৰা পাহাৰৰ পশ্চিম প্ৰান্তৰ মাজভাগত অৱস্থিত শ্ৰীশ্ৰীধাৰেশ্বৰ দেৱালয় এক জাগ্ৰত শিৱধাম হিচাপে প্ৰসিদ্ধ। হাতীমূৰা পাহাৰৰ বৈচিত্ৰ্যময় প্ৰাকৃতিক প্ৰাচুৰ্যৰ মাজত চিৰপ্ৰবহমান আকাশী গংগাৰ পৱিত্ৰ জলধাৰাৰে বিধৌত এই দেৱালয়ৰ প্ৰকৃতিগতভাৱে এক বিশেষ বৈশিষ্ট্য আছে। পাহাৰৰ নামনিত শিলেৰে নিৰ্মিত সুন্দৰ পদ্মকোষৰ মাজত শিৱলিংগ তথা মূল বিগ্ৰহ আৰু ইয়াৰ উপবিভাগত প্ৰায় ৩০০ মিটাৰ উচ্চতাত বিশাল শৈল গহ্বৰ ভেদি ওলোৱা চিৰ প্ৰবাহমান আকাশীগংগাৰ নিৰ্মল পৱিত্ৰ জলধাৰা অনাদি কালৰপৰা আজিও বৈ আছে। সেই সোঁত বা পানীৰ ধাৰা টোৰ কাৰণে দেৱালয়খনৰ নাম ধাৰেশ্বৰ হয়। সুন্দৰ সমান্তৰাল বিশাল শৈলগহ্বৰৰ ভিতৰত অবিৰতভাৱে বৰষি থকা আকাশী গংগাৰ পৱিত্ৰ জলধাৰা উচ্চ শিখৰত যি শিলাময় ঠাইত পৰিছে তাত এটি গাতৰ সৃষ্টি হৈছে। পূৰ্বতে এই নিৰ্মল বিশুদ্ধ জলধাৰৰ স্ৰোত পাহাৰৰ উচ্চ শিখৰৰ পৰা সুৰঙ্গইদি আহি মন্দিৰৰ শৈল পদ্মকোষৰ মধ্যস্থিত শিৱলিংগ প্লাৱিত কৰি ৰাখিছিল আৰু আকাশী গংগালৈ উঠি যোৱা

গোটেই পথছোৱাতে অতি সুন্দৰকৈ নিৰ্মিত শিলৰ প্ৰাচীন খটখটি আছিল। কালা পাহাৰৰ হিন্দু মঠ-মন্দিৰ ধ্বংস অভিযানৰ লগতে ১৮৯৭ চনৰ প্ৰবল ভুঁইকপত এই সুৰঙ্গ আৰু শিলৰ প্ৰাচীন খটখটিৰ পথছোৱাৰ বিস্তৰ ক্ষতি হৈছিল। মূল বিগ্ৰহ তথা শিৱলিংগৰ পৰা প্ৰায় ৩০ মিটাৰ আঁতৰত দক্ষিণে এটি প্ৰকাণ্ড শিলত খোদিত কৰা গণেশৰ মূৰ্তি আছে। যোগিনীতন্ত্ৰত এই দেৱালয়ৰ বৰ্ণনা তলত উল্লেখ কৰা ধৰণে আছে।

বৰ্তমান শিলগুৰি গাঁও ধাৰেশ্বৰ দেৱালয়ৰ নিকটৱৰ্তী গাঁও হ'লেও যোগিনীতন্ত্ৰত ধাৰেশ্বৰ দেৱালয়ৰ অৱস্থিতি সম্পৰ্কত হাতীমূৰা পাহাৰ আৰু সিদ্ধেশ্বৰ দেৱালয়ৰ বাহিৰে বিশেষ কোনো ঠাইৰ উল্লেখ নাই।

সিদ্ধেশ্বৰ মন্দিৰৰ পশ্চিম দিশত হাতীমূৰা পাহাৰৰ নামনিত সুন্দৰ শিলাময় পদ্মকোষৰ মাজত শিৱলিংগ আনহাতে পাহাৰৰ উচ্চ শিখৰত পিঙ্গলেশ্বৰ আৰু আকাশী গংগাই অহৰহ বৰষি থকা পৱিত্ৰ জলাধাৰাৰে এই পুণ্য ধামত দেৱাদিদেৱ শিৱৰ লগতে দেৱী মহেশ্বৰী, গণপতিদেৱৰ গণেশ, কাৰ্তিক আদিৰে বসতি হোৱা বাবে ইয়াত পূজা সেৱা বা উপাসনা কৰা ভক্তসকলৰ প্ৰতিপত্তি বঢ়াৰ লগতে সকলো মনোবাঞ্ছা পূৰণ হয়।

**সিদ্ধেশ্বৰ মন্দিৰৰ পশ্চিম দিশত হাতীমূৰা পাহাৰৰ নামনিত সুন্দৰ শিলাময় পদ্মকোষৰ মাজত শিৱলিংগ আনহাতে পাহাৰৰ উচ্চ শিখৰত পিঙ্গলেশ্বৰ আৰু আকাশী গংগাই অহৰহ বৰষি থকা পৱিত্ৰ জলাধাৰাৰে এই পুণ্য ধামত দেৱাদিদেৱ শিৱৰ লগতে দেৱী মহেশ্বৰী, গণপতিদেৱৰ গণেশ, কাৰ্তিক আদিৰে বসতি হোৱা বাবে ইয়াত পূজা সেৱা বা উপাসনা কৰা ভক্তসকলৰ প্ৰতিপত্তি বঢ়াৰ লগতে সকলো মনোবাঞ্ছা পূৰণ হয়।**

ধাৰেশ্বৰ দেৱালয়ৰ দৰ্শনাৰ্থীসকলে মূল মন্দিৰত প্ৰৱেশ কৰাৰ আগেয়ে দেৱালয়ৰ নামনিত থকা পুখুৰীত হাত-ভৰি ধুই মূল বিগ্ৰহৰ দক্ষিণে থকা সিদ্ধিদাতা গণেশক পূজা সেৱা কৰি লয়। শিলত খোদিত কৰা এই গণেশ হ'ল ব্ৰহ্মবৈৱৰ্ত পুৰাণ মতে বিষ্ণুৰ অংশ। বিষ্ণুৰ বৰত বিষ্ণুৰ অংশ হিচাপে বিষ্ণুৰ ন্যায়ৰ বাবে গণেশক বিষ্ণুৱে স্তুতি কৰিছিল। গণেশ সৰ্বস্বৰূপ, স্বৈৰশ, জ্ঞানৰাশিস্বৰূপ অব্যক্ত অক্ষৰ, নিত্য, আত্মস্বৰূপ, এই সংসাৰ সাগৰৰ কৰ্ণধাৰ সত্যস্বৰূপ। তেওঁ নিৰ্গুণ গুণময়।

ধাৰেশ্বৰ দেৱালয়ৰ অৱস্থিতি বৈদিক পূজাভাগৰ বিধান তথা মন্ত্ৰ আদিতো উচ্চাৰিত হোৱা শুনা যায়। বিভিন্ন মাঙ্গলিক পূজা-পাতলৰ ক্ষেত্ৰত মন্ত্ৰ উচ্চাৰণ তথা স্মৰণ কৰি প্ৰভূ ধাৰেশ্বৰক প্ৰাধান্য দি অহা হৈছে। পূজা-পাৰ্বনৰ মন্ত্ৰ আদিত ধাৰেশ্বৰ দেৱালয়ৰ গুৰুত্বৰ লগতে এই দেৱালয় প্ৰাচীন কালৰেপৰা যে এখন অতি ঐতিহ্যপূৰ্ণ দেৱালয় এইবোৰ কথাই ইয়াৰ সাক্ষ্য বহন কৰে। এক জাগ্ৰত দেৱস্থান হিচাপে অসমৰ বিভিন্ন ঠাইৰ ভক্তসকলৰ মনত বিশ্বাসৰ লগতে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো এই দেৱালয়ৰ গুৰুত্ব মন কৰিবলগীয়া। কাৰণ হাজোৰ হয়গ্ৰীৱ মাধৱ আৰু কেদাৰ মন্দিৰৰ লগতে ভূটানৰ পৰা ভূটিয়াসকল তীৰ্থযাত্ৰাত আহি সিদ্ধেশ্বৰ আৰু ধাৰেশ্বৰ দেৱালয় দৰ্শন কৰিহে স্বদেশলৈ প্ৰত্যাৱৰ্তন কৰিছিল। ভূটীয়াসকলে ধাৰেশ্বৰক 'চুমনা ৰাজা' বুলি কয়। ভূটীয়াসকলৰ বহুতৰে বিশ্বাস যে জীৱনত এবাৰ হ'লেও হাজোৰ হয়গ্ৰীৱ মাধৱ আৰু হাতীমূৰা পাহাৰৰ পাহাৰ বগাই আকাশী গংগাৰ পৱিত্ৰ জলধাৰাত স্নান বা স্পৰ্শৰ লগতে ধাৰেশ্বৰ দেৱালয় দৰ্শন কৰিলে জীৱনৰ সাৰ্থকতা আৰু প্ৰকৃত পুণ্যকাৰ্য সাধন হয়। ষাঠিৰ দশকৰ শেষলৈকে পুণ্য মাঘ মাহ আৰু বুদ্ধ পূৰ্ণিমাৰ সময়ছোৱাত পৰিয়ালসহ অগণন ভূটীয়া ভক্ত এই ঐতিহ্যময় ধাৰেশ্বৰ দেৱালয়লৈ পদব্ৰজে তীৰ্থযাত্ৰাত অহাৰ কথা অঞ্চলবাসী ৰাইজৰ বহুজনে আজিও স্মৰণ কৰে। সময়ৰ গতিত ভক্ত ভূটীয়াসকলৰ ধাৰেশ্বৰ দেৱালয়লৈ এই জনস্ৰোত তিস্মিত হ'লেও ধাৰেশ্বৰ দেৱালয়লয়ৰ প্ৰতি ভূটীয়াসকলৰ শ্ৰদ্ধা-ভক্তি, আকৰ্ষণ প্ৰাচীন কালৰেপৰা যে আছিল দেৱালয়ৰ দলৈ বা পূজাৰীসকলৰ পৰা জনা যায়। ধাৰেশ্বৰ দেৱালয়ৰ তীৰ্থযাত্ৰীসকলৰ বাবে আটাইতকৈ আকৰ্ষণীয় ঠাই হ'ল বিশাল গভীৰ শৈল গহ্বৰৰ বুকু ভেদি ওলোৱা 'আকাশী গংগা' নামৰ পৱিত্ৰ জলধাৰাটো। গছ-লতিকাৰে ভৰা শৈল গহ্বৰৰ বুকুৰেদি ওলোৱা এই পৱিত্ৰ জলধাৰা বাৰিষা কিম্বা খৰালি কাল সকলো সময়তে একে গতিত অনাদি কালৰেপৰা বৈ আছে। প্ৰকৃতিৰ খৰাং সদৃশ বতৰেও আকাশী গংগাৰ জলস্ৰোত কমাব নোৱাৰে। চিৰদিন এক নিৰ্দিষ্ট গতিত হাতীমূৰা পাহাৰৰ উচ্চ শিখৰত এক মনোমোহা প্ৰাকৃতিক প্ৰৱিৰেশত শৈল গহ্বৰৰ চাৰিওপিনৰ বিশাল শিলনিৰ বুকু ভেদি ওলোৱা বিশুদ্ধ, নিৰ্মল শীতল পানীৰ পৱিত্ৰ জলধাৰাটোৱেই হৈছে আকাশী গংগা। প্ৰায় ৮০ ফুট দীঘল আৰু ১৫ ফুট বহল সুন্দৰ শিলৰ খট্‌খটিৰে দুয়োপিনে সমান্তৰালভাৱে থকা বিশাল শিলৰ প্ৰাচীৰৰ মাজত চিৰ প্ৰবাহমান আকাশী গংগাৰ পৱিত্ৰ জলধাৰেৰে অহৰহ পুষ্পবৃষ্টি বৰিষণ কৰি থকা গহ্বৰ বা গুহাত আৰোহণ কৰিলে মনত যি বিমল আনন্দ আৰু প্ৰশান্তি ভাৱৰ উদ্ৰেক হয়, ইয়াত আৰোহণ কৰাজনেহে উপলব্ধি কৰিব পাৰে। পাহাৰৰ উচ্চ শিখৰলৈ শিলৰ খট্‌খটি বগাই যোৱা সকলো দুখ-ভাগৰ এই আকাশী গংগাৰ স্বৰ্গীয় জলধাৰা বৰিষণ কৰি থকা শৈল গহ্বৰৰ অপূৰ্ব দৃশ্য দেখা মাত্ৰকে সকলো মনৰ পৰা আঁতৰি যায়। জনবিশ্বাস মতে এই আকাশী গংগাত স্নান কৰিলে বা ইয়াৰ পৱিত্ৰ বিশুদ্ধ জলধাৰা গাত পৰিলে সকলো পাপ-দুখ মোচন হয় আৰু মনোবাঞ্ছা পূৰণৰ লগতে

দৰ্শনাৰ্থীয়ে দীৰ্ঘায়ু লাভ কৰে। বৰ্তমান এই শিলৰ খট্‌খটিবোৰৰ নতুন নিৰ্মাণ কাৰ্যৰ লগতে দুয়োপিনে লোৰ-বেৰেকৰ ব্যৱস্থা কৰি দিয়াত আকাশী গংগালৈ পাহাৰ বগাই যাবলৈ তীৰ্থযাত্ৰীসকলৰ বহুখিনি সুবিধা হৈছে।

আকাশী গংগাৰ নামনিত শৈলসমতলত খাজত কটা গাত চাৰিটা হ'ল সীতা বা পাৰ্বতী দেৱীৰ তাঁতশালৰ মূল খুটি চাৰিটাৰ গাঁত। বয়ন শিল্পত সিদ্ধহস্ত উত্তৰ কামৰূপৰ এই অঞ্চলৰ যুৱতী গাভৰুসকলে তাঁতৰ পাটত বহাৰ প্ৰাৰম্ভতে লগত সূতা-মহুৰা, মাকো আদি লৈ আকাশী গংগাৰ নামনিত শৈল সমতলত থকা পাৰ্বতী দেৱীৰ তাঁতশালৰ এই প্ৰতীকী চিহ্নত দীক্ষা লৈহে নিজ ঘৰত তাঁত শিল্পৰ বয়ন কাৰ্যৰ শুভাৰম্ভ কৰে। বিশেষকৈ বিহুৰ সময়ত পুণ্য মাঘ মাহৰ পহিলা দিনটোত এই অঞ্চলৰ যুৱতীসকলে আকাশী গংগাৰ পৱিত্ৰ জলধাৰা স্পৰ্শ কৰি পাৰ্বতী আই তথা সীতাদেৱীক স্মৰণ কৰি শিলৰ খাজত কটা গাত চাৰি টান সুতা-মহুৰা, মাকোঁ আদি দি পূজা সেৱা জনাই দেৱীৰ ওচৰত দীক্ষা লৈ নিজ ঘৰৰ তাঁতৰ পাটত বহে। এইখিনিতে উল্লেখযোগ্য যে উত্তৰ কামৰূপৰ এই অঞ্চলৰ শিপিনীসকলৰ বয়ন শিল্পত এক স্বকীয় বৈশিষ্ট্য আৰু ঐতিহ্য আছে। আকাশী গংগাৰ দক্ষিণ দিশত ইয়াৰ লগত সংলগ্ন ওখ বিশাল শিলনিত খোদিত কৰা কেইবাটাও প্ৰাচীন ভাস্কৰ্যৰ কীৰ্তিচিহ্ন আছে। অৱশ্যে এই পথছোৱা অতি দুৰ্গম বাবে তালৈ তীৰ্থযাত্ৰী তথা দৰ্শনাৰ্থীসকল ওখ শিল বগাই যোৱাতো অতি কষ্টসাধ্য।

শিৱপীঠ ধাৰেশ্বৰ দেৱালয়ৰ পৰা প্ৰায় এক কিলোমিটাৰ দূৰত্বত উত্তৰ দিশত হাতীমূৰা পাথৰৰ সৰুজৰাৰ ওপৰৰ সমতল অংশত হাতীৰ শুৰৰ দৰে দেখা নিম্নভাগৰ পাহাৰ অংশত ঐতিহ্যমণ্ডিত 'গলেশ্বৰী মন্দিৰ' প্ৰাচীন কালৰে পৰা এখন প্ৰখ্যাত দেৱীপীঠ আছিল। এই মন্দিৰৰ বিশাল আকৃতিৰ স্তম্ভবোৰ অতি উচ্চমানৰ মাৰ্বলসদৃশ শিলেৰে নিৰ্মাণ কৰা আছিল। মন্দিৰ নিৰ্মাণ কাৰ্যত ব্যৱহাৰ কৰা ইটাবোৰ সুন্দৰ আকৃতিৰ উন্নত মানদণ্ডৰ আছিল। ইটাবোৰ মসৃণ অথচ কঠিন দীঘলে ৮ ইঞ্চি বহল ৬ ইঞ্চি আৰু ডাঠ ২ ইঞ্চি জোখৰ আছিল। দেৱীৰ মূল বিগ্ৰহটো সোণেৰে নিৰ্মিত আছিল। এই গলেশ্বৰী মন্দিৰ দৈনিক বলি-বিধান হৈছিল আৰু কেবাজনো পুৰোহিতে এই মন্দিৰৰ ৰক্ষণা-বেক্ষণ তথা পূজা-অৰ্চনাত আত্মনিয়োগ কৰিছিল। ঐতিহ্যমণ্ডিত ধাৰেশ্বৰ দেৱালয় আৰু গলেশ্বৰী মন্দিৰৰ অৱস্থানে এই কথাটো প্ৰতীয়মান কৰে যে কেবাশবছৰ আগৰে পৰা হাতীমূৰা পাহাৰৰ আশে-পাশে ব্ৰহ্মপুত্ৰ নদীৰ দাতি কাষৰীয়া এই অঞ্চলটো ধৰ্মীয়ভাৱে এক ঐতিহ্যমণ্ডিত অঞ্চল আছিল। কালা পাহাৰৰ হিন্দু মঠ-মন্দিৰ ধ্বংসৰ অভিযানৰ কবলত এই দুয়োটা মন্দিৰ ধ্বংসৰ অভিযানৰ সময়ছোৱাত কামৰূপ ৰাজ্য নৰনাৰায়ণৰ অধীনত আছিল আৰু ভাতৃ বীৰ চিলাৰায় তেতিয়া অন্য যুদ্ধত ব্যস্ত আছিল। মন্দিৰ পৰিচালনাৰ দায়িত্বত থকা দলৈ, পুৰোহিত তথা পূজাৰীসকলেও কালাপাহাৰক প্ৰতিৰোধ কৰাৰ বাবে জনসাধাৰণক একত্ৰিত কৰি ঐক্যবদ্ধভাৱে বিৰুদ্ধাচাৰণ কৰাৰ পৰিৱৰ্তে তেওঁলোকে কালাপাহাৰৰ বিশাল বাহিনীৰ ধ্বংসাত্মক কাৰ্যৰ আগতীয়া উমান পাই প্ৰাণৰ মমতাত মন্দিৰ ত্যাগ কৰি পলায়ন কৰিছিল। আনহাতে, সেৰেঙা জনবসতি আৰু জনবসতিৰ পৰা দূৰত্বত হাতীমূৰা পাহাৰৰ নিৰ্জন প্ৰাকৃতিক পৰিৱেশৰ মাজত ধাৰেশ্বৰ দেৱালয় আৰু গলেশ্বৰী মন্দিৰৰ অৱস্থিতিৰ কাৰণেও কালাপাহাৰ বাহিনীয়ে এই মন্দিৰ ধ্বংস অভিযানত বিশেষ কোনো বাধাৰ সন্মুখীন হোৱা নাছিল। এইদৰে কালৰ কুটিল গতিত ঐতিহ্যমণ্ডিত গলেশ্বৰী মন্দিৰৰ অস্তিত্ব বিলুপ্ত হ'ল যদিও ধাৰেশ্বৰ দেৱালয়ৰ হাতীমূৰা পাহাৰৰ উচ্চ শিখৰত প্ৰকৃতিগতভাৱে বিশাল শৈল গহ্বৰৰ বুকু ভেদি ওলোৱা আকাশীগংগা কিন্তু চিৰ প্ৰবাহমান হৈয়েই থাকিল। এই আকাশীগংগাৰ চিৰস্থায়ী ৰূপৰ বাবে ধাৰেশ্বৰ দেৱালয় পুনৰ উদ্ধাৰ হ'ল। তাহানিৰপৰা বিংশ শতিকাৰ পঞ্চদশকলৈ গলেশ্বৰী মন্দিৰৰ অস্তিত্ব মানুহে অনুভৱ কৰা নাছিল যদিও ১৯৫৪ চনত হাতীমূৰা পাহাৰত হোৱা বৃহৎ বনজুয়ে হাবি-বননি পুৰি থৈ যোৱাত গলেশ্বৰী মন্দিৰৰ ভগ্নাৱশেষবোৰ ওলাই পৰিছিল। গলেশ্বৰী মন্দিৰৰ ভগ্ন বলিশালখনো ভষ্মীভূত অৱস্থাত আধা মাটিৰ তলত পোত খাই থকা অৱস্থাত ওলাই পৰিছিল। এই গলেশ্বৰী মন্দিৰ বলি-বিধানেৰে এক দেৱী শক্তিপীঠ আছিল। আহোম ৰজাসকলে এই মন্দিৰৰ পুনৰ প্ৰতিষ্ঠা নকৰিলেও ইয়াৰ ভূমি আদি অধিগ্ৰহণ কৰা নাছিল। আহোম ৰাজত্বৰ শেষৰ ফালে ৰজাঘৰীয়া খামখেয়ালি নলগা হ'লে নিশ্চয় গলেশ্বৰী মন্দিৰো পুনৰ প্ৰতিষ্ঠা হ'লহেঁতেন। এইদৰে পাহৰণিৰ অটল গহ্বৰৰ মাজত ঐতিহ্যমণ্ডিত এই জাগ্ৰত শক্তিপীঠখন বিলুপ্ত হৈ থাকিল যদিও হাতীমূৰা পাহাৰৰ আশে-পাশে কিন্তু দেৱীৰ মহিমা তথা অস্তিত্ব বিলুপ্ত নহ'ল। যোগিনীতন্ত্ৰত উল্লেখ থকা তত্ৰং ধীৰেশ্বৰং লিঙ্গ,

দেৱীৰ মূল বিগ্ৰহটো সোণেৰে নিৰ্মিত আছিল। এই গলেশ্বৰী মন্দিৰ দৈনিক বলি-বিধান হৈছিল আৰু কেবাজনো পুৰোহিতে এই মন্দিৰৰ ৰক্ষণা-বেক্ষণ তথা পূজা-অৰ্চনাত আত্মনিয়োগ কৰিছিল। ঐতিহ্যমণ্ডিত ধাৰেশ্বৰ দেৱালয় আৰু গলেশ্বৰী মন্দিৰৰ অৱস্থানে এই কথাটো প্ৰতীয়মান কৰে যে কেবাশবছৰ আগৰে পৰা হাতীমূৰা পাহাৰৰ আশে-পাশে ব্ৰহ্মপুত্ৰ নদীৰ দাতি কাষৰীয়া এই অঞ্চলটো ধৰ্মীয়ভাৱে এক ঐতিহ্যমণ্ডিত অঞ্চল আছিল।

দক্ষিণেতু মহেশ্বৰীৰ মহিমাৰে হাতীমূৰা পাহাৰৰ দাঁতিতে দক্ষিণৰ মধ্যাংশত কালী মন্দিৰ দেৱীৰ মহিমাৰে আজিও বিৰাজমান। বৰ্তমান শিলগুৰি গাঁওবাসী ৰাইজৰ সহযোগত মন্দিৰ পৰিচালনা সমিতি আৰু পশ্চিম বংশৰ মৌজাৰ অন্তৰ্গত গাঁওসমূহৰ পৃষ্ঠপোষকতাত ধূমধামেৰে প্ৰতিবছৰে দুৰ্গোৎসৱ পালন কৰি অহা হৈছে।

পদ্মাপুৰাণৰ সময়ছোৱাৰ বেউলা লক্ষিণদাৰৰ আখ্যানত পোৱা যায় হাতীমূৰা পাহাৰৰ পৰা উত্তৰে হাজো মণিকূট, কেদাৰ পাহাৰ পৰ্যন্ত বিশাল জলৰাশিৰে 'গুঞ্জৰী বা কেকোৰা সাগৰ' হিচাপে পৰিচিত আছিল। চান্দোসদাগৰৰ চম্পক নদীৰ পৰা মৃতস্বামী সহ বেউলাৰ ভেল উজাই হাতীমূৰা পাহাৰৰ গোধাই বৰশী বোৱা পাক আহি পালে। বেউলাৰ অপৰূপ সৌন্দৰ্যত মোহিত হৈ গোধা কছাৰীয়ে বেউলাক স্বামী বৰণ কৰিবলৈ প্ৰস্তাৱ আগবঢ়ালে। গোধাৰ নানা ছলাহী কথাত অতিষ্ঠ হৈ বেউলাই গোধাক অভিশাপ দিছিল। গোধা কছাৰীয়ে বেউলাৰ সতীত্বৰ উমান পাই বেউলাৰ ওচৰত ক্ষমা-প্ৰাৰ্থনা জনাবলৈ বাধ্য হৈছিল। হাতীমূৰা পাহাৰৰ ওপৰৰ প্ৰকাণ্ড শিলাখণ্ডত গোধাৰ পদচিহ্ন খোদিত কৰা আছে। তেতিয়া হাতীমূৰা পাহাৰৰ দাতিত বসবাস কৰা কছাৰী সম্প্ৰদায়ৰ গোধা আছিল মুৰব্বীস্বৰূপা এই গোধাৰ পাকতেই হাতীমূৰা পাহাৰৰ দক্ষিণ অংশত বৰশীবোৱা জান ব্ৰহ্মপুত্ৰ নদীয়ে খহাই নিনিয়া পৰ্যন্ত সৌ সিদিনালৈকে বামুন্দী বিষ্ণুপুৰ গাঁৱত সৰ্বজনবিদিত আছিল। গোধা কছাৰীৰ অনুগত কোনোবা শিল্পী খনিকৰে পাহাৰৰ বিশাল শিলাখণ্ডৰ ওপৰত গোধাৰ স্মৃতি ৰক্ষাৰ্থে পদচিহ্ন অংকিত কৰি থৈ গৈছে এই কছাৰী সম্প্ৰদায়ৰ লোকসকলে খেতি-বাতিৰ লগতে গো-পালন কৰিছিল। গোধাৰ পূৰ্বজ বংশধৰসকলৰ ওঘৰৰ কামধেনুসদৃশ কপিলী গাই এজনী আছিল। এই গাইজনীয়ে পাহাৰৰ দাতিত চাৰি থকাৰ সময়তে মাজে-সময়ে গৈ বিৰিণা-বনৰ জোপোহা থকা অলপ ওখ ঠাই এটুকুৰাত থিয় হৈ ৰয়। গৰখীয়াই এই কথাটো উমান পাই নিৰীক্ষণ কৰি দেখিলে খীৰতী গাইজনীয়ে সেই নিৰ্দিষ্ট ঠাইখিনিত বৈ থকা সময়ত ওহাৰৰ পৰা আপোনা আপুনি গাখীৰ ওলাই বিৰিণাবন জোপোহাৰ গুৰিত পৰে। এইদৰে প্ৰতিদিনে গাইজনী সেই নিৰ্দিষ্ট ঠাইখিনিত কিছুসময় থিয় হৈ থাকি বিৰিণাবনৰ জোপোহাৰ গুৰিত গাখীৰ দি পুনৰ পাহাৰৰ দাতিত মুকলিমূৰীয়া ঠাইত মাহনিত চৰিবলৈ ধৰে। কথাটো ৰাইজৰ মাজত জনাজনি হোৱাত এই কথাটোৰ ৰহস্য উদ্‌ঘাটন কৰিবলৈ গৰখীয়াসকলে এদিন গাঁৱৰ মানুহৰ লগত আলচি কপিলী গাইজনীয়ে গাখীৰ দিয়া ঠাইখিনি খান্দি পেলালে। অনুসন্ধিৎসু মানুহখিনিক আচৰিত কৰি "ৰজা বিক্ৰমাদিত্যৰ বত্ৰিস সিংহাসন মাটিৰ তলত পোত খাই থাকি নিজৰ অলৌকিক মাহাত্ম্য প্ৰকাশ কৰাৰ দৰে" তাত শিলেৰে নিৰ্মিত পদ্মকোষৰ মাজত এটা শিৱলিংগ আৱিষ্কাৰ হ'ল। সেই ঠাইতেই ঐতিহ্যমণ্ডিত ধাৰেশ্বৰ দেৱালয় স্থাপিত হয় আৰু বৰ্তমানতো এই শিৱলিংগ তথা মূল বিগ্ৰহৰ দৈনিক অগণন শিৱভক্ত দৰ্শনাৰ্থীয়ে পূজা-অৰ্চনা কৰি আহিছে। এই শিৱলিংগৰ পৰা প্ৰায় ৩০০ মিটাৰ উচ্চতাত হাতীমূৰা পাহাৰৰ শিখৰত আকাশী গংগাৰ পৱিত্ৰ জলধাৰা অহৰহ বৰষি আছে ভোলানাথ প্ৰভু ধাৰেশ্বৰৰ ওপৰত পাহাৰৰ উচ্চ শিখৰত বিশাল শৈল গহ্বৰ ভেদি ওলোৱা এনেকুৱা পুষ্পবৃষ্টিয়ে বৰষি থকা জলপ্ৰপাত তথা জলধাৰা অসম তথা গোটেই ভাৰতবৰ্ষতেই বিৰল।

সতী বেউলাক স্বামী বৰণৰ বাবে প্ৰলোভিত কৰা গোধা কছাৰীৰ অঙহী-বঙহী তথা ধাৰেশ্বৰ দেৱালয়ৰ শিৱলিংগ উদ্ধাৰকাৰী কছাৰী সম্প্ৰদায়ৰ বাসিন্দাসকল কি কাৰণত হাতীমূৰা পাহাৰৰ দাতিকাষৰীয়া অঞ্চলৰ পৰা স্থানান্তৰ হ'ল এই ক্ষেত্ৰত বুৰঞ্জী আজিও নিমাত। এই অঞ্চলৰ বয়োজ্যেষ্ঠ এই সম্পৰ্কত ধ্যান-ধাৰণা থকা দুই-এজনক সোধা-পোছা কৰাত জানিব পৰা গৈছে যে হাতীমূৰা পাহাৰৰ দাতিত বসবাস কৰা কছাৰী সম্প্ৰদায়ৰ মানুহখিনি তেতিয়া কলাজ্বৰ হিচাপে খ্যাত এবিধ মহামাৰী প্ৰকোপত পৰি এই ঠাই ত্যাগ কৰিছিল। সি যি কি নহওক হাতীমূৰা পাহাৰৰ দাতিত অনুষ্ঠান-প্ৰতিষ্ঠানৰ বাবে বিভিন্ন সময়ত হোৱা খননকাৰ্যত উদ্ধাৰ হোৱা কাৰুকাৰ্য খচিত প্ৰকাণ্ড প্ৰকাণ্ড হাড়ীত পোৱা কড়ি পাহাৰৰ খৰিকটীয়া তথা বিভিন্নজনে পোৱা সোণ-ৰূপৰ প্ৰাচীন আ-অলংকাৰ, গলেশ্বৰী মন্দিৰৰ ধ্বংসাৱশেষ আদিয়ে প্ৰমাণ কৰে যে ইয়াৰ বুকুত দাতিকাষৰীয়া অঞ্চলত বুৰঞ্জীৰ বহু সমল আমাৰ অজ্ঞাতে বিস্মৃতিৰ গহীন গৰ্ভত বিলীন হৈ আছে এই কথাটো চিৰসত্য।

# মিশ্ৰ চিন্তা

স্মৃতিকাতৰ আমি
হাউলি পৰা জীৱন বৃক্ষৰ ছাঁত
আৱেগ আৰু অনুভূতিক
কৰ্ষণ কৰোঁ আমি
আৰু
স্মৃতি-অনুভূতিৰ মাজৰ পৰা
উলিয়াই লওঁ জীৱনৰ অৰ্থ



# প্ৰজ্ঞাৰ সাধক

**জয়া মেধি**
**গ্ৰন্থাগাৰিক**

ভাৰতৰ দ্বিতীয়গৰাকী ৰাষ্ট্ৰপতি পণ্ডিত প্ৰবৰ ড° ৰাধাকৃষ্ণণৰ জন্মস্থান হ'ল তিৰুতানি নামৰ এখন সৰু গাঁও; যিখন চেন্নাইৰ পৰা চৌষষ্ঠি কিল'মিটাৰ উত্তৰ-পশ্চিম দিশত অৱস্থিত। এই গাঁওখনলৈকে ৰাধাকৃষ্ণণৰ পূৰ্বপুৰুষসকল মাদ্ৰাজৰ পৰা প্ৰায় তিনিশ বিশ কিল'মিটাৰ পূবৰ উপকূলাঞ্চলত থকা সৰ্বেপল্লী বোলা সৰু গাঁও এখনৰ পৰা উঠি আহিছিল। এই গাঁওখনৰ নাম তেওঁলোকৰ নিজ নামৰ লগত লিখিছিল, যিয়ে তেওঁলোকৰ ঐতিহ্য-প্ৰীতিৰ এক সুন্দৰ নিদৰ্শন দাঙি ধৰিছিল। দেউতাক সৰ্বেপল্লী বীৰ স্বামীৰ ঔৰসত আৰু চিদামাৰ গৰ্ভত ২ জানুৱাৰী, ১৮৮৮ চনৰ ছেপ্টেম্বৰ মাহৰ ৫ তাৰিখে ৰাধাকৃষ্ণণৰ জন্ম হৈছিল।

সৰ্বপল্লী ৰাধাকৃষ্ণণৰ পৰিয়ালটো আছিল তেলেগু গোড়া ব্ৰাহ্মণ পৰিয়াল। ৰাধাকৃষ্ণণৰ দেউতাকে মাজে মাজে পুৰোহিতালিও কৰিছিল।

"দৃষ্টিনন্দন অট্টালিকা আৰু সা-সৰঞ্জাম এজন মহান শিক্ষকৰ বিকল্প হ'ব নোৱাৰে। ৰাধাকৃষ্ণণৰ মতে "শিক্ষাই যুগৰ নৈতিক প্ৰত্যাহ্বানৰ মুখামুখী হোৱাত আৰু জন-জীৱনক চুই যোৱাকৈ ভূমিকা লোৱাত সহায় কৰিবলৈ হ'লে ই মুক্ত আৰু জীৱনী শক্তিদায়ক হ'ব লাগিব। আধ্যাত্মিক ভেটিত প্ৰতিষ্ঠিত শিক্ষাইহে প্ৰকৃত শিক্ষা বুলি তেওঁ বাৰে বাৰে কৈছিল।

ৰাধাকৃষ্ণণে প্ৰাথমিক পৰ্যায়ৰ শিক্ষা গ্ৰহণ কৰিছিল নিজৰ গাঁৰৰ প্ৰাথমিক বিদ্যালয়তেই। বাল্যকালৰ পৰাই ৰাধাকৃষ্ণণ আছিল গ্ৰন্থপ্ৰিয়। সংগীতৰ প্ৰতিও তেওঁৰ যথেষ্ট ৰাপ আছিল। ১২ বছৰ বয়সলৈকে তেওঁ তিৰুতানি আৰু তিৰুপতিতেই পঢ়ি ভৱিষ্যৎ জীৱনৰ ভেটি সুদৃঢ় কৰিছিল। প্ৰাথমিক বিদ্যালয়ত পঢ়া শেষ কৰি তেওঁ 'তিৰুতানি ব'ৰ্ড হাইস্কুলত' নাম লিখে। তাৰ পিছত তিৰুপতি 'হাৰমালচবাৰ্গ ইভান্‌জলিকেল লুথেৰান মিচন বিদ্যালয়ত পঢ়িবলৈ লয়। প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত তেওঁ এশ টকীয়া বৃত্তি লৈ ভেলোৰৰ বুনিৰ্জ কলেজত নামভৰ্তি কৰে। কলেজত তেওঁ অধ্যয়নৰ বিষয় হিচাপে বাছি লয় ইংৰাজী, তেলেগু, গণিত, ভূগোল আৰু ভাৰত বুৰঞ্জী। ১৯০৪ চনত তেওঁ ডিষ্টিংচন সহ এফ. এ. পৰীক্ষাত উত্তীৰ্ণ হয় আৰু বৃত্তি লাভ কৰে। তাৰ পিছত তেওঁ চেন্নাইৰ খ্ৰীষ্টীয়ান কলেজত বি. এ. পঢ়িবলৈ লয়। দৰ্শন শাস্ত্ৰক বি. এ. মহলাত পঢ়িবলৈ লয়। ১৯০৬ চনত তেওঁ প্ৰথম শ্ৰেণীৰ সন্মান সহ বি. এ. পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯০৯ চনত মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ পৰা দৰ্শন বিষয়ত কৃতিত্বৰে এম. এ. পৰীক্ষাত উত্তীৰ্ণ হয়। এই পৰীক্ষাত তেওঁ বিশ্ববিদ্যালয়ৰ ভিতৰতে সৰ্বোচ্চ নম্বৰ লাভ কৰি অভিলেখ স্থাপন কৰে।.

ইংৰাজী আৰু মাতৃভাষা তেলেগুৰ উপৰিও তেওঁ সংস্কৃত, হিন্দী, আৰবী, ফৰাচী, স্পেনিছ আদি ভাষা সুন্দৰকৈ ক'বও পাৰিছিল। ইয়ে পণ্ডিতগৰাকীৰ ব্যক্তিত্বকো শুৱনি কৰি তুলিছিল।

ৰাধাকৃষ্ণণে চাকৰি জীৱন আৰম্ভ কৰিছিল শিক্ষকতাৰে। পোনতে তেওঁ অতি কষ্টেৰে মাদ্ৰাজ এডুকেশ্বনেল ছাৰ্ভিচত এটা সৰু চাকৰি যোগাৰ কৰিছিল। ১৯০৯ চনত মাদ্ৰাজ প্ৰেছিডেন্সি কলেজত দৰ্শন বিভাগত অধ্যাপক হিচাপে নিযুক্তি পায়। তেওঁৰ শিক্ষাদান কাৰ্যত ছাত্ৰসকল অভিভূত হৈ পৰিছিল আৰু ইয়ে তেওঁক এগৰাকী সফল অধ্যাপকৰূপে স্বীকৃতি দিছিল। তেওঁৰ প্ৰতিভাত মুগ্ধ হৈ তেওঁক পঢ়োৱা অধ্যাপকসকলে তেওঁৰ সহপাঠীবোৰৰ আগত ১২ টা বক্তৃতা দি শুনাবলৈ পৰামৰ্শ দিছিল। ১৯১৭ চনত তেওঁ ৰাজমুন্দ্ৰি কলেজত যোগদান কৰে।

১৯১৮ চনত তেওঁ মহীশূৰ বিশ্ববিদ্যালয়ত দৰ্শনৰ অধ্যাপক হিচাপে নিযুক্তি পায়। ৰাধাকৃষ্ণণৰ পাণ্ডিত্য আৰু প্ৰসিদ্ধিৰ কথা ইতিমধ্যেই সৰ্বজনবিদিত হৈ পৰিছিল। কলিকতা বিশ্ববিদ্যালয়ৰ

তেতিয়াৰ উপাচাৰ্য আশুতোষ মুখাৰ্জীও তেওঁৰ প্ৰতিভাত মুগ্ধ হৈ পৰিছিল। পণ্ডিতেহে পণ্ডিতৰ মোল বুজি পায়। এই কথাশাৰীৰ প্ৰমাণ তেওঁ কৰি দেখুৱালে। সেয়ে তেওঁ ৰাধাকৃষ্ণণক কলিকতা বিশ্ববিদ্যালয়ত যোগদান কৰিবলৈ অনুৰোধ জনালে। সেইমৰ্মে তেওঁ মহীশূৰৰ পৰা আহি বিশ্ববিদ্যালয়ত 'Mental and Moral Science' (মানসিক আৰু নৈতিক বিজ্ঞান শিক্ষাৰ) 'পঞ্চম জৰ্জ' অধ্যাপকৰ খালী হোৱা আসনখন পূৰণ কৰে। কলিকতা আহিয়েই তেওঁ তাৰ 'চিনেট হ'ল'ত এটা বক্তৃতা প্ৰদান কৰে। তেওঁৰ এই বক্তৃতাই তাৰ শিক্ষক, ছাত্ৰ সকলোকে মোহিত কৰে। ১৯২৭ চনত তেওঁ লণ্ডনত হোৱা 'বিশ্ববিদ্যালয় কংগ্ৰেছ'ত কলিকতা বিশ্ববিদ্যালয়ৰ প্ৰতিনিধি হিচাপে যোগ দিয়ে। Oxford আৰু Mansestar-ত বক্তৃতা দিবৰ বাবে পোৱা আমন্ত্ৰণো তেওঁ গ্ৰহণ কৰে। তাত প্ৰদান কৰা বক্তৃতামালাক 'আপুন বক্তৃতামালা' নামেৰে জনা যায়। এই বক্তৃতাত তেওঁ স্পষ্ট কৰি দিয়ে যে হিন্দুৰ বেদান্ত বা উপনিষদৰ উদাৰ ধৰ্মই বিশ্বক সাৰটি ল'ব পাৰে। ইয়াৰ পিছত তেওঁ চিকাগো চহৰত এলানি বক্তৃতা প্ৰদান কৰিছিল। এই বক্তৃতামালাক 'হাস্কেল' বক্তৃতামালা বুলি জনা যায়। এই বক্তৃতাটো প্ৰধানকৈ ধৰ্মৰ জটিল তত্ত্বৰ ওপৰত প্ৰতিষ্ঠিত আছিল। ৰাধাকৃষ্ণণ বিশ্ববিদ্যালয় চিণ্ডিকেটেতৰো এগৰাকী গুৰুত্বপূৰ্ণ সদস্য হিচাপে নিৰ্বাচিত হৈছিল। তেওঁ বিশ্ববিদ্যালয় সংগঠন কমিটীৰ কামত নিষ্ঠাৰে নিজকে তত্ত্বনিয়োগ কৰিছিল। ইয়াৰ পিছত তেওঁ কাশী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে যোগদান কৰে। ১৯৪৮ চনলৈকে ইয়াত কাৰ্যনিৰ্বাহ কৰিছিল। ভাৰতে স্বাধীনতা লাভ কৰাৰ পিছত প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে তেওঁক বিশ্ববিদ্যালয় অনুদান আয়োগৰ সভাপতি নিৰ্বাচন কৰিছিল।

১৯৫২ চনত তেওঁ ৰাষ্ট্ৰসংঘৰ বিজ্ঞান শিক্ষা আৰু কৃষ্টি শাখাৰ ভাৰতীয় দলৰ অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৫২ চনৰ পৰা তেওঁ ইয়াৰ সাধাৰণ সভাপতি আছিল। ১৯৫৩ চনৰ পৰা ১৯৬২ চনলৈ তেওঁ দিল্লী বিশ্ববিদ্যালয়ৰ আচাৰ্য হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

ৰাধাকৃষ্ণণ আছিল প্ৰকৃততে এগৰাকী পণ্ডিত লোক আৰু হাড়ে হিমজুৱে শিক্ষক। ৰাজনীতি তেওঁৰ লক্ষ্য নাছিল। কোনো আন্দোলনত তেওঁ জড়িত নাছিল, সেইবুলি তেওঁ সেইবোৰৰ বিৰোধিতাও কৰা নাছিল। সেয়ে দেশ স্বাধীন হোৱাৰ পিছত প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে ৰাধাকৃষ্ণণক দেশৰ স্বাৰ্থত ছোভিয়েট ৰাছিয়াৰ ৰাষ্ট্ৰদূত হিচাপে ১৯৪৯ চনত নিযুক্তি দিছিল। ভাৰতীয় সংবিধান ৰচনা কৰাৰ বাবে গঠন কৰা "কনষ্টিটুৱেণ্ট এচেম্ব্লি'ৰো তেওঁক ১৯৪৬ চনত সদস্য নিৰ্বাচিত কৰা হৈছিল। ১৯৫২ চনত তেওঁক ভাৰতৰ দৰে বিশাল উপমহাদেশৰ উপ-ৰাষ্ট্ৰপতি পদত বৰণ কৰা হৈছিল।

১৯৫৪ চনত তেওঁক ভাৰতৰ সৰ্বোচ্চ সন্মান ভাৰতৰত্ন প্ৰদান কৰা হৈছিল। ভাৰতীয় বিদ্যাভৱনৰ কুলপতি কে.এম. মুন্সিয়ে তেওঁক ব্ৰহ্মবিদ্যা ভাস্কৰ উপাধিৰেও অলংকৃত কৰিছিল। পলচ মাৰ গ্ৰেগৰিয়াছে তেওঁক বুলিছিল বিশ্বমানৱ। তেওঁক 'নাইট' উপাধিও প্ৰদান কৰা হৈছিল যদিও তেওঁ তাক প্ৰত্যাখ্যান কৰিছিল।

১৯৬২ চনৰ মে' মাহৰ ১৩ তাৰিখে তেওঁ ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হৈছিল। ১৯৬৭ চনলৈকে তেওঁ এই পদত কাৰ্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰে।

ড° ৰাধাকৃষ্ণণ আছিল মুখ্যতঃ ভাৰতীয় দৰ্শনৰ প্ৰবক্তা। ১৯৭৫ চনত ধৰ্মীয় উন্নতিৰ বাবে কৰা আহোপুৰুষাৰ্থৰ বাবে তেওঁ আগবঢ়োৱা হৈছিল 'টেম্পলটন' বঁটা।

শিক্ষকতাকে জীৱনৰ ব্ৰত বুলি লোৱা আৰু শিক্ষক হিচাপেই জীৱনৰ আৰম্ভণি কৰা ৰাধাকৃষ্ণণ প্ৰকৃতাৰ্থত এগৰাকী শিক্ষকেই আছিল যদিও শেষলৈ ৰাষ্ট্ৰপতিৰ দৰে ৰাষ্ট্ৰৰ গুৰুভাৰ গ্ৰহণ কৰি জীৱিকাৰ পৰিসমাপ্তি ঘটাব লগা হৈছিল। ৰাষ্ট্ৰ চালনাৰ এই দায়িত্বও তেওঁ লাভ কৰিছিল মূলতঃ তেওঁৰ পাণ্ডিত্যৰ বাবেহে। সুমধুৰ বক্তৃতাৰে তেওঁ ছাত্ৰৰ মন জয় কৰিব পাৰিছিল। সলসলীয়া ইংৰাজীৰে গধুৰ কথাবোৰ তেওঁ পানী যেন কৰি বক্তৃতা দিছিল। ছাত্ৰসকলৰ মাজত তেওঁ দৰ্শন আৰু আধ্যাত্মিক দৃষ্টিকোণৰ নীৰস তত্ত্ববোৰো সৰস কৰি উপস্থাপন কৰিব পাৰিছিল। এনে সু-কৌশলৰ অধিকাৰী হোৱা বাবেই তেওঁ এগৰাকী কৃতী শিক্ষকৰূপে ছাত্ৰ-ছাত্ৰীৰ মাজত স্বীকৃতি লাভ কৰিছিল। সেয়ে বিদেশৰ পৰাও তেওঁলৈ আহিছিল বক্তৃতা দিয়াৰ বাবে উপৰ্যুপৰি আমন্ত্ৰণ। এগৰাকী শিক্ষকৰ থাকিবলগীয়া সকলো গুণেই ৰাধাকৃষ্ণণৰ আছিল। বিদেশলৈ বক্তৃতা দিবলৈ গৈ নিৰ্দিষ্ট বিষয়ৰ ওপৰত বক্তৃতা প্ৰদান কৰি ভূয়সী প্ৰশংসা অৰ্জন কৰিছিল। প্ৰাচ্য আৰু পাশ্চাত্যৰ শিক্ষা ব্যৱস্থা, ধৰ্ম, দৰ্শন, নৈতিকতা, আধ্যাত্মিকতা আদিৰ বিষয়ে তেওঁৰ আছিল গভীৰ অধ্যয়ন। ছাত্ৰ-ছাত্ৰীসকলক সৎ আৰু ধাৰ্মিক হোৱাটো তেওঁ কামনা কৰিছিল। ভাৰতীয় ঐতিহ্য আৰু আদৰ্শৰে উদ্বুদ্ধ হৈ মানৱ জীৱনটো গঢ়ি তোলাটোৱেও আছিল তেওঁৰ শিক্ষক জীৱনৰ মুখ্য উদ্দেশ্য আৰু মূল আদৰ্শ। তেওঁৰ ভাষণ শিক্ষাদান কাৰ্য আৰু ব্যক্তিগত আচৰণ আদিতো প্ৰকৃত শিক্ষকৰ মহান গুণৰাজি প্ৰতিফলিত হৈছিল। তেওঁ কৈছিল— "প্ৰকৃত শিক্ষাই ব্যক্তিৰ অন্তৰ্দৃষ্টি গভীৰ কৰাত, মনৰ দিগন্ত প্ৰসাৰিত কৰাত আৰু এক তাৎপৰ্যপূৰ্ণ দৃষ্টিভংগী গঢ়ি তোলাত সহায় কৰা উচিত।" তেওঁ আৰু কৈছিল— "দৃষ্টিনন্দন অট্টালিকা আৰু সা-সৰঞ্জাম এজন মহান শিক্ষকৰ বিকল্প হ'ব নোৱাৰে।" তেওঁৰ মতে "শিক্ষাই যুগৰ নৈতিক প্ৰত্যাহ্বানৰ মুখামুখী হোৱাত আৰু জন-জীৱনক চুই যোৱাকৈ ভূমিকা লোৱাত সহায় কৰিবলৈ হ'লে ই মুক্ত আৰু জীৱনী শক্তিদায়ক হ'ব লাগিব। আধ্যাত্মিক ভেটিত প্ৰতিষ্ঠিত শিক্ষাইহে প্ৰকৃত শিক্ষা" বুলি তেওঁ বাৰে বাৰে কৈছিল।

এইগৰাকী বিশিষ্ট শিক্ষাবিদ, দাৰ্শনিক, সুবক্তা, ৰাষ্ট্ৰনেতাৰ ১৯৭৫ চনৰ ১৭ এপ্ৰিল তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে।

# এয়া কি জীৱন?

অখিল পাঠক
গ্ৰন্থাগাৰ সহায়ক

শৈশৱৰ ধেমালি এৰি লগ সমনীয়া ভাই-বন্ধু সমাজ সকলো এৰি বাপুই যাব লগা হৈছিল জীৱনৰ ভাত বিচাৰি। ঘৰৰ সকলোকে কৈছিল যদি পাৰো ময়ো এদিন সমাজৰ এজন ভাল মানুহ হৈ উভতি আহিম নিজ গাঁৱলৈ। তেতিয়া বাপুৰ বয়স প্ৰায় ১২/১৩ বছৰ, এনেকৈ চহৰত গৈ কাম বিচাৰি বিচাৰি এঘৰ মানুহ পালে য'ত তেওঁ পঢ়াৰ সুবিধাকণ পাব, কিন্তু পৰিয়ালটোৰ সদস্য সংখ্যা মাত্ৰ তিনিটা, মাক, বাপেক আৰু তেওঁলোকৰ একমাত্ৰ পুত্ৰ সন্তানটি। তেওঁলোকৰ ঘৰত আৰু এটা ভাল বিদ্যা বাপুৱে শিকিব পাৰিছিল— সংগীত, বাদ্যযন্ত্ৰ। পৰিয়ালটোত সদায় সংগীত নাচ-গানেৰে আনন্দময় পৰিৱেশ। য'ত জীৱনৰ অন্য কথাবোৰলৈ বেছি মনত নপৰে। য'ত হিংসা নাই মাত্ৰ পালে শৈশৱৰ বাকী থকা দিনকেইটা হাঁহিৰে কটাব। এনেকৈ পঢ়ি হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত বাপু আৰু তেওঁ থকা পৰিয়ালটোৰ ল'ৰা বাবু দুয়োৰে বন্ধুত্ব বাঢ়ি গ'ল। এনেকৈ দুয়ো একেলগে খোৱা-বোৱা ঘূৰা-ফুৰা বিভিন্ন কামত জড়িত হৈ পৰিল। এনেদৰে উমলি থাকোঁতে বাবুৱে যাব লগা হ'ল উচ্চ শিক্ষাৰ বাবে দিল্লীলৈ আৰু বাপু থাকিল চহৰৰ মাক-দেউতাকক চাই। বাবু দিল্লীত থাকি দিনে দিনে বেয়াৰ সংগত পৰি জীৱনটো চিনি নোপোৱা হ'ল। আৰু বাপুৱে জীৱন বিচাৰি গৈ পালে জীয়াই থকাৰ দুখ। কালৰ সোঁতত বাপু যেতিয়া মৃত্যু মুখত পৰে, তেতিয়াৰ পৰাই বাপুৰো ঘৰলৈ সঘনাই মনত পৰা হ'ল, গাঁৱলৈ মনত পৰা হ'ল। জীৱনটো কিবা অসাৰ যেন লাগে তৎক্ষণাত কিবা পাই হেৰুওৱা যেন লাগিল। বাবুৰ মৃত্যুৰ কেইবছৰমান পিছত গাঁৱলৈ বিচাৰি আহিল শৈশৱৰ সেই সোণালী চোতালখন য'ত ৰাতি হ'লে জোনৰ পোহৰত সাধু শুনিছিল আইতাৰ মুখত, কিন্তু বিচাৰি নাপালে ঘৰ, নাপালে মাকৰ মৰম সনা মাতষাৰ। কাৰণ প্ৰকৃতিৰ প্ৰবল বানে উটুৱাই নিছিল ঘৰৰ প্ৰতিটো সদস্য লগতে ঘৰ দুৱাৰ। বাপুৰ ঘৰৰ ওপৰত থকা নদীটোৰ ফালে চাই মাকক সুঁৱৰিছিল আৰু কৈছিল মা তুমি শুনিছানে নাই অ' অজলা মা মোৰ আজি সপোনবোৰ ক'ত লুকাল। আৰু মনলৈ ভাব আহে ময়ো কিজানি সোৱণশিৰিৰ ঘাটত গৈ মোৰ বাবে বহুদিন অপেক্ষা কৰিছিল আৰু কান্দিছিল কিজানি কৈ কৈ আমাৰ বাপু গাঁৱলৈ আহিব আৰু বিষাদৰ মাত শুনাব। জীৱনটোৱে যেতিয়া ক'তো সুখ-শান্তি নাপায়, জীৱনত এটা ভাল হাঁহি মাৰিব খোজোতে দুচকুৰে চকু পানীহে ব'বলৈ ধৰে তেতিয়া আৰু সেই ক্ষণতে মনত পৰিছিল, সেই পৰিয়ালটোলৈ য'ত গান শুনিছিলোঁ জয়ন্ত দাৰ। যেতিয়া জীৱনে কান্দে নাই নাই বুলি, এই গানটোৰ এটা ফালে নিবিচৰাটো যদি বাৰে বাৰে পোৱা আৰু বিচৰাটো এবাৰো অপেক্ষা তেতিয়া, মই হুঁহা হাঁহিটো মাৰিবা, গানটোৰ এই কলিটোৱে মোক বহু শক্তি আৰু প্ৰেৰণা দিছিল। এনেদৰে বহু ঘাত-প্ৰতিঘাতৰ পিছত চহৰত গীটাৰ বজাবলৈ মন মেলিলোঁ, ভাবিছিলোঁ

গানেৰে জীৱন কটাম
হাঁহিৰে জীৱন সজাম।
চকু পানীৰে নহয়।।



# তহমিদা জান্নাতৰ ফেচবুক আপডেট

মইনুল হক চৌধুৰী
তৃতীয় যাণ্মাসিক



মোৰ এজনী বান্ধৱী তহমিদা জান্নাত। এই ছোৱালীজনী কিছুদিন আগত কেন্সাৰ ৰোগৰ স'তে যুঁজি যুঁজি মৃত্যুক সাৱটি লয়। তাইৰ ফেচবুক আপডেট ষ্টেটাছবোৰ পঢ়ি মই চকুপানী ধৰি ৰাখিব নোৱাৰিলোঁ। সেই বাবেহে আপোনালোকৰ মাজত অনুবাদিত কৰি শ্বেয়াৰ কৰিলোঁ।

বাস্তৱতা কি বস্তু, তাই দেখুৱাই দি থৈ গ'ল মৃত্যু হোৱাৰ আগত লিখা ষ্টেটাছবোৰ পঢ়িলে হয়তো আপুনিও চকু পানীক বাধা দি ৰাখিব নোৱাৰিব।

**৭ মার্চ, ২০১৩**

আজি মোৰ কেন্সাৰ জীৱনৰ সপ্তম দিন। কথাটো আম্মা-আব্বাক (মা-দেউতাক) শুনাবলৈ মই সাহস গোটাব পৰা নাই। শ্বাৰিনে মোক জনাইছে মোৰ লিউকেমিয়া। কেনেকৈ মূৰ পাতি ল'ম বিষয়টো বুজিব পৰা নাই। অইন দহজন ছোৱালীৰ দৰে ময়ো এজনী সহজ সৰল মনৰ ছোৱালী। মইতো কেন্সাৰ বিচৰা নাই। তেতিয়াহ'লে ই কেনেকৈ আহিল মোৰ ওচৰত। মই অইন কাৰোবাক বিচাৰিছিলোঁ। যিটো বিচাৰিছিলোঁ সেইটোৱে নাপালোঁ।

**১০ জুলাই, ২০১৩**

শেষ পর্যন্ত মোৰ স্কুলৈ যোৱা বন্ধ হ'ল ব্লাডিং বাঢ়ি গৈছে। কি অদ্ভুত! এটা সময়ত জ্বৰৰ অভিনয় কৰি ঘৰতে শুই থাকিছিলোঁ আৰু এতিয়া স্কুললৈ যোৱাৰ বাবে সুস্থ থাকিবৰ অভিনয় কৰিব লগা হয়। কি বিপৰীত। উপলব্ধি হয় কেন্সাৰ ৰোগ হয় এজন মানুহৰ অতীতৰ সকলো স্মৃতিক জগাই তুলিবলৈ হয়। এটা সময়ত বৰষুণ ভাল লাগিছিল। কিন্তু এতিয়া এজাক বৰষুণে যেন মোৰ আপোন লাগে। ৰ'দ অসহ্য লাগিছিল। এতিয়া ৰ'দে মোক মোৰ অক্ষমতাৰ কথা মনত পেলাই দিয়ে।

**২২ ছেপ্টেম্বৰ, ২০১৩**

আজি মোৰ বন্ধু-বান্ধৱীবোৰে মোক চাবলৈ আহিছে। ঐশি, মৌমিতা, শ্বানি, ৰিয়ান। বহুত দিনৰ পিছত আজি এটা ভাল সময় অতিবাহিত কৰিলোঁ। কিন্তু ক'ৰবাত যেন সুৰটো নাইকিয়া হৈ গৈছে মই জানো তেওঁলোকে মোৰ অত্যন্ত ভাল পাই। শ্বানিয়ে মোৰ চকু ফালে নাচালেই। বোধহয় লাজতে। সম্পর্কটো শেষ হৈ গৈছে প্ৰায় তিনিমাহ হ'ল। ফেৰ কেন্সাৰৰ কথা শুনি সকলোৱে লাহে লাহে আঁতৰি যায়। মই জানো তেওঁ আৰ মৌমিতাই প্ৰেম কৰা আৰম্ভ কৰিছে। বেয়া লাগিছে সিহঁতে মোক খোলাখুলিকৈ কথাটো জনাব পাৰিলেহেঁতেন। সঁচা কথা শুনাৰ অধিকাৰ কি এজন কেন্সাৰ ৰোগীৰ নাথাকে নেকি? পৃথিৱীখনত সকলোৱে এনে অভিনয় কৰে কিয়?

দ্বিতীয় কেমো দি ঘৰলৈ আহিলোঁ। মই চুলিৰ সম্বন্ধে সকলো সময়ত অলপ বেছি যত্নৱান আছিলোঁ। নতুন নতুন ব্ৰেণ্ডৰ চেম্পু, কণ্ডিচনাৰ কিনিছিলোঁ। এতিয়া আৰু এইবোৰৰ প্ৰয়োজন নহয়। মূৰত চুলিয়েই নাই, চেম্পু দি কি কৰিম! ড্ৰেচিংখনো মোৰ ৰূমৰ পৰা বাহিৰ কৰিবলৈ কৈছোঁ। দাপোন চাবলৈ বেয়া লাগে। এইফালে মোক লৈ আম্মা-আব্বাৰ মাজত দিনক দিনে কাজিয়াৰ সূত্ৰপাত ঘটি আহিছে।

**১৬ জানুৱাৰী, ২০১৪**

বহুদিন একো লিখা নাই বহুত পলম হৈ গৈছে। বেমাৰটোৱে মোক গ্ৰাস কৰি পেলাইছে। এইফালে শ্বানিলৈ খুবেই মনত পৰে। তাক ফোন কৰোঁ সি ৰিচিভ নকৰে। কেণ্ডাৰটো ভাল হোৱাৰ আশাই নাই। কিয় ইমান অৱহেলা আজিকালি ৰিশানৰ লগত কথা পাতি সময়বোৰ পাৰ কৰে। ল'ৰাজনৰ স'তে মোৰ ফেচবুকৰ চিনাকি কোনো স্বাৰ্থ নথকাকৈ সি মোক অত্যন্ত ভাল পায়। কিন্তু মোৰ একোৱে কৰিব নাই। এজন কেন্সাৰ ৰোগীক কাৰোবাক ভালপোৱাৰ কিম্বা কাৰোবাৰ ভালপোৱাৰ অধিকাৰ নাই।

**২৬ জানুৱাৰী, ২০১৪**

দ্বিতীয় কেমো দি ঘৰলৈ আহিলোঁ। মই চুলিৰ সম্বন্ধে সকলো সময়ত অলপ বেছি যত্নৱান আছিলোঁ। নতুন নতুন ব্ৰেণ্ডৰ চেম্পু, কণ্ডিচনাৰ কিনিছিলোঁ। এতিয়া আৰু এইবোৰৰ প্ৰয়োজন নহয়। মূৰত চুলিয়েই নাই, চেম্পু দি কি কৰিম! ড্ৰেচিংখনো মোৰ ৰূমৰ পৰা বাহিৰ কৰিবলৈ কৈছোঁ। দাপোন চাবলৈ বেয়া লাগে। এইফালে মোক লৈ আম্মা-আব্বাৰ মাজত দিনক দিনে কাজিয়াৰ সূত্ৰপাত ঘটি আহিছে। এই বেমাৰ এতিয়া তেওঁলোকৰ সম্পৰ্কত যেন দাগ সানিব লৈছে। সেইদিনা মাজনিশা টোপনিৰ পৰা সাৰ পাই দেখো আব্বাই মোৰ ভৰিৰ ওচৰত বহি হুক্‌হুকাই কান্দি আছে। আব্বায়ে কেতিয়াও নাকান্দে বহুত বলৱান আৰু সাহসী পুৰুষ। ঘৰখনত যিয়েই যি পৰিস্থিতি হওক আব্বায়ে সাহস, ধৈৰ্যৰে মোকাবিলা কৰে। আৰু আজি মই সেইজন আব্বাক কন্দুৱাইছোঁ। মানুহে সঁচাকে কয় "প্ৰতিজনী ছোৱালী দেউতাকৰ চকুত ৰাজকন্যা।"

**২ ফেব্ৰুৱাৰী, ২০১৪**

২৬ ঘণ্টাৰ পিছত মই জ্ঞান ঘূৰাই পালোঁ। ৰিশানৰ স'তে বহুত সময় কাজিয়া কৰিলোঁ। তাৰ লগত কাজিয়া কৰি মোৰ ভাল লাগে। কাজিয়া কৰিবলৈ কোনোৱে নাথাকিলে হয়তো জীৱনটো বেকাৰ, জীয়াই থকাটোৱে আমনিদায়ক।

**১৩ মাৰ্চ, ২০১৪**

যোৱা ৪৮ ঘণ্টা ধৰি মোক লৈ ডাক্তৰ আৰু যমদূতৰ টনা-আঁজোৰা হৈছিল। মই মোৰ সৰ্বশক্তি দি চেষ্টা কৰিছিলোঁ যাতে ডাক্তৰৰ জয় নিশ্চিত হয় কিন্তু মই জানো শেষ পৰ্যন্ত কেন্সাৰৰেই জয় হ'ব। লিখিবলৈ বিন্দুমাত্ৰাও শক্তি নাই। হাতখন কপি আছে শ্বানিক বহুত মিছ কৰি আছো যদিও মিছ কৰাটো উচিত নহয় কেন্সাৰ ৰোগীৰ কাৰোবাক মিছ কৰাৰ অধিকাৰ নাই।

**২৫ মে', ২০১৪**

এই লেখাটোৱেই বোধহয় মোৰ জীৱন শেষ লেখা হ'ব। শেষ শক্তিখিনি জমা কৰি লেখাটো লিখিছোঁ। মোৰ ৰাখি থৈ যোৱা বস্তুবোৰৰ মাজত ডায়েৰীখন ৰিশানৰ ভাগত পৰিব। এইজন দূৰৰ মানুহ হৈ মোক যথেষ্ট অনুপ্ৰেৰণা যোগাইছে। ল'ৰাজনৰ মাজত মানুহৰ মুখত হাঁহি ফুটাবলৈ ঈশ্বৰৰ সমান ক্ষমতা আছে। ওপৰৱালাই তেওঁক বহুত ভালে কুশলে ৰাখক। লেখাতো লিখোঁতে চকুৰ কোণত অশ্ৰু জমা হৈ গৈছে। এই অশ্ৰু কাৰ বাবে নাজানো খুবেই মিছ কৰিম আম্মা-আব্বা, মোৰ সৰু ভনীটোক বন্ধু-বান্ধৱী সকলোকে মিছ কৰিম। শ্বানিয়ো ভালে থাকক। স্কুলৰ সন্মুখত যে কাছাৰ বিক্ৰি কৰিছিল মামাজন, তেওঁকো বহুত মিছ কৰিম। আচ্ছা, "স্বৰ্গত বাৰু কি আচাৰ বিক্ৰি হয়?" বিশ্বাস নহয় আৰু কেইটামান দিশ জীয়াই থাকিবলৈ ইচ্ছা আছিল। উফ্! যিটো খোজো সেইটো নাপাওঁ। অৱশেষত যে মাহৰ ২৭ তাৰিখে (২৭ মে', ২০১৪)ত তাইৰ জীৱন যুদ্ধ পৰিসমাপ্তি ঘটে।



# ভাৰতীয় সেনা

**নৱজ্যোতি ডেকা**
**তৃতীয় ষাণ্মাসিক**

"মা কি কৰিছা... ?" ভালে আছা নহয় ? দেউতাৰ কি খবৰ ? দেউতা ঘৰতে আছেনে ? আজি তুমি দিনৰ দিনটো কিয় কান্দি আছা ? হয়তো বিহুত মই যাব নোৱাৰাৰ বাবে ন ? তুমি নাকান্দিবা। মই যাম নহয়। ভণ্টি কি কৰিছা ? কিহৰ বাবে পিঠা-পনা খুন্দিছা ছাগে ? আমাৰ গাঁৱত খুব বিহুত লাগিছে ছাগে ? গাঁৱৰ ল'ৰাবোৰে হুঁচৰি গাব। মই সময় নাপালোঁ। কোনোদিনেই আৰু নাকান্দিবা দেই মা। যোৱাবাৰ বিহুত গলোঁৱেই দেখোন। অলপ দিনৰ পিছতে গৈ আছোঁ। মোৰো বেয়া লাগিছে জানানে ? বাপুতি সাহোন ব'হাগৰ বিহুতো ঘৰ যাব নোৱাৰিলোঁ। তুমি কান্দি থাকিলে মই ঘৰৰ বাহিৰত শান্তিত থাকিব নোৱাৰিম নহয় আৰু দেউতাক বিহুৰ দিনা গোহালিৰ গৰুকেইটাক মাহ-হালধীৰে গা ধুৱাই গধুলি তৰা পঘাৰে বান্ধি জাক দিবলৈ ক'বলৈ পাহৰি নাথাকিবা কিন্তু। কি কৰিম কোৱা দেশ মাতৃ মোৰ আইমাতৃ তোমাৰ সমান ইমানবোৰ কাম এৰি কেনেকৈ যাব পাৰোঁ। দেশৰ সীমা বিবাদ আৰু ক'ত যে কি ঘটনা ঘটি আছে শেইবোৰতকৈ মোৰ বিহুতো ডাঙৰ হ'ব পাৰে জানো ? কুলিজনীয়ে যেতিয়া গছৰ ডালত পৰি পুৰতি নিশা যাতেহি হৃদয়খন শাত পৰি যায়। পকোৱা সূতাৰ বুটা বছা গামোচাখন ডিঙিত পিন্ধি যাম। মা... তোমাৰ হাতৰ বুলনিত বছা ফুলাম গামোচাখন কিমানযে হেঁপাহৰ। তুমি দুখ নকৰিবা মা যিমান পাৰো সোনকালে গৈ আছোঁ। দেশক ৰক্ষা কৰাটো মোৰ কৰ্তব্য।



তেন্তে এসাগৰ ভালপোৱা আৰু প্ৰেমৰ এবাৰ হ'লেও
তুমি মোৰ কথা মনত পেলোৱা তেন্তে শুনা পাবা...
সেই প্ৰেমৰ দেশৰ বিষাদ নদীৰ কাষৰ নিৰ্জন দ্বীপৰ
পৰা ভাহি অহা এটি কৰুণ সুৰ অ' এটি কৰুণ সুৰ...
কৰুণ সুৰ সেয়া তুমিহীনতাৰ সুৰ।

# সময়

দ্বীপজ্যোতি তালুকদাৰ
প্ৰাক্তন ছাত্ৰ

1. The very important thing is the parents' awareness regarding education. They must compel them to go to school and must inform them about the need and value of education.
2. The products made by Hira women are traditional which fails to compete with the present scenario. Therefore, emphasis should be given regarding the proper training to moderate this craft.
3. The talent of Hira women should be recognized. They should be introduced with modern technology in their production.
4. All type of governmental as well as non-Governmental scheme should be introduced for them that they can benefit from every corner.
5. Society should supply raw material to the potters with a reasonable price.
6. Government and locality should introduce some measures to develop the communication system.
7. The rapid growth of Steel industry, Plastic industry etc. brings a serious threat to pottery industry. So there is a need of modification of technology, skill & technique that they can produce a market oriented product.
8. Emphasis should be given to develop the health condition of women as they are the part and parcel of pottery making.
9. Scarcity of raw material (i.e. clay, firing material etc) is an important problem facing by them. But this can be resolved by leasing clay bearing lands to the representatives of Hira Community.
10. There must be a well organized co-operative society in the Hira Village that they can easily solve the problem of capital, raw material, and the sale of product at a reasonable price.
11. One more important thing is that the market condition is not developed. An organized market is very essential that they can get the proper value of proper item. Besides, as a traditional craft it should be introduced nationally and globally.
12. Some provisions should be made to display the pottery items during some regional, national and international conferences, conventions etc. that they can get the appreciation of the participants of conferences and boost the moral of the Hira Potters.

## CONCLUSIONS:

In spite of age old cultural heritage in Assam, this traditional craft is still unorganized. As women folk is the key element and playing multifarious role of pottery making art, so education of that women is on a very urgent need. Because, only an educated women can walk with the new technology, new skill, new invention during the time of inclusive growth.

**REFERENCES:**


1. Directorate of Economics and Statistics (2014), Government of Assam, *Statistical Handbook.*
2. Duary, Nabakumar., (2008), *Traditional Hira Potters Of Lower Assam* (An article), published in India, Indian Journal of Traditional Knowledge,vol.7(1), January2008. p.1.
3. Sarmah, Rekha Preeti.,(2001), The Hira Potters and Potteries of South Kamrup: A study of their ethnography and occupational mobility, Unpublished Thesis submitted to the Deptt. Of Anthropology, G.U, Pp.11-13.
4. Talukdar, Ritul., (2012), *Women Education And Rural Economic Development Of The Bodo Community Of Assam* : *A Case Study In Barpeta And Baksa District Of Assam*(An Article), published in International Journal of Science, Vol. 1(1),2012.p.41-48.
5. Medhi, Anamika., (2001), *Socio Economic Study of Hira Women: A Case Study Of Barpeta Assam*, Thesis submitted to the Deptt. Of Polotical Science, G.U.
6. http/www. Mapsofindia.com/assam/society.
7. M.Bronson., *A Dictionary in Assamese and English*, p.567.

Bharali, Rajat Chandra., (2014), *Ramdiar Bhatheli,* 1st Edition, Bharali Publication, p.77.


গাধই বিৰামহীনভাৱে
বোজা কঢ়িয়ায়, শীত-
গ্ৰীষ্মৰ জ্ঞান তাৰ নাই,
সকলো সময়তে সন্তুষ্ট
মনে বিচৰণ কৰে—
এই তিনিটা গুণ গাধৰ
পৰা শিক্ষা লোৱা
উচিত।

# WOMEN EMPOWERMENT THROUGH PANCHAYATI RAJ

**Kakoli Das**
**Asstt. Professor, Dept. of Political Science**

**Abstract :**

Political participation of women in India has been neglected since time immemorial. Though women constitute almost half of India's population their say in the decision making process is very marginal. India being a democratic country cannot progress by keeping half of its population in isolation. Women empowerment focuses on political participation and representation of women. The power of decision making is very essential for women empowerment. Political participation does not only mean voting but also power sharing, decision making and policy making at various level. In 1992 with 73rd and 74th Constitutional Amendment Act Panchayati Raj System was implemented which not only provided autonomy to the grassroots but also provided reservation of one-third of seats for women in every Panchayat and municipality and not less than one-third seats shall be reserved for women belonging to scheduled castes and scheduled tribes. The PRI's had the potential to start women empowerment from the village level. The constitutional provisions are meant to empower women but often there is a wide gap between the stated objectives and the real achievements. And this is the reason that even after constitutional safeguards and legal framework the participation of women is still lagging behind. Thus in this paper an attempt will be made to study how far Panchayati Raj has been able to empower women.

***Key Words:*** Women, Panchayat, participation, awareness, decision-making.

## I. INTRODUCTION

Women constitute almost half of the Indian population. They play a very important role in every walk of life. But it has been seen that their involvement in politics is comparatively less than men. India being a democratic country cannot progress by keeping half of its population in isolation. The concept of women empowerment focuses on political participation and representation of women. Empowerment of women in all spheres and in particular the political sphere is crucial for their advancement and for the foundation of gender equal society. There can be no true democracy, or no true people's participation in governance and development without equal participation of men and women at different levels of decision making. Participation of women in political life is integral to the advancement of women. Article 21 of the Universal Declaration of Human Rights states that everyone has the right to take part in the government of the country, directly or through the freely chosen representatives. A proper representation of women in political affairs will ensure their views and needs

reflected in public policies that affect their lives most. The Report of the Committee on Status of Women in India, 1974, reported that since1911, the condition of Indian women has worsened. Gender disparities were evident in employment, health, education and political participation. The new wave of decentralization in 1990's, through 73rd and 74th Constitutional Amendments gave 33.33% representation for women in local governments. This was seen as a road to political empowerment and gender equity. This gave opportunity for a large number of women to enter into local governments and to be a part of decision making body. The PRI's had the potential to start women empowerment from the village level. The constitutional provisions are meant to empower women but often there is a wide gap between the stated objectives and the real achievements. And this is the reason that even after constitutional safeguards and legal framework the participation of women is still lagging behind.

**OBJECTIVE:**

The objective of the present paper is to study the status of women empowerment through grass root democracy, whether panchayat raj has been able to empower women.

**METHODOLOGY:**

The study is based on secondary data collected from reputed articles of research journals, prominent internet sites relevant to the study.

## II. THE CONCEPT OF WOMEN EMPOWERMENT

Women empowerment has been an ongoing debate in India and elsewhere. Indian women occupying a subordinate position to men need to be empowered to overcome social, political and economic discrimination. The concept of women empowerment has predominantly become a focus on political participation. Empowerment of women is a burning issue that is being debated all over the world. This concept has its root in the women's movement throughout the world and particularly by the Third world feminists it is since the mid-1980s that this term became popular in the field of development, especially with reference to women. Women empowerment refers to creation of an environment for them where they can make their own decisions for their personal benefit and benefit of the whole society. Women empowerment will enhance both the quality and the quantity of human resources available for development. The success of development efforts depends on the fruits of development reaching men and women, boys and girls. One of the most fundamental reasons for promoting the empowerment of women is that failing to empower women as well as men to reach their full potential is a violation of their basic human rights.

Women's position and degree of empowerment is often defined by gender relations in society. Gender represents not only the biological sex of an individual, but also the different roles, rights, and obligations that the society attaches to individuals born with male or female sex characteristics. Sex differentiated roles, rights and obligations that exist in our society makes gender a fundamental dimension of societal stratification. These sex specific roles are not only different but also unequal. In every sphere of life the roles of women are subordinate to men. The rights for women are fewer or less emancipating than those that men have, and the obligations women have are more limiting than those of men. Unequal gender relations imply that men can exercise greater power than women in every sphere of life. They are culturally and legally sanctioned more power than women and also have greater excess to resources and information. This inequality in gender relations is embodied in various societal institutions, but is reproduced daily in the household. Women empowerment is a very critical issue that needs to be addressed. Thus women empowerment refers to increasing and improving the social, economic, political and legal strength of the women, to ensure equal right to women and to make them confident enough to claim their rights.

## III. WOMEN AND POLITICS

A democratic country cannot progress if energies of its half population are concerned in the household

only. After attaining independence Indian constitution ensured gender equality through various provisions and regulations. It was presumed that these rights would automatically get translated into political development of the women in the country. The issue of women's participation in politics cannot be viewed in isolation from the general position of women in a society but despite their vast strength, women occupy a marginalized position in the political system. There can be no true democracy and development in a country without equal participation of women in all spheres of life and at different levels of decision-making. The goals of development cannot be fully realized without women's full and active participation not only in the development process but also in the shaping of its goals. Parliamentary democracy is the rule of majority and by ignoring nearly fifty per cent of women's population; no country can march towards attaining the goals of justice, liberty and equality under the socialist, egalitarian and democratic framework of India's Constitution.

There cannot be equality without active political participation of women. Political status of women implies enjoying equal power sharing and freedom in decision making in our political system. Participation of women in political arena is integral to the advancement of women. Their political participation means not only using the right to vote, but also power-sharing, co-decision-making, and co-policy-making at all levels of governance of the State. Women's equal status in every sphere of life is linked to country's progress and development. Political participation of women in India has been neglected even since independence. Though our country has adopted democratic system of government and the women constitute 48.9 per cent of population of the country, but their political participation is very low. Due to various constraints they could not occupy the positions of power and assume leadership roles. Women's participation has been increasing rapidly but it is not satisfactory. They are also denying opportunities to participate in the administration, even in the making of decisions that affect their life and welfare.

There are various indicators to access the political participation of women. Firstly, increasing political participation of women as voters and representing as candidates in the elections. Secondly, women's positive political attitudes such as awareness commitments and involvement in politics. Thirdly, their autonomy in political action and behavior. Fourthly, their impact in political processes.

## IV. WOMEN AND PANCHAYATI RAJ

The 73rd &74th amendment to the constitution of India in 1992 was a major step towards democratic decentralization. Panchayati Raj is regarded as a real democratic political apparatus which bring the masses into active political participation and also would establish a genuine political control from below, from the vast majority of the weaker, poor section of rural India. Panchayati Raj Act, which not only, provided autonomy to the grassroots but it also provided reservation of one-third of seats for women in every Panchayat and municipality, not less than one-third seats shall be reserved for women belonging to scheduled castes and scheduled tribes. This may be allotted by rotation from the constituency to constituency. Till the enactment of the 73rd and 74th Amendments no one was sure about the role to be played by the women in the process of development of the society and women themselves.

The 73rd Amendment Act is a major step towards political empowerment of women through Panchayati Raj Institutions. The PRIs have the potential to start the process of women empowerment from the village level; it can change the social scenario of the village. This has resulted in the entry of large number of women into decision making bodies in the rural areas, who were otherwise home makers. The PRIs provided village women, the opportunities for leadership and to take part directly in the decision making in the process of development. The Human Development Report relates empowerment to participation. It says that since development is for the people, they must participate fully in the decisions and processes that affect their lives.

The Constitution of India not only grants equality to women but also empowers the State to adopt measures of positive discrimination in favor of women for neutralizing the cumulative socio economic, education and political disadvantages faced by them. Fundamental Rights, among others, ensure equality before the law and equal protection of law; prohibits discrimination against any citizen on grounds of religion, race, caste, sex or place of birth, and guarantee equality of opportunity to all citizens in matters relating to employment. Articles 14, 15, 15(3), 16, 39(a), 39(b), 39(c) and 42 of the Constitution are of specific importance in this regard. There are various other privileges which guarantee equal rights to women.

The provision for 1/3rd reservation of women in panchayat is a revolutionary steps in Indian context. This historic step has elevated women from mere beneficiaries of development to the decision makers in the development process. The provision of 1/3rd reservation for women in PRIs has enable women to participate in local government decision making process. It has enabled them to gain administrative and political training at local level. It has made them aware, conscious and confident. They have gained the opportunity to address their problem through their own efforts. The women related issues are bound to gain centre stages in the deliberation of Panchayats. The growing number of women in Panchayats indicates the emergence of new social groups at local level which is more conscious and articulate. Studies show that before PRIs the participation of women was low. After Panchayati Raj Institutions it is increasing day by day. They are not only enjoying their one third quotas but in various places they are defeating male members also. They are actively participating in local matters. Taking account of the figures at national level, out of 475 Zila Panchayats, 158 are headed by women .Out of total 51000 members of Panchayats Samities at block level 17000 are women members. The information received from the data provided to the 14th Lok Sabha for Committee of Empowerment of women ,reveals that their actual number has exceeded the mandatory provision of 33% seats .For example, in Assam, Arunachal Pradesh ,Manipur ,Sikkim and Tripura the total women members were 38.9%,38.5%,36.5%,38.2%, and 34.6 % respectively. The work participation rate has increased from 22.3 % in 1991 to 25.7 % in 2001 at all India level.

## V. HINDRANCES OF WOMEN EMPOWERMENT IN PANCHAYATI RAJ

Empowerment of women is a very sensitive issue that needs lots of debates and discussions. Negative and positive aspects of a plan or programmes are natural things. But it's essential to find out the problems that act as a barrier to women empowerment and find solutions and suggestions to solve such problems. Some of the problems that has been identified in various studies are-

1. Women act as proxies for men. It is a cause of concern that relatives of elected women representatives interfere in the official activities of Elected Women Representatives.
2. They are controlled by their husband and other family members.
3. Lack of political awareness among the women in rural areas.
4. Patriarchal system, inexperience, responsibilities at home, etc. keep women away from the Panchayat meetings. This makes their representation ineffective as many of the decisions are taken in their absence.
5. Negative public opinion regarding women's leadership capacity.
6. Illiteracy or low standard of education among the women in rural areas.
7. Dominance of elected male members of the Panchayat.

## VI. REMEDIAL MEASURES

1. It has been noticed that most of the time the political parties intervene in the functioning of Panchayats. They even intervene in the election process directly. It creates uncomfort for the women contestants and

women representatives. The government should take a strict action in such an intervention of political parties and elections must be free and fair.

2. Most women are elected because of the status of their husbands, fathers or sons and that such women often act as proxies for men's view at the councils being advised by their men relatives. It shows that women representatives are unable to perform their duties. People must change their negativity and government should also organize camps to restrict male members from intervening in their independent functioning.
3. It has been mostly seen that the husband of an elected woman representative always intervenes in her day-to-day functioning. The intervention is not only in small matters but he also intervenes in her decision-making matters which is a big drawback in the women's participation.
4. In rural areas political awareness among the women is very less. It is the duty of the state government and local administration to educate the women about the political issues and create awareness among them. Adult literacy programs must also be organized. The government should organize awareness camps in rural areas with the help of local administration from time-to-time.
5. The patriarchal thinking in our society is a big problem for our society as well as in the path of women representatives of the PRIs. Most of the people of our society have a negative opinion about the women's leadership capacity. But it is wrong. Such kind of thinking must be eliminated.
6. Special quorum of women in Panchayat meetings- Reservation of seats alone cannot ensure the active participation of women in Panchayati Raj Institutions. Therefore certain provisions should be made which mandates a minimum quorum of women in every Gram Sabha meetings.
7. Special training and refresher courses for women representatives should be conducted from time-to-time. It gives them confidence and creates political awareness and power.
8. Various NGOs and SHGs must be involved in strengthening PRIs - NGOs should be involved in the Training and the Capacity Building of elected representatives. They should be engaged by the States in carrying out need assessment and preparing participatory plans at the Panchayat level.
9. The media both print as well as electronic can also play an important role in creating awareness among the elected women representatives. It can act as an agent of political socialization for inculcating the values of gender equality and gender justice.
10. Government should make special provisions for the women representatives and give them more powers as compared to male counterparts and educate them about their powers. It helps them to work efficiently and effectively. The government should also make efforts to make the women realize about their powers, functions and leadership capacities through various programmes.

## VII. CONCLUSION

With the establishment of Panchayati Raj Institutions in India the women got an opportunity to prove their worth as an administrator, decision maker and political leader. The year 1992 and the 73rd Constitutional Amendment Act is a milestone in this regard. Panchayati raj has given opportunities to women to come forward from the grass root level. Women constitute half of the population of our country. So it becomes necessary to encourage the women in such a largest democracy of the world. Political empowerment of women is very important for their all-round development. Though there has been increase in political participation but it is not up to the mark. Panchayati Raj has been a great effort to increase women political participation and representation and empowering them politically. But the ground reality is that the patriarchal mind set of

our society has to change. Reservations alone cannot change the status of women in the family and society. Problems of illiteracy, poverty, traditional family values, male dominance society, discrimination against women all these needs to be tackled at first. Empowering women through grass root democracy is possible if along with the government other organizations like civil societies, political parties, NGO's, SHG's, religious organizations work together for the betterment of women. To bridge the gap between the stated objectives and the real achievements the patriarchal ideology of our society has to change. Women since time immemorial have been victims of domestic violence, rape, dowry, sexual harassment. It's the need of the hour to encourage and empower women socially, politically, and economically. Our society has to change the attitude towards women.

**REFERENCES:**


- Aiyar, Mani Shankar, ***Panchayati Raj: The Way Forward, Economic and Political Weekly,*** Vol. 37, No. 31 (Aug. 3-9, 2002), pp. 3293-3297
- Agnihotri, Simmi and Vijay Singh, ***Women Empowerment through Reservation in Panchayati Raj Institutions in Himachal Pradesh***, Indian Journal of Public Administration, VOL.LX, NO.3, JULY-SEPTEMBER 2014, pp. 417-425
- Chetia Madhurya and Devajyoti Gogoi, ***Empowerment of Women through Panchayati Raj System- A critical analysis with special reference to North East India***, International Journal of Humanities and Social Science Invention, Volume 2, Issue 6 June. 2013 pp.05-09
- Kishor, Sunita and Kamala Gupta, ***Women's Empowerment in India and Its States Evidence from the NFHS,*** Economic and Political Weekly February 14, 2004, pp. 694-712
- Konesar, Yamuna. A. Dr.Kumar.K.M, ***Panchayat Raj Institutions as an Instrument for Women Empowerment- A Case Study***, IOSR Journal Of Humanities And Social Science, Volume 8, Issue 4 (Mar. - Apr. 2013), pp. 06-09
- Mohanty, Bidyut, ***Panchayati Raj, 73rd Constitutional Amendment and Women,*** Economic and Political Weekly, Vol. 30, No. 52 (Dec. 30, 1995), pp. 3346-3350
- Nandal, Vikas. ***Participation of Women in Panchayati Raj Institutions: A Sociological Study of Haryana, India,*** International Research Journal of Social Sciences, Vol. 2(12), 47-50, December (2013), pp. 47-50
- Pandey, Dr.T. K. ***Women Empowerment: Participation in Panchayati Raj Institutions***, The Challenge, Vol. 22 No. 1 Jan – June 2013

**Internet sites**

https://asiafoundation.org>pdfs>women

https://www.icrw.org/files/publications/Innovation-for-Womens-Empowerment.pdf

# গল্প-শিল্প

চুটিগল্প যেন এটি পাখিলাহী পখিলা।
নাচি নাচি উৰি আহে, এক লহমাৰ বাবে এটা ফুলৰ
পাহিত বহি মৌ চোঁহে, তাৰ পিছত উৰা মাৰি কোনোবাখন পায়গৈ।
আমাৰ চকুৰে বন্দী কৰিব পাৰে মাথোন তাৰ এক
লহমাৰ আকণ্ঠ মধুপান। (মহেন্দ্ৰ বৰা)



# ওজা বাবাৰ আশ্ৰম

ৰেজেক আলী
সহকাৰী অধ্যাপক, আৰবী বিভাগ



ঠাইডোখৰ বৰ নিৰ্জন আছিল। যোৱা কেইদিনমান ধৰি ওজা বাবাৰ আৱিৰ্ভাৱে চুবুৰীটোত মানুহৰ সমাগম আগতকৈ কিছু হ'লেও বৃদ্ধি কৰিছে। বাবাই কিছুদিনৰ বাবে তাত অস্থায়ী আশ্ৰম পাতিছে। গাঁওখনৰ প্ৰায়বোৰ মানুহ আছিল বাবাৰ বাবে অচিনাকি। গাঁওখনৰ মতে ওজা বাবাৰ এয়া আছিল প্ৰথম আৱিৰ্ভাৱ।

বাবাৰ মুখখন আছিল কদাকাৰ দাড়ি-গোফেৰে ভৰা। দেখাত বিকৃত। পিন্ধনত ৰঙা ৰঙৰ কূৰ্তা। মূৰত মস্ত ডাঙৰ পাগুৰি এটা, হাতত পিতলৰ ত্ৰিশূল এপাত। আশ্ৰমত সৰু-ডাঙৰ কিছুমান বাকচ আৰু যাদু খেল দেখুৱাব পৰা, মৰা মানুহৰ মূৰৰ লাওখোলাৰে ভৰি আছে। এনেতে বাবাই হবিবক ক'লে এই ঠাইডোখৰ পৰিষ্কাৰ কৰি ল'। হবিবে ৰঙা ৰঙৰ নিচান কেইটা আশ্ৰমটোৰ এটা কোণত পুতি লৈ ৰঙা কাপোৰেৰে আশ্ৰমৰ চাৰিওফালে বেৰ দি ল'লে। বাকচবোৰ ঠিক ঠাক কৰি লৈ দুই এটা বাকচ-আশ্ৰমৰ ভিতৰৰ পৰা বাহিৰলৈ উলিয়াই আনিব ধৰিলে আৰু মুহূৰ্ততে ঠাইডোখৰ মানুহৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিল।

হবিব ওজা বাবাৰ আশ্ৰমত আহিবলৈ আজি প্ৰায় পাঁচ বছৰমান হ'ল। মীৰাটৰ এটা কদৰ্যময় এলেকাৰ পৰা বাবাই তাক উদ্ধাৰ কৰি আনি নিজৰ আশ্ৰমত আশ্ৰয় দি যাদু মন্ত্ৰৰ প্ৰায়বোৰ কৌশল সম্পৰ্কে তাক পৰিপক্ক কৰি তুলিছিল।

হবিবৰ বয়স তেতিয়া বাৰ কি তেৰ বছৰমান হ'ব। মুখখন মিঠা বৰণৰ। মূৰৰ চুলিকোছা সাধাৰণভাৱে ভাজলগা। পিন্ধনত ক'লা ৰঙৰ কুৰ্তা আৰু হাতত ডুগডুগী এটা। বেছ কিছুদিনৰ ভিতৰতে যাদু মন্ত্ৰৰ প্ৰায়বোৰ বিদ্যা শিকি লৈছে হাতত ডুগডুগীটো বজাই সি সাপৰ খেল দেখুৱাই মানুহক সুন্দৰভাৱে আকৰ্ষিত কৰিব পাৰে। কিন্তু কোনেও জনা নাছিল যে সেই ডুগডুগীটোৰ মাজত আৱদ্ধ হৈ থকা তাৰ লুপ্ত বেদনা। সঁচাই হবিব নিঠৰুৱা কিবা এটা ক'বৰ মন গ'লেই সি ক'ব পৰা নাছিল। যেন তাৰ জিভাত কোনোবাই শিল এটুকুৰা বহুৱাই থৈ দিছে। ৰে'ল দুৰ্ঘটনাত দেউতাকক হেৰুওৱাৰ বেদনাই আজিও তাক আমনি দিয়ে। কেউ কিছু নথকা বাবে হবিব আজি বৰ নিঠৰুৱা।

ওজা বাবাৰ আশ্ৰমত মানুহৰ সমাগম বেছি হ'ল। চুবুৰীটোৰ প্ৰায়বোৰ মুনিহ-তিৰোতা ল'ৰা-ছোৱালী আহি বাবাৰ আশ্ৰমত ভিৰ কৰিলেহি। কোনোবাই যাদু-মন্ত্ৰৰ খেল-উপভোগ কৰিবলৈ আন কোনোবাই ওজা বাবাৰ দৰ্শন লাভ কৰিবলৈ আহিছিল। মানুহবিলাক ৰঙা বেষ্টনীৰ চাৰিওফালে নিথৰভাৱে এবাৰ হবিব আৰু এবাৰ বাবাৰ ফালে চাই চাই খেলবোৰ উপভোগ কৰিছিল। ওজা বাবাই হবিবক কৈছিল, হবিব বেটা "আচ্ছা খেল দেখাওঁ"— আওৰ পাইচা কামাও। হবিবে ডুগডুগী হাতত লৈ যাদু মন্ত্ৰৰ দ্বাৰা কিছুমান আচৰিত আচৰিত খেল দেখুৱাবলৈ ধৰিলে। বাবাই হবিবক ক'লে— "আভি নাগিন কা খেল বাবু লোককো দেখাও। হবিবে এনেদৰে দৰ্শকৰ মন আকৰ্ষণ কৰিব পৰাকৈ কিছুমান খেল দেখুৱাই মাদুলী বিক্ৰী কৰি দুই-চাৰি টকা অৰ্জন কৰি দৈনন্দিন জীৱন নিৰ্বাহ কৰে।

হাতৰ ডুগডুগীটোৰ শব্দ হঠাৎ নোহোৱা হ'ল। এনেতে মানুহৰ ভিৰৰ পৰা কোনো এজনে গদ্‌গদ্‌কৈ থাকোঁতে কোৱা শুনা গ'ল— হবিবক যেন সেই মইনা পেহীৰ ল'ৰাৰ দৰেই লাগিছে। মুখৰ পিকটো পেলাই জুনু বাইদেৱে ক'লে— হয়তো, হবিবক মইনা পেহীৰ ল'ৰাৰ দৰেই লাগিছে।



# কেমেষ্ট্ৰিৰ ৰসায়নবোৰ...

**মুকুট পাঠক**
**সহকাৰী অধ্যাপক, অসমীয়া বিভাগ**

গুৱাহাটী মহানগৰীৰ এজন বিদগ্ধ পকেটমাৰ পল হাজৰিকা। পল হাজৰিকাই পকেটমাৰৰ বিভিন্ন কলা-কৌশল, কেনেকৈ দুটা আঙুলিৰে থিয় পিছফালৰ পকেটত হাত সুমুৱাই দি খম্‌খমীয়া পাঁচশটকীয়া নোট বাহিৰলৈ উলিয়াই আনিব লাগে, পঠালি পকেটত কেনেকৈ হাত ভৰাই জেপলুৰুকা দিব লাগে, ওপৰৰ পকেটৰ ধন কেনেকৈ বাহিৰ কৰিব লাগে, চিটিবাচত কাৰ বেগ কেনেকৈ হৰণ কৰি নিজৰ আয়ত্বলৈ আনিব লাগে এই সকলোবোৰ কলা-কৌশলত সিদ্ধহস্ত সি। অৱশ্যে, তাৰ এই সমস্ত কলা-কৌশল আৰু হাতৰ যাদুৰ শিক্ষাৰ পৰিধি বাহিৰৰ জগতখনত এতিয়ালৈকে ব্যাপ্ত হোৱা নাই নাইবা পৰিধি ভাঙি এই শিক্ষাৰ কুকীৰ্তিৰ জ্ঞানো সি কাকো দিয়া নাই। ই পল হাজৰিকাৰ মনৰ সীমাবদ্ধতাত ঢৌ খেলি যায়, এই ঢৌৰে কেৱল পাৰৰ গৰা খহায়।

আচলতে সি কোনোদিনেই ভবা নাছিল, 'এজন ভাল পকেটমাৰ হ'ব বুলি।' বাহিৰত অৱশ্যে তাৰ এটা সুনাম আছে। (পকেটমাৰৰো কিবা এটা সুনাম থকা বুলি ভাবিলে কিবা আচৰিত লাগে।) অন্ততঃ তাৰ গাঁওখনত নতুবা নিজৰ মৌজাখনত কেইজনমান গণ্য-মান্য আৰু বয়োজ্যেষ্ঠ ব্যক্তিয়ে হ'লেও তাক জানে, পল এজন 'মেৰিটৰিয়াছ' ল'ৰা বুলি। তাতে আকৌ সি লাহৰিঘাট নামৰ পিছপৰা চুবুৰীটোৰ একমাত্ৰ পোষ্ট গ্ৰেজুৱেট ল'ৰা— কেমেষ্ট্ৰিত এম. এছ. চি.। চাকৰি অৱশ্যে সি পোৱা নাই। তথাপিও, কিন্তু গাঁৱৰ ডেকা, বয়োজ্যেষ্ঠ লোকসকলে তাক পুতৌ কৰে আৰু দুই এজনে গাঁৱলৈ আহিলে সোধে; পল, গুৱাহাটীত এতিয়া কি ডিপাৰ্টমেণ্টত চাকৰি কৰি আছা? কিমান দৰমহা পোৱা? ভাড়া ৰুম ক'ত লৈছা?' ইত্যাদি ইত্যাদি বিভিন্ন ধৰণৰ প্ৰশ্ন। সি সকলোবোৰ প্ৰশ্নৰ উত্তৰ মাথোঁ এটা বাক্যৰেই দিয়ে— 'কিবাকৈ চলি আছোঁ দিয়ক।' কিন্তু সিটো কিবাকৈ চলি থকা নাই! ডিঙিত সোণৰ চেইন, হাতত

টাইটেনৰ হাতঘড়ী, বিশাল মাৰ্কেটৰ পৰা কিনি অনা সম্ভ্ৰম যেন দেখা দামী লংপেণ্ট-চোলা ইত্যাদি সাজ-সজ্জা আৰু প্ৰসাধনেৰে বিভূষিত এজন নিমাখিত আৰু মিঠা বৰণৰ দেখিলেই মৰম লগা চেহেৰাৰে আগতকৈ বেছি 'জিনিয়াছ' বুটলি ফুৰিছে। তাৰ দামী চোলাৰ ওপৰত দামী পাৰফিউমৰ সুগন্ধই গাঁৱৰ সাধাৰণ ঘৰৰ ডেকা ল'ৰাক বলীয়া কৰে। গাঁৱত তাৰ খোজ-কাটল গহীন-গম্ভীৰ, চকুত জ্ঞানৰ সাগৰৰ মুকুটা ওপচাই পেলোৱা এনেধৰণৰ চিন্তা লৈ সি খোজকাঢ়ে। গাঁৱৰ আনৰ চকুত সেই খোজৰ বিশাল পৰিধিৰ জ্ঞান অৰ্থপূৰ্ণ হৈ পৰে। এয়া হ'ল তাৰ সুনাম। বদনাম বুটলিবলৈ সি নিজে; কেতিয়াবা তাৰ আচল মগজু সক্ৰিয় হ'লে, তাৰ কাষত থিয় হয়, বদনামেৰে উপচাই পেলাই তাক। কিন্তু সি নিৰুপায়, তাৰ কাষত থিয় হোৱা আচল মগজুটোক ঠেলা মাৰি দি সি গুচি যায় পকেট মাৰিবলৈ— মানুহৰ ভিৰৰ মাজত সোমাই, চিটিবাছত সোমাই হেঁচা-ঠেলা কৰিবলৈ।

বাপেক ধীৰেন ব্লাড কেন্সাৰত মৰাৰ দিনাৰপৰাই গাঁৱৰ পৰা মহানগৰলৈ ওলাই গৈছিল পল। অৱশ্যে আজিৰপৰা কিছুবছৰ আগতে গুৱাহাটী মহানগৰত থাকিয়েই সি এম. এছ. চি. সুখ্যাতিৰে পাছ কৰিছিল যদিও সি এতিয়া বহু পুৰণি হ'ল। পিতাক ধীৰেনে দিন হাজিৰা কৰি তাক বহু কষ্ট কৰি বিশ্ববিদ্যালয়ত পঢ়াইছিল। ধীৰেনৰ শিক্ষা-দীক্ষা নাছিল যদিও শিক্ষাৰ মূল্য বুজিয়েই পুতেকক বিশ্ববিদ্যালয়ত পঢ়াই আনৰ আগত গৰ্ববোধ কৰিছিল, 'এদিন তহঁতে দেখিবি, মোৰ পুতেকে এই গাঁৱলৈ ডাঙৰ মানুহ হৈ আহিব।' আজিৰ পৰা পাঁচ বছৰৰ আগৰ কাহিনী এয়া। এদিন পলৰ দেউতাক ধীৰেন বেমাৰত ঢুকাল। মাক সৰলাই এতিয়া গাঁৱৰ খেৰি ঘৰটোত পলৰ সৰু ভাই টুকুৰ লগতে থাকে। আৰ্থিক উপাৰ্জনৰ পথ বিচাৰি নিজে নহ'লেও ভাইটোক ডাঙৰ মানুহ কৰিম বুলি ভাবি এদিন পল গাঁৱৰ পৰা আকৌ ওলাই গৈছিল চহৰলৈ। আজি তাৰ পাঁচ বছৰ হ'ল। এই পাঁচ বছৰত মহানগৰখন বহুত সলনি হ'ল, ক্ৰংকিটৰ মহানগৰত পৰিণত হ'ল। লগে লগে মানুহৰ জীৱনলৈ জীৱন যুদ্ধৰ সমস্যাই ভয়াবহ ৰূপ ল'লে। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত শীতল যুদ্ধই প্ৰথমতে ৰাষ্ট্ৰ, তাৰ পিছত দেশ, ৰাজ্য, নগৰ-চহৰ স্পৰ্শ কৰাৰ লগে লগে মানুহৰ সমাজ জীৱনত তাৰ প্ৰভাৱ পৰিল। অৰ্থসংকট আৰু অন্ন-বস্ত্ৰৰ সমস্যাই গুৰু ৰূপ ল'লে, লগতে জীয়াই থকাৰ সংগ্ৰাম, অভাৱ আৰু অপৰিহাৰ্যই মানুহক কৰ্মমুখী কৰি তুলিলে। পিছে, একবিংশ শতিকাটোত যেন এক ধৰণৰ উত্তৰ শিতলযুদ্ধই সমাজ জীৱনৰ গাঁথনি ভাঙি তাৰ ভিটি উটুৱাই লৈ গ'ল, যান-জট সৃষ্টি কৰিলে মন আৰু মগজুত। তাৰেই পৰিণামস্বৰূপে যেন পলে হাতত অৰ্থ উপাৰ্জনৰ প্ৰশস্ত পথ হিচাপে বাচি ল'লে পকেটমাৰৰ দৰে সুলভমূল্যৰ বৃত্তিটো। সকলো কথাৰে 'লজিকেল এক্সপেৰিমেণ্ট' নথকাৰ দৰে, ক'ত, কাৰপৰা, কিহৰ কাৰণে এই বৃত্তিটো সি পছন্দ কৰিলে, তাৰ উত্তৰো যেন পলৰ হাতত নাই। সি এটাই উত্তৰ দিব পাৰে, তাৰ দুয়োখন হাত চালুকীয়া আৰু গতিশীল যন্ত্ৰৰ দৰে। তাৰ হাত দুখনে ভাবি নাচায়, মাথোঁ কাম কৰি যায়। চক্‌চকীয়া হাতৰ প্ৰত্যেকটো আঙুলি একো একোখন ধাৰ থকা কেচিৰ দৰে, পকেট কুটি যায়। পাঁচবছৰীয়া অভিজ্ঞতাপুষ্ট কৰ্মদক্ষ হাত দুখনৰ পিনে কেতিয়াবা চাই সি নিজে চাৰ্টিফিকেট দিয়ে এই বুলি— "এই হাত দুখনক কোনেও ধৰিব নোৱাৰিলে, তল পেলাব নোৱাৰিলে....।" তাৰ পিছত তাৰ শংকা নামি আহি ওঁঠৰ কাষ পায়। মনৰ পৰীক্ষাগাৰত আৰম্ভ হয় কেমেষ্ট্ৰিৰ ৰসায়নৰ পৰীক্ষা, যাৰ আচল ফল এতিয়ালৈকে কাৰ্যক্ষম হোৱা নাই। বিবেক আৰু বুদ্ধিক পৰাজিত কৰি মিশ্ৰ ৰসায়ন মন আৰু মগজুৰ লেবেৰ'টৰিত মাথোঁ উতলিহে থাকে।

অইন দিনাৰ দৰে আজিও সি পৰিপক্ক অভিজ্ঞতাৰে তাৰ

একবিংশ শতিকাটোত যেন এক ধৰণৰ উত্তৰ শিতলযুদ্ধই সমাজ জীৱনৰ গাঁথনি ভাঙি তাৰ ভিটি উটুৱাই লৈ গ'ল, যান-জট সৃষ্টি কৰিলে মন আৰু মগজুত। তাৰেই পৰিণামস্বৰূপে যেন পলে হাতত অৰ্থ উপাৰ্জনৰ প্ৰশস্ত পথ হিচাপে বাচি ল'লে পকেটমাৰৰ দৰে সুলভমূল্যৰ বৃত্তিটো। সকলো কথাৰে লজিকেল এক্সপেৰিমেণ্ট নথকাৰ দৰে, ক'ত, কাৰপৰা, কিহৰ কাৰণে এই বৃত্তিটো সি পছন্দ কৰিলে, তাৰ উত্তৰো যেন পলৰ হাতত নাই। সি এটাই উত্তৰ দিব পাৰে, তাৰ দুয়োখন হাত চালুকীয়া আৰু গতিশীল যন্ত্ৰৰ দৰে। তাৰ হাত দুখনে ভাবি নাচায়, মাথোঁ কাম কৰি যায়। চক্‌চকীয়া হাতত প্ৰত্যেকটো আঙুলি একো একোখন ধাৰ থকা কেচিৰ দৰে, পকেট কুটি যায়। পাঁচবছৰীয়া অভিজ্ঞতাপুষ্ট কৰ্মদক্ষ হাত দুখনৰ পিনে কেতিয়াবা চাই সি নিজে চাৰ্টিফিকেট দিয়ে এই বুলি— "এই হাত দুখনক কোনেও ধৰিব নোৱাৰিলে, তল পেলাব নোৱাৰিলে....।" তাৰ পিছত তাৰ শংকা নামি আহি ওঁঠৰ কাষ পায়। মনৰ পৰীক্ষাগাৰত আৰম্ভ হয় কেমেষ্ট্ৰিৰ ৰসায়ন পৰীক্ষা, যাৰ আচল ফল এতিয়ালৈকে কাৰ্যক্ষম হোৱা নাই। বিবেক আৰু বুদ্ধিক পৰাজিত কৰি মিশ্ৰ ৰসায়ন মন আৰু মগজুৰ লেবেৰ'টৰিত মাথোঁ উতলিহে থাকে।

চালুকীয়া হাতখন ব্যৱহাৰ কৰি বাছৰ পৰা দাঙি লৈ আহিছে এটি বিফ্‌কেছ। বিফ্‌কেছটোৰ লক্‌টো পলে এটুকুৰা লোৰ মাৰিৰে কোবাই ভাঙিলে আৰু তাৰ সপোনৰ ৰাজ্যখনত প্ৰৱেশ কৰিলে— এযোৰ নতুন চুৰীয়া, এখন চেলেং চাদৰ, এখন ফুলাম গামোচা, মাজত বুটা তোলা, এখন এৰীয়া চাদৰ.... । এখন বন্ধ কিতাপ খোলাৰ দৰে পলে বয়-বস্তুবোৰৰ জাপবোৰ খুলিবলৈ ধৰিলে। এইবাৰ এৰীয়া চাদৰখনৰ তলত চেতন ভগতৰ এখন উপন্যাস 'The 3 Mistake in My Life', উপন্যাসখনৰ তলত এটা ডায়েৰী বহী আৰু ডায়েৰী বহীটোৰ তলত এটা সোণালী মেডেল। মেডেলটো পলে হাতত তুলি লৈ ভালদৰে নিৰীক্ষণ কৰিলে আৰু তাৰ মনৰ মাজত চলিল ধাতুৰ ৰসায়নৰ পৰীক্ষা। অৱশ্যে, সি এইবাৰ তাৰ পৰীক্ষাত সফল হ'ল— ৰিজাল্ট আহিল। মেডেলটো সোণৰ। চকচকীয়া মেডেলটোৰ ইপিঠি-সিপিঠি সি পুনৰ লক্ষ্য কৰিলে। হঠাত তাৰ চকুত পৰিল, মেডেলটোৰ আনটো পিঠিত খোদিত কৰা কেতবোৰ ইংৰাজী আখৰ। সি মনৰ মাজতে উৎসুক হৈ পঢ়িবলৈ ধৰিলে—

Mr. Bashistha Ahmed
Chemistry
Gauhati University, 2005

আখৰবোৰৰ মাজত সি গভীৰভাৱে তন্ময় হ'বলৈ ধৰিলে। তাৰ পিছত বিফকেছটোত থকা ডায়েৰীখন সি হাতত তুলি লৈ ডায়েৰীৰ ভিতৰৰ পৃষ্ঠাবোৰ লুটিয়াবলৈ ধৰিলে—

Friday, April 25/2013

...চেৰাপুঞ্জীৰ বলিয়া বতাহজাকে আমাৰ কঁপাই তুলিছিল। প্ৰকৃতাৰ্থত দিনটো আমাৰ বাবে আছিল Makes a new sun. মাংসৰ আঞ্জাত নিমখ বেছি হওঁতে, প্ৰশান্তই ৰান্ধনীক কিবা ক'ব খুজিছিল যদিও মই তাক বাধা দিছিলোঁ। সন্ধিয়া উভতিছিলোঁ, এজাক ৰণুৱা ঘোঁৰা লৈ... ডায়েৰীখনৰ এটাৰ পৰা এটা পৃষ্ঠা তন্ন তন্নকৈ পলে পঢ়িবলৈ ধৰিলে।

Thursday, August 28/2013

গুৱাহাটী মহানগৰীখন সঁচাই দিনে দিনে কদৰ্যময় হৈ পৰিছে। মিউনিচিপালিটিৰ কাৰ্যালয়ৰ সন্মুখতে এটা কুকুৰ মৰি আছে, কুকুৰটোৰ দেহত পোকে কিলবিলাই আছে। এটা দুৰ্গন্ধই গোটেই অঞ্চলটো মূৰত লৈ আছে; অথচ মিউনিচিপালিটিৰ মানুহবোৰৰ কোনো কাণ্ডজ্ঞান নাই। ৰাস্তাৰ কাষেৰে খোজ কাঢ়ি যোৱা মানুহবোৰে নাকত সোপা মাৰি ঠাইটুকুৰা পাহৰিবলৈ চেষ্টা কৰিছে। কাৰো এটা অভাৱ-অভিযোগ নাই মিউনিচিপালিটিৰ ওপৰত।

পলে যেন ডায়েৰীটোৰ আজিৰ তাৰিখটো উলিয়াবলৈ চেষ্টা কৰিলে, আজিৰ তাৰিখটো বাৰু কিমান আছিল? সি মনত পেলাবলৈ ধৰিলে। তাৰ মন-মগজু যেন দিনে দিনে ভোথা হৈ গৈ আছে। কি মাহ, কি বাৰ, কিমান তাৰিখ; এইবোৰ হিচাপ কৰিবলৈ তাৰ সময়েই বা ক'ত? তাৰ এনে মুহূৰ্তত সঁচাকৈ বুদ্ধিভ্ৰম হৈছে, কিয়নো বাৰ তাৰিখৰ হিচাপ নাথাকিলেও ডায়েৰীটোৰ একেবাৰে শেষৰ পৃষ্ঠাটো চালেই দেখোন হয়, সি সঁচাকৈ...ডায়েৰীটোৰ পৃষ্ঠাবোৰ লুটিয়াই লুটিয়াই সি নিলিখা পৃষ্ঠা এটা পালে— Wednesday, September, 10/2013. পলে খালী পৃষ্ঠাটোৰ আগৰ পৃষ্ঠাটোৰ আখৰকেইটাত তাৰ মন-মগজু সন্নিৱিষ্ট কৰিবলৈ ধৰিলে। ডায়েৰীখনৰ এই পৃষ্ঠাটো তাৰ গহীন গৱেষণাৰ যেন এক উৎকৃষ্ট ফচল, কিয়নো ডায়েৰীখনৰ খালী পৃষ্ঠাৰ দিনটো তাৰ আজিৰ দিনটো আৰু তাৰ আগৰ তাৰিখটো... । পালে আহমেদ ছাৰৰ ডায়েৰীৰ আখৰ থকা শেষ পৃষ্ঠাটো পঢ়িবলৈ ধৰিলে— Tuesday, September 9/2013.

**Novels of Chetan Bhagat :**

- Five Point Someone.
- 2 States, The Story of My Marriage
- Revolution 2020
- One Night @ the call centre (Cinema– Life in a Metro)

কাইলৈ যোৰহাটলৈ যাব লাগিব।

ভাগিনটোৱে মেডেলটো এবাৰ চাব বিচাৰিছে।

লগতে পঢ়ি থকা 'The 3 Mistakes of My Life' উপন্যাসখন।

কিবা এক অজ্ঞাত আবেগৰ বশৱৰ্তী হৈ পলে ডায়েৰীৰ শেষ পৃষ্ঠাটো বহুবাৰ পঢ়িবলৈ ধৰিলে আৰু বাৰে বাৰে তাৰ ডায়েৰীৰ শেষৰ পিনে সৰু সৰুকৈ 'ষ্টাৰ মাৰ্ক' দি লিখি থোৱা পংক্তিটোলৈ চকু গ'ল— 'ভাগিনটোৱে মেডেলটো এবাৰ চাব বিচাৰিছে।' আহমেদ ছাৰৰ সোণৰ মেডেলটো হাতত তুলি লৈ সি অতীত ৰোমন্থন কৰিব ধৰিলে— যাঠিৰ দেওনা পাৰ হ'বলৈ ধৰা আহমেদ ছাৰৰ চকুহাল পোন আছিল। চকুত এযোৰ সৰু ফ্ৰেমৰ চচ্‌মা, মুখত এমোকোৰা হাঁহি লৈ ছাৰ জাৰৰ দিনত ক্লাছলৈ সোমাইছিল এখন এৰিয়া পছৰা গাত লৈ। কেমেষ্ট্ৰিৰ বিশাল ৰেফাৰেঞ্চ আৰু সদা অধ্যয়ন স্পৃহা মনোভাৱেৰে ছাৰে প্ৰত্যেকটো ভাষণত ব্যক্ত কৰি গৈছিল প্ৰত্যেকটো কেমেষ্ট্ৰিৰ ক্লাছ। বিজ্ঞানৰ ছাত্ৰই যুক্তিৰে প্ৰতিপন্ন কৰিব লাগে হৃদয়ক, কেমেষ্ট্ৰিৰ ৰসায়নবোৰৰ মাজত... চুৰীয়া আৰু এৰিয়া পছৰাখনলৈ চাই পলে লাহে লাহে বিবেকদংশিত হ'বলৈ ধৰিলে— 'ছাৰে ৰাতি বাছত গাত মেৰিয়াবলৈ অনা এৰিয়া পছৰাখন কিজানি বিচাৰিছে! ছাৰৰ ঠাণ্ডা লাগিছে কিজানি! কিন্তু এয়া... ! কিছু সময় তন্ময় নিবিষ্ট পলৰ চকুহালৰ পৰা দুধাৰি লোতক স্বতঃস্ফূৰ্তভাৱে বাহিৰলৈ ওলাই আহিল। পলৰ চকুপানী দুটোপাল ডায়েৰীটোৰ শেষ পৃষ্ঠাটোত পৰিল। পলে ক্ষন্তেক পৰৰ বাবে ডায়েৰীটোৰ শেষ পৃষ্ঠাটোত কিবা যেন খেপিয়াবলৈ ধৰিলে— হয়তো কেমেষ্ট্ৰিৰ জটিল পাঠবোৰ— তাৰ ৰসায়নবোৰ!



# অমিয়ই চুইচাইড কৰিলে...

■ নীলোৎপল শৰ্মা
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

আজি নিশা অমিয়ই চুইচাইড কৰিব।

চুইচাইড কৰাৰ সময় নিৰ্ধাৰণ কৰি অমিয় সন্ধিয়া চ'কলৈ ওলাই গ'ল। খুব হাঁহিমুখে। মনোজৰ পাণদোকাণৰ চিনাকি বেঞ্চখনত নিৰ্বিকাৰভাৱে বহিল সি। কাষৰ মুৰ্গী দোকানখনত দুই-এটা মুৰ্গীয়ে প্ৰাণৰ মমতাত উচ্চস্বৰে চিঞৰিছে, গুৱাহাটীৰপৰা অহা বাছখনৰ প্ৰাচীন ইঞ্জিনৰ শব্দত মুৰ্গীকেইটা একমুহূৰ্তৰ বাবে নীৰৱ হৈ ৰ'ল। বাছখনৰপৰা দিনটোৰ অৱসাদ, ক্লান্তি লৈ কেইগৰাকীমান ৰুগ্ন যেন দেখা মানুহ নামিছে, এগৰাকী সৰু ছোৱালীয়ে বাছৰপৰা নামিয়েই চিপছৰ বাবে মাকক দিগ্‌দাৰি কৰিছে। সকলো মানুহলৈ অমিয়ৰ অন্তৰত মৰম আৰু হিংসা একে সময়তে উক দিছে। অমিয়ই মনোজলৈ চায়। গভীৰ আন্তৰিকতাৰে সি পাণত চূণ আৰু খয়াৰৰ প্ৰলেপ দিছে। সেউজীয়া পাণখিলা পলকতে ৰঙীণ হৈ পৰিছে। মানুহৰ জীৱনৰ দৰে একে কৃত্ৰিমতা সাৰটি লৈ পাণখিলা এতিয়া কাৰোবাৰ মুখত সোমাব, নিষ্ঠুৰ দাঁতৰ আক্ৰমণত পলকতে শেষ হৈ যাব, পাণখিলাৰ লগত অমিয়ই নিজৰ জীৱনটোক ৰিজাই চালে। তাৰ কিবা ভাল লগা নাই। সি উঠিল। স্বতঃস্ফূৰ্তভাৱে সি ফণী খুৰাৰ দোকানৰ বাৰান্দা পায়। চাৰিজন মানুহে মম জ্বলাই কেৰম খেলিছে। অমিয় কেৰমৰ বাঘ, সকলোৱে সেই কথা জানে। অমিয় কেৰমৰ ওচৰ পোৱাৰ লগে লগে এজনে তাৰ সন্মানাৰ্থে এটা চিট এৰি দিলে। অমিয়ই এটা ষ্ট্ৰাইকতে ব'ৰ্ড ফিনিছ কৰি দিয়ে। দুই-এজন দৰ্শকে হাত চাপৰি দিয়ে, হাত চাপৰিৰ ক্ষণিক বতাহত মমৰ পোহৰ কঁপি উঠে, অমিয়ই হাঁহে, আঁতৰি আহে। তাৰ ক'তো মন বহা নাই। চিখৰ এপেকেট মুখত সুমুৱাই বেগাবেগিকৈ অমিয় নবাবৰ দোকান পায়। অমিয়ক দেখাৰ লগে লগে নবাবৰ মুখমণ্ডলত খঙৰ অভিব্যক্তি ফুটি উঠে। যোৱা দুমাহ ধৰি অমিয়ই নবাবক ধাৰলৈ নিয়া পইচাখিনি দিম বুলি ঘূৰাই আছে। নবাবে অমিয়ক কটু কথা শুনায়। অমিয়ই নুশুনাৰ ভাও ধৰে। ম'বাইলত যেচুদাশৰ গীত এটি বজাই কাণত হেডফোন সংলগ্ন কৰি অমিয়ই চ'কটিৰ কোলাহল পাৰ হৈ নীৰৱতাৰ মাজলৈ যায়। হঠাৎ তাৰ প্ৰেয়সীলৈ ফোন কৰাৰ ইচ্ছা জাগে। ছয়বছৰ আগৰ বসন্তৰ কোনোবা এটা জীপাল সন্ধিয়াৰ কথা। কাবেৰীয়ে অমিয়ৰ হাতত গুজি দিছিল এখন চিঠি, এটা প্ৰস্তাৱ— "ভাল পাবিনে তই মোক।" অমিয়ই সপোনতো ভবা নাছিল কাবেৰীয়ে ইমান পোনপটীয়াকৈ কথাটো কৈ পেলাব বুলি; সি আনন্দত আত্মহাৰা হৈ পৰিছিল। ছয়বছৰ আগৰ ব'হাগৰ মিঠা অনুভূতিখিনিয়ে অমিয়ৰ চকুৰ আগত এখন কল্পচিত্ৰৰ সৃষ্টি কৰে। কাবেৰীৰ কল্পনাৰ সুখৰ সংসাৰখন, দৈনিক ৰুটিনখন আজি ক্ষত-বিক্ষত, মাথোঁ সোঁৱৰণীৰ জালেৰে আবৃত, বৰ ধুনীয়া আছিল কাবেৰী। বিকট চিঞৰ মাৰি এটা অচিন চৰাই আন্ধাৰত বিলীন হৈ গ'ল। অমিয় বাস্তৱলৈ ঘূৰি আহে। বজাৰৰপৰা শাক বেচি শামুকীয়া গতিৰে বকুলী বুঢ়ী আহে। বুঢ়ীয়ে হাতত লৈ অহা চাকিটিৰ ক্ষীণ পোহৰত অমিয়ই বুঢ়ীৰ মুখত অনাবিল শান্তিৰ ৰেখা প্ৰত্যক্ষ কৰে। আজি হয়তো বুঢ়ীৰ বিক্ৰী ভাল। বুঢ়ীলৈ তাৰ

হিংসা ওপজে। ম'বাইলত কাবেৰীৰ নম্বৰটো ডায়েল কৰি তড়িৎ বেগেৰে অমিয়ই বুঢ়ীৰ কাষেৰে পাৰ হৈ যায়। কাবেৰীয়ে ফোনটো ৰিচিভ কৰে। বেলেগ ল'ৰাৰ লগত বিয়া হৈ যাব বুলি তাইৰ দৃঢ় সিদ্ধান্ত অমিয়ক শুনাই দিয়ে। অমিয়ৰ দুখ নাই, ফোনটো কাটি দিয়ে।

অমিয়ৰ খোজৰ বেগ বাঢ়ি যায়। শেঁতা জোনৰ ক্ষীণ জোনাকবোৰ গচকি অমিয় গাঁৱৰ নিৰ্জনতালৈ সোমাই যায়। সি গৈ গাঁৱৰ পূজাঘৰ পায়। ৰভাঘৰত কেইজনমান মানুহে এটা লেম্প লৈ কিবা মিটিঙত বহিছে। হয়তো আগন্তুক বাসন্তী পূজা সম্পৰ্কীয় সভা। গাঁৱৰ বাসন্তী পূজাক লৈয়ো অমিয়ৰ সীমাহীন স্মৃতি। সৰুতে মাকৰ লগত আবেলি অমিয় ওজাপালি চাবলৈ আহে। ধনীঘৰৰ ল'ৰাবোৰে দহটকাৰ খুৰমা, জিলাপী কিনে। অমিয়ৰো খাবৰ মন যায়, সি মাকক দিগদাৰী কৰে। মাকে এটকা উলিয়াই দিয়ে। মনৰ স্ফূৰ্তিত দোকানৰ আগে আগে ঘূৰি ঘূৰি অমিয়ই এটকাটোৰ একো কিনিব নোৱাৰে।

—সৌটো কোন অ'?

—মই অমিয়।

সভাঘৰৰপৰা তাক উদ্দেশ্যি অহা প্ৰশ্নটোৰ উত্তৰ ক্ষিপ্ৰভাৱে আগবঢ়াই বেলগছজোপাৰ কাষৰ আন্ধাৰৰপৰা সি সভাঘৰৰ ওচৰ পায়। তাক কোনেও গুৰুত্ব নিদিলে, বহিবও নক'লে। অমিয় আন্ধাৰত মিলি গ'ল।

■ ■ ■ ■ ■

নিশা যেতিয়া অমিয় ঘৰত সোমাল তাৰ বৃদ্ধা মাক টোপনিত। চাকিৰ ক্ষীণ পোহৰত অমিয়ই দেখিলে পৃথিৱীৰ সমগ্ৰ মমতা মাকৰ মুখমণ্ডলত থুপ খাইছেহি। তাৰ কোঠাটি অন্ধকাৰ, ঠিক তাৰ মনটোৰ দৰে। ম'বাইলৰ টৰ্চটি জ্বলাই অমিয়ই শেষবাৰলৈ মাকৰ মুখখন চালে। খুব সাৱধানে মাকৰ বিচনাৰ কাষত থকা চাদৰখন লৈ সি তাৰ কোঠালৈ আহিল। ম'বাইলৰ টৰ্চৰ ক্ষীণ পোহৰত চকীখনত উঠি ল'লে সি। তাৰ পিছত ওপৰৰ বাহডালত চাদৰখন টানকৈ বান্ধি নিজৰ গলতো গাঁথি দিলে। তাৰ পিছত এক ধূৰ্ত খেলুৱৈৰ দৰে অমিয়ই চকীখন আঁতৰাই দিলে। এটা ক্ষীণ শব্দ হ'ল।

অমিয় ওলমি থাকিল।

■ ■ ■ ■ ■

পিছদিনা সন্ধিয়া অমিয় চ'কলৈ ওলাই গ'ল। মনোজৰ দোকানৰ বেঞ্চখন একেদৰেই আছে। বেঞ্চখনত বহি অমিয়ই মনোজৰ মুখলৈ চালে। নাই, মনোজৰ মুখত দুখৰ কোনো স্থিতি নাই। স্বাভাৱিক আন্তৰিকতাৰে সি পাণত চূণ আৰু খয়াৰৰ প্ৰলেপ দিয়াত ব্যস্ত। অমিয় তাৰপৰা আঁতৰি আহিল। সি কেৰম খেলৰ ওচৰলৈ গ'ল। ফণীখুৰাৰ দোকানৰ বাৰান্দাত খুব গহীন খেল চলিছে। মানুহৰ বহুত ভিৰ। নন্দেশ্বৰে এটা গুটি পকেট কৰাত ব্যৰ্থ হৈছে। অমিয়ই নিঃশব্দে তাৰ পৰা আঁতৰি আহিল। তাৰ পিছত নবাবৰ দোকানলৈ গ'ল সি। আজি নবাবৰ বিক্ৰী ভাল, তাৰ মুখত এটা

ছয়বছৰ আগৰ বসন্তৰ কোনোবা এটা জীপাল সন্ধিয়াৰ কথা। কাবেৰীয়ে অমিয়ৰ হাতত গুজি দিছিল এখন চিঠি, এটা প্ৰস্তাৱ— "ভাল পাবিনে তই মোক।" অমিয়ই সপোনতো ভবা নাছিল কাবেৰীয়ে ইমান পোনপটীয়াকৈ কথাটো কৈ পেলাব বুলি, সি আনন্দত আত্মহাৰা হৈ পৰিছিল। ছয়বছৰ আগৰ ব'হাগৰ মিঠা অনুভূতিখিনিয়ে অমিয়ৰ চকুৰ আগত এখন কল্পচিত্ৰৰ সৃষ্টি কৰে। কাবেৰীৰ কল্পনাৰ সুখৰ সংসাৰখন, দৈনিক ৰুটিনখন আজি ক্ষত-বিক্ষত, মাথোঁ সোঁৱৰণীৰ জালেৰে আবৃত, বৰ ধুনীয়া আছিল কাবেৰী। বিকট চিঞৰৰ মাৰি এটা অচিন চৰাই আন্ধাৰত বিলীন হৈ গ'ল।

প্ৰশান্তিৰ হাঁহি বিয়পি আছে। অমিয়ৰো হাঁহি উঠিল। হঠাৎ অমিয়ৰ কাবেৰীক চাবলৈ হেঁপাহ জাগিল। অত্যন্ত ক্ষীপ্ৰভাৱে অমিয় গৈ কাবেৰীৰ ঘৰত উপস্থিত হ'ল। বাৰান্দাৰপৰা অমিয়ই দেখিলে তাই টিভিত এখন ছিৰিয়েলত একান্তভাৱে মনোনিৱেশ কৰিছে। অমিয়ই দেখিলে কাবেৰীয়ে চুলিবোৰ হেনা কৰি ৰঙচঙীয়া কৰিছে। বাল্বৰ ক্ষীণ পোহৰত কাবেৰীৰ মুখখনৰ গভীৰ সৌন্দৰ্যই অমিয়ক আপ্লুত কৰিলে। অমিয় তাৰ পৰা আঁতৰি আহিল। এইবাৰ সি তাৰ আপোন গাঁওখনত সোমাল। সন্ধ্যাৰ প্ৰথম আন্ধাৰত গাঁওখন ডুব গৈছে। চুলাই মদৰ ঘাটিটোৱে আন্ধাৰৰ মাজত প্ৰাণ পাই উঠিছে। মানুহৰ জুম বান্ধিছে, নিচাই গ্ৰাস কৰিছে সিহঁতৰ জীৱনৰ আন্ধাৰবোৰক। অমিয়ই অত্যন্ত কষ্টেৰে গাঁওখনত এপাক মাৰিলে। গাঁৱৰ মাজেৰে উভতি আহোতে অমিয়ই শুনিব পালে এইবাৰ বাসন্তী পূজাত গাঁৱৰ ল'ৰা-ছোৱালীবোৰে হেনো এখন পূৰ্ণাংগ নাটক কৰিব।

■ ■ ■ ■ ■

অমিয়ই চুইচাইড কৰিলে। কথাটো অমিয়ই কাৰো মুখতেই শুনিব নাপালে। খবৰটো পুৰণি হ'ল। অমিয়ৰ খুব দুখ লাগিল। খবৰটোৰ দৰে অমিয় আন্ধাৰত হেৰাই গ'ল।

# হেৰুওৱা দিনৰ সপোনবোৰ



**মফিদা খাতুন**
**ষষ্ঠ ষাণ্মাসিক**

মিনুৱে তাইৰ সন্মুখত থকা উদং পথাৰখনলৈ একেথৰে চাই থাকিল। পথাৰৰ সিপাৰত থকা গছ-গছনিবোৰ ক্ৰমশঃ আকাশৰ নীলাৰ লগত মিলি একাকাৰ হৈ গৈছে। তাইৰ হাতত এখন চিঠি। এৰি অহা দিনবোৰৰ কথাই তাইৰ মন উথপ-থপ লগালেহি। তাইৰ নো কি নাছিল? এল. পি. স্কুলত চাকৰি কৰা দেউতাকৰ একমাত্ৰ জীয়ৰী তাই। হাজাৰজনীৰ মাজত এজনী। ৰূপে-গুণে কোনো ফালেই কম নাছিল। তাই নিজক লৈ কিমান যে কল্পনা কৰিছিল। কিন্তু হ'লে কি হ'ব? কল্পনা বাস্তৱ নহ'ল। কি ঘটি গ'ল তাইৰ জীৱনত। মিনুৱে দুগালেদি নিগৰি অহা তাইৰ চকুপানী আঁচলেৰে মছিলে। হঠাৎ তাই বুকুখন হেঁচি ধৰিলে। উকা চাৰণিৰে দূৰলৈ চাই পঠিয়াই তাইৰ এনেকুৱা লাগিল যেন তাইৰ দেহাটো এটা মটৰ মাহৰ খোলা আৰু তাৰ ভিতৰত কঢ়িয়াই লৈ ফুৰিছে এটা ক্ষীণ বগা পলু। তাইৰ দেহাটো লেতেৰা হৈ গ'ল। সেই পোকটো তাইৰ পেটৰ ভিতৰত। দিনে দিনে বাঢ়ি আছে। কেনেবাকৈ সেইটো দলিয়াই পেলাব পৰা হ'লে। এডাল কাঁইটৰ দৰে নখেৰে চিকুটি যদি উলিয়াই পেলাব পাৰিলেহেঁতেন। দেউতাকৰ ওপৰত তাইৰ বৰ খং উঠিল। কিন্তু দেউতাকে লতিফ বোলা এই বদমাছ ল'ৰাটোক চিনিব নোৱাৰিলে। তাইক জোৰ কৰি তাৰ ওচৰত বিয়া দিয়া হ'ল। সি তাইৰ দেহাটোকহে বিচাৰিছিল। সি তাইক কেতিয়াও নুবুজিলে। যৌতুক বিচাৰি তাইৰ ওপৰত শাৰীৰিক নিৰ্যাতন আৰম্ভ কৰিলে। আচলতে তাৰ অন্তৰ বোলা কোনো বস্তুৱেই নাছিল। অৱশেষত সি তাইক অন্তসত্ত্বা কৰি পেলাই থৈ গুচি গ'ল আৰু তালাক নামা পঠিয়াই দিলে। তাই কেতিয়াও এই অচিনাকি লতিফৰ লগত বিয়াত সোমাবলৈ মান্তি হোৱা নাছিল। মাকে কৈছিল "মিনু! তই মান্তি হৈ যা মা। লতিফ ল'ৰাটো দেখা শুনাই কম নহয়। কিবা বোলে ডাঙৰ বিষয়া, বহুত পইচা থকা মানুহ, গুৱাহাটীতো বোলে ফ্লেট আছে।" "...যিমানে দেখনীয়াৰ আৰু ধনী নহওক মই বিয়াত নবহো। মই বি. এড.ত নাম লগাম। বি. এড. কৰাৰ পিছতহে বিয়াত বহিম।" মিনুৱে কৈছিল। কিন্তু মিনুৰ শত চেষ্টা বিফল হ'ল। তাই কেৱল চকুলো টুকিলে। ফৰিদৰ স্মৃতিয়ে তাইক খুন্দিয়াবলৈ ধৰিলে। হায়, মোৰ ফৰিদ! তুমি এতিয়া ক'ত? তোমাৰ প্ৰিয়া আজি আনৰ হ'বলৈ ওলাইছে। তুমি মোৰ পৰা বহুত নিলগত অথচ মোৰ হিয়াৰ তেনেই ওচৰত। এই বুলি তাই মনে মনে বহুত কান্দিলে। অৱশেষত তাই মাকক তাইৰ হিয়াৰ গোপন কথাটো ক'লে— "মা, মই ফৰিদৰ অবিহনে জীয়াই থাকিব নোৱাৰিম। মোক নাপালে ফৰিদ জীয়াই নাথাকে মা। মা, তুমি মোৰ মা। মোৰ ফালে এবাৰ চোৱা মা।"

...মিনু! তই এইবোৰ কি বলকিছ? এইবোৰ জীৱনত হয়েই।

তই ফৰিদক পাহৰি যা।

মাকেও তাইৰ অন্তৰৰ কথা বুজি নাপালে। ফৰিদৰ ওচৰত তাই কেনেকৈ খবৰ পঠাব। তাই যে ছোৱালী। নিৰুপায়। অৱশেষত ফৰিদৰ ঠিকনাত তাই মনৰ বতৰাবোৰ ডাকত পঠালে।

উদং পথাৰখনলৈ তাই আকৌ চাই পঠালে। নাই, একো বিচাৰি নাপালে। তাই আকৌ অতীতলৈ উৰা মাৰিলে। কলেজত তাইৰ প্ৰথম দিন। তাইৰ গাঁৱৰ পৰা কলেজত ভৰি দিয়া তাই একমাত্ৰ ছোৱালী। কলেজখন ঘৰৰ পৰা ৭০ মাইল দূৰত, চহৰত। ছোৱালী হোষ্টেলত থাকে। সিদিনা আছিল হিৰেন ছাৰৰ প্ৰথম ক্লাছ। হিৰেন ছাৰৰ নাম শুনিলেই ছাত্ৰ-ছাত্ৰীৰ বুকুৰে ঢেঁকী মাৰে। তাই কলেজ পাওঁতে ১৫ মিনিট পলম হ'ল। হিৰেন ছাৰে ক্লাছ কৰি আছে। তাই দুৱাৰ মুখত থিয় হৈ May I come in Sir. উত্তৰ আহিল No. এতিয়া কি কৰে তাই? পিছফালে ঘূৰিলে। পিঠিত বেগ লৈ থিয় হৈ আছে এজন সুদৰ্শন যুৱক। তাই ওচৰতে খালী হৈ থকা ক্লাছ ৰুমটোলৈ আগবাঢ়ি গ'ল। বেগৰ পৰা তাই Chemistryৰ কিতাপখন উলিয়ালে। হঠাৎ এজন ল'ৰাৰ আগমন। ল'ৰাজনে প্ৰথমতে নিৰৱতা ভংগ কৰিলে।

— কি নাম তোমাৰ?
— মিনু।
— এইবাৰ কলেজত নতুনকৈ নাম লগাইছা নেকি?
— হয়।
— কোনটো শাখাত?
— বিজ্ঞান।
— ময়ো বিজ্ঞান শাখাত নাম লগাইছোঁ। বাৰু তোমাৰ ঘৰ ক'ত?
— চেনিমাৰী।

কেইমুহূৰ্তমান নীৰৱতা। তাইৰ কেইডালমান চুলি কঁপালত বৈ পৰিছে। এইটোৱে তাইক আৰু বেছি ধুনীয়া দেখাইছে। ল'ৰাজনে পুনৰ নিৰৱতা ভংগ কৰিলে।

তুমি দেখোন মোৰ নামটোও নুসুধিলা মিনু। মিনু উচপ খাই উঠিল। হয়তো তাই দেখোন তাৰ নামটোও সোধা নাই। সময়ত ফৰিদে খিৰিকীৰ কাষত বহি থকা মিনুলৈ এটা চকলেট আগবঢ়াই দিলে। মিনুৱে চকলেটটো লৈ ফৰিদৰ আঙুলিত লাহেকৈ হেঁচি ধৰিলে। ফৰিদৰ শৰীৰত এক অজান পুলক অনুভূত হ'ল। ফৰিদে মিনুক চিঠিৰে তাইৰ খবৰ জনাই থাকিবলৈ দঢ়াই দঢ়াই ক'লে। বাছখন গুচি গ'ল। বাছ যোৱাৰ ফালে ফৰিদে একে থৰে চাই থাকিল। তেনেকৈ কিমান সময় পাৰ হ'ল সি ক'ব নোৱাৰে।

চিঠিৰ মাধ্যমেৰে সিহঁতৰ মনৰ বতৰাৰ আদান-প্ৰদান চলি থাকিল।

মিনুৱে আকৌ উদং পথাৰখনলৈ চাই পঠিয়ালে আৰু হাতৰ মুঠিত থকা চিঠিখন লাহেকৈ খুলিলে। তাই চিঠিখন পঢ়া আৰম্ভ কৰিলে।

মৰমৰ মিনু,

মৰম ল'বা। হয়তো তোমাৰ সঁচা মৰমে মোক আজি অতদিনে জীয়াই থকাৰ প্ৰেৰণা দিছে। তোমাৰ লগত হোৱা প্ৰথম দৰ্শনৰ পৰা আজিলৈকে তোমাক হৃদয়ত লৈ ফুৰিছোঁ। আজি ৬ বছৰ তোমাৰ নাম জপ কৰিছোঁ। আজিলৈকো মই বেলেগ কোনো নাৰীৰ ফালে চকু তুলি চাব পৰা নাই। তোমাৰ অবিহনে মোৰ জীৱনটো কল্পনা কৰিব নোৱাৰোঁ। তুমি মোক যে পাহৰা নাই সেই কথাটোৱে মোক বিমল সুখ দিছে। তোমাৰ ওপৰৰ পৰা এই দুখৰ বোজা মই আঁতৰাম। তুমি মোৰ মাথোঁ মোৰ। তোমাক মই মোৰ নিজৰ কৰি ল'ম। মোৰ হৃদয়ৰ নিভৃত কোণত তোমাৰ স্থান সদায় থাকিব। লতিফে তোমাক যিমান দুখ দিছে, মই তাতকৈ বহু বেছিগুণে সুখ দিব বিচাৰোঁ। আৰু এটা কথা কওঁ যাতে তুমি নিশ্চিত হ'ব পাৰা। তুমি যদি অন্তসত্বাও হোৱা তথাপিও মই তোমাক বিনা দ্বিধাই গ্ৰহণ কৰিম। তুমি একো চিন্তা নকৰিবা। ফৰিদ সদায় তোমাৰেই আছিল আৰু তোমাৰেই থাকিব। মোৰ গভীৰ বিশ্বাস তুমি মোৰ প্ৰস্তাৱ প্ৰত্যাখ্যান নকৰিবা।

ইতি—
তোমাৰ ফৰিদ

আজিলৈকো মই বেলেগ কোনো নাৰীৰ ফালে চকু তুলি চাব পৰা নাই। তোমাৰ অবিহনে মোৰ জীৱনটো কল্পনা কৰিব নোৱাৰোঁ। তুমি মোক পাহৰা নাই সেই কথাটোৱে মোক বিমল সুখ দিছে। তোমাৰ ওপৰৰ পৰা এই দুখৰ বোজা মই আঁতৰাম। তুমি মোৰ মাথোঁ মোৰ। তোমাক মই মোৰ নিজৰ কৰি ল'ম। মোৰ হৃদয়ৰ নিভৃত কোণত তোমাৰ স্থান সদায় থাকিব।

হেৰুৱা দিনৰ সপোনবোৰৰ কথা ভাবি মিনুৱে আকৌ এবাৰ খালী পথাৰখনলৈ চাই পঠিয়ালে। সন্ধিয়া সূৰুযৰ হেঙুলী আভাৰে পথাৰখন উদ্ভাসিত হৈ পৰিল। পথাৰখনৰ মাজত এজোপা জোপোহা বনৰ ওপৰত সোণালী আভা পৰি জিলমিলাই উঠিল। হঠাৎ পথাৰখন মিনুৰ ভাল লাগি গ'ল। তাইৰ ওঁঠৰ ওপৰত ক'ব নোৱাৰাকৈ এটি হাঁহি বিৰিঙি উঠিল। এটি মিঠা হাঁহি।



# প্ৰাপ্তি

**পূৰবী মেধি**
**দ্বিতীয় ষাণ্মাসিক**

গা-পা ধুই উঠি গোসাঁইঘৰত চাকি জ্বলাই সেৰা এটি জনাই পূজাই বাহিৰৰ বাৰাণ্ডাখনত বহি বাতৰি কাকতখন হাতত তুলি ল'লে। এইখিনি তাইৰ নিজ কৰ্ম। অলপ পিছতে আভাই 'মা আহিছোঁ' বুলি মাত লগাই নতুন গাড়ীখন লৈ নাৰ্ছিংহোমলৈ ওলাই গ'ল।

পূজা বৰা। এগৰাকী পদত্যাগ কৰা নিউজ ৰিপ'ৰ্টাৰ। বহু সংঘাতেৰে ভৰা জীৱন পূজাৰ। কলেজত পঢ়ি থকাৰে পৰা লেখা-মেলাত বৰ চখ আছিল পূজাৰ। শিক্ষা শেষ হোৱাৰ পাছত এখন দৈনিক কাকতৰ নিউজ ৰিপ'ৰ্টাৰ হিচাপে কাম কৰে। মাজে-সময়ে আলোচনী আদিত লেখা-মেলাও কৰিছিল। এনেকৈ দুবছৰমান কটোৱাৰ পাছত তাইৰ এজন ইঞ্জিনীয়াৰৰ লগত বিয়া হ'ল। পূজাৰ ঘৰত মাকৰ বাহিৰে কোনো নাছিল। কিন্তু তাইৰ বিয়াৰ মাত্ৰ ১৫ দিনমান পিছতে মাকৰো মৃত্যু হয়। মাকৰ মৃত্যুৰ পিছত তাইৰ সংসাৰখন থানথিত লাগিছিলহে মাথোন, তাইৰ গিৰীয়েকৰ কামৰ তাগিদাত যাব লগা হ'ল বহু দূৰলৈ। কিন্তু তাত হোৱা এক দুৰ্ঘটনাত পূজাৰ গিৰিয়েকৰো মৃত্যু হ'ল।

গাৰ পৰা বিয়াৰ মাহ-হালধিৰ গোন্ধ নাযাওঁতেই তাই বৈধব্যৰ যন্ত্ৰণা আঁকোৱালি ল'ব লগা হ'ল। নৱ বিবাহিতা ন কইনা এজনীৰ বাবে বৈধব্যৰ যন্ত্ৰণাতকৈও তাৰ বাবে সহিব লগা অপযশ তথা তীৰ্থক মন্তব্যবোৰ বেছি হৃদয় বিদাৰক। স্বাভাৱিকভাৱেই তাইৰ শাহু ননদ-দেওঁৰেকহঁতৰ বিভিন্ন ধৰণৰ হৃদয় বিদাৰক কথা কৰ্মই তাইৰ জীৱনটো দুৰ্বিসহ কৰি তুলিছিল। এদিন তেওঁলোকৰ অত্যাচাৰত থাকিব নোৱাৰি তাই ঘৰ এৰি আহিবলৈ বাধ্য হৈছিল। জীৱনটোত প্ৰায়বোৰ বস্তু হেৰুৱালেও তাই হেৰুওৱা নাছিল নিজৰ প্ৰতিভা। তাইৰ বিদ্যা, বুদ্ধি, প্ৰতিভাখিনি তেতিয়াও একে অৱস্থাত অক্ষত হৈ আছিল। সেয়ে নিজৰ ভগ্নপ্ৰায় জীৱনটোক সুশৃংখলিত কৰিবলৈ তাইৰ প্ৰতিভাখিনি ব্যৱহাৰ কৰিবলৈ তাই তৎপৰ হৈ উঠিছিল। পূজাই আগতে কাম কৰা বাতৰি কাকতখনতে পুনৰ আগৰ পদত অধিষ্ঠিত হ'ল। তাৰ পৰাই যেন পূজাৰ পুনৰজনম ঘটিল। দিনৰ দিনটো নিজকে ব্যস্ত ৰাখিবলৈ পাই তাই বৰ সুখী হ'ল।

কিন্তু তেতিয়াও তাই নিজৰ জীৱনস্বৰূপ কলমটো এৰি দিয়া নাছিল। কৰ্মৰ লগে লগে সমান্তৰালভাৱে চলাই গৈছিল তাইৰ কলমটো। সেইটোৱে পিছত তাইক এক অন্য ৰূপত প্ৰতিষ্ঠা কৰিলে। তাইৰ লিখনীবোৰে অভূতপূৰ্ব জনপ্ৰিয়তা অৰ্জন কৰিবলৈ ধৰিলে। বাতৰি কাকতৰ মানুহবোৰেও তাইক বৰ ভাল পায় লগতে বাতৰি সংগ্ৰহ কৰিবলৈ অলৈ-তলৈ যাব লগা হোৱাত বিভিন্ন ধৰণৰ মানুহ আদিৰ লগত চিনাকি হোৱাৰ সুযোগ পালে।

ঠিক তেনে অৱস্থাতেই তাই লগ পাইছিল আভাক। কামৰূপ জিলাৰ এখন ভিতৰুৱা তথা অখ্যাত গাঁৱত আগনিশা হৈ যোৱা এক মৰ্মান্তিক ঘটনাৰ সবিশেষ জানি তাৰ ৰিপ'ৰ্ট তৈয়াৰ কৰিবলৈ তাই তালৈ গৈছিল। ঘটনাটো আছিল এনে ধৰণৰ— ঢলাইপুৰ গাঁৱৰ এক বস্তিত বাস কৰিছিল ৰহিম আলী নামৰ ৰিক্সাচালকজন। দিনৰ দিনটো ৰিক্সা চলাই গধূলি ঘৰলৈ উভতিছিল ৰহিম। ঘৰত সোমোৱাৰ পিছত সিহঁতৰ জুপুৰীৰ পিছফালে হোৱা গুলীয়া-গুলীৰ শব্দত সি পিছফালে ওলাই আহিছিল। সেয়া আছিল সেনাবাহিনী আৰু উগ্ৰপন্থীৰ মাজত হোৱা সংঘৰ্ষ। এক বিশেষ সূত্ৰে তাত উগ্ৰপন্থী থকাৰ খবৰ

**ঠিক তেনে অৱস্থাতেই তাই লগ পাইছিল আভাক। কামৰূপ জিলাৰ এখন ভিতৰুৱা তথা অখ্যাত গাঁৱত আগনিশা হৈ যোৱা এক মৰ্মান্তিক ঘটনাৰ সবিশেষ জানি তাৰ ৰিপ'ৰ্ট তৈয়াৰ কৰিবলৈ তাই তালৈ গৈছিল। ঘটনাটো আছিল এনে ধৰণৰ— ঢলাইপুৰ গাঁৱৰ এক বস্তিত বাস কৰিছিল ৰহিম আলী নামৰ ৰিক্সাচালকজন। দিনৰ দিনটো ৰিক্সা চলাই গধূলি ঘৰলৈ উভতিছিল ৰহিম। ঘৰত সোমোৱাৰ পিছত সিহঁতৰ জুপুৰীৰ পিছফালে হোৱা গুলীয়া-গুলীৰ শব্দত সি পিছফালে ওলাই আহিছিল। সেয়া আছিল সেনাবাহিনী আৰু উগ্ৰপন্থীৰ মাজত হোৱা সংঘৰ্ষ।**

পাই সেনাবাহিনী তালৈ আহিছিল। দিন-দুখীয়া ৰহিমে কিন্তু এই কথাৰ ঘুণাক্ষৰেও উমান পোৱা নাছিল। সি বাহিৰলৈ ওলাই অহাত সেনাবাহিনীয়ে তাকো উগ্ৰপন্থী বুলি গুলীয়াই মাৰিলে। গিৰিয়েকৰ মৰণ কাতৰ আৰ্তনাদ শুনি ৰহিমৰ ঘৈণীয়েক বাহিৰলৈ ওলাই অহাত তায়ো নিহত হ'ল। তিনিজনীয়া পৰিয়ালৰ দুজনক সিপুৰীলৈ পঠিয়াই ঈশ্বৰে ঘাত-মাউৰা কৰা পাঁচবছৰীয়া ছোৱালীজনীৰ বিলাই বিপত্তি নোহোৱা কৰিলে। পিছদিনা পুৱা তালৈ অগণন মানুহৰ সোঁত ব'বলৈ ধৰিলে। সংবাদকৰ্মীৰ পৰা আৰম্ভ কৰি আৰক্ষী, জনতা সকলো তালৈ গ'ল। তেতিয়াও মৃতদেহ দুটা তাতে পৰি আছিল। কণমানি ছোৱালীজনীয়ে নিমাত-নিশ্চুপ হৈ মৃতদেহ দুটাৰ মাজত বহি আছিল। কন্দাৰ শক্তি বোধহয় তাই হেৰুৱাই পেলাইছিল। তাইৰ বুকুত বোধহয় জ্বলি আছিল মানৱতাশূন্য মানৱ সমাজখনৰ বিপক্ষে এটুকুৰা জুই। তাই একেথৰে মানুহবোৰলৈ চাই আছিল। তেনেদৰেই পূজাৰ চকুত পৰিছিল সেই ছোৱালীজনী। ছোৱালীজনীয়েই পূজালৈ চায়েই আছিল। তাইৰ বাবে পূজাৰ দুচকু সেমেকি উঠিল চকুলোৰে। পূজাৰ অন্তৰখন তাইৰ বাবে মৰমেৰে পূৰ্ণ হৈ উঠিছিল। পূজাই তাইক কোলাত তুলি লৈছিল। পূজাই তাইৰ দুচকুত দেখা পাইছিল এক অজান 'আভা'। পূজাই তুলি লৈছিল সেই ঘাত-মাউৰা মুছলমান সম্প্ৰদায়ৰ ছোৱালীজনী আৰু তাইৰ নাম আবা আভা ৰাখিলে। সেই 'আভাই' পূজাক নিজৰ মাকৰ দৰে জ্ঞান কৰে। 'মা' বুলিয়েই মাতে পূজাক। পূজাই আভাক পঢ়াই-শুনাই সুযোগ্য কৰি তুলিলে। বহুতে পূজাক সমালোচনা কৰিছিল যদিও তাই সেইবোৰলৈ কাণসাৰ নকৰিলে। আভাই বিদেশত ডাক্তৰী ডিগ্ৰী লাভ কৰি বৰ্তমান এগৰাকী সু-প্ৰতিষ্ঠিত চিকিৎসক। তাইৰ কামৰ সকলো সন্মান তথা সু-ফলাফলৰ ভাগো পূজাৰ ফালে। জীৱনত অশেষ সাধনা কৰি তাই যিমানখিনি সন্মান পাইছিল, তাতকৈ দুগুণ সন্মান পাইছে আভাৰ পৰা। বৰ্তমান পূজাৰ লক্ষ্য হ'ল আভাক এজন সুযোগ্য ল'ৰালৈ বিয়া দিয়াতো। কিন্তু, তাইৰ গা শিয়ৰি উঠে যদি আভাইয়ো তাইৰ দৰে সেই যন্ত্ৰণা ভোগ কৰিব লাগে। নাই, তাই আৰু নাভাবে সেই কথালৈ। কাৰণ, তাই জানে পৃথিৱীত এতিয়াও মানৱতা জীয়াই আছে।

হঠাতে তাইৰ তন্ময়তা ভংগ কৰিলে সিহঁতৰ গেটত হোৱা এক গাড়ীৰ হৰ্ণৰ শব্দই। গাড়ীখনৰ পৰা নামিল এক ভদ্ৰলোক। ভদ্ৰলোকজন তাইৰ ফালে আগবাঢ়ি আহিছে। হয়, সেই মানুহজনক তাই চিনি পাইছে। অৰিন্দম বৰুৱা। উচ্চ পদস্থ আৰক্ষী বিষয়া। যথেষ্ট সুনাম আছে মানুহজনৰ। এখন অনাথ আশ্ৰমো খুলিছে মানুহজনে। তাই ভাবি থাকোঁতেই মানুহজন আহি নমস্কাৰ জনাই ক'লে— "মই অৰিন্দম বৰুৱা।" পূজাই ক'লে— "হয়, মই চিনি পাইছোঁ। কিন্তু অহাৰ কাৰণটো জানিলে সুখী হ'ম।" মানুহজনক বহিবলৈ দি তাই ক'লে। অৰিন্দম বৰুৱাই ক'লে— মই মোৰ একমাত্ৰ ল'ৰা ইঞ্জিনীয়াৰ মৃণ্ময়ৰ বাবে আপোনাৰ ছোৱালী আভাক বোৱাৰী হিচাপে ল'বলৈ ইচ্ছুক।" পূজাৰ হৃদয়খনে যেন সকাহ পালে। কিন্তু ক'লে— "তাই যে এজনী মুছলমান সম্প্ৰদায়ৰ ছোৱালী আপুনি জানেনে?" "হয় মই জানো।"

পূজাৰ কথা সত্য প্ৰমাণিত হ'ল। পৃথিৱীত এতিয়াও মানৱতা জীয়াই আছে। পূজাৰ হৃদয়খন উথলি উঠিল এক অজান বস্তুৰ প্ৰাপ্তিৰ আশাত...।



# প্ৰেম

কৰিশ্মা কলিতা
দ্বিতীয় ষাণ্মাসিক

দেউতাকৰ চাকৰি সূত্ৰে যোৰহাটলৈ পৰা গুৱাহাটীলৈ বদলি হৈ অহাত সাধনাৰ প্ৰথমতে অকণো ভাল লগা নাছিল। নতুন ঠাইখনৰ স্থানীয় মহাবিদ্যালয় এখনত নামভৰ্তি কৰি সাধনাই ভালদৰে পঢ়াত মনোযোগ দিলে। সাধনাই সৰুৰে পৰা ভাল গান গাব পাৰিছিল। মহাবিদ্যালয়ৰ 'নৱাগত আদৰণি' সভাত সাধনাই গান গালে আৰু একেলগে পঢ়া কুনালে তবলা বজালে। মহাবিদ্যালয়ৰ প্ৰায়ভাগ সভাতে কুনালে তবলা বজায় আৰু সাধনাই গান গায়। কলেজৰ সকলোৰে সিহঁতৰ গান শুনি ভাল পায়। বহুতো ল'ৰা-ছোৱালীয়ে তেওঁলোক দুয়োকে জোকায়। ইফালে প্ৰেমৰ ভাষাৰ আদান-প্ৰদানেৰে দুয়ো-দুয়োৰে যথেষ্ট কাষ চাপি গৈছে। এনেদৰে তেওঁলোকৰ মাজত এটা মধুৰ সম্পৰ্ক গঢ়ি উঠিছে।

দেউতাকৰ অসুখৰ বাবে কুনালে স্নাতক ডিগ্ৰী লৈ আগলৈ পঢ়িব নোৱাৰিলে। সাধনাই স্নাতকৰ প্ৰথম বাৰ্ষিকত নামভৰ্তি কৰিলে। কুনালে ঘৰতে থাকি দেউতাকৰ ব্যৱসায়ৰ কামত লাগিল। কলেজত পঢ়া দিনৰে পৰাই কুনাল আৰু সাধনাহঁতৰ দুয়োখন ঘৰৰ মিলাপ্ৰীতিও আছিল। দুয়োখন ঘৰৰ মিলনত সিহঁতৰ প্ৰেমৰ বান্ধোন বেছি কটকটীয়া হ'ল। সিহঁত দুয়ো এনেদৰে আগবাঢ়ি থাকোঁতে হঠাৎ দেউতাকৰ চাকৰিৰ বাবে সাধনা মাক-দেউতাৰ লগত অইন ঠাইলৈ গুচি যায়। সাধনাই যাবৰ সময়ত কান্দি কান্দি কুনালক কৈছিল যে মই তোমালৈ বাট চাই ৰ'ম।

নতুন ঠাইখনৰ কলেজ এখনতে সাধনাই নামভৰ্তি কৰিলে। এদিনাখন তাই কলেজৰ পৰা ঘৰলৈ খোজকাঢ়ি আহি আছিল। তেনে সময়তে একে ক্লাছৰে ৰাহুলে লগ পালে। ৰাহুলে সাধনাক ক'লে যে বেয়া নোপোৱা যদি মোৰ লগতে যাব পাৰিবা। প্ৰথমতে সাধনাই যাবলৈ অমান্তি হৈছিল যদিও ৰাহুলৰ অনুৰোধ এৰিব নোৱাৰিলে। এনেদৰে প্ৰায়ে ৰাহুলে তাইক জোৰ কৰি গাড়ীত লৈ যায়। সাধনাই প্ৰত্যেকদিনাই যাবলৈ অমান্তি হয় যদিও ৰাহুলৰ কথাত যাব লগা হয়।

ঘৰৰ অসুবিধাৰ বাবে কুনালে সাধনাৰ খবৰ কৰিব পৰা নাছিল। দেউতাকৰ মৃত্যুৰ পিছত সমস্ত ঘৰখনৰ দায়িত্ব কুনালৰ ওপৰত পৰিছিল যদিও তাৰ মাজতে ছমাহমান পিছত কুনালে সাধনাৰ খবৰ ল'বলৈ বুলি এদিনাখন সাধনাহঁতৰ ঘৰলৈ গ'ল। কিন্তু সাধনাক লগ নাপালে। কুনালে উভতি আহি থাকোঁতে সাধনাক অচিনাকি ল'ৰা এজনৰ লগত গাড়ীত গৈ থকা দেখা পালে। কুনালে সিহঁত যোৱা গাড়ীখনক অনুসৰণ কৰি গৈ থাকিল। ৰাহুল আৰু সাধনাই এখন ৰেষ্টোৰাত সোমাল। কুনালে অলপ আঁতৰৰ পৰা সিহঁতক লক্ষ্য কৰি থাকিল। কুনালে সাধনাৰ ফালে চাই আছিল যদিও সাধনাই কুনালক দেখা নাছিল যদিও ৰাহুলে কুনালক দেখা পাইছিল। অচিনাকি ল'ৰা এজনে সাধনাৰ ফালে চাই থকা দেখি ৰাহুলে তাৰ লগত সাধনাৰ ঘনিষ্ঠ সম্পৰ্ক থকা যেন দেখাবলৈ সাধনাৰ হাত এখনত ধৰি হাত চোৱাৰ চলেৰে কথা পাতি আছিল। তেনেতে

দেউতাকৰ অসুখৰ বাবে কুনালে স্নাতক ডিগ্ৰী লৈ আগলৈ পঢ়িব নোৱাৰিলে। সাধনাই স্নাতক প্ৰথম বাৰ্ষিকত নামভৰ্তি কৰিলে। কুনালে ঘৰতে থাকি দেউতাকৰ ব্যৱসায়ৰ কামত লাগিল। কলেজত পঢ়া দিনৰে পৰাই কুনাল আৰু সাধনাহঁতৰ দুয়োখন ঘৰৰ মিলাপ্ৰীতিও আছিল। দুয়োখন ঘৰৰ মিলনত সিহঁতৰ প্ৰেমৰ বান্ধোন বেছি কটকটীয়া হ'ল। সিহঁত দুয়ো এনেদৰে আগবাঢ়ি থাকোঁতে হঠাৎ দেউতাকৰ চাকৰিৰ বাবে সাধনা মাক-দেউতাৰ লগত অইন ঠাইলৈ গুচি যায়। সাধনাই যাবৰ সময়ত কান্দি কান্দি কুনালক কৈছিল যে মই তোমালৈ বাট চাই ৰ'ম।

সাধনাই কুনালক দেখি কুনালৰ ওচৰলৈ গ'ল আৰু ক'লে তুমি কেতিয়া আহিলা। লগে লগে কুনালে খঙৰ ভমকতে সাধনাৰ গালত চৰ মাৰি দিলে আৰু ক'লে কলেজত পঢ়িছানে ল'ৰাৰ লগত ফুৰিছা। মোৰ ভুল হ'ল মোক ক্ষমা কৰা এনেদৰে কৈ কান্দি কান্দি তাই কুনালৰ দুবাহুৰ মাজত সোমাই পৰিল, কুনালৰ দুচকুৰেও চকুপানী ওলায়। সাধনাৰ আচলতে অকণো ভুল নাছিল লগৰ ল'ৰা বুলিহে ৰাহুলৰ লগত ফুৰিছিল।

আচলতে ৰাহুলে আগৰে পৰা ৰিয়া নামৰ ছোৱালী এজনীক ভাল পাইছিল। এদিনাখন সৰু কথা এটাত লাগি দুয়ো দুয়োৰে পৰা আঁতৰি আছিল। গায়িকা সাধনাক দেখি ৰাহুল মোহিত হৈছিল।

কুনাল আৰু সাধনাহঁতৰ দুয়োখন ঘৰৰে আগৰেপৰা মিলাপ্ৰীতি আছিল যিহেতু সিহঁত দুয়োৰে বেছ ধুমধামেৰে বিয়া হৈ গ'ল। বিয়াৰ পিছত এদিনাখন সিহঁত মন্দিৰলৈ গ'ল। তাত তেওঁলোকে ৰাহুল আৰু ৰিয়াক লগ পালে। ৰাহুল আৰু ৰিয়াই সৰু কথা এটাৰ পৰা কিদৰে আঁতৰি আছিল আৰু পিছত কেনেদৰে মিলন হ'ল সকলো কথা কুনাল আৰু সাধনাৰ আগত বিৱৰি ক'লে।

বায়েকে কোৱা এই সমস্ত ঘটনাটো মন দি শুনিলে ভায়েক পলে। তাৰ আৰু প্ৰেয়সী প্ৰিয়াৰ সকলো কথা সি অফিচৰ পৰা আহি বায়েকক কয়। এদিনাখন অফিচৰ পৰা আহি পলে মন মাৰি থকাত বায়েকে গম পালে যে তাৰ আৰু প্ৰিয়াৰ মাজত কিবা ভুল বুজাবুজি হ'ল যাৰ প্ৰিয়াই অভিমান কৰিলে। বায়েকে তেতিয়া সিহঁতৰ লগত পঢ়া সাধনা, কুনাল, ৰাহুল আৰু ৰিয়াৰ সঁচা প্ৰেম কাহিনীৰ বিষয়ে ভায়েকৰ আগত বিৱৰি ক'লে আৰু ক'লে যে তই অভিমান এৰি প্ৰিয়াৰ কাষলৈ যাবি দেখিবি তাই আগৰ প্ৰিয়াজনীয়ে হৈ আছে।

তাৰ পিছদিনা পলে প্ৰিয়াক লগ ধৰিলে আৰু প্ৰিয়াৰো অভিমান ক্ষন্তেকতে কমিল। ভায়েক পলে তেতিয়া বায়েকক ক'লে তোমাৰ কথাই সঁচা। বায়েকে তেতিয়া ক'লে যে কথা কটাকটি হৈ মনোমালিন্য হ'লেও এজনে আন এজনক হিয়া উজাৰি ভাল পোৱাৰ পিছত ভুল বুজাবুজি হ'লেও সেয়া বেছিদিন নাথাকে। বায়েকৰ কথা শুনি পলে ক'লৈ— কথা কটাকটি হৈ ভুল বুজাবুজি হ'লেও আমাৰ দুয়োৰে মন কেতিয়াও কটাকটি নহয়। এয়াই চাগে প্ৰেম, ভালপোৱা।

# কাব্যানুভূতি...

এজন কবিয়ে কৈছিল
যিসকলে কবিতা নপঢ়ে
কবিতা তেওঁলোকৰ কাৰণেই
তেওঁলোকৰ বুকুৰ ঘা আৰু কাঁইট সোমাই থকা
আঙুলিবোৰৰ কাৰণে
মৰা আৰু জীয়া মানুহবোৰৰ
আৰ্ত আনন্দৰ কাৰণে
আলিবাটেৰে অহৰ্নিশে অহা-যোৰা কৰি থকা
চিঞৰটোৰ কাৰণে...

(নীলমণি ফুকন)

# স্বপ্নাতুৰ

**ৰমেন দাস**
**উচ্চ বৰ্গৰ সহায়ক**

সোঁৱৰণীৰ পালতৰাত উঠি
এটা অমানিশাত
মই গৈছিলোঁ বহু দূৰ উজাই

তৰা-চন্দ্ৰৰ চিকমিকনিত
মোৰ নাও ফুটি
পানী সোমাল হৃদয়ৰ ভিতৰলৈ

উভতি আহি
সপোনৰ বালিচৰত
ক্লান্ত হৈ বহি যেতিয়া ভাবিলোঁ যৌৱনৰ কথা
তেতিয়া মোৰ টোপনি ভাগিছিল।





# সাম্প্ৰতিক

**ড° শেখৰ জ্যোতি বৈশ্য**
**সহকাৰী অধ্যাপক, গণিত বিভাগ**

পোষ্টমৰ্টেম নকৰাকৈ পুতি থোৱা মৃতদেহটোৰ
কবৰক শেষ সেৱা জনাই
উভতি আহোঁতে
আশ্চৰ্যজনকভাৱে
মৃতদেহটোৱে
মোৰ বাট ভেটি ধৰিলে...

মই সুধিলোঁ— কবৰৰ পৰা ওলাই আহিলা কেনেকৈ?

আঠ চল্লিশ ঘণ্টা আগত
নগৰৰ নৰ্দমাত
উপঙি থকা
বাপুকণৰ মৃতদেহটো

বসন্তৰ উন্মাদ কুঁহিপাত...



# বিনন্দিয়ান

**বৰষা ডেকা**
**দ্বিতীয় ষাণ্মাসিক**

বিনন্দিয়ান,
তুমি আমাৰ জীৱন সংগী
নোৱাৰো থাকিব আমি
তোমাক এৰি।
তোমাৰ সহায়ত গঢ়ো আমি
নিজৰ নিজৰ
সাহিত্যিক জীৱন
কলা-কৃষ্টি, সাহিত্য, সৃষ্টি
জ্ঞান-বিকাশৰ
উজ্জ্বল শিখা তুমি
তুমিয়ে সৰ্বেসৰ্বা সাহিত্য চৰ্চাৰ
সৃষ্টিৰ ভাণ্ডাৰ
নানা লেখকৰ লেখনি
কৰা তুমি প্ৰকাশ,
সেয়েহে বিনন্দিয়ান
হোৱা তুমি
বিকাশ।
জীৱনৰ বাটত
তোমাৰ বুকুত নিঃক্ষেপ হ'ল
আমাৰ আলোক সন্ধানী অভিযান।
নিজৰাৰ বালিত উজ্জ্বলাম আমি
সোণৰ চেঁকুৰা
প্ৰতিভা, অধ্যৱসায় আৰু একাগ্ৰতাৰে
জিলিকাম এই ধৰা।



# দুদিনৰ অতিথি

**বাহৰুল ইছলাম কাজি**
**পঞ্চম ষাণ্মাসিক**

আহিছোঁ আমি এদিন পৃথিৱীলৈ
দুদিনৰ বাবে অতিথি হৈ,
এদিন গুচি যাম পৃথিৱীৰ পৰা
চিৰদিনৰ বাবে বিদায় লৈ।
আজি জন্ম লৈছোঁ দুদিনৰ বাবে
আই মাতৃৰ শান্তিৰ কোলাত,
কাইলৈ হঠাৎ গুচি যাম
চিৰদিনৰ বাবে মৃত্যুৰ শোকাকুল কোলাত।
জীৱন কিয় দিয়ে দুদিনৰ বাবে?
মৃত্যুৱে কিয় নিয়ে
জীৱন চিৰদিনৰ বাবে?
যিদিনা জন্ম লভিছিলোঁ
সিদিনা সুখৰ উখল-মাখল,
সিদিনা গুচি যাম
মৃত্যুক আঁকোৱালি লৈ
সিদিনা পৰিব পৃথিৱীত
শোকৰ ছাঁ, কাৰোবাৰ হিয়াভৰা কান্দোন।
সেয়েহে দুদিনীয়া জীৱনত
জাতি-ধৰ্ম নিবিচাৰি
হিংসাৰ ভেদাভেদ আঁতৰি,
সকলোৱে একলগ হৈ
সুখে-দুখে মিলিজুলি
জ্বলাওঁ আহা শান্তি সততাৰ
এগছা আনন্দমুখৰ বন্তি।।
চিৰ চেনেহী আই মাতৃ
তাতোকৈ চেনেহী আমি
অসমীয়া জাতি।।

# চাৰিটা স্তৱক

চুমিতা কলিতা
স্নাতক তৃতীয় ষাণ্মাসিক

(১)
এয়া কলেজীয়া জীৱন
চন ২০১৩
প্ৰেমত পৰা বয়স
কলেজৰ পাৰ্ক-কেণ্টিন
সকলোতে আমাৰ আড্ডা।
এৰিষ্টটল, প্লেট'ৰ পৰা মোডীলৈ
লক্ষ্মীনাথৰ পৰা অনুৰাধা শৰ্মা পূজাৰীলৈ
সকলোৰে ভাগ লয়
আমাৰ লগত
ঘণ্টাৰ পিছত ঘণ্টা পাৰ হয়
ক্লাছবোৰ পাহৰি জমি উঠে আমাৰ আড্ডা
এজনৰ পিছত আন এজনৰ সংযোগ...

(২)
দূৰৰ পৰা অহা চিগাৰেটৰ ধোঁৱা
এডালকে চাৰিজনে হুপিবলৈ
লোৱা দৃশ্য
পিছে মাদকতা আছে তাতো জীৱনৰ
ধোঁৱাবোৰে ৰংমনে শূন্যতাত
চাই ভাল লাগে
ব্যস্ততাৰ কবলত পৰি হুৱা-দুৱা খোৱা
মানুহবোৰ দেখিলে ভয় লাগে
চিন্তা হয়
জীৱন মানে কি সজাৰ পক্ষী
আন্ধাৰ হ'লে ঘৰমুৱা হ'ব লাগিব

(৩)
নিশা গুৱাহাটীখনত
মাতাল হৈ পৰে প্ৰেমিক পক্ষীবোৰ
চুকে-কোণে বিয়পি পৰে



ড্ৰাগছ নামৰ মহামাৰী
পাৰ্কবোৰৰ মায়াত বন্দী হৈ পৰে
প্ৰেমিক চৰাইবোৰ
ষ্ট্ৰীট লাইটবোৰে উলাসত
ধিমিক-ধামাক কৰি জ্বলে
অশ্লীলতাই গ্ৰাস কৰে প্ৰতিটো চুক-কোণ
প্ৰেমিক চৰাইবোৰৰ দিমান
ৰাতি দহটালৈ
কিয় খোলা নাথাকে পাৰ্কবোৰ
পাৰিলে গাৰ্লফ্ৰেণ্ডক লৈ প্ৰতিবাদ
কৰিবলৈ সাজু। (প্ৰেমিক সন্থা জিন্দাবাদ)
কাৰণ এয়া প্ৰেমত পৰা বয়স।।

(৪)
ম'বাইলতো বাজো বাৰ বাৰ
দহটা মিছ কল
লৰালৰিকৈ কলেজ পাওঁ
এইবাৰ ফাইনেল ইয়েৰ
এডমিট নিবলৈ আহিছে সকলো
বছৰবোৰে বাগৰ সলালে
ভাল পাওঁ বুলি তোমাক ক'বই নাপালোঁ
আৰু যাবৰ হ'ল
বুকুখন ধান বনাদি বানিছে
পৰীক্ষা আহিল আৰু ব্যস্ততা
বাঢ়িব সকলোৰে।
আমি বিহীন শ্ৰেণীকোঠাবোৰে কান্দিলে
মই কলেজলৈ আহিব নোৱাৰিম
মোৰ কবিতাৰ গুণ-গুণনিত ভ্ৰাণ
পাইছিলোঁ কলেজৰ কৃষ্ণচূড়াডাল
পাৰিম জানো...
তোমাৰ ছবিখন মনলৈ আহিব
আৰু বন্ধুবোৰ
আমনি কৰিব নৃশংগতাই
এই ধুমুহাজাকক ৰোধ কৰিবলৈ
মোৰ শক্তি নাই
তোমাক নোকোৱাকৈ বহু কথা মনত ৰৈ গ'ল
তথাপিতো তোমাৰ স্মৃতিয়ে
প্ৰাণ ঢালিব মোৰ শৰীৰত
কাৰণ এয়া ২০১৬ চন
পৰীক্ষা দিয়া সময়...।।



# আকাশ

**স্বপ্না কলিতা**
**তৃতীয় ষাণ্মাসিক**

কোনেও কাহানিও আকাশ চুব নোৱাৰে
অথচ আকাশ চোৱাৰ হেঁপাহত আমি
প্ৰায়ে ওপৰলৈ মেলি দিওঁ হাত
বৰষুণ হৈ আকাশৰ পৰা পৃথিৱীলৈ নামি আহে পানী
বেলি গলি নামি আহে ৰ'দ
জোনাক নামি আহে জোন জ্বলি গলি।
দুখৰ দৰে আকাশৰ বৰণো নীলা,
গৰখীয়া ল'ৰাবোৰে উৰুয়াই য'ত সাতোৰঙী চিলা...
এজন কবিয়ে এখন চিঠিত মোলৈ লিখিছিল
'আকাশ এখনেই তোৰ মোৰ
আকাশৰ তলৰ আমি একেখন জগতৰে বাসিন্দা
আকাশ অনন্ত আকাশ দিগন্ত
পৃথিৱীৰ ওপৰত আকাশ এটা
মেলি থোৱা নীলা বৰণীয়া ছাতি
আকাশলৈ চালে আশাবোৰ জাগে
সপোনবোৰ তৰা হৈ দুচকুত জ্বলে
তাহানি, শৈশৱত জোনাক ৰাতি
চোতালত পাটী পাৰি শুনিছিলোঁ আইতাৰ সাধু
গণিছিলোঁ আকাশৰ তৰা
আইতাই কৈছিল— আকাশে কাকো প্ৰতাৰণা নকৰে,
আকাশৰ স'তে পাতিবি
কাৰো স'তে কাহানিও নপতা কথা।
আকাশৰ নাই কোনো সীমা
সদায় আকাশ চাবলৈ শিকিবি আই...।



# বন্ধু

**বংকিম ডেকা**
**তৃতীয় ষাণ্মাসিক**

সেই বাটেৰে নাযাবা বন্ধু
ঘাটকৰ হুলে বিন্ধিব পাৰে।
তুমি বিষত আৰ্তনাদ হ'লে
মোৰ কলিজাত জুই জ্বলে।
আকৌ কৈছোঁ।
বন্ধু তুমি ভুল বাটেৰে গৈছা
সেই বাট বৰ পিছল
আৰু শুনা তুমি ভাবি থকা
সোণ বৰণীয়াই সোণ নহয়
তুমি যাক সোণ বুলি ভাবিছা
সি বৰ হালধীয়া
চকুত চাট মৰা
তুমি সকলোকে বিশ্বাস কৰিবা
কিন্তু সম্পূৰ্ণকৈ নহয় বন্ধু
নহ'লে কেতিয়াবা ভাঙিব পাৰে তোমাৰ হৃদয়
বন্ধু তুমি সেই বাটেৰে নাযাবা
বৰ পিছল পৰিব পাৰা
ভাঙিব তোমাৰ বিশ্বাসৰ কামিহাড়
সেই যন্ত্ৰনাত
চটফটাই থাকিব লাগিব
ওৰেটো জীৱন।
তেতিয়া মোৰ বৰ দুখ লাগিব
বন্ধু তুমি মোক ভুল নুবুজিবা
আকৌ ঘূৰি আহা।

# মৰম

আয়েছা চিদ্দিকা
তৃতীয় ষাণ্মাসিক

চাকিটি আগত থৈ
হাতত তুলি লৈছোঁ
এখিলা কাগজ আৰু কলম
আঁকিব পৰা নাই তোমাৰ ছবি
খিৰিকিৰ ফাকেৰে
কুৰুকী-সুৰুকী সোমাই আহা
বাউলী বতাহজাকে
চাকিটিক কোবাই আমনি কৰিছেহি
তুমি দি যোৱা গোলাপৰ কলিটি
আজি লেৰেলি শুকাই পৰিছে
বহুত চেষ্টা কৰিলোঁ
নোৱাৰিলোঁ এটি মধুৰ গীতৰ কলি কৰিবলে'
তুমি দি যোৱা পুতলাটি
ল'বওঁ নোৱাৰা হ'লোঁ
ভয় লাগে কেনেবাকৈ যদি ধূলি-মাকতিৰে
স্তব্ধ হৈ পৰে তোমাৰ জীৱনৰ ৰংবোৰ
তোমালৈ আজি বৰকৈ মনত পৰিছে
কঁপি উঠিছে মোৰ কলিজা
মগজুৰ পোকবোৰে
মূৰত খুন্দিয়াব ধৰিছে
তুমি পাহৰি যোৱা কিজানিবা
সেই বাবেই।





# তাই ধৰ্ষিতা

ভাস্কৰজ্যোতি ৰাভা
তৃতীয় ষাণ্মাসিক

এই মাজ নিশাখন কোনে চিএঞৰিছে
যেন বুকুৰ মাজেৰে
ৰঙা লোৰ হুলে বিন্ধিছে।
নে কোনোবা প্ৰেতাত্মাৰ চিএঞৰ?
এয়া কোনো হাবি-জংঘলৰ পৰা অহা চিএঞৰো নহয়
মাথোঁ কাৰোবাৰ কলিজাৰ ধপ্-ধপনিৰ
জীয়াই থাকি অশান্তিৰ চিএঞৰ
কোন অ' এইজনী...?
জপৰা-জপৰী চুলি তাইৰ
ফটা-ছিঙা বস্ত্ৰ
দেহত কোনোবা পিশাচৰ নখৰ চিন
মাজে মাজে তেজৰ চেকুৰা
আৰু দুধাৰী চকুলো বৈ আছে।

বাঃ মানৱতা!
আৰু কিবা থাকিল নেকি?
দেহী অ' আৰু নাকান্দিবা
এইবোৰ পিশাচৰ বাবেই নাৰীৰ জীৱন অন্ধকাৰ
তুমি আৰু নাকান্দিবা।

# কল্পনা বিষাদ

খচনুৰ আলী
তৃতীয় ষাণ্মাসিক

ঐক্য শান্তি আৰু প্ৰগতিৰে
গাওঁ আহা মিলনৰ ঐনিতম
আহা হিন্দু আহা মুছলিম
আহা জৈন খ্ৰীষ্টান
সকলোৰে মিলি উৰুৱাও
শান্তিৰ নিচান
ৰূপে আমাক কৰিব নোৱাৰে
সংসাৰ সাগৰৰ পাৰ?
শিকো আহা সেইবাবেই
মহৎ লোকৰ জ্ঞান?
তেতিয়াহে বগাই যাব পাৰিম
উন্নতিৰ নিচান।
নোৱাৰে ঢাকিব তোমাৰ উজ্জ্বল
শান্তিপূৰ্ণ কিৰণক
বিচ্ছুৰিত হ'ব তোমাৰ গুণ
নতুন ৰঙেৰে
জ্ঞানৰ পোহৰ বিলাওতা তুমি
মুখ্য অনুষ্ঠান আমাৰ
নতুন আবেগ বিকাশ হ'ব
প্ৰতিভা বাঢ়িব আমাৰ।
জ্ঞানৰ ভাণ্ডাৰ মহান
তুমিয়ে আমাৰ সাগৰ
চিৰদিন উজলাম তোমাৰ কামনাৰে
কামনাৰে তোমাৰ গুণ-গান।।



# তুমি আহিবানে?

চাদ্দাম হুছেইন
দ্বিতীয় ষাণ্মাসিক



তুমি যদি আহা
মোৰ ৰাজসভালৈ লৈ যাম
তুমি যদি আহা
তাজমহল বনাইছো তাতো লৈ যাম
তুমি যদি আহা
মোৰ মহল ফুলেৰে সজাম
তুমি যদি খোৱা
তোমাৰ বাবে অমৃতৰ ৰস আনিম
তুমি যদি শোৱা
ফুলৰ বিচনাত শুবলৈ দিম
তুমি যদি শুনা
মধুৰ গীত গাম
তুমি যদি কোৱা
তোমাৰ বাবে সকলো ত্যাগ কৰিম
তুমি যদি আহা
মই জীয়াই থকাৰ প্ৰেৰণা পাম
তুমি যদি নাহা
এই পৃথিৱীৰ মায়া ত্যাগ কৰিম
তুমি নিশ্চয় আহিবা
আহিবানে?
মই মৰি যোৱাৰ খবৰ শুনা পালে তথাপিও
তুমি আহিবানে?
মোক শেষ বাৰৰ বাবে চাই যাবলৈ এবাৰ হ'লেও
তুমি আহিবানে?



# শেষ কবিতা

**সঞ্জীৱ কুমাৰ দাস**
প্ৰাক্তন ছাত্ৰ

মোৰ হৃদয়াচলত আজি
সেৰেঙা শীতকাল
লঠঙা মোৰ সেউজীয়া সপোনবোৰ
সকলো যেন শুকান পাত
তুমি আজি মোক চিনি নোপোৱা
সেই শুকান পাতবোৰক সোধা
প্ৰতিখিলা পাততে আছে আঁকা
তোমাৰে-মোৰে সপোনৰ অলেখ-লেখ।
তুমিতো আজি মোৰ নোহোৱা
জানা তোমাৰ হৃদয় কোঁঠাত
অনাধিকাৰ প্ৰৱেশ কৰাৰ নাই ইচ্ছা
আৰে, তুমিতো আধুনিক ছোৱালী
তোমাৰতো অধিকাৰ আছে
নাৰীৰ অধিকাৰ।
পানীৰ ভাও বুজি
ভাঙিবও পাৰা কাৰোবাৰ হৃদয়
সাম্প্ৰতিক অতীত যে সতীদাহ প্ৰথা
ৰায়দেৱে এৰাইছে তাহানিতে এই পৰম্পৰা।
তোমাৰ নৌকাখনি উজাই নিয়া
তুমি পাৰ হোৱ
স্বপ্নৰ সাত সাগৰ তেৰ নদী
তুমি সুখত থাকা
উভতি নাচাবা কাহানিও
মোৰ পিনে অ' মোৰ পিনে
কিয় চাবা?
মইতো নাজানা আধুনিক প্ৰেমৰ সংজ্ঞা
বুকুৰ নিভাঁজ মৰমেৰে
জুখি চাব খোজা
তোমাৰ প্ৰেমৰ উত্তাপ
আঁকি থ'ব খোজা
তোমাৰে মোৰ নাম
কোনো মন্দিৰৰ শুকান শিল এছটাত।
আৰে ভাই! মইতো লিখিব নোৱাৰো
তোমাৰ নাম
কোনো দামী ৰেষ্টোৰাৰ বিলত।
বুকুৰ তলি উদঙাব খোজা
মোৰ কবিতাৰ প্ৰতিটো অনুভৱী শব্দত
তুমি আজি মোৰপৰা আঁতৰি যাবা
কিন্তু মোৰ কবিতাই
তোমাক যুগ-যুগান্তৰলৈ ৰাখিব মোৰ কাষত
তুমি আৱেগিক নহ'বা
হোৱাৰ কোনো প্ৰয়োজনো নাই।
তোমাকনো মই কি দিব পাৰিছোঁ
এবুকু অনুভৱ, কেইটিমান কবিতা
যিবোৰে তোমাক কাহানিও চুব পৰা নাই,
তুমি যে ডেউকা ভাঙি উৰিব খোজা
বিচাৰি স্বপ্নৰ সীমনা।
মই কি ভাবিছোঁ জানা?
এয়াই মোৰ শেষ কবিতা
তোমাক লৈ...
কিয়নো কবিতাৰ শব্দবোৰ গধূৰ কৰাৰ
এতিয়া আৰু ইচ্ছা নাই
পেটৰ টিউমাৰৰ দৰে বাঢ়ক
মোৰ বুকুত তুমি দিয়া যন্ত্ৰণা
আমৰণ কঢ়িয়াব খোজা
সেই বিষ-বেদনা...।



# মহামানৱ

হীৰকজ্যোতি ডেকা
তৃতীয় ষাণ্মাসিক

যিজনে এদিন মুকলি আকাশৰ তলত
স্বাধীনতাৰ বীজ ৰুবলৈ বিচাৰিছিল
তেওঁক সূৰুযেও তিনিটা দশক ধৰি বিচাৰি
পোৱা নাছিল।
যিজনে সপোনক দিঠক কৰি দেখুৱাইছিল
তেওঁ নিজৰ যৌৱন জেলৰ এটি অন্ধকাৰ
কোঠাত শেষ কৰি দিছিল।
যিজনে মানৱ জাতিৰ বাবে সংগ্ৰাম কৰিয়েই
পাৰ কৰিছিল
তেওঁ এটা আদৰ্শৰ বাবে আঠাইশটা বছৰ
জেলত কটাই দিছিল।
যিজনে নিজ আদৰ্শৰে পৃথিৱীবাসীৰ মন
সলনি কৰিছিল
তেওঁ প্ৰতিটোমানুহ সমান হ'ব পাৰে বুলি
প্ৰমাণ কৰি দিছিল।
যিজনে এদিন মানুহৰ মনত ভগৱানৰূপে
খ্যাতি লাভ কৰিছিল
তেওঁ মিছাইল মেন এ.পি.জে. আব্দুল কালামেও
এদিন চেলইউট কৰিছিল।
তেওঁ আন কোনো নাছিল দক্ষিণ আফ্ৰিকাৰ
এজন মহামানৱ নেলচন মেণ্ডেলা আছিল

# তেজৰ নদী

মৃদুল দাস
পঞ্চম ষাণ্মাসিক

উকা পাতৰ মাজে
বৈ যায়
ৰঙী নদী
শত যুগলৈ।
ক'লা ডাৱৰে আৱৰা হাতবোৰ
ইফাল-সিফাল কৰে
মাথোঁ বৈ যায় চকুৰেদি
নিৰ্জনতাৰ চাকি।
নিৰৱ-নিমাও
হাঁহিবোৰ
ভাহি আহে
বুকুৰ চোতালখনত।
ব'হাগৰ বুকুত
গান বাজিছিল
ফুলনিৰ বুকুত ফুলিছিল ফুল।
এনেদৰে সপোনে
সাৰ পাইছিল
সময়ৰ সোঁতত
ভাজ ল'লে সপোনে।
হেৰাই গ'ল মুখৰ হাঁহি
হেৰাই গ'ল
সুখৰ চকুলো
বতাহে কান্দে
আকাশেও বিনাই
বাৰুদৰ ধুমুহাত
হৃদয় কঁপি উঠে।
নিৰৱ হ'ল ভগৱান
সকলো নিথৰ হ'ল।





# অনুভৱ

**চালামুদ্দিন আহমেদ**
দ্বিতীয় ষাণ্মাসিক

বহুদিনৰ মূৰত দেখিলোঁ তোমাক
তুমি সুখী নে?
কঁপালত দগমগাই থকা
ৰঙা চিনটোৱে প্ৰথমে
মোৰ বুকুত চিৰিংকৈ মাৰিছিল।
ভবা কথাবোৰ নোহোৱাৰ দৰে
নভবা কথাওঁ কেতিয়াবা হয়।
তুমি বিচৰাৰ দৰে
মই গীত লিখিব নেজানো
তোমাৰ হিয়াৰ বতৰা লৈ।
মইতো শিল্পী নহয় কোনো কালত
তোমাৰ মনৰ গীত গাবলৈ।
তুমি বিচৰাৰ দৰে
কাহানিও হ'ব নোৱাৰো বাবেই
বান্ধিলা সাঁকো লগ নোপোৱাৰ।
মৰমৰ আলি ময়ো বান্ধিছিলোঁ
ভুল কৰিছিলোঁ
বালিকে মাটি বুলি।
বহু আশাৰে সিঁচিছিলোঁ
হৃদয় পথাৰত
হেঁপাহৰ সোণগুটি
আজি মোক নুসুধিবা মই কিমান সুখী
তোমাৰ সুখেই মোক
পাহৰাই দিয়ে সমস্ত
দুখৰ ৰাতি।

# ধৰা

**দীপশিখা ডেকা**
দ্বিতীয় ষাণ্মাসিক

পাখি লগা এই ধৰা
সকলো ক্ষন্তেকীয়া
তথাপি বিশ্ব বসুন্ধৰা
চিৰ সেউজীয়া।
পোৱা আৰু নোপোৱাৰ
সুখ-বেদনা, ইও ক্ষন্তেকীয়া
আশা-নিৰাশাৰ মাজেৰে
হয় জীৱনৰ অন্ত
তথাপি যুগমীয়া বসুন্ধৰা
পলে পলে মেলিমে
নতুন গজালি
নিৰৱচ্ছিন্ন গতি অমিয়া
পল পল কৰি
সময় গৈছে উৰি
জগত মাথোঁ যুগমীয়া।





# দেশপ্ৰেম

হাচমত আলী
উঃ মাঃ দ্বিতীয় বাৰ্ষিক

আনৰ অধীনত থকা ভাৰত স্বাধীন কৰিবলৈ
কিমান যে কষ্ট।
তথাপি আগবাঢ়িছিল দেশপ্ৰেমীসকলে
ভাৰত স্বাধীন কৰিবলৈ।
আন দেশৰ শত্ৰুৰ আক্ৰমণত
কিমান যে দেশপ্ৰেমী শ্বহীদ।
শত্ৰুৰ আক্ৰমণে ৰক্তময়ী কৰিছিল
দেশপ্ৰেমীসকলৰ ভাৰতৰ বুকুত
তথাপি আগবাঢ়িছিল দেশপ্ৰেমীসকলে
ভাৰত স্বাধীন কৰিবলৈ।
নিজৰ ল'ৰা-ছোৱালী ত্যাগ কৰি সকলো
নামিছিল যুদ্ধ কৰিবলৈ ভাৰতৰ বুকুত।
শত্ৰুৰ হাতৰ পৰা নিজৰ দেশ ভাৰত ৰক্ষা কৰিবলৈ
আগবঢ়াই দিছিল নিজৰ বুকুৰ ৰক্ত।
তথাপি আগবাঢ়িছিল দেশপ্ৰেমীসকলে
ভাৰত স্বাধীন কৰিবলৈ।

# অনুভৱ

খঞ্জন ৰাজবংশী
তৃতীয় ষাণ্মাসিক

সপোনৰ আকাশত
দেখা পাওঁ বিনন্দিয়া ধৰণী
আৰু
উচুপি উঠো মাজনিশা
স্বপ্ন ভংগৰ বেদনাত
যন্ত্ৰণাকাতৰ হৈ
হৃদয়খনক বুজাবলৈ চেষ্টা কৰোঁ
পৃথিৱীৰ অৱক্ষয়ৰ বুৰঞ্জী



# তোমাৰ বাবে

**মিতালী ডেকা**
**তৃতীয় ষাণ্মাসিক**

সপোন আহে এপাহ গোলাপ হৈ
সপোন ভাগে বিষাদৰ দুখ হৈ;
ব'হাগ আহিলেই জানা পৰে মনত,
উচুপি উঠে গামোচাখনিৰে,
মচো দুচকুৰ চকুলো;
জীৱনৰ ছন্দ মই হেৰুৱালো,
তোমাতেই জীৱন সপি দিলোঁ,
জীৱন মৰুত খোজ পেলাই
আজি মোৰ জীৱন অসহায়;
সমিধান বিচাৰি খালো হাবাথুৰি,
আজীৱন থাকিম জানা তোমাকেই সুঁৱৰি
হৃদয়ৰ এটি চুকত আঁকিছোঁ জানা
তোমাৰেই ছবি,
তোমাৰ বাবে জানা মই আজিও আছোঁ ৰখি।





# জীয়াই থকাৰ অনুভূতি

**উপেন্দ্ৰজিত মজুমদাৰ**
**উঃমাঃ দ্বিতীয় বৰ্ষ**

হেৰুৱালো মই মোৰ মিঠা সপোনবোৰ
লগতে জীয়াই থকাৰো প্ৰেৰণা
তথাপি আছোঁ জীয়াই
জীৱনৰ ছন্দ অবিহনে
লগত আছে মাথোঁ মোৰ
ভাগি যোৱা সপোনৰ টুকুৰাবোৰ
কাষত লৈ নিষ্ঠুৰ সময়ৰ প্ৰতাৰণা
হয়, মই জীয়াই আছোঁ স্মৃতিক সাৰটি
ক্লান্ত নিঃসংগ সংগ্ৰামৰত মই জীৱন যুঁজত
মাজে মাজে ভয় হয়
জানোচা হেৰাই যায়...
ভাগি যোৱা মোৰ সপোনৰ টুকুৰাবোৰ
ক্ৰুৰ সময়ৰ এই প্ৰৱাল সোঁতত।

# আলোকচিত্ৰ শিতান

খিলখিলাই কান্দিম
নে হুক্‌হুকাই হাঁহিম...?

আলোকচিত্ৰৰ ভাষা
সৌঁৰৰণীৰ অলেখ আশা...

# মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীবৃন্দ



বহি থকা (বাঁওফালৰ পৰা) ঃ সত্যৱতী মেধি (অৰ্থনীতি বিজ্ঞান বিভাগ), দৰ্পণা চৌধুৰী (অসমীয়া বিভাগ), বিজুলী ডেকা (শিক্ষা বিভাগ), শ্বহিদুল ইছলাম (ইংৰাজী বিভাগ), ৰেজেক আলী (আৰবী বিভাগ), দিলীপ দাস (ৰাজনীতি বিজ্ঞান বিভাগ), মীনা কুমাৰী দাস (অসমীয়া বিভাগ), অসিত কুমাৰ পাল (ভাৰপ্ৰাপ্ত অধ্যক্ষ), ভদ্ৰেশ্বৰ ডেকা (অসমীয়া বিভাগ), ললিত চন্দ্ৰ ভৰালী (ইংৰাজী বিভাগ), ড° শেখৰ জ্যোতি বৈশ্য (গণিত বিভাগ), জয়া মেধি (গ্ৰন্থাগাৰিক), জিতেন্দ্ৰ ডেকা (ৰাজনীতি বিজ্ঞান বিভাগ)।

থিয় হৈ (বাঁও ফালৰ পৰা) ঃ দিলীপ ডেকা (চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী), ৰমেশ চন্দ্ৰ দাস (চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী), ভনীমা মজুমদাৰ (চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী), চাইদুৰ ৰহমান (ৰাজনীতি বিজ্ঞান বিভাগ), মনীষা মজুমদাৰ (শিক্ষা বিভাগ), মুকুট পাঠক (অসমীয়া বিভাগ), নীলোৎপল শৰ্মা (অসমীয়া বিভাগ), অখিল পাঠক (গ্ৰন্থাগাৰ সহায়ক), বিষ্ণুৰাম দাস (গণিত বিভাগ), থুনুমণি তালুকদাৰ (অৰ্থনীতি বিজ্ঞান বিভাগ), কস্তুৰী দাস (শিক্ষা বিভাগ), কাকলি দাস (ৰাজনীতি বিজ্ঞান বিভাগ), আবু লেইচ আহমেদ (বুৰঞ্জী বিভাগ), আব্দুল মজিদ আহমেদ (ইংৰাজী বিভাগ), নজৰুল ইছলাম (আৰবী বিভাগ), ৰমেন মেধি (নিম্ন বৰ্গৰ সহায়ক), হাচনুৰ আলী চৌধুৰী (উচ্চ বৰ্গৰ সহায়ক), ৰিতেন মেধি (নিম্ন বৰ্গৰ সহায়ক), ভুবনেশ্বৰ ডেকা (চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী), ডম্বৰুধৰ পাৰে (চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী), নিভা কলিতা (নিম্ন বৰ্গৰ সহায়ক), ৰমেন দাস (উচ্চ বৰ্গৰ সহায়ক)।

ফটোত অনুপস্থিত ঃ বৰ্ণালী মেধি (চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী)।

# ছাত্ৰ একতা সভাৰ বিষববীয়া আৰু তত্ত্বাৱধায়কসকল

## ২০১৫-১৬ বৰ্ষ



থিয় হৈ (বাঁওফালৰ পৰা) ঃ নাৰ্জিনা নাছৰিন (সহঃ সাংস্কৃতিক সম্পাদিকা), প্ৰীতিস্মা কলিতা (সম্পাদিকা, সাহিত্য বিভাগ), স্বপ্না কলিতা (সম্পাদিকা, সাংস্কৃতিক বিভাগ), বৰষা ডেকা (সম্পাদিকা, তৰ্ক বিভাগ), মইনুল হক চৌধুৰী (সম্পাদক, আলোচনী বিভাগ), ইফটিকাৰ চৌধুৰী (সম্পাদক, ছাত্ৰ জিৰণি কোঠা), অপূৰ্ব বৈশ্য (উপ-সভাপতি), বংকিম ডেকা (সাধাৰণ সম্পাদক), চালামুদ্দিন আহমেদ (সম্পাদক, সমাজসেৱা বিভাগ)।

বহি থকা (বাঁওফালৰ পৰা) ঃ ৰেজেক আলী (তত্ত্বাৱধায়ক, সমাজসেৱা বিভাগ), দৰ্পণা চৌধুৰী (তত্ত্বাৱধায়িকা, ছাত্ৰী জিৰণি কোঠা), জিতেন্দ্ৰ ডেক (তত্ত্বাৱধায়ক, সাংস্কৃতিক বিভাগ), দিলীপ দাস (তত্ত্বাৱধায়ক, ছাত্ৰ একতা সভা), ভদ্ৰেশ্বৰ ডেকা (তত্ত্বাৱধায়ক, খেল বিভাগ), অসিত কুমাৰ পাল (সভাপতি, ছাত্ৰ একতা সভা), মীনা কুমাৰী দাস (তত্ত্বাৱধায়িকা, সাহিত্য বিভাগ), নজৰুল ইছলাম (তত্ত্বাৱধায়ক, ছাত্ৰ জিৰণি কোঠা), ললিত চন্দ্ৰ ভৰালী (তত্ত্বাৱধায়ক, তৰ্ক বিভাগ), নীলোৎপল শৰ্মা (তত্ত্বাৱধায়ক, আলোচনী বিভাগ)।

ফটোত অনুপস্থিত ঃ মৰিয়ম খাতুন (সহঃ সাধাৰণ সম্পাদিকা), আজমল আলী (সহঃ খেল সম্পাদক)।

# সম্পাদনা সমিতি 'বিনন্দিয়ান'



ড° ধ্রুৱজ্যোতি চৌধুৰী, মুখ্য উপদেষ্টা



শ্ৰীকান্ত বৈশ্য, উপদেষ্টা



অতুল চন্দ্র কাকতি, উপদেষ্টা



চফুৰ আলী, উপদেষ্টা



বহি থকা (বাঁওফালৰ পৰা) ঃ নীলোৎপল শৰ্মা (তত্বাৱধায়ক), মীনা কুমাৰী দাস (শিক্ষক প্ৰতিনিধি), দিলীপ দাস (শিক্ষক প্ৰতিনিধি), ভদ্রেশ্বৰ ডেকা (শিক্ষক প্ৰতিনিধি), ৰেজেক আলী (শিক্ষক প্ৰতিনিধি), চাইদুৰ ৰহমান (শিক্ষক প্ৰতিনিধি)।

থিয় হৈ থকা (বাঁও ফালৰ পৰা) ঃ মইনুল হক চৌধুৰী (সম্পাদক), স্বপ্না কলিতা (ছাত্ৰ সদস্য), বংকিম ডেকা (ছাত্ৰ সদস্য), ইফটিকাৰ চৌধুৰী (ছাত্ৰ সদস্য), চালামুদ্দিন আহমেদ (ছাত্ৰ সদস্য)।

# মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক শোভাযাত্ৰাৰ কিছু স্নেপশ্বট
# ২০১৫-১৬ বৰ্ষ















# মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক শোভাযাত্ৰাৰ কিছু স্নেপশ্বট
# ২০১৫-১৬ বৰ্ষ














# সোঁৱৰণীৰ অলেখ ভাষা










বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়, বামদিয়া
নৱাগত আদৰণী সভাৰ
মূকলি সভা আৰু মূকলি চৰা
তাৰিখ - ১০চেপ্তেম্বৰ ২০১৪ খ্ৰীষ্টাব্দ,



# অতীত-বীক্ষণ...












# পুৰাতন সোঁৱৰণ, ৰঞ্জিত মন...





## পৰিৱেশ সচেতনতা...









# আলোকচিত্ৰৰ ভাষাৰে...




## নৈসৰ্গিক মাধুৰ্যৰ আৱেশত মহাবিদ্যালয়






জ্ঞান অন্বেষণত ব্ৰতী বিনন্দিয়ান
গ্ৰন্থৰ স্পৰ্শেৰে হ'ব মহীয়ান

# অতীতে ৰিঙিয়াই...


BINANDI CHANDRA MEDHI COLLEGE, RAMDIA
বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়, ৰামদিয়া
PROSPECTUS
2016-17
Prepared by
Academic
Assessment Cell


Binandi Chandra Medhi College, Ramdia
বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়, ৰামদিয়া
Prospectus 2015-16
Prepared by
Academic & Assessment Cell


Prospectus
Session : 2012-2013
Binandi Chandra Medhi College, Ramdia
P.O. - Ramdia, Dist - Kamrup (Assam)
PIN - 781102, Estd - 1992

# ইটো-সিটো বহুতো

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

জয়জয়তে আমাৰ প্ৰতিবেদনৰ আৰম্ভণিতে বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ সদস্য তথা অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীসকলৰ ওচৰত হিয়াভৰা অভিনন্দন জ্ঞাপন কৰিছোঁ। লগতে যিসকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীয়ে এই মহান বিভাগৰ দায়িত্ব আমাক অৰ্পণ কৰিলে তেখেতসকললৈ আমাৰ মৰম আৰু শ্ৰদ্ধা নিবেদন কৰিছোঁ।

সাহিত্য হ'ল সমাজৰ দাপোণস্বৰূপ। ই মানৱ জাতিৰ সাধাৰণ কৰ্মশ্ৰুতি আৰু যুগে যুগে অনুভৱ কৰি অহা সমাজ এখনৰ মাইলৰ খুঁটি। সাহিত্য তথা আলোচনী এখনে ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-কৰ্মচাৰীসকলৰ মনৰ অভিৰুচি পূৰণৰ মুখ্য ভূমিকা বহন কৰি আহিছে।

সৃষ্টি অৱকাশ নাই। সৃজনীমূলক প্ৰতিভাই এজন ব্যক্তিক পূৰ্ণাঙ্গ মানুহ হিচাপে গঢ়ি তোলে। ছাত্ৰ একতা সভাই সময়ে সময়ে বিভিন্নধৰণে কাম কৰি আহিছে। আমি আমাৰ প্ৰথম কাম চাফাই অভিযানেৰে আৰম্ভ কৰিছিলোঁ। তাৰ পিছত ভূপেন হাজৰিকাদেৱৰ মৃত্যুবাৰ্ষিকী দিৱসটো আমি পালন কৰিছোঁ। তদুপৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষাগ্ৰহণৰ লগতে বিভিন্ন প্ৰতিভা বিকাশ কৰি আহিছে মহাবিদ্যালয়ত প্ৰতিবছৰে হোৱা মহাবিদ্যালয় সপ্তাহৰ যোগেদি। মহাবিদ্যালয় সপ্তাহত খেল-ধেমালি, গীত-মাত, অভিনয়, কবিতা, গল্প আদিৰ প্ৰতিযোগিতা আয়োজন কৰা হয়। তাৰ পিছত আন্তৰ্জাতিক যোগ দিৱস পালন কৰা হয়। মহাবিদ্যালয়ত আমি সৰস্বতী পূজা আৰু ছাত্ৰ একতা সভাৰ দ্বাৰা আয়োজিত নৱাগত আদৰণি সভাত 'ফেহুজালি' নামৰ প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰি আহিছোঁ। মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'বিনন্দিয়ান' প্ৰকাশ কৰাৰ ক্ষেত্ৰত ছাৰ-বাইদেউ তথা ছাত্ৰ-ছাত্ৰীসকলৰ পৰামৰ্শ, সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে আমি শলাগ লৈছোঁ। আলোচনী বিভাগৰ তত্ত্বাৱধায়ক নীলোৎপল শৰ্মা ছাৰে অক্লান্ত পৰিশ্ৰমেৰে আলোচনী প্ৰকাশৰ দায়িত্ব লোৱাত আমি তেখেতৰ ওচৰত চিৰকৃতজ্ঞ। মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ তত্ত্বাৱধায়ক দিলীপ দাস ছাৰৰ দিহা-পৰামৰ্শ আমি সকলো সময়তে পাই আহিছোঁ আৰু তেওঁলৈ শলাগ যাচিছোঁ। এই ছেগতে ভাৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় শ্ৰীযুত অসিত কুমাৰ পাল ছাৰৰ শলাগ লৈছোঁ।

ভুল মানুহৰ সহজ প্ৰবৃত্তি। আলোচনীখনৰ প্ৰকাশৰ কাম কৰোঁতে ভুল হোৱাটো স্বাভাৱিক। সদৌ শেষত শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী তথা ছাত্ৰ একতা সভাৰ বিষয়ববীয়াৰ ওচৰত অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰিছোঁ।-সংস্কৃতিৰ গতিশীলতাত নতুন দিশৰ উদয় হওক, তাৰ কামনা কৰি মোৰ প্ৰতিবেদন সামৰিছোঁ।

জয়তু বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়, ৰামদিয়া।

জয়তু 'বিনন্দিয়ান'।

শ্ৰদ্ধাৰে—

**ৰংকিম ডেকা**

সাধাৰণ সম্পাদক

ছাত্ৰ একতা সভা

# সহঃ সাধাৰণ সম্পাদিকাৰ চিন্তা

লেখাৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিয়ে ৰামদিয়া সমাজখনক উচ্চশিক্ষাৰ জ্ঞানৰ পোহৰেৰে আলোকিত কৰাৰ মানসেৰে বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰিলে তেওঁলোকৰ অপৰিসীম ত্যাগ, শ্ৰমৰ ওচৰত নতমস্তক হৈ সেইসকল ব্যক্তিলৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে, যিসকল ব্যক্তিয়ে এইমহান অনুষ্ঠানটো জন্ম দি আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে আঁতৰি গ'ল সেইসকল ব্যক্তিলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু ভক্তি নিবেদন কৰিছোঁ। তেওঁলোকৰ আত্মাৰ চিৰশান্তি কামনা কৰিছোঁ।

বিশ্ববৰেণ্য চিন্তাবিদ, দাৰ্শনিক, পণ্ডিত আৰু কৃতী শিক্ষক ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে তেওঁৰ জীৱন্ত কালতেই এক কিম্বদন্তী পুৰুষত পৰিণত হৈছিল। মই আশা কৰোঁ, মইয়ো যাতে জীৱন্ত কালতেই ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ দৰে এক কিম্বদন্তী মহিলাত পৰিণত হওঁ। মোকো যাতে সকলোৱে স্মৰণ কৰে। কিন্তু সেই স্মৰণ নহয়, যেনেকৈ ডাঙৰ ডাঙৰ মানুহৰ মৃত্যু হ'লে স্কুল, কলেজ বন্ধ ৰাখে তেনে কুস্মৰণ নহয় তেনেকৈ বছৰত যদি পাঁচজনকৈ বৰণ্যে ব্যক্তি ওলায় তেওঁলোকৰ মৃত্যু হোৱাৰ পিছত যদি জন্ম আৰু মৃত্যুৰ দিন পালন কৰিবলগীয়া হয় তেনেহ'লে দেখোন স্কুল, কলেজ বেছি বন্ধই থাকিব। তাতকৈ তেওঁলোকৰ জন্ম আৰু মৃত্যুৰ দিনাখন বেছিকৈ পঢ়া ল'ৰা-ছোৱালীবিলাকে অলপ বেছিকৈ পঢ়িলে আৰু যিয়ে যি কাম কৰে সেইসকল কাম অলপ বেছিকৈ কৰিলে সেইসকলৰ ব্যক্তিৰ আত্মাই শান্তি পাব।

মই এজনী সাহসী ছোৱালী হৈ জীয়াই থাকিব বিচাৰোঁ। এগৰাকী লোক সাহসী নহয় যিয়ে ভয়ক অনুভৱ নকৰে, কিন্তু যিয়ে ভয়ক জয় কৰে তেওঁহে সাহসী লোক। গতিকে মই ভয়ক জয় কৰা সাহসী হ'ব বিচাৰিছোঁ। মোৰ ওচৰত কোনেও যাতে দেশৰ প্ৰতি ঘৃণাৰ চকুৰে চাব নোৱাৰে। আনকি বেয়া আচৰণ কৰিব নোৱাৰে। সেইসকল ব্যক্তিৰ পৃথিৱীত জন্ম হোৱাতো কামনা কৰোঁ। মই এনেকুৱা সুন্দৰ আদৰ্শ যাতে বিশ্বত ছটিয়াই থৈ যাব পাৰোঁ। সেই আদৰ্শ অনুসৰণ কৰি যাতে সকলোৱে মন উৎফুল্লিত হয়। তাৰ কাৰণে মই আল্লাহতাআলাৰ ওচৰত প্ৰাৰ্থনা বিচাৰিছোঁ। কিন্তু এটা দুৰ্ভাগ্যজনক কথা যে আমাৰ দেশখন সিমান উন্নত নহয়। অইন দেশতকৈ আমাৰ দেশখন ১২৭ গুণে পিছপৰা। সি যি কি নহওক তথাপিও আমাৰ দেশখনক কৰিছোঁ, সি সিমান দুখীয়াই নহওক তথাপিও জন্মগ্ৰহণ কৰা দেশত সকলোৱে ভাল লাগে। উদাহৰণ—

দুখীয়াৰ ভগা পজা/একোখনি তীৰ্থ তাত/একোখনি পূণ্যৰ আশ্ৰম/মৰিলে পুনৰ আহি/দুখীয়া দেশতে মোৰ/লওঁ যেন পুনৰ জনম।

এইটো কথা ভাবি সকলোৱে নিজৰ নিজৰ দেশক ভাল পাবলৈ শিকা। যত্ন কৰিবলৈ শিকা। ল'ৰা আৰু ছোৱালী বুলি কোনো প্ৰশ্ন নাহে সকলোৱে সমানভাৱে দেশখনক যত্ন কৰা ছোৱালী বুলি পিছপৰি নাথাকিবা যে আমি ছোৱালী মানুহ হৈনো আৰু কি কৰিম। এটা কথা চিন্তা কৰা যে ছোৱালী মানুহ হৈ যদি ৰাষ্ট্ৰপতি হ'ব পাৰে আমি কিয় নোৱাৰিম। এই কথাত গুৰুত্ব দি সকলো ছোৱালী একগোট হৈ কনকলতাৰ দৰে আমি আগুৱাই যাম।

সদৌ শেষত, মহাবিদ্যালয়ৰ লগত জড়িত মহান ব্যক্তিসকল, পৰিচালনা সমিতিৰ সভাপতি তথা সদস্য-সদস্যাবৃন্দ, অভিভাৱকসকল, শিক্ষক-শিক্ষয়িত্ৰীসকল, কৰ্মচাৰীবৃন্দ আৰু মোৰ দাদা-বাইদেউসকল আৰু মৰমৰ বন্ধু-বান্ধৱীসকললৈ যথাক্ৰমে আমাৰ আন্তৰিক শ্ৰদ্ধা আৰু মৰম-চেনেহ জনাই অনুষ্ঠানটোৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি লেখাৰ সামৰণি মাৰিলোঁ। ধন্যবাদ। সামৰণিত অকণমান এটা কবিতা লিখিলোঁ।

চকুপানীৰে ভৰা—/দুচকু পানীৰে ভৰি যায়!/পানী মছাৰ কোনো ব্যৱস্থা নাই।/এমুঠি জলপান খাই!/মাথোঁ মই দুনীয়াত আছোঁ জীয়াই।/এনেকৈ থাকিলে জীয়াই/অকণো শান্তি নাই।

**মৰিয়ম খাতুন**
সহঃ সাধাৰণ সম্পাদিকা

# সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে ঐতিহ্যমণ্ডিত বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়, ৰামদিয়াৰ জন্মলগ্নৰে পৰা জড়িত যিসকল ব্যক্তি আজি স্মৃতিৰে আঁৰৰা, সেই মহান পূণ্যাত্মাসকলক এই সুযোগতে শ্ৰদ্ধা সুঁৱৰিছোঁ।

মহাবিদ্যালয়ৰ ২০১৫-১৬ বৰ্ষৰ সাংস্কৃতিক সম্পাদিকা পদত মোক মনোনীত কৰি মহাবিদ্যালয়খনৰ প্ৰতি সেৱা আগবঢ়োৱাৰ সুযোগ দিয়াৰ বাবে এই সুযোগতে মহাবিদ্যালয় ছাৰ-বাইদেউ তথা ছাত্ৰ-ছাত্ৰীসকলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

২০১৫-১৬ বৰ্ষৰ সাংস্কৃতিক সম্পাদিকাৰ দায়িত্ব লৈ মহাবিদ্যালয়ৰ যুৱ মহোৎসৱৰ লগত জড়িত হৈ পৰিছিলোঁ। আমাৰ এবছৰীয়া কাৰ্যকালত সাংস্কৃতিক দিশৰ পৰা যিবোৰ কাৰ্যসূচী কৰিম বুলি ভাবিছিলোঁ তাৰ বেছিভাগেই সম্ভৱপৰ নহ'ল। সাংস্কৃতিক ক্ষেত্ৰত কিছুমান কাৰ্যসূচী মহাবিদ্যালয়ৰ সাপ্তাহিক প্ৰতিযোগিতাতহে প্ৰকৃত পৰিচয় ফুটি উঠে। মহাবিদ্যালয় সপ্তাহত খেলা-ধূলাৰ বাহিৰেও গীত, বাজনা, কুইজ কবিতা আবৃত্তি আৰু অন্যান্য কিছুমান সাংস্কৃতিক কাৰ্যসূচীয়ে ছাত্ৰ-ছাত্ৰীৰ মনত প্ৰতিভা বিকাশ সাধন কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ অনুষ্টুপীয়া সহযোগিতাৰ ফলত কিছুমান কাৰ্যসূচী বাতিল কৰিবলগীয়া হয়। সেয়েহে ছাত্ৰ-ছাত্ৰীসকলক ক'ব বিচাৰো যে তেওঁলোকে মহাবিদ্যালয়ৰ সমূহ কাৰ্যসূচীতে অংশগ্ৰহণ কৰা প্ৰয়োজন। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এটা সাংস্কৃতিক দল গঠন কৰিব পাৰিলেহে ভৱিষ্যতে বিশ্ববিদ্যালয় তথা ৰাষ্ট্ৰীয় অন্যান্য কাৰ্যসূচীত অংশগ্ৰহণ কৰিব পাৰিব। ইয়াৰ দ্বাৰাহে মহাবিদ্যালয়ৰ শৈক্ষিক দক্ষতা বৃদ্ধি হ'ব।

শেষত, সাংস্কৃতিক বিভাগৰ তত্ত্বাৱধায়ক ছাৰৰ লগতে সমূহ ছাৰ-বাইদেউ তথা ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীলৈ আন্তৰিক শুভেচ্ছা অৰ্পণ কৰি অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰিছোঁ আৰু মহাবিদ্যালয়ৰ সকলো দিশৰ উন্নতিৰ কামনা কৰি প্ৰতিবেদনৰ অন্ত পেলালোঁ।

জয়তু বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়, ৰামদিয়া

**স্বপ্না কলিতা**
সাংস্কৃতিক সম্পাদিকা
ছাত্ৰ একতা সভা

# সমাজসেৱা সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাকক্ষণত মহাবিদ্যালয়খনৰ জন্মলগ্নৰেপৰা যিসকল ৰামদিয়াৰ ব্যক্তিয়ে আহোপুৰুষাৰ্থৰূপে সেৱা আগবঢ়াই এই মহান শিক্ষানুষ্ঠানটি জন্ম দিলে তেখেতসকললৈ আমাৰ সশ্ৰদ্ধ আন্তৰিক নিবেদন জনালোঁ লগতে এই অনুষ্ঠানটিৰ সৈতে জড়িত মহান ব্যক্তিসকলৰ যিসকলে (জ্ঞাত-অজ্ঞাত) ইতিমধ্যে এই পৃথিৱীৰপৰা চিৰবিদায় ল'লে সেইসকলৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ।

মহাবিদ্যালয়ৰ ২০১৫-২০১৬ বৰ্ষৰ সমাজসেৱক বিভাগৰ সম্পাদকৰ পদত মোক মনোনীত কৰি মহাবিদ্যালয়খনৰ প্ৰতি সেৱা আগবঢ়োৱাৰ সুযোগ দিয়াৰ বাবে এই সুযোগতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

আমাৰ এবছৰীয়া কাৰ্যকালত সমাজসেৱাৰ দিশত বিশ্ব পৰিৱেশ দিৱস, স্বচ্ছ ভাৰত অভিযান, এ.পি.জে. আব্দুল কালামৰ মৃত্যু বাৰ্ষিকী আৰু মহাবিদ্যালয়ৰ প্ৰত্যেকটো অনুষ্ঠানত গছপুলি ৰোৱাৰ কাৰ্যসূচী ৰূপায়ণ কৰে। বিশ্ব পৰিৱেশ দিৱস, স্বচ্ছ ভাৰত অভিযানত নিজৰ মহাবিদ্যালয়ৰ উপৰিও ওচৰৰ স্কুলত চাফ-চিকুণ কৰা গছপুলি ৰোৱা হৈছিল। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ প্ৰত্যেকটো অনুষ্ঠানতে সম্পূৰ্ণৰূপে সহায় কৰি আহিছোঁ। আমাৰ সমাজখন চাফ-চিকুণ বা পৰিৱেশ সেউজীয়া হৈ উঠিলেহে শাৰীৰিক, সামাজিক, আধ্যাত্মিক আৰু বৌদ্ধিক উৎকৰ্ষ সাধন হ'ব।

সদৌ শেষত, মহাবিদ্যালয়ৰ সমাজসেৱক বিভাগৰ তত্বাৱধায়ক ছাৰৰ লগতে সমূহ ছাৰ-বাইদেউ তথা ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীলৈ কৃতজ্ঞতা জ্ঞাপন কৰি অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয়তু বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়, ৰামদিয়া।

জয়তু 'বিনন্দিয়ান'।

শ্ৰদ্ধাৰে—

**ছালামুদ্দিন আহমেদ**
সমাজসেৱক সম্পাদক
ছাত্ৰ একতা সভা

# ২০১৫-১৬ বৰ্ষৰ মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ উপলক্ষে আয়োজিত বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল

**সাংস্কৃতিক শোভাযাত্ৰা প্ৰতিযোগিতা**

প্ৰথম ঃ মিতুল আলী (দ্বিতীয় ষাণ্মাসিক)
দ্বিতীয় ঃ বৰষা ডেকা (দ্বিতীয় ষাণ্মাসিক)
তৃতীয় ঃ স্বপ্না কলিতা (দ্বিতীয় ষাণ্মাসিক)
নিচুকণি ঃ শ্বেখ ফৰিদ (দ্বিতীয় ষাণ্মাসিক)
বাহৰুল কাজি ইছলাম (চতুৰ্থ ষাণ্মাসিক)
মৰিয়ম খাতুন (দ্বিতীয় ষাণ্মাসিক)
বৰ্ণালী মেধি (চতুৰ্থ ষাণ্মাসিক)

**মেজিক চকী প্ৰতিযোগিতা**

প্ৰথম ঃ মৰিয়ম খাতুন (উঃ মাঃ প্ৰথম বৰ্ষ)
দ্বিতীয় ঃ ৰাবিয়া খাতুন (উঃ মাঃ প্ৰথম বৰ্ষ)
তৃতীয় ঃ বৰষা ডেকা (দ্বিতীয় ষাণ্মাসিক)

**কাণিমণি**

প্ৰথম ঃ চুমি ঠাকুৰীয়া (চতুৰ্থ ষাণ্মাসিক)
দ্বিতীয় ঃ মেৰিনা চুলতানা (উঃ মাঃ প্ৰথম বৰ্ষ)
তৃতীয় ঃ ৰাজু আলী (দ্বিতীয় ষাণ্মাসিক)
চতুৰ্থ ঃ নাচিৰ উদ্দিন আহমেদ (দ্বিতীয় ষাণ্মাসিক)

**ডিচকাছ থ্ৰ' (ল'ৰা)**

প্ৰথম ঃ নাচিৰ উদ্দিন আহমেদ (দ্বিতীয় ষাণ্মাসিক)
দ্বিতীয় ঃ দ্বীপজ্যোতি দাস (দ্বিতীয় ষাণ্মাসিক)
তৃতীয় ঃ নুৰুল হুছেইন (উঃ মাঃ দ্বিতীয় বৰ্ষ)

**বিস্কুইট খোৱা প্ৰতিযোগিতা (ছোৱালী)**

প্ৰথম ঃ চুমি ঠাকুৰীয়া (চতুৰ্থ ষাণ্মাসিক)
দ্বিতীয় ঃ অঞ্জুৱাৰা খাতুন (উঃ মাঃ প্ৰথম বৰ্ষ)
তৃতীয় ঃ ৰাবিয়া খাতুন (উঃ মাঃ প্ৰথম বৰ্ষ)

**বিস্কুইট খোৱা প্ৰতিযোগিতা (ল'ৰা)**

প্ৰথম ঃ ৰাজু আলী (দ্বিতীয় ষাণ্মাসিক)
দ্বিতীয় ঃ হীৰক ডেকা (ষষ্ঠ ষাণ্মাসিক)
তৃতীয় ঃ জয়ন আলী (তৃতীয় ষাণ্মাসিক)
ইফটিকাৰ চৌধুৰী (দ্বিতীয় ষাণ্মাসিক)

**স্কিপিং গাৰ্ল**

প্ৰথম ঃ চুমি ঠাকুৰীয়া (চতুৰ্থ ষাণ্মাসিক)
দ্বিতীয় ঃ ৰাবিয়া খাতুন (উঃ মাঃ প্ৰথম বৰ্ষ)
তৃতীয় ঃ নৱনীতা ঠাকুৰীয়া (দ্বিতীয় ষাণ্মাসিক)

**স্কিপিং বয়**

প্ৰথম ঃ লোহিত ডেকা (চতুৰ্থ ষাণ্মাসিক)
দ্বিতীয় ঃ বংকিম ডেকা (দ্বিতীয় ষাণ্মাসিক)
তৃতীয় ঃ দ্বীপজ্যোতি দাস (দ্বিতীয় ষাণ্মাসিক)

**ওজন দলিওৱা প্ৰতিযোগিতা (ছোৱালী)**

প্ৰথম ঃ ৰাবিয়া খাতুন (উঃ মাঃ প্ৰথম বৰ্ষ)
দ্বিতীয় ঃ জাহানাৰা পাৰবিন (দ্বিতীয় ষাণ্মাসিক)
তৃতীয় ঃ গায়ত্ৰী দাস (চতুৰ্থ ষাণ্মাসিক)

**ডিচকাছ থ্ৰ' প্ৰতিযোগিতা (ছোৱালী)**

প্ৰথম ঃ জাহানাৰা পাৰবিন (দ্বিতীয় ষাণ্মাসিক)
দ্বিতীয় ঃ ভনীমা ডেকা (উঃ মাঃ দ্বিতীয় বৰ্ষ)
তৃতীয় ঃ ওৱেজা খাতুন (উঃ মাঃ প্ৰথম বৰ্ষ)

**ওজন দলিওৱা প্ৰতিযোগিতা (ল'ৰা)**

প্ৰথম ঃ নাজিৰ উদ্দিন আহমেদ (দ্বিতীয় ষাণ্মাসিক)
দ্বিতীয় ঃ ইফটিকাৰ চৌধুৰী (দ্বিতীয় ষাণ্মাসিক)
তৃতীয় ঃ দ্বীপজ্যোতি দাস (দ্বিতীয় ষাণ্মাসিক)

**কেৰম প্ৰতিযোগিতা (দুজনীয়া)**

প্ৰথম ঃ লোহিত ডেকা (চতুৰ্থ ষাণ্মাসিক), অজয় তালুকদাৰ
দ্বিতীয় ঃ ৰাজীৱ ডেকা, অজয় দাস
তৃতীয় ঃ ভাস্কৰ ডেকা, মৃণাল দাস

**গাৰ্লছ ৰুমিং**

প্ৰথম ঃ মেৰিনা চুলতানা (উঃ মাঃ প্ৰথম বৰ্ষ)
দ্বিতীয় ঃ ৰাবিয়া খাতুন (উঃ মাঃ প্ৰথম বৰ্ষ)
জাহানাৰা পাৰবিন (দ্বিতীয় ষাণ্মাসিক)
তৃতীয় ঃ নৱনীতা মেধি (চতুৰ্থ ষাণ্মাসিক)

**বেডমিণ্টন ল'ৰা (দুজনীয়া)**
প্ৰথম ঃ কিশোৰ মেধি, বিতোপণ ঠাকুৰীয়া
দ্বিতীয় ঃ ৰেকিবুদ্দিন, বংকিম ডেকা

**মেমৰী টেষ্ট প্ৰতিযোগিতা (ল'ৰা আৰু ছোৱালী)**
প্ৰথম ঃ জাহানাৰা পাৰবিন (দ্বিতীয় ষাণ্মাসিক)
দ্বিতীয় ঃ অভিজিত ডেকা (চতুৰ্থ ষাণ্মাসিক)
তৃতীয় ঃ মনালিছা ডেকা (দ্বিতীয় ষাণ্মাসিক)

**ক্ৰিকেট**
বিজয়ী দল ঃ চতুৰ্থ ষাণ্মাসিক
নৱজ্যোতি দাস (অধিনায়ক), জিতুমণি দাস, তপন তালুকদাৰ, লক্ষ্যধৰ বৰুৱা, ৰাজি ডেকা, অমৰেন্দ্ৰ, ৰাজু আলী, উৎপল দাস
বিজিত দল ঃ জয়ান আলী (অধিনায়ক), মুক্তাৰ হুছেইন, বাবুৰ আলী, পিয়াৰ আলী, মফিদুল ইছলাম, চৰিফুল ইছলাম, ৰাজু আলী, ৰেকিবুল
মেন অব দ্য চিৰিজ ঃ ৰাজীৱ ডেকা (ৰাণ - ৭৭)

**লং জাম্প (ছোৱালী)**
প্ৰথম ঃ ৰাবিয়া খাতুন (উঃ মাঃ প্ৰথম বৰ্ষ)
দ্বিতীয় ঃ চুমি ঠাকুৰীয়া (চতুৰ্থ ষাণ্মাসিক)
তৃতীয় ঃ অঞ্জুৱাৰা খাতুন (উঃ মাঃ প্ৰথম বৰ্ষ)

**লং জাম্প (ল'ৰা)**
প্ৰথম ঃ মুক্তাৰ হুছেইন (চতুৰ্থ ষাণ্মাসিক)
দ্বিতীয় ঃ মহিদুল ইছলাম (উঃ মাঃ প্ৰথম বৰ্ষ)
তৃতীয় ঃ অভিজিত ডেকা (চতুৰ্থ ষাণ্মাসিক)

**হাই জাম্প (ল'ৰা)**
প্ৰথম ঃ মহিদুল ইছলাম (উঃ মাঃ প্ৰথম বৰ্ষ)
দ্বিতীয় ঃ অভিজিত ডেকা (চতুৰ্থ ষাণ্মাসিক)
তৃতীয় ঃ ৰাজু আলী (চতুৰ্থ ষাণ্মাসিক)

**বেডমিণ্টন (ছোৱালী)**
প্ৰথম ঃ স্বপ্না কলিতা
নন্দিতা ডেকা
দ্বিতীয় ঃ ৰাবিয়া খাতুন (উঃ মাঃ প্ৰথম বৰ্ষ)
তৃতীয় ঃ মেৰিনা চুলতানা (উঃ মাঃ প্ৰথম বৰ্ষ)

**১০০ মিটাৰ দৌৰ প্ৰতিযোগিতা (ল'ৰা)**
প্ৰথম ঃ চৰিফুল ইছলাম (চতুৰ্থ ষাণ্মাসিক)
দ্বিতীয় ঃ চৰিফ আলী (চতুৰ্থ ষাণ্মাসিক)
তৃতীয় ঃ বিতোপণ ঠাকুৰীয়া (চতুৰ্থ ষাণ্মাসিক)
মুক্তাৰ হুছেইন (চতুৰ্থ ষাণ্মাসিক)

**৪০০ মিটাৰ দৌৰ প্ৰতিযোগিতা (ল'ৰা)**
প্ৰথম ঃ আব্দুল হান্নান শইকীয়া (চতুৰ্থ ষাণ্মাসিক)
দ্বিতীয় ঃ জয়ান আলী (চতুৰ্থ ষাণ্মাসিক)
তৃতীয় ঃ হাচান আলী (ষষ্ঠ ষাণ্মাসিক)
অপূৰ্ব বৈশ্য (চতুৰ্থ ষাণ্মাসিক)

**কুকুৰা যুঁজ প্ৰতিযোগিতা (ল'ৰা)**
প্ৰথম ঃ তফজুল হক (চতুৰ্থ ষাণ্মাসিক)
দ্বিতীয় ঃ জয়ান আলী (চতুৰ্থ ষাণ্মাসিক)
তৃতীয় ঃ মুক্তাৰ হুছেইন (চতুৰ্থ ষাণ্মাসিক)

**জেভলিন থ্ৰ' প্ৰতিযোগিতা (ল'ৰা)**
প্ৰথম ঃ মুক্তাৰ হুছেইন (চতুৰ্থ ষাণ্মাসিক)
দ্বিতীয় ঃ খবিৰুল ইছলাম (চতুৰ্থ ষাণ্মাসিক)
তৃতীয় ঃ গুলাপ হুছেইন (দ্বিতীয় ষাণ্মাসিক)

## সাংস্কৃতিক বিভাগৰ বিজয়ীসকল

**লোকগীত**
প্ৰথম ঃ নৱনীতা মেধি (চতুৰ্থ ষাণ্মাসিক)
দ্বিতীয় ঃ বন্দিতা ডেকা (নিচুকণি) (দ্বিতীয় ষাণ্মাসিক)

**বিয়ানাম**
প্ৰথম ঃ স্বপ্না কলিতাৰ দল (দ্বিতীয় ষাণ্মাসিক)
নিচুকণি ঃ নৱনীতা মেধিৰ দল (চতুৰ্থ ষাণ্মাসিক)

**আধুনিক গীত**
প্ৰথম ঃ নৱনীতা মেধি (চতুৰ্থ ষাণ্মাসিক)
দ্বিতীয় ঃ ইফটিকাৰ চৌধুৰী (দ্বিতীয় ষাণ্মাসিক)
তৃতীয় ঃ ইজাজুল হক (দ্বিতীয় ষাণ্মাসিক)

**ভূপেন্দ্ৰ সংগীত**
প্ৰথম ঃ ইফটিকাৰ চৌধুৰী (দ্বিতীয় ষাণ্মাসিক)
দ্বিতীয় ঃ নৱনীতা মেধি (চতুৰ্থ ষাণ্মাসিক)

# COLLEGE GOVERNING BODY

**President**
Dr. Dhruba Jyoti Choudhury, *Controller of Examination, Gauhati University*

**Secretary**
Sri Ashit Kumar Paul *(Ex-Officio), Principal i/c, Binandi Chandra Medhi College, Ramdia*

**Gauhati University Representatives**
Dr. Prabin Chandra Das
Dr. Birinci Kumar Das

**Teacher's Representatives**
Md. Shahidul Islam, *Asst. Professor, Department of English*
Mrs. Bijuli Deka, *Asst. Professor, Department of Education*

**Non-Teaching Representative**
Mr. Ramen Das, *Senior Assistant*

**Doner Member**
Mrs. Madhabi Medhi

**Guardian Members**
Sri Lohit Chandra Deka
Sri Deba Kumar Das
Mrs. Dipti Kalita

# IQAC

| | | |
|---|---|---|
| Convener | : | Satyabati Medhi, *Asst. Prof., Deptt. of Economics* |
| Members | : | Dilip Das, *Asst. Prof., Deptt. of Political Science* |
| | | Jitendra Deka, *Asst. Prof., Deptt. of Political Science* |
| | | Manisha Majumdar, *Asst. Prof., Deptt. of Education* |
| | | Md. Shahidul Islam, *Asst. Prof., Deptt. of English* |
| | | Mukut Pathak, *Asst. Prof., Deptt. of Assamese* |
| | | Dr. Sekhar Jyoti Baishya, *Asst. Prof., Deptt. of Maths* |
| | | Jaya Medhi, *Librarian* |

**Convener of the other Cells**

Research Committee : Meena Kumari Das, *Asst. Prof., Deptt. of Assamese*
Planning Board : Bhadreswar Deka, *Asst. Prof., Deptt. of Assamese*
Academic & Assessment Cell : Jitendra Deka, *Asst. Prof., Deptt. of Political Science*
Journal Publication Board : Mukut Pathak, *Asst. Prof., Deptt. of Assamese*
Library Committee : Jaya Medhi, *Librarian*
Extention Education Unit : Nilotpal Sarma, *Asst. Prof., Deptt. of Assamese*
Alumni Association : Dilip Das, *Asst. Prof., Deptt. of Political Science*
Women Cell : Bijuli Deka, *Asst. Prof., Deptt. of Education*
Grievance & Redressal Cell : Md. Shahidul Islam, *Asst. Prof., Deptt. of English*
Documentation Cell : Mukut Pathak, *Asst. Prof., Deptt. of Assamese*
Purchase Cell : Lalit Chandra Bharali, *Asst. Prof., Deptt. of English*

# Student Union, 2015-16

Vice President : Apurba Baishya
General Secretary : Bankim Deka
Asstt. General Secretary : Mariam Khatun
Magazine Secretary : Mainul Haque Choudhury
Cultural Secretary : Swapna Kalita
Assistant Cultural Secretary : Narjina Nasrin
Debate Secretary : Barasha Deka
Assistant Game Secretary : Ajmal Ali
Social Service Secretary : Salamuddin Ahmed
Boys Common Room Secretary : Iftikar Choudhury
Girls' Common Room Secretary : Sumita Kalita
Literary Secretary : Pritishma Kalita

# List of Incharges of Student Union, 2015-16

President : Ashit Kumar Paul, Principal i/c
Union Incharge : Dilip Das, *Asstt. Professor, Deptt. of Political Science*
Magazine Incharge : Nilotpal Sarma, *Asstt. Professor, Deptt. of Assamese*
Cultural Incharge : Jitendra Deka, *Asstt. Professor, Deptt. of Political Science*
Debate Incharge : Lalit Chandra Bharali, *Asstt. Professor, Deptt. of English*
Game Incharge : Bhadreswar Deka, *Asstt. Professor, Deptt. of Assamese*
Social Service Incharge : Rezzak Ali, *Asstt. Professor, Deptt. of Arabic*
Boys Common Room Incharge : Najrul Islam, *Asstt. Professor, Deptt. of Arabic*
Girls' Common Room Incharge : Darpana Choudhury, *Asstt. Professor, Deptt. of Assamese*
Literary Incharge : Meena Kumari Das, *Asstt. Professor, Deptt. of Assamese*

# Binandi Chandra Medhi College, Ramdia
# Result of the H.S. Final Examinations

| Year | Appeared | Passed |
|---|---|---|
| 2011 | 76 | 70 |
| 2012 | 56 | 44 |
| 2013 | 67 | 64 |
| 2014 | 86 | 85 |
| 2015 | 144 | 133 |
| 2016 | 133 | 128 |

# Binandi Chandra Medhi College, Ramdia
# Result of the B.A. Final Exams. (6th Semester)

| Year | Appeared | Passed |
|---|---|---|
| 2014 | 102 | 99 |
| 2015 | 86 | 67 |
| 2016 | 163 | 128 |

# Teaching and Non-Teaching Staff of the College

**Principal**
Sri Ashit Kumar Paul, *M.A, (Principal i/c)*

**FACULTY MEMBERS**

**English Department**
Lalit Chandra Bharali, *M.A., B. Ed. (HOD)*
Md. Shahidul Islam, *M.A., M. Phil.*
Abdul Majid Ahmed, *M.A. (Double)*

**Assamese Department**
Meena Kumari Das, *M.A. (HOD)*
Bhadreswar Deka, *M.A., M. Phil.*
Darpana Choudhury, *M.A.*
Mukut Pathak, *M.A., M. Phil*
Nilotpal Sarma, *M.A. (Double), B.Ed.*

**Political Science Department**
Dilip Das, *M.A. (Double) (HOD)*
Jitendra Deka, *M.A. (Double), M.Phil.*
Saidur Rahman, *M.A., LL.B.*
Kakoli Das, *M.A., B.Ed.*

**Economics Department**
Satyabati Medhi, *M.A., B.Ed., M.Phil (HOD)*
Thunumoni Talukdar, *M.A., B.Ed.*

**Education Department**
Bijuli Deka, *M.A., B.Ed., M.Phil. (HOD)*
Manisha Majumdar, *M.A., B.Ed.*
Kasturi Das, *M.A., B.Ed., M.Phil*

**History Department**
Abu Lais Ahmed, *M.A. (HOD)*

**Arabic Department**
Rezzak Ali, *M.A. (HOD)*
Nazrul Islam, *M.A.*

**Mathematics Department**
Bishnu Ram Das, *M. Sc. (HOD)*
Dr. Sekhar Jyoti Baishya, *M.Sc., M.Phil., Ph.D.*

**Library Staff**
Jaya Medhi *(Librarian), MLISC, M. Phil.*
Akhil Pathak *(Library Assistant), B.A.*
Dambarudhar Pare *(Bearer)*

**Office Staff**
Ramen Das *(Senior Asstt.), B.A.*
Hasnur Ali Choudhury *(Senior Asstt.), B.A.*
Niva Kalita *(Junior Asstt.), M.A.*
Riten Medhi *(Junior Asstt.), H.S.*
Ramen Medhi *(Junior Asstt.), H.S.*

**Grade IV Staff**
Dilip Deka
Bhubaneswar Deka
Bhanima Mazumdar
Ramesh Ch. Das
Barnali Medhi

## ললিত চন্দ্ৰ ভৰালীৰ 'দ্য ভঠেলী ফেষ্টিভেল অব ৰামদিয়া ঃ এ ষ্টাডী' শীৰ্ষক প্ৰবন্ধৰ লগত সম্পৰ্কিত আলোকচিত্ৰ











# মৌনতাৰ ক'লাজ


BINANDI CHANDRA MEDHI COLLEGE,RAMDIA
বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়,ৰামদিয়া
ESTD-1992,RAMDIA,KAMRUP(ASSAM).
মহাবিদ্যালয় সপ্তাহ,২০১৬ বৰ্ষ
সাংস্কৃতিক শোভাযাত্ৰা